# বি. এইচ্. কলেজ

# আলোচনী

২০০৯-২০১০ ইং বৰ্ষ

22

তত্বাৱধায়ক ঃ
দীপমণি দাস

সম্পাদক ঃ
জাহিদুল ইছলাম

NOT FOR ISSUE

# বি. এইচ্. কলেজ আলোচনী

ষষ্ঠস্ত্রিংশত্তম্ সংখ্যা

২০০৯ - ১০ ইং বৰ্ষ

B. H. COLLEGE LIBRARY
ESTD.: 1966
P.O.:HOWLY::BARPETA::ASSAM

B. H. COLLEGE LIBRARY
Class No. ..................
Book No. ..................
Acc. No. ......22......

দীপমণি দাস
তত্ত্বাৱধায়ক

জাহিদুল ইছলাম
সম্পাদক

# উচর্গা



ঃ জন্ম ঃ
২৩ জানুৱাৰী, ১৯৯০ ইং চন

ঃ মৃত্যু ঃ
১৬ অক্টোবৰ, ২০১০ ইং চন

ভাগি গ'ল বীণ খনি ছিগি গ'ল তাঁৰ
বৈ গ'ল অৱশেষ অমিয়া জোকাৰ।।

ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক বিকী কলিতাৰ মৃত্যু বি. এইচ্. কলেজৰ বাবে অসহনীয়। তেওঁৰ স্বভাৱত প্ৰতিফলিত হোৱা নেতাসুলভ গুণ, মৰমিয়াল কথা-বতৰা আজিও কলেজখনৰ চুকে-কোণে ৰিণিকি বাজি আছে। কিন্তু নিয়তিৰ নিষ্ঠুৰতাই কাঢ়ি লৈ গ'ল এইগৰাকী ছাত্ৰনেতাক।

২০০৯-১০ ইং বৰ্ষৰ বি. এইচ্. কলেজৰ আলোচনীখন এইগৰাকী যুৱ প্ৰতিভা বিকী কলিতাৰ সোঁৱৰণত উচৰ্গা কৰা হ'ল।


ড° হিমন্ত বিশ্ব শৰ্মা
এম এ, এল এল বি, পি এইচ ডি
মন্ত্ৰী
শিক্ষা, স্বাস্থ্য ও পৰিয়াল কল্যাণ
আৰু অসম চুক্তি ৰূপায়ণ বিভাগ

অসম সচিবালয়, দিশপুৰ, গুৱাহাটী- ৬
দূৰভাষ ঃ (০৩৬১) ২২৩৭৩০১ (কাঃ)
২২৩৭০১২(ফেক্স)
২২৬৮৪১৯ (বাঃ)


প্ৰসঙ্গ ঃ ......................

তাৰিখ ঃ ১৩-০২-২০১২ ইং



# শুভেচ্ছা বাণী

বৰপেটা জিলাৰ অন্তৰ্গত বি. এইচ্. কলেজৰ বিগত ২০০৯-১০ ইং বৰ্ষৰ আলোচনী খন প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই সুখী হৈছো। এই কথা অনস্বীকাৰ্য যে এখন মহাবিদ্যালয়ৰ আলোচনীয়ে মহাবিদ্যালয়খনত অধ্যয়নৰত নবীন লেখক-লেখিকা সকলৰ সাহিত্য প্ৰতিভাৰ উৎকৰ্ষ সাধনত প্ৰভূত অৰিহণা যোগায়। তেওঁলোক সকলোৱে মহাবিদ্যালয়ৰ আলোচনীৰ মাধ্যমত নিজৰ নিজৰ সৃজনী প্ৰতিভা বিকাশৰ বাবে পৰ্যাপ্ত সুযোগ পায়।

আশা কৰো, প্ৰকাশ পাবলগীয়া আলোচনীখনে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশত যথেষ্ট বৰঙণি যোগাব। আলোচনীখন সৰ্বাঙ্গ সুন্দৰ হ'ব বুলি আশা কৰাৰ লগতে মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

(হিমন্ত বিশ্ব শৰ্মা)

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

অধ্যাপক অখিল কুমাৰ মেধি
উপাচাৰ্য
*Prof. O. K. Medhi*
*Vice-Chancellor*

☎ : +91-361-2570412 (O)
: +91-361-2570408 (R)
Fax : +91-361-2675515
email : vc_gu@yahoo.in
Website : www.gauhati.ac.in
Gopinath Bardoloi Nagar
Guwahati - 781014, Assam : India
গোপীনাথ বৰদলৈ নগৰ
গুৱাহাটী- ৭৮১০১৪, অসম ঃ ভাৰত

# শুভেচ্ছা বাণী

মই জানিবলৈ পাই সুখী হৈছোঁ যে, বি. এইচ. কলেজৰ বাৰ্ষিক আলোচনী (২০০৯-২০১০ বৰ্ষ) খন প্ৰকাশৰ যো-জা কৰা হৈছে।

মহাবিদ্যালয় এখনৰ সাহিত্য, সংস্কৃতি, অগ্ৰগতি আৰু বিভিন্ন পাৰিসাংখ্যিক তথ্য দাঙি ধৰিবলৈ এখন আলোচনীৰ আৱশ্যক। মোৰ দৃঢ় বিশ্বাস আলোচনীখনে ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত সাহিত্যিক প্ৰতিভা বিকশিত কৰাত সহায় কৰিব।

এই সুযোগতে আলোচনীখনৰ লগত জড়িত কৰ্ম-কৰ্তাসকলৰ শলাগ লৈছোঁ আৰু বি. এইচ. মহাবিদ্যালয়ৰ ভৱিষ্যত উন্নতি কামনা কৰিলোঁ।

তাৰিখ ঃ ১৩-০২-২০১২ ইং

ড° অখিল কুমাৰ মেধি
উপাচাৰ্য
গুৱাহাটী বিশ্ববিদ্যালয়

# তত্ত্বাৱধায়কৰ কলম



আমাৰ মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়েই যদি এনেকুৱা এটা সংকল্প লয় যে মই মোৰ কলেজীয়া জীৱনত অন্ততঃ এটা প্ৰবন্ধ, কবিতা অথবা গল্প আমাৰ কলেজৰ মুখপত্ৰখনত প্ৰকাশ কৰিম— তেনেহ'লে মুখপত্ৰখনে আত্মপৰিচয় বজাই ৰাখি প্ৰকাশ হ'বই হ'ব।

লগতে দৰকাৰ আন এটা সংকল্পৰ। তেওঁলোকে সংকল্প ল'ব লাগে যাতে আলোচনী বিভাগৰ সম্পাদকজনৰ আলোচনী সম্বন্ধে কিছু ধ্যান-ধাৰণা থাকে। তেনে এজন দক্ষ সম্পাদককহে তেওঁলোকে নিৰ্বাচিত কৰিলেহে কথাটো সোণত সুৱগা চৰা হ'ব।

ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি আহক। সংকল্প ল'বলৈ শিকক। সঠিক সিদ্ধান্ত ল'বলৈ শিকক। তেওঁলোকৰ উচিত সংকল্প তথা সৎ সিদ্ধান্ত আমাৰ কলেজৰ বাবে নিশ্চয় এক অমূল্য সম্পদ।

আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ অসমৰ অস্তিত্বৰ বিষয়ে মাত মতাৰ মহান দায়িত্ব আছে।

তেওঁলোকে সমস্যা জৰ্জৰিত অসমৰ সমস্যাসমূহৰ ওপৰত মাত মাতিবলৈ শিকক। নিজৰ 'কেৰিয়াৰ' গঢ়াৰ লগতে অসমৰ ৰাজনৈতিক-অৰ্থনৈতিক-সামাজিক আৰু সাংস্কৃতিক জীৱনৰ অংশীদাৰ হওঁক। অসমক সঁচা অৰ্থত ভাল পাবলৈ শিকক। অসমী আইয়ে তৰুণ প্ৰজন্মৰ পৰা সুসন্তান বিচাৰিছে যাৰ যোগেদি অসমৰ সুনাম বিশ্ব দৰবাৰত সোণালী আখৰেৰে লিখা থাকিব। মহাবিদ্যালয়ৰ আলোচনীখনেই হ'ব পাৰে তেওঁলোকৰ প্ৰথম প্ৰয়াসৰ কঠিয়াতলী। ই হ'ব পাৰে নিজকে সু-সন্তান হিচাপে প্ৰতিষ্ঠা কৰাৰ এক মাধ্যম। প্ৰতিগ্ৰামী ছাত্ৰ-ছাত্ৰী যে প্ৰতিভাসম্পন্ন তাত আমাৰ দ্বিমত নাই। মাথোঁ লাগে উপযুক্ত অনুশীলন।

কিতাপ অবিহনে জীৱন কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। কিতাপেই দিব পাৰে জীৱনবীক্ষা। ছাত্ৰ-ছাত্ৰীসকলে 'পঢ়াৰ অভ্যাস' গঢ়ি তুলিব লাগে। বেছিকৈ পঢ়িলেহে লিখিবলৈ মন যায়।

গোলকীকৰণৰ যুগত ইণ্টাৰনেট অথবা ইলেক্ট্ৰনিক সামগ্ৰীয়ে ছপা মাধ্যমলৈ কিছু প্ৰত্যাহ্বান আনিছে সঁচা কিন্তু ইয়াৰ বাবে ভয় বা শংকাৰ কোনো কাৰণ নাই। ইলেক্ট্ৰনিক বনাম ছপা মাধ্যমৰ শীতল যুদ্ধ সদায় চলিয়েই থাকিব। ইণ্টাৰনেট বা ইলেক্ট্ৰনিক মাধ্যমে নগৰ অঞ্চলত বিশেষ বিস্তৃতি লাভ কৰিলেও গাঁওত বাস কৰা সত্তৰ শতাংশ জনগণৰ মনলৈ আশাৰ সঞ্চাৰ আনিব কেৱল ছপা মাধ্যমৰ অৱদান কিতাপেহে।

সমস্যা আছে। থাকিবও। তথাপি অসমী আইৰ অস্তিত্ব ৰক্ষাৰ তাগিদাত তৰুণ প্ৰজন্মই ওলাই আহক হাতত কলম লৈ। সমস্যা সমাধানৰ নিজস্ব ধ্যান-ধাৰণা ব্যক্ত কৰক। কাৰণ— The pen is mightier than the sword.

ভোগবাদী সভ্যতাৰ বলি হৈ পৃথিৱীৰ ৰঙীণ মায়াজালত বন্দী হৈ নিজৰ সংস্কৃতিৰ পিনে পিঠি দিলে বুৰঞ্জীয়ে আমাক কেতিয়াও ক্ষমা নকৰে।

মই আশাবাদী। কাৰণ মই ৰবাৰ্ট ব্ৰাউনিঙৰ 'The best is yet to be' ত বিশ্বাস কৰোঁ; শেলীৰ 'If Winter comes, can Spring be far behind' শাৰীটোত জীৱনৰ দৰ্শন বিচাৰি পাওঁ আৰু ৰবাৰ্ট ফ্ৰষ্টৰ 'Miles to go before I sleep – Miles to go before I sleep' শাৰী দুটিয়ে আমাৰ কৰ্তব্যৰ প্ৰতি আমাক সকিয়াই দিয়ে বুলি ভাবো।

হে তৰুণ প্ৰজন্ম, তোমালোকক নমস্কাৰ। তোমালোক জাগ্ৰত হোৱা। Patience and gentleness is power. (Leigh Hunt) মনত ৰাখিবা।

মোৰ আছে হিয়াভৰা শুভেচ্ছা।

দীপমণি দাস
তত্ত্বাৱধায়ক
বি. এইচ. কলেজ আলোচনী
২০০৯-১০ ইং বৰ্ষ

# সম্পাদকীয়



সম্পাদকীয়ৰ পাতনিতে আমাৰ মাজৰ পৰা হেৰাই যোৱা অসমীয়া জাতিৰ সাধক সকললৈ শ্ৰদ্ধা জনাইছো।

একোগৰাকী ছাত্ৰ-ছাত্ৰীৰ ঘৰখনেই হৈছে শিক্ষাৰ কঠিয়াতলী। ইয়াৰ পৰৱৰ্তী জীৱন গঢ়াৰ কমাৰশাল হিচাপে শিক্ষানুষ্ঠানসমূহে গুৰুদায়িত্ব পালন কৰি আহিছে। প্ৰাচীন গুৰুকুল শিক্ষা আছিল নৈতিকতা মূল্যবোধসম্পন্ন। বৰ্তমান জ্ঞান-বিজ্ঞানৰ যুগত অৰ্থাৎ একৈশ শতিকাত শিক্ষা হৈ পৰিছে কেৰিয়াৰ সৰ্বস্ব। শিক্ষা তেতিয়াহে পূৰ্ণ হয় যেতিয়া এগৰাকী শিক্ষাৰ্থী প্ৰকৃত মানুহ হিচাপে ওলাই যাব পাৰে। এই ক্ষেত্ৰত মহাবিদ্যালয়-বিশ্ববিদ্যালয়— এই দুই অনুষ্ঠানৰ গধুৰ দায়িত্ব আছে। সেয়েহে পাঠভিত্তিক শিক্ষাৰ লগতে প্ৰতিটো শিক্ষানুষ্ঠানতে আধ্যাত্মিকতাৰ বা মূল্যবোধ সম্পন্ন শিক্ষাৰ পৰিৱেশ সৃষ্টি কৰিব লাগিব।

আজিৰ যুৱ প্ৰজন্ম হৈছে ভৱিষ্যতৰ দ্ৰষ্টা। এখন সমাজ তেতিয়াহে সুস্থ-সবল হয়, যেতিয়া দেশৰ বৃহৎ যুৱ শক্তি পৈণতভাৱে গঢ় লৈ উঠে। আজি বিশ্বজুৰি ভোগবাদৰ যি ধামখুমীয়া লগতে প্ৰকৃত দিশ নিৰ্দেশকাৰী আদৰ্শ ব্যক্তিৰ যি অভাৱ অনুভূত হৈছে, সেয়েহে মূল্যবোধৰ ক্ৰমাৎ স্খলিত ৰূপে সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰিছে। এখন দেশ তথা জাতি তেতিয়াহে সুউচ্চ হয়, সেই দেশৰ যুৱশক্তি সিমানেই বেছি উচ্চ চিন্তাৰ অধিকাৰী হয়। আজিৰ প্ৰজন্মই নিজৰ শিপাক বিসৰ্জন নিদিয়াকৈ কিদৰে পাশ্চাত্যক আঁকোৱালি লৈ দেশ তথা জাতিৰ উন্নতি কৰিব পাৰি, অগ্ৰজসকলে সেই নিদৰ্শন দাঙি ধৰিব লাগিব।

বৰ্তমান সময়ত বিভেদকামী শক্তি আৰু চিন্তাবোৰে আমাক এনেদৰে আবৰি ধৰিছে, আমাৰ হৃদয় যেন খৰাং হৈ পৰিছে। তথাকথিত প্ৰতিযোগিতাৰ নিগনি দৌৰত এক লক্ষ্যহীন দিশলৈ কেৱল দৌৰিছোঁ আৰু ক্ৰমশঃ হেৰুৱাই পেলাইছো মানৱতাবাদ। আজি চকুৰ সন্মুখতে হত্যা, ধৰ্ষণ, লুণ্ঠন আমি সহজে মানি লৈছো। প্ৰত্যেকেই যেন হৈ পৰিছো হৃদয়বিহীন এটি পাষাণমূৰ্ত্তি। অন্যায়-অবিচাৰ সহজে প্ৰত্যক্ষ কৰিছো। এচামে বিলাস বহুলতাত সাঁতুৰি-নাদুৰি আন এচামক শোষণ-বঞ্চনাৰে পিষ্ট কৰিছে। ক'ত হেৰাই গ'ল শঙ্কৰ-আজানৰ সেই উদাৰ মানৱতাবাদ? নিজৰ ঠেক লাভালাভৰ চিন্তাৰে আজি আমি নিজৰ জন্ম ঠাইকে খণ্ড-বিখণ্ড কৰিবলৈ ওলাইছো। একে তেজ-মঙহৰ শৰীৰক আক্ৰমণ কৰিছো। সেয়েহে সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি পুনৰ হাতে হাত মিলোৱাৰ সময় সমাগত। ইতিমধ্যে জোৰ পুৰি-হাত পাইছেহি। প্ৰত্যেক জাতি-জনগোষ্ঠীয়ে তাহানিৰ সোণৰ অসমখন উভতাই আনিব নোৱাৰোনে?

শিক্ষানুষ্ঠানৰ আলোচনী এখনৰ দায়িত্ব লোৱাটো যথেষ্ট কষ্টসিদ্ধ কাম। কিন্তু ছাত্ৰ-ছাত্ৰীৰ সৃজনীমূলক প্ৰতিভাৰ ইয়েই হৈছে এটা প্ৰধান মাধ্যম। লগতে আলোচনী এখনৰ গুণগত মান উন্নত কৰিবলৈ হ'লে লিখনি সমূহৰ মান উন্নত হ'ব লাগে। কিন্তু আলোচনী এখনৰ প্ৰকাশৰ সময়ত উন্নত মানৰ লেখা বিচৰি হাবাথুৰি খাবলগীয়া হয়। ছাত্ৰ-ছাত্ৰীসকললৈ অনুৰোধ এয়ে যে, তেওঁলোকে যেন যথাৰ্থতে সাহিত্য চৰ্চাত ব্ৰতী হয়।

এই ক্ষেত্ৰতে মই সেই সময়ৰ অধ্যক্ষ ড° কুঞ্জ কুসুম কাকতি বাইদেউলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেখেতৰ কাৰ্যকালত মোৰ আলোচনীখনৰ কাম তেনেই চালুকীয়া গতিত আগবাঢ়িছিল। ড° কুঞ্জ কুসুম কাকতি বাইদেউৰ অৱসৰৰ পিছত সম্পাদনা সমিতিখন ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰাণজিৎ কুমাৰ দাস ছাৰে গঠন কৰি মোক আলোচনী প্ৰকাশৰ বাট প্ৰশস্ত কৰি দিয়াৰ কাৰণে তেখেতক বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেখেতৰ কাৰ্যকালত আলোচনীখনৰ কাম পূৰ্ণগতিত চলে। তাৰ পিছতে ড° ভূষণ চন্দ্ৰ পাঠক ছাৰে স্থায়ী অধ্যক্ষ হিচাপে বি. এইচ্ কলেজত যোগদান কৰে। সেয়েহে তেখেতকো বিশেষ পৰামৰ্শদাতা হিচাপে মই কৃতজ্ঞতাৰ শৰাই যাচিলো।

শেষত শ্ৰদ্ধাৰ শ্ৰীযুত দীপমণি দাস ছাৰৰ উদ্যম আৰু কৰ্মপ্ৰেৰণাক শলাগিবলৈ মই ভাষাৰ অভাৱ অনুভৱ কৰিছো। বিভিন্ন ব্যস্ততাৰ মাজতো তেখেতৰ প্ৰেৰণা আৰু পূৰ্ণ সহযোগিতা অবিহনে আলোচনীখনে প্ৰকাশৰ পথ দেখিলেহেঁতেন নে সেয়া সন্দেহৰ বিষয়।

সদৌ শেষত আলোচনীখন প্ৰকাশত বহুতো ভুল-ত্ৰুটি ৰৈ যাব পাৰে তাৰ বাবে আমি সকলোৰে ওচৰত বিনীতভাৱে ক্ষমা প্ৰাৰ্থনা মাগিছোঁ আৰু প্ৰতিজন সদাশয় পাঠকলৈ তথা বৃহৎ বি. এইচ্. কলেজ পৰিয়ালৰ প্ৰতিজন সদস্যলৈ প্ৰণিপাত জনাই মোৰ সম্পাদকীয়ৰ মোখনি মাৰিছোঁ।

জয়তু বি. এইচ্. কলেজ

**জাহিদুল ইছলাম**
সম্পাদক
বি. এইচ্. কলেজ আলোচনী
২০০৯-১০ ইং বৰ্ষ



কৰ্মব্যস্ততাৰ এটি মুহূৰ্তত ২০১১ চনৰ ১ জানুৱাৰীৰ পৰা
ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কৰ্মৰত
মাননীয় শ্ৰীযুত প্ৰাণজিৎ কুমাৰ দাস

# বি. এইচ্. কলেজ ছাত্ৰ একতা সভা ঃ ২০০৯-১০ ইং বৰ্ষ



বাওঁফালৰ পৰা ক্ৰমে (বহি) ঃ
প্ৰবীন আহমেদুৰী (তত্বাৱধায়ক, লঘু খেল বিভাগ), মুন দাস (তত্বাৱধায়ক, গুৰু খেল বিভাগ), শৈলেন কাকতি (তত্বাৱধায়ক, ছাত্ৰ একতা সভা), প্ৰাণজিৎ কুমাৰ দাস (উপাধ্যক্ষ), দীপমণি দাস (তত্বাৱধায়ক, আলোচনী বিভাগ), প্ৰভাত চন্দ্ৰ চৌধুৰী (তত্বাৱধায়ক, সাংস্কৃতিক বিভাগ) আৰু ৰাজকুমাৰী দাস (তত্বাৱধায়ক, ছাত্ৰী জিৰণি কোঠা)।
বাওঁফালৰ পৰা ক্ৰমে (থিয় হৈ) ঃ
সুৰঞ্জন শীল (সম্পাদক, লঘু খেল বিভাগ), পূৰ্ণ কৰ্মকাৰ (সম্পাদক, এথলেটিক বিভাগ), সুবোধ সাহা (সম্পাদক, ছাত্ৰ জিৰণি কোঠা), হাফিজুৰ ৰহমান (সম্পাদক, গুৰু খেল বিভাগ), ভাস্বতী পাঠক (উপ-সভাপতি, ছাত্ৰ একতা সভা), শচী দাস (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা), বিশ্বজিৎ গোস্বামী (সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ), সুমিত কুমাৰ সাহা (সহকাৰী সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা), জাহিদুল ইছলাম (সম্পাদক, আলোচনী বিভাগ), জয়দেৱ সাহা (উপ-সভাপতি, ছাত্ৰ একতা সভা), জহৰুদ্দিন (সম্পাদক, সমাজ সেৱা বিভাগ)।
ফটোত অনুপস্থিত ঃ
ড° কৃষ্ণ কুসুম কাকতি (অধ্যক্ষ), ড° শাজাহান আলী (তত্বাৱধায়ক, এথলেটিক বিভাগ), কুশজিৎ পাঠক (তত্বাৱধায়ক, সমাজ সেৱা বিভাগ), বিমল বসুমতাৰী (তত্বাৱধায়ক, শৰীৰ চৰ্চা বিভাগ), ড° হেমন্ত ডেকা (তত্বাৱধায়ক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ), সদানন্দ নাথ (তত্বাৱধায়ক, ছাত্ৰ জিৰণি কোঠা), "কিকি কলিতা (সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা), জিতুমণি শইকীয়া (সভাপতি, ছাত্ৰ একতা সভা), মনোজ বসুমতাৰী (সম্পাদক, শৰীৰ চৰ্চা বিভাগ), ৰাকেশ কুমাৰ ৰয় (সম্পাদক, সাংস্কৃতিক বিভাগ)।

# বি. এইচ্. কলেজৰ ২০০৯-১০ ইং বৰ্ষৰ আলোচনী সম্পাদনা সমিতি



প্ৰাণজিৎ কুমাৰ দাস
সভাপতি



দীপমণি দাস
তত্বাৱধায়ক



জাহিদুল ইছলাম
সম্পাদক



ৰবীন্দ্ৰ ভট্টাচাৰ্য
সদস্য



দেৱব্ৰত দত্ত
সদস্য



ড° চুলতান আলী আহমেদ
সদস্য



ড° হেমন্ত ডেকা
সদস্য



বনজিৎ শৰ্মা
সদস্য



সুমিত কুমাৰ সাহা
ছাত্ৰ সদস্য



ভাস্বতী পাঠক
ছাত্ৰী সদস্য

# সূচীপত্ৰ

## প্ৰবন্ধ শিতান


| | | |
|---|---|---|
| ❑ ভাৰতবৰ্ষত সাম্প্ৰদায়িকতাবাদ | ➠ আব্দুল মান্নাফ সিকদাৰ | ১ |
| ❑ শিক্ষানুষ্ঠানৰ অনুশাসন ৰক্ষাত শাস্তি | ➠ ড° ভানু নাথ | ৭ |
| ❑ ভাৰতৰ আৰ্থিক সংস্কাৰৰ কুৰি বছৰ (১৯৯১-২০১১) এটি সংক্ষিপ্ত খতিয়ান | ➠ জাহিদুল ইছলাম | ৯ |
| ❑ লোকপিয়ল ২০১১ আৰু ভাৰতৰ জনসংখ্যা | ➠ পুলক নাথ | ১১ |
| ❑ 'জীৱনৰ বাটত' উপন্যাসত প্ৰতিফলিত স্বাধীনতা আন্দোলনৰ প্ৰতিচ্ছবি আৰু তাৰ তাৎপৰ্য্য | ➠ ৰেণু হাজৰিকা | ১৩ |
| ❑ পৰিবেশ প্ৰদূষণ আৰু ইয়াৰ প্ৰতিকাৰ | ➠ জুলে আহমেদ | ১৯ |
| ❑ ভয়াবহ নহ'ব তেতিয়া কৰ্কট | ➠ ত্ৰিলোচন সাহা | ২১ |
| ❑ বাস্তৱৰ কেইটুকুৰামান স্তৱক | ➠ নিৰ্মালি মালাকাৰ | ২৩ |
| ❑ শৰাগুৰি চাপৰি'ৰ কেন্দ্ৰীয় চৰিত্ৰ 'আজান ফকিৰ' ঃ এটি আলোচনা | ➠ বনজিৎ শৰ্মা | ২৫ |
| ❑ সন্ত্ৰাসবাদ আৰু মানৱাধিকাৰ | ➠ মেছেৰ আলী আহমেদ | ২৮ |
| ❑ নাৰী তুমি নিৰ্যাতিতা | ➠ হনুফা নাছৰিন | ৩০ |
| ❑ মানুহৰ স্মৃতি আৰু বিস্মৃতি | ➠ বিজয় সৰকাৰ | ৩১ |
| ❑ ম'বাইল ফোন আৰু ইয়াৰ প্ৰভাৱ | ➠ আব্দুল ওৱাদুদ | ৩৩ |
| ❑ নাৰী শিক্ষা | ➠ দেৱান হুমায়ুন | ৩৪ |
| ❑ ব্যক্তিত্ব | ➠ মৃদুলা দাস | ৩৫ |


## ভ্ৰমণ সাহিত্য আৰু অন্তৰংগ আলাপ


| | | |
|---|---|---|
| ❑ উত্তৰ ভাৰতত কেইদিনমান ঃ চণ্ডীগড়, চিমলা, মনালী আৰু দিল্লী ভ্ৰমণ | ➠ গুণীন কলিতা | ৩৯ |
| ❑ বৰপেটাৰ অখ্যাত ব্যক্তিৰ এক অনন্য জীৱনশৈলীৰ লগত হোৱা অন্তৰংগ আলাপ | ➠ নয়নমণি হাজৰিকা | ৪২ |


## গল্পৰ শৰাই


| | | |
|---|---|---|
| ❑ সময় | ➠ ড° হেমন্ত ডেকা | ৪৯ |
| ❑ ভালপোৱা, জীৱন আৰু মৃত্যু | ➠ ৰশ্মিৰেখা দাস | ৫০ |
| ❑ হেৰোৱা সপোনৰ বিষাদ | ➠ কংকন শৰ্মা | ৫৩ |
| ❑ কল্পনা | ➠ পম্পী সৰকাৰ | ৫৭ |
| ❑ এদল দুষ্ট ল'ৰাৰ কাহিনী | ➠ আশ্ৰাফুল হক | ৫৯ |
| ❑ এটা ত্ৰিকোণ প্ৰেমৰ কাহিনী | ➠ জুৰি কলিতা | ৬১ |
| ❑ চুনামি | ➠ মহম্মদ ৰমিজ উদ্দিন | ৬২ |
| ❑ তেজেৰে ৰাঙলী এই পৃথিৱী | ➠ বিজুৱানা চুলতানা | ৬৩ |
| ❑ সপোন | ➠ মাহবুবুৰ ৰহমান | ৬৫ |


## কবিতা কানন


| | | |
|---|---|---|
| ❑ কান্দোন | ➠ খুৰছেদ আলম | ৬৯ |
| ❑ ভেউকা | ➠ বিনয় ঘোষ | ৬৯ |
| ❑ সংগঠন আৰু এক বিষাদ | ➠ কংকন শৰ্মা | ৭০ |
| ❑ সময় পানীৰ সোঁত | ➠ নিতুপৰ্ণা দাস | ৭১ |
| ❑ তোমাক প্ৰথম দেখাতেই | ➠ সনাতন কৰ্মকাৰ | ৭১ |
| ❑ মাগোঁ তোমাৰ বাবেই | ➠ বিজয় সৰকাৰ | ৭২ |
| ❑ সিটো গলিৰ নাম যন্ত্ৰণা | ➠ জোনাকী দাস | ৭৩ |
| ❑ মানৱ ধৰ্ম | ➠ ড° আব্দুল কাদেৰ আহমেদ | ৭৪ |
| ❑ সৰাপাত | ➠ কৌশিক শৰ্মা | ৭৫ |
| ❑ তুমি আহিবা | ➠ ৰশ্মিৰেখা দাস | ৭৫ |
| ❑ প্ৰবল ধুমুহা | ➠ নিভামণি দাস | ৭৬ |

| | | |
|---|---|---|
| তোমালৈ | চন্দামিতা দাস | ৭৬ |
| দুখ | সুদীপ কর্মকাৰ | ৭৭ |
| পোহৰৰ যাত্ৰা | মিনাক্ষী দাস | ৭৭ |
| মা | মাম্পী সৰকাৰ | ৭৮ |
| জীৱনৰ সুৰ | অনুপম বৰ্মন | ৭৯ |
| বসন্তৰ প্ৰেমিকা | ৰফিকুল ইছলাম | ৮০ |
| তুমি বুকুৰ পথাৰলৈ এবাৰ আহা | মিণ্টু হুছেইন | ৮০ |
| ভাবনা | মনোজ কুমাৰ দাস | ৮১ |
| বিচ্ছুৰিত পথাৰ | পাৰবিন চুলতানা | ৮২ |
| নিসংগতা | ৰুমী কাকতি | ৮২ |
| এতিয়া নতুনৰ বতৰ | কাজী ছাবোৱাৰ হুছেইন | ৮৩ |
| এটি ৰাতিপুৱাৰ আশাত | প্ৰিংকেলা ৰাজবংশী | ৮৪ |
| কবিতা | মঃ ৰাকিবুল হক | ৮৪ |


## অনুবাদ সাহিত্য


| | | |
|---|---|---|
| যৌতুক | ড° চুলতান আলী আহমেদ | ৮৭ |
| শিলাকুটি | জ্যোৎস্নাৰাণী বৰ্মন | ৯২ |


## ENGLISH SECTION


| | | |
|---|---|---|
| Remembering Gandhiji's Model of Governance | Sanatan Kr. Nath | ৯৯ |
| The Negative Impact of Physically Inactive Lifestyle | Prasanjit Roy | ১০২ |
| Gandhiji's Philosophy on Education | Dr. Shahjahan Ali | ১০৩ |
| Tribal social life and custom as reflected in the novel 'Dikton' | Dr. Hemanta Deka | ১০৮ |
| Love and its Evolution | P. C. Debnath | ১১১ |
| Busy Brains | Saurabh Kumar Chaliha | ১১৪ |
| From ball boy to World Champion A Journey of 21 years .... | Kulajit Pathak | ১১৮ |
| Accounting Education and Research: Outlook of Indian Students' | Dr. Bidyut Jyoti Bhattacharjee | ১২১ |
| My Life | Sushmita Das | ১২৫ |
| Don't Call Me Black | Rokibul Islam | ১২৫ |
| I Miss You | Priya Saha | ১২৬ |
| A Reason | Prasanjit Roy | ১২৬ |
| A Girl in Love | Pinky Brahma | ১২৭ |
| My Existence | Ajay Sarkar | ১২৮ |
| Journey | Biswajit Goswami | ১২৮ |
| The Proposal | Kamal Hassan | ১২৯ |
| Friendship | Sushmita Das | ১২৯ |
| A World of Laughter | Manjurul Hoque | ১৩০ |
| My love | Mahibul Islam | ১৩০ |
| প্রতিবেদন আৰু অন্যান্য | | ১৩৩ - ১৪৮ |






# প্ৰবন্ধ শিতান





বি. এইচ্. কলেজ আলোচনী ◆ ২০০৯-১০ ইং বৰ্ষ

# ভাৰতবৰ্ষত সাম্প্ৰদায়িকতাবাদ

❖ আব্দুল মান্নাফ সিকদাৰ
সহযোগী অধ্যাপক, বুৰঞ্জী বিভাগ

সাম্প্ৰদায়িকতাবাদ বৰ্তমানে প্ৰায় সমগ্ৰ ভাৰতবৰ্ষতে বিয়পি পৰিছে। ইয়াৰ ফলত যথেষ্ট ধন-জনৰ ক্ষতি হৈছে। সাম্প্ৰদায়িক সংঘৰ্ষ ভাৰতবৰ্ষত নতুনকৈ উদ্ভৱ হোৱা ঘটনা নহয়। বৃটিছৰ দিনতেই হিন্দু-মুছলমান সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। আৰু সাম্প্ৰদায়িক সংঘৰ্ষৰ বক্তস্নানৰ মাজেদি বিভাজিত স্বাধীন ভাৰত ভূমিষ্ঠ হৈছিল। স্বাধীন ভাৰতত স্বাধীনতাৰ পিছৰ কালছোৱাত তিনি হাজাৰৰো অধিকবাৰ সাম্প্ৰদায়িক সংঘৰ্ষ হৈ গৈছে; লাখ লাখ মানুহ মৃত্যুমুখত পৰিছে। অসমতো ১৯৫০ চনৰ পৰা কেবাবাৰো সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হৈছে। আগতে প্ৰায় প্ৰতিটো ক্ষেত্ৰতে সংঘৰ্ষ হৈছিল একোটা স্থানীয় ঘটনাক কেন্দ্ৰ কৰি আৰু এইবোৰ দীৰ্ঘস্থায়ী হোৱা নাছিল। কিন্তু আজিৰ যুগত সাম্প্ৰদায়িক সংঘৰ্ষ একেটা সময়তে প্ৰায় সমগ্ৰ ভাৰততে বিয়পি পৰা পৰিলক্ষিত হৈছে। এতিয়া এই মাৰাত্মক অভিযান এবাৰ আৰম্ভ হ'লে কেবা মাহলৈকে চলি থকা দেখা যায়।

বিভিন্ন সমাজতত্ত্ববিদ আৰু বুৰঞ্জীবিদে সাম্প্ৰদায়িকতাবাদৰ সংজ্ঞা বিভিন্ন প্ৰকাৰে দিছে। খুব সহজ কথাত "সাম্প্ৰদায়িকতাবাদ হ'ল এনে এটা বিশ্বাস যে, এজন মানুহে এটা বিশেষ ধৰ্মমতক বিশ্বাস কৰিলে তাৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাৰ্থ অভিন্ন হৈ যায়। সাম্প্ৰদায়িকতাবাদ হ'ল সেই বিশ্বাস যিয়ে ভাৰতবৰ্ষত হিন্দু, মুছলিম, খৃষ্টিয়ান আৰু শিখ সকলক স্বতন্ত্ৰ ৰূপত দেখুৱায়। সেই বিশ্বাস অনুসৰি এটা ধৰ্মৰ অনুগামীসকল অকল ধৰ্মীয় স্বাৰ্থৰেই অংশীদাৰ নহয়; বৰঞ্চ তেওঁলোক অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক স্বাৰ্থৰ ক্ষেত্ৰতো অভিন্ন।"

ধৰ্মৰ লগত ৰাজনীতিক যুক্ত কৰিলেহে সাম্প্ৰদায়িকতাবাদৰ উদ্ভৱ হয়। সামন্তবাদী চিন্তাধাৰাই সাম্প্ৰদায়িকতাবাদৰ উৰ্বৰ ভূমি। লক্ষ্য কৰিবলগীয়া বিষয় হ'ল যে, সাম্প্ৰদায়িকতাবাদ এনেকুৱা এটা মতাদৰ্শ যিয়ে ধৰ্মৰ আশ্ৰয় লৈ মধ্যযুগীয় গণ সংগঠনৰ লগত আধুনিক ধ্যান-ধাৰণাৰ সমন্বয় সাধন কৰিব বিচাৰে। মহম্মদ আলী জিন্না ৰাজনৈতিক নেতাহে আছিল, ধৰ্মীয় নেতা নাছিল। জিন্নাই ইংৰাজ শাসকৰ দ্বাৰা প্ৰৰোচিত হৈ ৰাজনৈতিক উদ্দেশ্য চৰিতাৰ্থ কৰাৰ উদ্দেশ্যে ধৰ্মৰ ভিত্তিত মানুহক বিভক্ত কৰি ইছলামিক ৰাষ্ট্ৰ 'পাকিস্তান' প্ৰতিষ্ঠা কৰিছিল। ৰাজনীতিত ধৰ্মীয় উন্মাদনাৰ ফলতেই ১৯৪৬ চনৰ ১৬ আগষ্টত কলিকতাত সংগঠিত হ'ল সাম্প্ৰদায়িক সংঘৰ্ষ, ইতিহাসৰ কলংকিত অধ্যায়। ভাৰতবৰ্ষ আৰু পাকিস্তানৰ স্বাধীনতা আহিল ৩০-৪০ লাখ হিন্দু-মুছলমানৰ তেজেৰে ফাকুৱা খেলি।

সাম্প্ৰদায়িকতাবাদৰ প্ৰবক্তা সকলে দাবী কৰে যে, কোনো বিশেষ ধৰ্মত বিশ্বাসী সকলৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক স্বাৰ্থ বা আচৰণ অভিন্ন। অলপ চিন্তা কৰিলেই বুজা যাব যে, এই দাবী একেবাৰেই অবাস্তৱ, হাস্যকৰ। বাস্তৱ ক্ষেত্ৰত এজন পাঞ্জাবী হিন্দু আৰু এজন অসমীয়া হিন্দুৰ সামাজিক, অৰ্থনৈতিক বা সাংস্কৃতিক দৃষ্টিভঙ্গী একে ধৰণৰ নোহোৱাটোহে স্বাভাৱিক। অন্যহাতেদি এজন পাঞ্জাবী হিন্দু আৰু পাঞ্জাবী মুছলমান বা এজন অসমীয়া হিন্দু আৰু এজন অসমীয়া মুছলমানৰ সামাজিক, অৰ্থনৈতিক আদি ক্ষেত্ৰত আচৰণৰ সাদৃশ্য থকাটোহে স্বাভাৱিক; ধৰ্মীয় বিশ্বাসে এই স্বাৰ্থ বা আচৰণক মুঠেও প্ৰভাৱিত কৰিব নোৱাৰে। অৰ্থনৈতিক ক্ষেত্ৰত এজন হিন্দু শ্ৰমিক আৰু এজন মুছলমান খেতিয়কৰ স্বাৰ্থ আৰু আচৰণ এক আৰু অভিন্ন, ধৰ্মীয় বিশ্বাসৰ বিভিন্নতাই এই স্বাৰ্থক কোনোমতে প্ৰভাৱিত কৰিব নোৱাৰে। ঠিক একেদৰেই এজন হিন্দু পুঁজিপতি আৰু এজন মুছলমান পুঁজিপতিৰ স্বাৰ্থ একেই— উদ্বৃত্ত মূল্য শোষণ আৰু আত্মসাৎ কৰা; ধৰ্মৰ বিভিন্নতাই ইয়াত কোনো প্ৰভাৱ বিস্তাৰ নকৰে।

সাম্প্ৰদায়িকতাৰ ভিত্তিত জাতি আৰু ৰাষ্ট্ৰ গঠনৰ যুক্তিহীনতাৰ

উৎকৃষ্ট ঐতিহাসিক উদাহৰণ হ'ল— পাকিস্তানৰ বিখণ্ডিতকৰণ, ইৰাণ-ইৰাকৰ যুদ্ধ, উপসাগৰীয় যুদ্ধ ইত্যাদি। বাংলাদেশৰ জন্মই দেখুৱাই দিলে ৰাষ্ট্ৰ গঠনত ধৰ্মীয় আবেগ কিমান দুৰ্বল আৰু ভাষাগত সামাজিক, সাংস্কৃতিক আবেগ, অৰ্থনৈতিক স্বাৰ্থৰ ঐক্য, আঞ্চলিকতাবাদ আৰু ধৰ্ম নিৰপেক্ষতাৰ আবেগ কিমান শক্তিশালী।

আগতেই উল্লেখ কৰা হৈছে যে, সাম্প্ৰদায়িকতাবাদ হ'ল আধুনিক মানৱ এক বিকৃত আৰু অনৈতিহাসিক মতাদৰ্শ— যাৰ ভিত্তি হ'ল মধ্যযুগীয় চিন্তা-চেতনা আৰু সদ্য আধুনিক ৰাষ্ট্ৰ গঠন অৰ্থাৎ সামন্ত ব্যৱস্থাৰ লগতে বুৰ্জোৱা গণতান্ত্ৰিক ব্যৱস্থাৰ এটা সমন্বয় সাধনৰ প্ৰচেষ্টা যাৰ মাজত অন্তৰ্বিৰোধ আৰু অসংগতি প্ৰকাশ হৈ থকাটো বাধ্য। এনেকুৱা মতাদৰ্শৰ সূত্ৰপাত তাতেই হোৱা সম্ভৱ হ'ত সামন্ততান্ত্ৰিক ব্যৱস্থা একেবাৰে নিৰ্মূল হোৱা নাই, অন্যহাতে বুৰ্জোৱা গণতান্ত্ৰিক ব্যৱস্থাই একেবাৰে নিৰংকুশভাৱে গা-কৰি উঠা নাই। সাম্প্ৰদায়িকতাবাদ বিকাশৰ এনে এটা আদৰ্শ উৰ্বৰ ভূমি হ'ল ঔপনিবেশিক ব্যৱস্থা, য'ত পুঁজিবাদ স্বাভাৱিক গতিৰে সামন্তবাদক উৎখাত কৰি বাণিজ্য বিকাশৰ পৰিস্থিতি হিচাপে উদ্ভূত নহয়, যিদৰে ইউৰোপত হৈছে। উপনিবেশবোৰত সামন্তবাদ উৎখাত নকৰাকৈয়ে তাৰ কান্ধতে ওপৰত পুঁজিবাদ স্থাপন কৰা হৈছে। সেয়েহে ইউৰোপত সাম্প্ৰদায়িকতাবাদে কেতিয়া সমস্যাৰ সৃষ্টি কৰিব পৰা নাই। অৱশ্যে বিশেষ পৰিস্থিতি আৰু মতাদৰ্শৰ বাবে প্ৰায় এক দশক কালৰ বাবে জাৰ্মানীত ইয়াৰ প্ৰতিক্ৰিয়া হৈছিল (হিটলাৰৰ দিনত)।

ওপৰত আলোচনা কৰাৰ দৰে সামন্তবাদী অৱশেষৰ ওপৰতেই বিকৃতভাৱে পুঁজিবাদী বিকাশ ঘটা উপনিবেশবোৰত সাম্ৰাজ্যবাদী সকলে বিভাজন আৰু শাসন নীতি (Divide and rule policy) প্ৰয়োগ কৰি সাম্প্ৰদায়িকতাক উগ্ৰতৰ কৰি তোলে। এই নীতি অনুযায়ী সাম্ৰাজ্যবাদী সকলে ঔপনিবেশিক জনসাধাৰণৰ বিভেদ বা বিভেদ যত্ন সহকাৰে উৎসাহ দি বৈষম্য আৰু শত্ৰুতাত পৰিণত কৰাৰ চেষ্টা কৰে। উদ্দেশ্য এটাই— যাতে সাম্ৰাজ্যবাদী শোষণৰ বিৰুদ্ধে জনসাধাৰণ ঐক্যবদ্ধ হ'ব নোৱাৰে। যেতিয়া ঔপনিবেশিক দেশৰ জনগণে সাম্ৰাজ্যবাদী শাসন আৰু শোষণৰ বিৰুদ্ধে ৰাজনৈতিক সংগ্ৰামৰ পথ লয় তেতিয়াই এই বৈষম্য আৰু বিভেদেই একেবাৰে নগ্ন ৰূপ ধাৰণ কৰে। এইটোৱে সাম্ৰাজ্যবাদী শাসন কৰ্তাই ব্যৱহাৰ কৰা এটা সাৰ্বজনীন কৌশল বা নীতি।

এটা কথা ঠিক যে, সাম্প্ৰদায়িক মনোভাৱৰ উচটাই দি সাম্প্ৰদায়িকতাৰ বিকাশ ঘটোৱাতো যিমানেই কম পৰিমাণৰ হওক সেই মানসিকতাটো সমাজত থাকিবই লাগিব। ভাৰততো সেই স্বতন্ত্ৰতাবোধ সম্পূৰ্ণ অনুপস্থিত নাছিল; যদিও সেয়া কেতিয়াও প্ৰাক-বৃটিছ ভাৰতত সাম্প্ৰদায়িক সংঘৰ্ষৰ কাৰণ হৈ উঠা নাছিল। কাৰ্যতঃ চিন্তা-চেতনাত অৰ্ধদিন প্ৰবাহিত হৈ থকা এনে ধৰণৰ স্বতন্ত্ৰতাবোধকেই ভিত্তি কৰি ভাৰতত সাম্প্ৰদায়িকতাবাদে বিকাশ লাভ কৰিছে।

**ভাৰতত বৃটিছৰ ভেদনীতি আৰু সাম্প্ৰদায়িকতাবাদ ঃ**

ভাৰতত ধৰ্মক ৰাজনীতিৰ লগত মিহলাই সাম্প্ৰদায়িকতাৰ বীজ সিঁচিছিল বৃটিছ চৰকাৰে। এই দেশত অতীততো বৌদ্ধ আৰু হিন্দু ধৰ্মৰ মাজত ধৰ্মগত মতভেদ আৰু আৰু সংঘাত নথকা নহয়। পিছৰ যুগত মুছলমান ৰজা আৰু বাদশাহ সকলৰ ক্ষমতা প্ৰতিষ্ঠিত হোৱাৰ পিছত হিন্দু-মুছলমানৰ মাজত ধৰ্মগত কাৰণত পাৰস্পৰিক অবিশ্বাস আৰু মতভেদ চলি থাকিলেও 'সাম্প্ৰদায়িকতা' নাছিল। অৰ্থাৎ ধৰ্মক ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰাৰ কূটনীতি চলা নাছিল। মুঘল বাদশ্বাহ ঔৰংজেব আৰু জীৱনীত পুত্ৰেক বাহাদুৰক পৰামৰ্শ দি গৈছিল যে, 'ভাৰত মুছলমানৰ দেশ নহয়, ইয়াত হিন্দুৰ বিপুল সংখ্যাগৰিষ্ঠতা হৈ আছে; গতিকে ইয়াত সকলো ধৰ্মৰ অধিকাৰ মানি লৈ দেশ শাসন কৰিবা, নহ'লে ক্ষমতাত টিকি থাকিব নোৱাৰিবা।' ৰাজা ৰামমোহন ৰায়ে ১৮২৮ চনত বৃটিছৰ আকবৰ বৃটিছে ভাৰতীয় সকলক নিয়োগ নকৰাৰ বাবে আপত্তি দৰ্শাই লিখিছিল যে, পূৰ্ববৰ্তী মুছলমান সম্ৰাটসকলেও আনকি হিন্দু সকলক প্ৰধান সেনাপতি, প্ৰদেশৰ শাসপাল, কেন্দ্ৰীয় মন্ত্ৰী আদি সকলো পদতে নিযুক্ত কৰিছিল। আনকি সম্ৰাট ঔৰংজেবেও হিন্দু সেনানায়ক ৰামসিংহক প্ৰধান সেনাপতিৰ পদ দিছিল আৰু কেবাটাও হিন্দু মন্দিৰ পুনৰ্নিৰ্মাণৰ বাবে অনুদান আগবঢ়াইছিল।

বৃটিছ-ভাৰতত সাম্প্ৰদায়িকতাবাদে গা কৰি উঠাৰ কাৰণবোৰ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি। (১) জাতীয় ক্ষেত্ৰত অসম বিকাশৰ ফলত হিন্দু সমাজৰ অৰ্থনৈতিক অগ্ৰগতি আৰু মুছলমান মধ্যবিত্ত শ্ৰেণীৰ সংকট হতাশা আৰু অৰ্থনৈতিক স্বাৰ্থ ৰক্ষাৰ দাবী।





(২) বিভেদ সৃষ্টিৰ সাম্ৰাজ্যবাদী কৌশল আৰু (৩) সাম্ৰাজ্য-বাদ বিৰোধী আন্দোলনত পুনৰুত্থানবাদী নেতৃত্বৰ ব্যৰ্থতা।

ভাৰতত বৃটিছে ৰাজনৈতিক ক্ষমতা দখল কৰিছিল মোগলসকলৰ হাতৰ পৰা। ইয়াৰ ফলত মধ্যবিত্ত শ্ৰেণীৰ মুছলমানসকলে কেতিয়াও ইংৰাজৰ লগত সহযোগিতা কৰিব বিচৰা নাছিল। ফলত শাসন কাৰ্য পৰিচালনা কৰিবলৈ ইংৰাজসকলে যি শিক্ষা ব্যৱস্থা প্ৰচলন কৰিলে তাৰ পৰা মুছলমানসকল বঞ্চিত হ'ল আৰু হিন্দুসকলে এই সুযোগ গ্ৰহণ কৰি ইংৰাজী শিক্ষা ব্যৱস্থাৰ লগত সহযোগিতা কৰিলে আৰু ইংৰাজী শিক্ষাৰে শিক্ষিত এক নতুন মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ হ'ল। এই শ্ৰেণীটো প্ৰশাসনিক আৰু ব্যৱসায়-বাণিজ্য ইত্যাদি কামত নিযুক্ত হৈ দক্ষ হৈ উঠিল। হিন্দু সম্প্ৰদায়ৰ এইশ্ৰেণীসকলে ঊনবিংশ শতাব্দীৰ তৃতীয় ভাগ পৰ্যন্ত চৰকাৰী অনুগ্ৰহ লাভ কৰি থাকিল। ইংৰাজী শিক্ষাৰ ক্ষেত্ৰত মুছলমান সকল পিছ পৰি থকাৰ আন এটা ডাঙৰ কাৰণ হ'ল— ইংৰাজসকলে মুছলমান অধ্যুষিত উত্তৰ ভাৰত দখল কৰিছিল বহু পিছত। উত্তৰ ভাৰত দখল কৰাৰ বহু আগেয়ে তেওঁলোকে পূব, পশ্চিম আৰু দক্ষিণ ভাৰতৰ উপকূল অংশ দখল কৰিছিল আৰু ইংৰাজী শিক্ষা ব্যৱস্থাৰ প্ৰচলন কৰিছিল। এই সুযোগ উত্তৰ ভাৰতত বসবাস কৰা মুছলমান সকলে পোৱা নাছিল। সেয়েহে যেতিয়া মুছলমান মধ্যবিত্ত শ্ৰেণীটো পাশ্চাত্য শিক্ষাত শিক্ষিত হৈ প্ৰশাসনিক আৰু অন্যান্য কাম-কাজৰ বাবে উপযুক্ত হৈ উঠিছিল, তেতিয়ালৈকে সেই ক্ষেত্ৰবোৰ শিক্ষিত হিন্দুসকলৰ দ্বাৰা অধিকাৰ কৰা হৈ গৈছিল। এই পৰিস্থিতিত ছিয়দ'ৰ নেক আৰু খাঁৰ হৈয়দ আহমদৰ নেতৃত্বত আলিগড় আন্দোলন গঢ়ি উঠিল আৰু সাম্প্ৰদায়িক সংৰক্ষণ ব্যৱস্থাৰ দাবী শক্তিশালী হৈ উঠিল— মুছলমানসকলৰ বাবে প্ৰতিযোগিতাহীন ক্ষেত্ৰ লাভ কৰাৰ আশাত। অৰ্থাৎ ধৰ্ম নিৰপেক্ষ অৰ্থনৈতিক স্বাৰ্থ সিদ্ধিৰ বাবে সাম্প্ৰদায়িকতাবাদক সমৰ্থন লগাব বিচৰা হ'ল।

ভাৰতত সাম্প্ৰদায়িকতাবাদৰ বিকাশৰ দ্বিতীয় আৰু অতিশয় গুৰুত্বপূৰ্ণ কাৰণ হ'ল বিভেদ সৃষ্টিৰ সাম্ৰাজ্যবাদী কৌশল। আগতেই উল্লেখ কৰা হৈছে যে, ভাৰতত ইংৰাজসকলক মুছলমান মধ্যবিত্ত শ্ৰেণীটোৱে খুব ভাল ভাৱে ল'ব পৰা নাছিল। কাৰণ, শাসন ক্ষমতা কাঢ়ি লোৱাৰ পিছত দিল্লীৰ মোগল সম্ৰাটৰ পৰা আৰম্ভ কৰি মুছলমান সামন্ত ৰজা আৰু জমিদাৰ সকলকে উৎখাত হৈছিল। এইবোৰ কাৰণৰ বাবেই ইংৰাজ সকলেও মুছলমান সকলক সহজভাৱে ল'ব পৰা নাছিল। এই অৱস্থা ঊনবিংশ শতাব্দীৰ সত্তৰ-আশীৰ দশকলৈ বিৰাজ কৰিছিল। বৃটিছ সাম্ৰাজ্যবাদীয়ে লক্ষ্য কৰিছিল যে ভাৰতীয় সকলৰ মাজত বিভেদ-বৈষম্য সৃষ্টি নকৰাকৈ ভাৰতত সাম্ৰাজ্যবাদী শাসন-শোষণ কৰ্তাই কৰা সম্ভৱ নহয়। পলাশী যুদ্ধৰ এক শতিকা কাল পিছত ১৮৫৭ চনৰ 'চিপাহী বিদ্ৰোহ' নামে জনাজাত ভাৰতৰ প্ৰথম বৃটিছ শাসন বিৰোধী স্বাধীনতা যুদ্ধৰ পিছতেই এই সত্য প্ৰকট হৈ পৰিল। এই যুদ্ধৰ পিছতেই প্ৰায় কুৰি বছৰ মানলৈকে বৃটিছে মুছলমানসকলৰ ওপৰত তীব্ৰ অত্যাচাৰ চলাই হিন্দু বিদ্বেষী কৰি তুলিবলৈ সক্ষম হৈছিল। একেই কৌশল প্ৰয়োগ কৰি তেওঁলোকে আশীৰ দশকৰ পৰা মুছলমানপ্ৰেমী হৈ পৰিছিল। এনেদৰেই ১৮৫৭ চনৰ বিদ্ৰোহৰ পাছৰ পৰা বৃটিছ সাম্ৰাজ্যবাদীয়ে এবাৰ হিন্দু প্ৰীতি আৰু এবাৰ মুছলমান প্ৰীতি দেখুৱাই হিন্দু-মুছলমানৰ মধ্যবিত্ত শ্ৰেণীৰ মাজত বিদ্বেষৰ সৃষ্টি কৰিছিল। এনে এটি ঐতিহাসিক প্ৰেক্ষাপটতেই বৃটিছ সাম্ৰাজ্যবাদীৰ সহায়ত মুছলিম লীগৰ জন্ম হয় ১৯০৬ চনৰ ৩০ ডিচেম্বৰত। তাৰ আগে আগে ১৯০৫ চনত মুছলমান প্ৰধান ৰাজ্য এখন সৃষ্টি কৰাৰ বাবে বংগভংগ কৰি পূব বাংলাক অসমৰ লগত সাঙুৰি দিয়া হ'ল। বংগভংগৰ বিৰুদ্ধে বিপুল আন্দোলন গঢ়ি উঠিল; কিন্তু পূব বাংলাৰ মুছলমান জনগণক বৃটিছে আতিশয় কৰিবলৈ সক্ষম হৈ হিন্দু-মুছলমানৰ সম্পৰ্কক সম্পূৰ্ণ তিক্ত কৰি পেলালে। ১৯০৯ আৰু ১৯১৯ চনত বৃটিছে শাসন সংস্কাৰৰ নামত মুছলমানৰ বাবে পৃথক ভোট আৰু পৃথক সংৰক্ষিত সমষ্টিৰ নীতি কাৰ্যকৰীয়ঃ কৰিলে। মুছলিম লীগৰ জন্ম দি বৃটিছে সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামৰ ক্ষেত্ৰত এটা ভাৰসাম্য সৃষ্টি কৰিলে। ১৯০৯ চনৰ মৰ্লে-মিণ্টো সংস্কাৰৰ বাবে পৃথক নিৰ্বাচনী ব্যৱস্থাৰ দাবী উত্থাপন কৰিছিল আগা খাঁই মুছলীম লীগৰ পক্ষৰ পৰা। কিন্তু লেডী মিণ্টোৰ ডায়েৰীৰ পৰা জনা যায় যে, দাবীটো উত্থাপন কৰোৱা হৈছিল বৃটিছ সাম্ৰাজ্যবাদৰ দ্বাৰা। পৃথকত্বৰ বাহিৰে মুছলমানৰ কাৰণে ভাৰতত আন কোনো পথ নাই, এই মনোভাৱক বৃটিছে কেবা দশক ধৰি গঢ়ি তুলিলে! বৃটিছে ভাৰতবৰ্ষক বিভাজন কৰি ভাৰত আৰু পাকিস্তানৰ ভিতৰত আৰু দুই দেশৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষৰ গুটি নতুনকৈ সিঁচি আৰু দুয়ো দেশতেই পৰোক্ষভাৱে সাম্ৰাজ্যবাদী

মুক্তিৰ ব্যৱস্থা দিয়াগৈ ধৰি ১৯৪৭ চনত খণ্ডিত কৰা হ'ল।

তৃতীয়তে, কোনো বাহুল্য যে মুক্তি সংগ্ৰামৰ আদৰ্শৰ লগত হিন্দু ঐতিহ্যমূলক ধৰ্মবোধৰ মিহলি চিন্তা-চৰ্চাক যুক্ত কৰাৰ পৰা মুছলমান জনগণৰ গ্ৰহণযোগ্য হোৱা নাছিল; বৰঞ্চ তেওঁলোকৰ মনত স্বাধীনতাৰ লক্ষ্য সম্পৰ্কত সংশয় সৃষ্টিৰ কাৰণ হৈ পৰিছিল। এই ক্ষেত্ৰত ভাৰতৰ মুখ্য ৰাজনৈতিক দল হিচাপে কংগ্ৰেছৰ দায়িত্ব আছিল সৰ্বাধিক। অন্যান্যৰ দৰে কংগ্ৰেছৰ নেতৃবৰ্গ ইয়াৰ সম্পৰ্কত অজ্ঞ নাছিল। তথাপি সেই যুগতেই জাতীয় আন্দোলনৰ পিতৃপুৰুষ তুল্য নেতা লোকমান্য বাল গংগাধৰ তিলকে 'জাতীয় উৎসৱ' হিচাপে মহাৰাষ্ট্ৰত সিদ্ধিদাতা গণেশৰ পূজা প্ৰৱৰ্তন কৰিছিল। তিলকে মুছলিম শাসকসকলৰ বিৰুদ্ধে হিন্দু ভাৰতৰ মুক্তি সংগ্ৰামৰ বীৰ যোদ্ধা স্বৰূপে শিৱাজী উৎসৱকো প্ৰৱৰ্তন কৰিছিল। আনকি বংগৰ বিপ্লৱী যুগান্তৰ দলৰ মুখ্য নেতা অৰবিন্দ ঘোষেও ভাৰতৰ স্বাধীনতাক হিন্দু সভ্যতাৰ নৱ জাগৰণ ৰূপে গণ্য কৰিছিল। আনহাতেদি পৰৱৰ্তী কংগ্ৰেছৰ সাংগঠনিক নীতি, প্ৰস্তাৱসমূহ আৰু প্ৰতিবেদন আদিত ধৰ্ম নিৰপেক্ষতাৰ নীতি অনুসৰণ কৰা হৈছিল যদিও, ব্যাপক জনসাধাৰণৰ এই বক্তব্য পোৱা নাছিল; গতিকে বুজিব পৰা নাছিল। পৰৱৰ্তী দশকত কংগ্ৰেছত গান্ধীজীৰ নেতৃত্ব প্ৰতিষ্ঠা হোৱাৰ যুগত 'ৰামৰাজ্য', 'ৰামধুন' আদি আৰু আনফালে 'আত্মশুদ্ধি', 'ব্ৰহ্মচৰ্য' আদি হিন্দু নৈতিকতাৰ ধাৰণাক গান্ধীজীয়ে জাতীয়তাৰ আদৰ্শৰ লগত মিহলাই দিছিল। এইবোৰ মুছলমান জনসাধাৰণৰ পক্ষে গ্ৰহণযোগ্য হোৱা নাছিল। বৰঞ্চ বুদ্ধিজীৱী আৰু মুছলমান গোড়াপন্থী সকলক এইবোৰ ধ্যান-ধাৰণাই মুছলমান জনগণৰ মনত পৃথকত্বৰ মনোভাৱ গঢ়ি তুলিবলৈ হেঁপাহ উদিয়াই দিছিল।

মতভেদৰ সূত্ৰপাত হোৱা সত্ত্বেও ১৯২১ চনত গান্ধী আৰু মহম্মদ আলী-চৌকত আলী ভাতৃদ্বয়ৰ নেতৃত্বত বৃটিছ বিৰোধী অসহযোগ আৰু খিলাফত আন্দোলন সংগঠিত হয়। হিন্দু-মুছলমানৰ মিলিত ঐক্যবদ্ধ আন্দোলনে বৃটিছ চৰকাৰক আতংকিত কৰি তুলিলে। সেই সময়তে চৌৰি-চৌৰাত থানা জনগণে আক্ৰমণ কৰি পুলিচ নিধন আৰু কেইজনমান পুলিচৰ প্ৰাণনাশৰ হিংসাত্মক ঘটনাক নিন্দা কৰি গান্ধীজীয়ে একপক্ষীয় সিদ্ধান্তৰ যোগেদি আন্দোলন প্ৰত্যাহাৰ কৰি ল'লে। এই ঘটনাত জাতীয়তাবাদী মুছলমান নেতাসকলে সহজভাৱে মানি ল'ব নোৱাৰিলে। পৰৱৰ্তী কংগ্ৰেছ অধিৱেশনত মুছলমান নেতা হজৰত মোহানীয়ে ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ দাবী দাঙি ধৰিছিল। গান্ধীজীৰ তীব্ৰ বিৰোধিতাত এই প্ৰস্তাৱ নাকচ হৈছিল। এইবোৰ ঘটনাই জাতীয়তাবাদী মুছলিম নেতৃবৰ্গক হতাশ আৰু কংগ্ৰেছৰ নেতৃত্বৰ লক্ষ্য সম্পৰ্কে সন্দেহাচ্ছন্ন কৰি তুলিছিল। এই অৱস্থাৰ পূৰ্ণ সুযোগ ল'লে বৃটিছ আৰু সিহঁতৰ মুছলীম প্ৰতিক্ৰিয়াশীল সহায়কসকলে। ১৯২৩ চনতেই হিন্দু-মুছলিম ঐক্যৰ সম্ভাৱনাক ব্যাপক সংঘৰ্ষৰ জুয়ে পুৰি ছাই কৰি দিলে। বিপুল সংখ্যাগৰিষ্ঠতা থকা হিন্দু সমাজৰ ওপৰত সেই যুগত পুঁজিপতি-ভূস্বামী শ্ৰেণীৰ প্ৰবল প্ৰভাৱ আছিল। কংগ্ৰেছ আছিল এই শ্ৰেণীবোৰৰ ৰাজনৈতিক দল। কংগ্ৰেছৰ ওপৰত এই শ্ৰেণীবোৰৰ যথেষ্ট প্ৰভাৱ থকাৰ ফলত জাতীয় ঐক্য গঠনৰ বিষয়ত কংগ্ৰেছ নেতৃত্বই দৃঢ় অৱস্থান ল'ব পৰা নাছিল। ভাৰতত ধৰ্মীয় সংখ্যালঘু সকলৰ আশংকা আঁতৰ কৰাৰ বাবে হি দূৰদৰ্শিতা আৰু উদাৰ নীতিৰ প্ৰয়োজন আছিল, হিন্দু প্ৰধান মনোভাৱৰ প্ৰতি কংগ্ৰেছ সেইমতে নীতি লোৱাৰ সাহস গোটাব পৰা নাছিল। এই বিচ্যুতিৰ পূৰ্ণ সুযোগ ল'লে বৃটিছ আৰু মুছলিম পুঁজিপতি আৰু ভূস্বামী শ্ৰেণীয়ে। সিহঁতে শক্তিশালী হিন্দু পুঁজিপতি শ্ৰেণীৰ প্ৰবল প্ৰতিযোগিতাৰ পৰা সম্পূৰ্ণ পৃথক মুক্ত ৰাষ্ট্ৰ গঠনক অবাধ শোষণ চলোৱাৰ পথ বুলি ধৰি লৈছিল। মুছলিম মধ্যবিত্ত আৰু বুদ্ধিজীৱী শ্ৰেণীয়েও প্ৰবল হিন্দু প্ৰতিযোগিতাৰ পৰা মুক্ত হোৱাৰ লক্ষ্যৰে পৃথক ৰাষ্ট্ৰ 'পাকিস্তান' ধৰিব উগ্ৰ সমৰ্থক হৈ পৰিল।

**স্বাধীনতাৰ পৰৱৰ্তী অধ্যায়:**

কংগ্ৰেছৰ নেতৃত্বই ভাৰত বিভাজনৰ সিদ্ধান্ত প্ৰশমিত কৰাৰ বাবে বাঁহৰ এই বুলি আশ্বস্ত কৰিছিল যে, দেশ বিভাজনৰ ফলত সাম্প্ৰদায়িক সমস্যাৰ চিৰদিনৰ বাবে শেষ পৰিব। কিন্তু স্বাধীন ভাৰতবৰ্ষত সাম্প্ৰদায়িক ৰাজনীতি শেষ হৈ নাথাকিল, বৰঞ্চ আগতকৈ শক্তিশালী হ'ল। প্ৰথমবাৰৰ বাবে এই কথাৰ প্ৰমাণ পোৱা গ'ল আৰ-এছ-এছৰ কৰ্মী নাথুৰাম গডছেৰ দ্বাৰা মুছলমানৰ প্ৰতি পক্ষপাতিত্ব কৰাৰ বাবে মহাত্মা গান্ধীক হত্যা কৰা ঘটনাৰ মাজত। তাৰ পিছৰ ৪৩ বছৰত আসামকে ধৰি সমগ্ৰ ভাৰতবৰ্ষত কেবা হাজাৰবাৰ হিন্দু-মুছলমানৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হৈছে। আশীৰ দশকত সৰ্বাধিক সংখ্যক সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হৈছে। এই দশকৰ শেষৰ ফালে উগ্ৰ সাম্প্ৰদায়িকতাবাদী সকলৰ দ্বাৰা বিয়ালেই ৰাম জন্মভূমি-বাবৰি-ই-মছজিদ বিতৰ্কক উগ্ৰ কৰি তোলা হৈছে, সিয়ালেই হিন্দু-মুছলমানৰ সংঘৰ্ষৰ সংখ্যা আৰু বিস্তৃতি বাঢ়ি গৈছে যাৰ চৰম পৰিণতি স্বৰূপে ১৯৯২ চনৰ ৬ ডিচেম্বৰ তাৰিখে অযোধ্যাৰ ঐতিহাসিক বাবৰি-ই-মছজিদ ধ্বংসস্তূপত পৰিণত হোৱাৰ লগে লগেই ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত সাম্প্ৰদায়িকতাৰ লেলিহান শিখা আকৌ এবাৰ ভয়ানকভাৱে জ্বলি উঠিল।

যিসকলে ধৰ্মীয় উন্মাদনা প্ৰথমাই তুলিছে তেওঁলোকৰ উদ্দেশ্য হৈছে ধৰ্মৰ আৱৰণেৰে ভাৰতবৰ্ষৰ ৰাজনৈতিক ক্ষমতা দখল কৰা। এই ৰাজনৈতিক নেতাসকল কোনো ধৰ্মীয় গুৰু নহয়। যিসকল সঁচাকৈয়ে ধাৰ্মিক, তেওঁলোক কেতিয়াও সাম্প্ৰদায়িক হ'ব নোৱাৰে। ৰামকৃষ্ণ পৰমহংস, স্বামী বিবেকানন্দ, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, ৰবীন্দ্ৰ নাথ ঠাকুৰ, সুভাষ চন্দ্ৰ বসু চেতনাৰ তুলনাত কম হিন্দু নাছিল, কিন্তু এক বিন্দুও সাম্প্ৰদায়িক নাছিল। একেদৰেই আমি ক'ব পাৰো মৌলানা আবুল কালাম আজাদ আৰু সীমান্ত গান্ধী খান আব্দুল গফুৰ খানৰ কথা, যিসকল আছিল অসাম্প্ৰদায়িক আৰু জাতীয়তাবাদী; মহম্মদ আলী জিন্নাৰ দৰে সাম্প্ৰদায়িক নাছিল।

ভাৰতবৰ্ষৰ সংবিধান মতে গণতন্ত্ৰ, ধৰ্মনিৰপেক্ষতা আৰু যুক্তৰাষ্ট্ৰিক ভাৰতবৰ্ষৰ অঙ্গ ৰাজ্যসমূহৰ আশা-আকাংক্ষা আৰু শক্তিশালী কেন্দ্ৰৰ ভিত্তিত গঠিত যুক্তৰাষ্ট্ৰীয় গাঁথনি— এই তিনিটা মূল খুঁটিৰ ওপৰত স্বাধীন ভাৰতৰাষ্ট্ৰক থিয় কৰোৱা হৈছে। ৰাজনীতি আৰু ৰাষ্ট্ৰৰ কাৰ্য-কলাপৰ পৰা ধৰ্মক আঁতৰত ৰখাৰ ধৰ্ম-নিৰপেক্ষতা নীতিক কলুষিত কৰিবলৈ সাম্প্ৰদায়িক আৰু মৌলবাদী শক্তিবোৰে অহৰহ প্ৰচেষ্টা চলাই আছে। তেওঁলোকে 'ধৰ্ম নিৰপেক্ষ' শব্দটোৰ অৰ্থক বিকৃত কৰিবলৈ অপপ্ৰয়াস কৰি আছে, হিন্দু ৰাষ্ট্ৰৰ ধ্বনিৰে ভাৰতবৰ্ষৰ সংবিধানৰ ধৰ্মনিৰপেক্ষতাৰ নীতিৰ বিৰুদ্ধে কাৰ্যতঃ বিদ্ৰোহ ঘোষণা কৰিছে। যদি হিন্দুৰ বাহিৰে অন্য ধৰ্মৰ নাগৰিকৰ সমস্ত আৰু সমান অধিকাৰ নাথাকে, তেন্তে গণতন্ত্ৰও টিকি নাথাকিব।

সাম্প্ৰদায়িক শক্তিবোৰে নিৰ্বাচনত মাৰ্জ্জাত কৰিবৰ বাবে যি কৌশল অৱলম্বন কৰিছে, তাক কেৱল হিটলাৰৰ ক্ষমতা দখলৰ কৌশলৰ লগতহে তুলনা কৰা যায়। হিটলাৰে ক্ষমতা হস্তগত কৰি জাৰ্মান একচেটীয়া পুঁজিৰ স্বাৰ্থত একনায়কত্ব প্ৰতিষ্ঠা কৰাৰ বাবে 'বিধৰ্মী' আৰু 'বিদেশী' ইহুদীক হত্যা কৰাৰ ঘৃণ্য কাৰ্যসূচী লৈ কাম আৰম্ভ কৰিছিল আৰু ক্ৰমাৎ কমিউনিষ্ট, ছচিয়েলিষ্ট আৰু সকলো প্ৰতিবাদীক বন্দী আৰু হত্যা কৰি জাৰ্মানীক দ্বিতীয় বিশ্বযুদ্ধত লিপ্ত কৰাই দুই কোটি জাৰ্মান সহ পাঁচ কোটি লোকৰ মৃত্যু ঘটাই ইতিহাসৰ পাতৰ পৰা আঁতৰ হৈছিল।

**সম্ভাব্য প্ৰতিক্ৰিয়া:**

যদি ভাৰতবৰ্ষৰ ধৰ্মনিৰপেক্ষতা নীতিক আঁতৰাই ধৰ্মীয় ভিত্তিত হিন্দুৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰা হয়, তেন্তে একেই যুক্তিৰে শিখ সংখ্যাগৰিষ্ঠ পঞ্জাব বা উত্তৰ-পূব ভাৰতৰ খ্ৰীষ্টিয়ান ৰাজ্যবোৰ— মেঘালয়, অৰুণাচল প্ৰদেশ, মিজোৰাম, নগালেণ্ড আদি ভাৰতবৰ্ষৰ বাহিৰলৈ ওলাই যোৱাৰ সম্ভাৱনা আছে। মহম্মদ আলী জিন্নাই যেতিয়া ধৰ্মৰ নামত দেশ ভাঙিছিল, তেতিয়া ভাবিছিল ধৰ্ম হ'ব ঐক্যৰ মূল ভেঁটি। কিন্তু সেইটো নহ'ল, তাৰ প্ৰমাণ পাকিস্তান ভাঙি বাংলাদেশৰ জন্ম হ'ল। একে প্ৰক্ৰিয়াই ভাৰতবৰ্ষতো কাম কৰিব। জম্মু-কাশ্মীৰ, পঞ্জাব, অসম আৰু তামিলনাড়ুত বিচ্ছিন্নতাবাদী আন্দোলন অধিক শক্তিশালী হ'ব। অসমৰ বড়োভূমি, উত্তৰাখণ্ড, ছত্তিশগড়, তেলেংগেনা আৰু স্বাধীন খাদ্যপ্ৰদেশৰ দাবী আৰু প্ৰবল হ'ব। তাৰ পিছতে ভাঙোনৰ প্ৰক্ৰিয়া চলিব আৰু তেনেতে, প্ৰতিখন ৰাজ্য আকৌ আঞ্চলিক ভিত্তিত ভাগ হোৱাৰ সম্ভাৱনা আছে। যুক্ততে ভাৰতবৰ্ষ এখন ঐক্যবদ্ধ দেশ হৈ থকাৰ সম্ভাৱনা কম। ইয়াৰ বিপৰীতে কেইবাখন খণ্ড-ৰাষ্ট্ৰৰ সম্ভাৱনাহে বেছি, যিটো আছিল বৃটিছ সকলৰ ভাৰতলৈ অহাৰ সময়ত। এখন দেশক আনখনৰ বিৰুদ্ধে লগাই দি বৃটিছ সকলে যিদৰে সমগ্ৰ ভাৰতকে কৰায়ত্ত কৰিছিল, ঠিক একেদৰেই পুনৰ ভাৰতবৰ্ষ আকৌ বিদেশী শক্তিৰ ক্ৰীড়াভূমিত পৰিণত হোৱাৰ সম্ভাৱনাই অধিক।

**সামৰণি:**

সাম্প্ৰদায়িকতাবাদ শোষক শ্ৰেণী সমূহৰ ৰাজনীতি। ধৰ্মৰ লগত ৰাজনীতিক যুক্ত কৰি, সাম্প্ৰদায়িক বিবাদ আৰু সংঘৰ্ষৰ মাজেদি

তেওঁলোকে জনগণক বিভক্ত আৰু বিভ্ৰান্ত কৰি শ্ৰেণী স্বাৰ্থৰ নীতিক ৰাইজৰ ওপৰত জাপি দিয়ে। লক্ষ্য কৰা প্ৰয়োজন যে, পুঁজিপতি-ভূস্বামী শ্ৰেণীয়ে সাম্প্ৰদায়িকতাবাদৰ তত্ত্ব আৰু প্ৰচাৰ কৌশল আদি নিৰ্দ্ধাৰণ কৰি দিয়া স্বত্বেও তেওঁলোকে নিজে এই তত্ত্বক কাৰ্যত পৰিণত কৰিবলৈ প্ৰত্যক্ষ ভাবে কামত যুক্ত নহয়। এই কামটো কৰে বুৰ্জোৱা আৰু মধ্যবিত্ত বুদ্ধিজীৱী শ্ৰেণীৰ এটা ডাঙৰ অংশই। সাংবাদিক, শিক্ষক, লিখক, ডাক্তৰ, ব্যৱসায়ী, সমাজ সেৱী, শিক্ষিত কৰ্মচাৰী আদি অংশৰ লোক কিছুমানে পদত থাকি সাম্প্ৰদায়িকতাৰ তত্ত্ব আৰু ৰাজনীতিক ৰহন সানি নানা উপায়েৰে জনপ্ৰিয় কৰি তুলিবলৈ প্ৰয়াস চলাই যায়। উল্লেখ কৰা প্ৰয়োজন যে মধ্যবিত্ত শ্ৰেণীয়ে সাম্প্ৰদায়িকতাৰ তত্ত্ব আৰু বিভিন্ন প্ৰচাৰ উৎসাহেৰে বিয়পাই দিয়া আৰু সকলো উপায়েৰে জনসাধাৰণক উচটাই দিয়া স্বত্বেও তেওঁলোকে নিজে প্ৰত্যক্ষ ভাবে সংঘৰ্ষ, হানা-হানি আৰু উন্মত্ততাত অংশ নলয়। তেওঁলোকে শ্ৰমজীৱী জনসাধাৰণৰ চিৰাচৰিত ধৰ্ম-বিশ্বাস, নিৰক্ষৰতা, পশ্চাদপদতা আৰু ৰাজনীতিগত আন্দোলনৰ পৰা বিচ্ছিন্নতাৰ সুযোগ লৈ জনসাধাৰণক ভ্ৰাতৃঘাতী সংঘাতত লিপ্ত কৰায়। সংঘৰ্ষৰ আঘাত এই শোষিত শ্ৰমজীৱী শ্ৰেণীয়েই সহ্য কৰে। অথচ সাম্প্ৰদায়িক প্ৰভাৱৰ পৰা এই শ্ৰেণীটো অধিক মাত্ৰাই মুক্ত। ভ্ৰাতৃঘাতী সংঘৰ্ষত এই শ্ৰেণীৰ কোনো স্বাৰ্থ নথকা বাবে ইয়াৰ ওপৰত সাম্প্ৰদায়িক প্ৰভাৱ নিচেই সীমাবদ্ধ।

এই আলোচনাই দেখুৱাই দিয়ে যে, সাম্প্ৰদায়িকতাৰ ভেদবাদী ৰাজনীতিৰ প্ৰভাৱৰ পৰা মুক্ত কৃষক-শ্ৰমিকক আঁতৰাই অনাটো তুলনামূলকভাৱে সহজসাধ্য। গতিকে সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ বেলিকা আজি প্ৰগতিশীল আৰু গণতান্ত্ৰিক শক্তিয়ে এই কথাষাৰ মনত ৰাখি শ্ৰমজীৱী জনসাধাৰণৰ মাজত আটাইতকৈ গুৰুত্ব দি প্ৰয়াস চলোৱা উচিত। মধ্যবিত্ত বুদ্ধিজীৱী শ্ৰেণী সাম্প্ৰদায়িক ভেদনীতিৰ দ্বাৰা লাভবান নহয়, বৰঞ্চ প্ৰতিক্ৰিয়াশীল শ্ৰেণীৰ আধিপত্যৰ বোজা কঢ়িয়াবলৈ বাধ্য হয়। শোষক শ্ৰেণীয়ে ইতিহাসক বিকৃত কৰি ধৰ্মীয় গোড়ামীৰ লগত ৰাজনীতিক যুক্ত কৰি মধ্যবিত্ত বুদ্ধিজীৱী শ্ৰেণীক বিভ্ৰান্ত কৰি গৈ আছে। সেয়েহে প্ৰগতিশীল আৰু ধৰ্মনিৰপেক্ষতাবাদী সকলৰ পক্ষে উচিত, এই লোকসকলক তেওঁলোকৰ সংশয় আৰু বিভ্ৰম আঁতৰ কৰিবৰ কাৰণে অবিৰাম প্ৰয়াস চলোৱা।

নাজীবাদী সকলৰ উত্থানৰ সময়ত জাৰ্মান বুদ্ধিজীৱী প্যাষ্টৰ ন্যামোনিয়নৰ কবিতা ফাঁকিৰ উদ্ধৃতি দি এই প্ৰতিবেদন সামৰিছোঁ।

প্ৰথমতে সিহঁতে আহিছিল ইহুদী সকলক নিবলৈ
তেতিয়া মই আছিলো চুপ চাপ,
কাৰণ মইতো ইহুদী নহয়।
তাৰ পিছত সিহঁতে লৈ গৈছিল কমিউনিষ্ট সকলক
তেতিয়াও মই আছিলো চুপচাপ
কাৰণ মইতো কমিউনিষ্ট নহয়।
তাৰ পিছত ক্যাথলিক সকলক লৈ গৈছিল সিহঁতে
তেতিয়াও মই আছিলো চুপচাপ,
কাৰণ মইতো ক্যাথলিক নহয়।
তাৰ পিছত সিহঁতে মোকো নিবলৈ আহিল
আৰু তেতিয়া মোৰ বাবে
মাত মতাৰ বাবে কোনোৱে নাছিল।

সাম্প্ৰদায়িকতাবাদী শক্তিয়ে ৰাজনৈতিক ক্ষেত্ৰত প্ৰাধান্য লাভ কৰিলে ভাৰতবৰ্ষত গণতন্ত্ৰৰ বেলি মাৰ যাব আৰু ধৰ্মৰ নামত ফেচীবাদে অক্টোপাচৰ দৰে দেশখনক মেৰিয়াই ধৰিব। সেয়েহে দেশৰ প্ৰতিজন গণতন্ত্ৰবাদী, ধৰ্ম-নিৰপেক্ষতাবাদী আৰু শুভ বুদ্ধিসম্পন্ন নাগৰিকৰ পক্ষে উচিত মাতৃভূমিক এই নিশ্চিত বিপদৰ পৰা ৰক্ষা কৰাৰ বাবে যথাসাধ্য প্ৰচেষ্টা চলোৱা।

*(বিঃ দ্ৰঃ এই প্ৰবন্ধটো ১৯৯২-৯৩, ১৯৯৩-৯৪ চনৰ বি. এইচ্. কলেজ আলোচনীত প্ৰকাশ পাইছিল। সাম্প্ৰতিক সময়ত ঘটি থকা সাম্প্ৰদায়িক ঘটনাৱলীৰ পৰিপ্ৰেক্ষিতত প্ৰবন্ধটোৰ প্ৰাসংগিকতা যথেষ্ট বৃদ্ধি পাইছে বুলি অনুভৱ কৰি পুনৰ প্ৰকাশ কৰা হ'ল।)*





# শিক্ষানুষ্ঠানৰ অনুশাসন ৰক্ষাত শাস্তি

❖ ড° ভানু নাথ
মুৰব্বী অধ্যাপিকা, শিক্ষা বিভাগ

'অনুশাসন' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ Discipline লেটিন শব্দ 'Disciplina'ৰ পৰা ৰূপান্তৰিত হৈছে যাৰ অৰ্থ হ'ল Disciple অৰ্থাৎ শিষ্য। গুৰুৱে শিষ্যসকলক কঠোৰ নীতি-নিয়মৰ মাধ্যমেৰে নানা ধৰণৰ শিক্ষা দিয়ে আৰু শিষ্য সকলেও সেই নীতি-নিয়ম মানি লৈ কঠোৰ ব্ৰতী হৈ পৰে। সেয়ে শিষ্য শব্দটোৰ লগত অনুশাসন শব্দটো বিশেষ ভাবে জড়িত। সহজ অৰ্থত, কোনো অনুষ্ঠান-প্ৰতিষ্ঠান ভালদৰে চলি থাকিবলৈ ইয়াৰ লগত জড়িত ব্যক্তিসকলে বিধিবদ্ধ নিয়ম মানি চলিব লাগে তাকেই অনুশাসন বোলে। অনুশাসনত মানুহৰ চিন্তা-ভাৱনা, আশা-আকাংক্ষা সংযত আৰু আনৰ অধীনস্থ কৰাটোকে বুজায়। আনহাতে, শিশুৰ ক্ষেত্ৰত অনুশাসন হ'ল সামাজিক পৰিৱেশত থাকি আহৰণ কৰা সংশোধিত আচৰণ। অৰ্থাৎ শিশুৰ বাবে অনুশাসন হ'ল সমাজৰ বিভিন্ন পৰিৱেশত ডাঙৰৰ কৰ্মৰাজি অনুকৰণ কৰি নিজৰ প্ৰবৃত্তিগত আচৰণ সংশোধনৰ জৰিয়তে আহৰণ কৰা আচৰণ।

ব্যক্তিগত জীৱনৰ লগতে সামাজিক জীৱন নিয়াৰিকৈ চলিবলৈ অনুশাসন দৰকাৰী। সামাজিক জীৱনৰ অংশ হিচাপে শিক্ষানুষ্ঠান এখন নিয়াৰিকৈ চলিবলৈও অনুশাসনৰ প্ৰয়োজনীয়তা অধিক। অনুশাসনহীন পৰিয়াল, সমাজ বিভ্ৰান্তিকৰ আৰু শৃংখলাহীন হৈ পৰাৰ দৰে অনুশাসনহীন বিদ্যালয় এখনো হৈ পৰিব শৃংখলাহীন। অৱশ্যে শিক্ষানুষ্ঠানত ব্যৱহৃত অনুশাসনৰ পৰিসৰ যথেষ্ট বিস্তৃত। শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে বিভিন্ন বিষয়ৰ শিক্ষা দিয়াৰ দৰে ধৰ্মীয় আৰু নৈতিক ভাবে সুস্থ কৰি চৰিত্ৰবান কৰিবলৈ নৈতিক অনুশাসনৰ প্ৰয়োজন। বিশেষকৈ, প্ৰাথমিক আৰু মাধ্যমিক স্তৰত শিক্ষাৰ্থী সকলৰ সৰ্বাংগীন বিকাশৰ বাবে শিক্ষানুষ্ঠানত অনুশাসনৰ যথেষ্ট প্ৰয়োজন। ইয়াৰ জৰিয়তেহে শিক্ষানুষ্ঠানত শৈক্ষিক পৰিৱেশ সৃষ্টি কৰিব পাৰি। অনুশাসনহীন শিক্ষানুষ্ঠানে সমাজতো বেয়া প্ৰভাৱ পেলায়। ইয়াৰোপৰি, শিক্ষাৰ্থী সকলৰ শাৰীৰিক তথা মানসিক নিৰাপত্তাৰ ভাব আনিবলৈ প্ৰয়োজন হয় সুস্থ পৰিৱেশ আৰু সু-অনুশাসনৰ। অনুশাসন শব্দটোৱে আভ্যন্তৰীণ আৰু বাহ্যিক দুয়োবিধ অনুশাসকে বুজায় যদিও আভ্যন্তৰীণ অনুশাসনকহে প্ৰকৃত অনুশাসন বোলা হয় কিয়নো ইয়াৰ দ্বাৰা শিক্ষাৰ্থী সকলে কামৰ উপলব্ধি, নীতি-নিয়ম, আচৰণ, নিজৰ প্ৰয়োজনীয়তা আদি বুজি পায়। অৰ্থাৎ শিক্ষাৰ্থী সকলে ইচ্ছাকৃতভাৱে অনুশাসন মানি চলিবলৈ শিকে। শিক্ষাবিদ নানে কৈছে— "অনুশাসনে নিজৰ ইচ্ছা শক্তিক নীতি-নিয়মৰ ওচৰত অৰ্পণ কৰি বিশৃংখলতাৰ মাজত সংগঠনৰ সৃষ্টি কৰে; নিষ্ফলতা আৰু অপচয়ৰ সলনি দক্ষতা আৰু মিতাচাৰিতা আনে। গতিকে আভ্যন্তৰীণ অনুশাসনে দক্ষতা আৰু কৰ্মৰ সংগঠন কৰাত সহায় কৰে, যাৰ বাবে ব্যক্তিৰ ইচ্ছা আৰু মানসিক সংযোগৰ প্ৰয়োজন।

শিক্ষানুষ্ঠানত বিভিন্ন পদ্ধতিৰে অনুশাসন ৰক্ষা কৰিবলৈ চেষ্টা



কৰা হয় যদিও শাস্তি আৰু পুৰস্কাৰে মুখ্য ভূমিকা গ্ৰহণ কৰে। সাম্প্ৰতিক সময়ত শিক্ষানুষ্ঠানত প্ৰচলিত শাস্তি ব্যৱস্থা আৰু তাৰ পৰা উদ্ভৱ হোৱা পৰিস্থিতিৰ পৰিপেক্ষিতত শিক্ষানুষ্ঠানত শাস্তি প্ৰয়োগৰ বিষয়েহে প্ৰবন্ধটোত আলোচনা কৰা হৈছে।

শিক্ষানুষ্ঠান বা সমাজৰ লিখিত বা মৌখিক আইনৰ বিৰুদ্ধে ব্যক্তিয়ে কৰা কোনো বিশেষ অপৰাধৰ ফলস্বৰূপে তেওঁক দিয়া ইচ্ছাকৃত কষ্টকে সাধাৰণতে শাস্তি বুলি কোৱা হয়। শিক্ষাৰ্থীসকলে কৰা ভাল কামৰ বাবে পুৰস্কাৰ দিয়াৰ দৰে বেয়া কামৰ বাবে শাস্তিও প্ৰদান কৰা হয়। ফলস্বৰূপে শাস্তিৰ ভয়ত শিক্ষাৰ্থীসকল বেয়া কামৰ পৰা বিৰত থাকে বা যেতিয়াই শিক্ষাৰ্থীসকল অবাধ্য, অমনোযোগী আৰু অনুশাসনহীন হয় তেতিয়াই শাস্তি প্ৰদানৰ প্ৰয়োজন অনুভৱ কৰা হয়। আন কথাত বেয়া, অসৎ, অনাকাংক্ষিত অশুদ্ধ ধাৰণা মনত জগাই তোলা আৰু সেইবিলাকৰ পৰা বিৰত থাকিবলৈ শিকাটোৱেই শাস্তি প্ৰদানৰ মূল উদ্দেশ্য। চমুকৈ, শিক্ষাৰ্থীৰ প্ৰতিকাৰ সাধন কৰা, বেয়া কামৰ বাবে বাধাদান, চৰিত্ৰ সংশোধন কৰাৰ লগতে আনক সাৱধান কৰা আদি দুয়োবিধ শাস্তিৰেই (শাৰীৰিক আৰু মানসিক) উদ্দেশ্য। বিদ্যালয়ত শাস্তিৰ আৱশ্যকতা সম্পৰ্কে বাগলে কৈছিল— "শিশুসকল অপৰিপক্ক আৰু সহায়হীন। সিহঁতক যদি নিজ ইচ্ছামতে কাৰ্য্য সম্পাদন কৰিবলৈ দিয়া হয়, তেতিয়া তেওঁলোকে নিজৰ বিপদ মাতি আনিব।"

শাস্তি প্ৰদানৰ বহুতো সুফল থাকিলেও আধুনিক শিক্ষাত শাস্তি বৰ্জনৰ সপক্ষে বহুতো মত প্ৰকাশ কৰা দেখা যায়। কাৰণ শাস্তিৰ প্ৰভাৱত শিক্ষাৰ্থীৰ মনত হীনমন্যতাৰ সৃষ্টি কৰে। বিশ্বৰ বিভিন্ন দেশত



শিক্ষানুষ্ঠানত শাস্তিৰ প্ৰয়োগ নাথাকিলেও অসমৰ শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ ওপৰত শাৰীৰিক আৰু মানসিক শাস্তিৰ প্ৰচলনৰ কথা ইউনিচেফৰ গৱেষণামূলক অধ্যয়নত প্ৰকাশ পাই ছে। এই প্ৰসংগত গুৱাহাটীৰ এখন ইংৰাজী মাধ্যমৰ ব্যক্তিগত শিক্ষানুষ্ঠানৰ কথা উল্লেখ কৰিব পাৰি। শিক্ষানুষ্ঠানখনৰ এগৰাকী শিক্ষয়িত্ৰীয়ে অষ্টমমানৰ এগৰাকী ছাত্ৰীক দিয়া শাৰীৰিক-মানসিক শাস্তিৰ ফলস্বৰূপে আত্মহননৰ পথ বাছি লৈছিল। শাস্তিৰ আন এটা উদ্দেশ্য হ'ল শিক্ষাৰ্থীৰ প্ৰতিকাৰ সাধন কৰা। দোষী শিক্ষাৰ্থীয়ে বুজিব লাগিব যে তেওঁ কৰা দোষৰ বাবেহে তেওঁক শাস্তি প্ৰদান কৰা হৈছে। অন্যথা শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ সম্পৰ্কত ব্যাঘাত জন্মিব। বৰ্তমান সময়ত শিক্ষক ব'তে ত'তে অপদস্থ কৰা ঘটনাই যেন এই কথাটোকেই প্ৰমাণ কৰে। অন্যহাতে, শাৰীৰিক শাস্তিয়েই শিক্ষাৰ্থীক চিৰদিনৰ বাবে ঘূণীয়া কৰিব পাৰে। ৰাজস্থানৰ জয়পুৰৰ এগৰাকী প্ৰথম শ্ৰেণীৰ ছাত্ৰীয়ে 'হোমৱৰ্ক' নকৰা বাবে শিক্ষয়িত্ৰীৰ শাস্তিৰ সন্মুখীন হৈ দৃষ্টিশক্তি হেৰুৱাবলগীয়া হোৱা ঘটনাই তাকেই প্ৰমাণ কৰে। এই আটাইবোৰ ঘটনাৰ বাবেই "আমাৰ শিক্ষানুষ্ঠানত শাৰীৰিক শাস্তি (নিষিদ্ধ) বিধেয়ক, ২০১০" গ্ৰহণ কৰাৰ প্ৰয়োজন। ফলত শাৰীৰিক, মানসিক শাস্তিৰ বলি হোৱা ছাত্ৰ-ছাত্ৰীয়ে শিক্ষক-শিক্ষয়িত্ৰীৰ বিৰুদ্ধে গোচৰ তৰিব পাৰিব। আৰু অপৰাধ প্ৰমাণিত হ'লে শিক্ষকজনে শাস্তিৰ সন্মুখীন হ'ব। এনে পৰিস্থিতিত উত্থাপিত প্ৰশ্নটো হ'ল শাস্তিৰ অবিহনে শিক্ষানুষ্ঠান বিলাকত ছাত্ৰ-ছাত্ৰীৰ উশৃংখলতা বৃদ্ধি পাব নেকি? কাৰণ বিভিন্ন বয়সৰ ছাত্ৰ-ছাত্ৰীক শিক্ষণ ক্ষমতাৰ লগতে মানসিক ক্ষমতা সমূহো বেলেগ বেলেগ। নিম্নস্তৰৰ ছাত্ৰ-ছাত্ৰীক শাৰীৰিক শাস্তিৰ বিপৰীতে উচ্চ স্তৰৰ শিক্ষাৰ্থীক মানসিক শাস্তিৰ প্ৰয়োগ ফলপ্ৰসু হয়। অন্যহাতে বহুত ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা কৰিবলৈ বেয়া পালেও উপদেশ আৰু শাস্তি প্ৰয়োগৰ দ্বাৰা কিতাপৰ জ্ঞান আহৰণ কৰিবলৈ প্ৰথম অৱস্থাত বাধ্য হয় আৰু পিছলৈ নিজৰ কৰ্তব্য সমাপন কৰে। বহুত ছাত্ৰ-ছাত্ৰীয়ে নিজে ক'ব নোৱাৰাকৈয়ে শিক্ষানুষ্ঠানৰ নিয়ম ভাঙি শাস্তিৰ সন্মুখীন হৈ পিছলৈ নিয়মানুবৰ্তী হয়। আনকি শাস্তিয়ে জীৱনলৈ সংশোধন অনাৰ লগতে ইয়াৰ স্মৃতিয়ে ব্যক্তিক বিভিন্ন সময়ত আনন্দৰ খোৰাক যোগায়।

সেয়েহে বিভিন্নজনে শাস্তিৰ প্ৰতীক চেকনিডালৰ প্ৰয়োজন বুলিও কয় কিন্তু যথাযথ প্ৰয়োগ সম্পৰ্কেহে সচেতন হ'বৰ হ'ল। ব্যক্তি পাৰ্থক্য, শাস্তিৰ তীব্ৰতা, ফলাফল ইত্যাদিৰ প্ৰতি সচেতন হৈ প্ৰতীক হিচাপে শাস্তি প্ৰয়োগ কৰিলে শিক্ষানুষ্ঠান আনন্দ মুখৰ হোৱাৰ উপৰিও ইয়ে শিক্ষাৰ্থীৰ জীৱনলৈ পৰিবৰ্তন আনিব আৰু লগতে ইয়ে শিক্ষাৰ্থীৰ সৰ্বাংগক দিশৰ বিকাশত সহায় কৰিব।





# ভাৰতৰ আৰ্থিক সংস্কাৰৰ কুৰি বছৰ (১৯৯১-২০১১)ঃ এটি সংক্ষিপ্ত খতিয়ান

❖ জাহিদুল ইছলাম
স্নাতক ৩ য় বৰ্ষ

১৯৯১ চনৰ জুলাই মাহত ভাৰতবৰ্ষই নতুন অৰ্থনৈতিক নীতি গ্ৰহণ কৰিছিল আৰু সেই নীতিৰ মাজেৰে আমাৰ দেশৰ বিত্ত, উদ্যোগ, কৃষি, বাণিজ্য আদি আৰ্থিক ক্ষেত্ৰসমূহত



ব্যাপক সংস্কাৰৰ সূচনা কৰা হৈছিল। ২০১১ চনৰ জুলাই মাহত এই আৰ্থিক সংস্কাৰ আৰম্ভ কৰাৰ কুৰি বছৰ সম্পূৰ্ণ হ'ল। মন কৰিবলগীয়া কথাটো যে ১৯৯১ চনৰ জুলাই মাহত যি গৰাকী প্ৰখ্যাত অৰ্থনীতিবিদ ড° মনমোহন সিঙে বিত্তমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰি এই আৰ্থিক সংস্কাৰৰ নেতৃত্ব দিছিল। সেই গৰাকী অৰ্থনীতিবিদেই বৰ্তমান ভাৰতৰ প্ৰধানমন্ত্ৰী। অৰ্থাৎ ১৯৯১ চনৰ পৰা ২০১১ চনলৈ এই কুৰি বছৰৰ ভিতৰত ড° মনমোহন সিঙে বিত্তমন্ত্ৰী হিচাপে পাঁচ বছৰ (১৯৯১-১৯৯৬) আৰু প্ৰধানমন্ত্ৰী হিচাপে সাত বছৰ (২০০৪-২০১১) মুঠ বাৰ বছৰ কাল দেশৰ অৰ্থব্যৱস্থাৰ সৈতে চৰকাৰী ভাৱে জড়িত হৈ আছে। সেয়েহে এই আৰ্থিক সংস্কাৰৰ সফলতা আৰু বিফলতা এই দুয়োটাতে দায়িত্ব বহু পৰিমাণে ড° মনমোহন সিঙৰ কান্ধতেই পৰিব।

এটা কথা সকলোৱে স্বীকাৰ কৰিবই লাগিব যে ১৯৯১ চনত ভাৰতবৰ্ষত যেতিয়া নতুন আৰ্থিক সংস্কাৰসমূহ গ্ৰহণ কৰা হ'ল, তেতিয়া ভাৰতবৰ্ষৰ আৰ্থিক অৱস্থা খুবেই শোচনীয় আছিল। বিশেষকৈ বৈদেশিক ভাৰসাম্য (Balance of Payment) ৰ ক্ষেত্ৰত ভাৰতৰ গতি ইমান বেয়া আছিল যে ভাৰতবৰ্ষৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰ উদং হৈ পৰিছিল। ইফালে আই. এম. এফ., বিশ্ব বেংক আদিৰ পৰা ভাৰতে ইতিমধ্যে ইমান বেছি ঋণ লৈ পেলাইছিল যে তেওঁলোকেও নতুনকৈ ঋণ দিব নিবিচৰা হ'ল। শেষত ১৯৯০ চনৰ শেষৰফালে সেইসময়ৰ চন্দ্ৰশেখৰ চৰকাৰে ৰিজাৰ্ভ বেংকৰ পৰা সোণ বন্ধকত লৈ বিদেশৰ পৰা ঋণ আনিবলগীয়া হৈছিল। তেনে অৱস্থাত ১৯৯১ চনৰ নিৰ্বাচনত কংগ্ৰেছ দলে পি. ভি. নৰসিংহ ৰাওৰ নেতৃত্বত চৰকাৰ গঠন কৰি দেশৰ আৰ্থিক সংস্কাৰ সাধনৰ পথলৈ অগ্ৰসৰ হ'ল আৰু সেই আৰ্থিক সংস্কাৰৰ দায়িত্ব প্ৰদান কৰা হ'ল ড° মনমোহন সিঙক, যি গৰাকী ব্যক্তি এগৰাকী অৰ্থনীতিবিদ হিচাপে সুপৰিচিত। তেওঁ এসময়ত ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ থকাৰ উপৰিও আই. এম. এফ.তো চাকৰি কৰিছিল।

যি কি নহওঁক ড° মনমোহন সিঙে ভাৰতৰ প্ৰধানমন্ত্ৰী হৈয়েই ভাৰতবৰ্ষৰ অৰ্থনৈতিক সংস্কাৰৰ বাবে স্বাধীনতাৰ পিছত জৱাহৰলাল নেহৰুৱে গ্ৰহণ কৰা মিশ্ৰ অৰ্থনীতিকে দোষাৰোপ কৰিলে। মিশ্ৰ অৰ্থনীতি আৰু কল্যাণকামী ৰাষ্ট্ৰৰ নামত ভাৰতবৰ্ষই হাজাৰ হাজাৰ কোটি টকা সামাজিক খণ্ডত খৰচ কৰে কিন্তু এইবোৰৰ ফলত চৰকাৰৰ ৰাজহ ঘাটি বৃদ্ধি পাই দেশৰ আৰ্থিক সংকট ইমান তীব্ৰ হৈছে। গতিকে ড° মনমোহন সিঙে দেশৰ অৰ্থনীতিত এটা গাঁথনিগত পৰিবৰ্তন (Structural Adjustment) কৰাৰ কথা ভাবিলে। এতিয়াৰ পৰা

চৰকাৰ সমূহে সামাজিক খণ্ডত ব্যয় ক্ৰমাগতভাৱে হ্ৰাস কৰিব, তাৰ অৰ্থ হ'ল চৰকাৰী চাকৰি সংকোচন, বিভিন্ন ক্ষেত্ৰত চৰকাৰে প্ৰদান কৰি অহা ৰাজসাহায্য কৰ্তন, চৰকাৰী খণ্ডত মিল উদ্যোগ প্ৰতিষ্ঠা বন্ধ ইত্যাদি। আনহাতে চৰকাৰৰ ৰাজহ বৃদ্ধিৰ বাবে বেচৰকাৰী উদ্যোগ প্ৰতিষ্ঠান সমূহক উৎসাহ প্ৰদান কৰিব, লাইচেন্স প্ৰথা প্ৰত্যাহাৰ কৰিব, ৰাজহুৱা খণ্ডত থকা শিল্প প্ৰতিষ্ঠান সমূহৰ শ্বেয়াৰৰ কিছু অংশ বিক্ৰী কৰা হ'ব ইত্যাদি। এইবোৰ আছিল দীৰ্ঘম্যাদী পদক্ষেপ। আনহাতে ড° সিঙে বৈদেশিক মুদ্ৰাৰ সঞ্চয় বৃদ্ধি কৰিবলৈ টকাৰ অৱমূল্যায়ন ঘটালে যাতে তাৰ ফলত ৰপ্তানি বৃদ্ধি পাই বৈদেশিক বাণিজ্যৰ ঘাটি হ্ৰাস পায়। এইটো আছিল তৎকালীন পদক্ষেপ।

এনেদৰে ড° মনমোহন সিঙৰ নেতৃত্বত ভাৰতবৰ্ষত ব্যাপক আৰ্থিক সংস্কাৰ সাধন কৰা হ'ল। আৰ্থিক সংস্কাৰৰ অংশ হিচাপেই নতুন শিল্পনীতি, নতুন বাণিজ্যনীতি, নতুন ৰাজকোষীয় নীতি (Fiscal Policy) আদি গ্ৰহণ কৰা হ'ল। এই গোটেইবোৰ নীতিক একেলগে সাঙুৰি উদাৰীকৰণ, বেচৰকাৰীকৰণ আৰু বিশ্বায়ন (Liberalisation, Privalisation and Globalisation) বনীতি বুলি অভিহিত কৰা হয়।

যোৱা বিশ বছৰ ধৰি ভাৰতবৰ্ষত মোটামুটি ভাৱে এই আৰ্থিক সংস্কাৰেই চলি আছে। এই সময়চোৱাত কেন্দ্ৰত চৰকাৰ পৰিবৰ্তন হৈছে যদিও কোনো চৰকাৰেই এই আৰ্থিক নীতিৰ বিশেষ পৰিবৰ্তন কৰা নাই। ১৯৯৬-১৯৯৮ চনত কেন্দ্ৰত এইচ্. ডি. দেৱগৌড়া আৰু আই. কে. গুজৰালৰ নেতৃত্বত সংযুক্ত মৰ্চা চৰকাৰ আৰু ১৯৯৮ ৰ পৰা ২০০৪ চনলৈ অটল বিহাৰী বাজপেয়ীৰ নেতৃত্বত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ চৰকাৰেও এই একেই আৰ্থিক নীতি অনুসৰণ কৰিছিল। ফলত যোৱা ২০ বছৰ ধৰি অব্যাহত ভাৱে আমাৰ দেশত আৰ্থিক সংস্কাৰ চলি আছে। কেতিয়াবা হয়তো দুই এটা কাৰ্যসূচীত ইফাল-সিফ ল হৈছে।

এই আৰ্থিক সংস্কাৰ সমূহ প্ৰণয়ন কৰাৰ পিছত ভাৰতবৰ্ষৰ কি কি ফলাফল ওলাল তাৰ এটা সংক্ষিপ্ত খতিয়ান লোৱাৰ সময় হৈছে। এটা কথা সকলোৱে স্বীকাৰ কৰিব যে ১৯৯১ চনত ভাৰতবৰ্ষত যি ধৰণৰ তীব্ৰ অৰ্থনৈতিক সংকট আছিল সেই ধৰণৰ সংকট এতিয়া আৰু নাই। সেই সময়ত দেশখন যেনেকৈ বৈদেশিক ঋণৰ বোজাত ডুব গৈ আছিল, সেই পৰিমাণৰ বৈদেশিক ঋণ এতিয়া ভাৰতবৰ্ষত নাই। সেই সময়ত বৈদেশিক মুদ্ৰাৰ সঞ্চয় যেনেকৈ কমি গৈছিল, এতিয়া সেই অৱস্থা নাই। তদুপৰি সমগ্ৰ দেশতে এটা উদ্যমশীলতাৰ সংস্কৃতি (Enter-Prenurship Culture) গঢ়ি উঠিছে। যিয়ে য'ত যেনেকৈ পাৰিছে সৰু-সুৰা শিল্প উদ্যোগ, ব্যৱসায় প্ৰতিষ্ঠা কৰিব পাৰিছে আৰু তাৰ জৰিয়তে আৰ্থিকভাৱে লাভৱান হৈছে। ব্যৱসায়-বাণিজ্যৰ প্ৰসাৰৰ ফলত চৰকাৰৰ কৰ-কাটলো বৃদ্ধি পাইছে। ভাৰতবৰ্ষৰ অৰ্থনৈতিক বিকাশৰ হাৰ এতিয়া ৮-৯ শতাংশ হৈছে যিটো ১৯৯১ চনৰ আগতে কেতিয়াও ৬ শতাংশৰ ওপৰলৈকে নগৈছিল।

কিন্তু এই আৰ্থিক সংস্কাৰ সমূহৰ ভাল দিশ যিমান আছে, বেয়া দিশ তাতকৈ কোনোগুণেই কম নহয়। দেশৰ আৰ্থিক বিকাশৰ হাৰ বৃদ্ধি হৈছে যদিও পৃথিৱীৰ ভিতৰত মানৱ উন্নয়ন সূচক (Human Development Index) ৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ স্থান যোৱা কুৰি বছৰে প্ৰায় একেই আছে, সেইটো হ'ল ১২৩ ৰ পৰা ১২৯ ৰ ভিতৰত। ইয়াৰ পৰা এটা কথা বুজা যায় আমাৰ দেশৰ যিখিনি আৰ্থিক উন্নয়ন হৈছে সেই একে ধৰণৰ আৰ্থিক বিকাশে পৃথিৱীৰ অন্যান্য বহু দেশতো হৈছে আৰু সেই বাবেই ভাৰতবৰ্ষৰ স্থান পৃথিৱীৰ মানৱ উন্নয়ন সূচকত একেটাত আছে।

কিন্তু আটাইতকৈ ডাঙৰ কথা হ'ল যোৱা বিশ বছৰত ভাৰতবৰ্ষৰ দুই লাখতকৈ অধিক কৃষকে আত্মহত্যা কৰিছে যিটো পৃথিৱীৰ আন কোনো দেশতে হোৱা নাই। কৃষকৰ এই আত্মহত্যাৰ লগতে দেশৰ আৰ্থিক সংস্কাৰৰ ওতঃপ্ৰোত সম্বন্ধ আছে। আনহাতে অৰ্জুন সেনগুপ্ত সমিতিৰ প্ৰতিবেদন মতে আমাৰ দেশৰ শতকৰা ৭৮ ভাগ মানুহে দৈনিক ২০ টকা জীৱন নিৰ্বাহৰ কাৰণে ব্যয় কৰে। তদুপৰি ৰাজহুৱা খণ্ডত চাকৰিৰ সংখ্যা ব্যাপক ভাৱে হ্ৰাস পাইছে। শিক্ষা ব্যৱস্থা, স্বাস্থ্য আদিত বেচৰকাৰী খণ্ডৰ প্ৰভাৱ বৃদ্ধিৰ ফলত দুখীয়া মানুহৰ বাবে এইবোৰ ধৰা-ছোঁৱাৰ বাহিৰলৈ গৈছে। লগতে দেশৰ কলাধন আৰু দুৰ্নীতি ভয়ংকৰ ভাৱে বৃদ্ধি পাইছে। বিদেশৰ বেংকত লাখ-লাখ, কোটি কোটি টকাৰ ক'লাধন মজুত হৈছে। দেশৰ ভিতৰত প্ৰধানমন্ত্ৰীৰ পৰা পঞ্চায়তৰ সচিবলৈকে সকলো সীমাহীন দুৰ্নীতিত ডুব গৈছে। সেয়েহে এই আৰ্থিক সংস্কাৰ সম্পৰ্কে নতুনকৈ চিন্তা কৰাৰ সময় আহি পৰিছে।





# লোকপিয়ল ২০১১ আৰু ভাৰতৰ জনসংখ্যা

❖ পুলক নাথ
স্নাতক ৩ য় বৰ্ষ (কলা)




মাটিকালিৰ ফালৰ পৰা সপ্তম বৃহৎ দেশ ভাৰতবৰ্ষ জনসংখ্যাৰ ফালৰ পৰা পৃথিৱীৰ ভিতৰত দ্বিতীয় স্থানত। পৃথিৱীৰ সৰ্ববৃহৎ জনসংখ্যাৰ দেশ চীনৰ পিছতেই ভাৰতৰ স্থান। পৃথিৱীৰ মুঠ মাটিকালিৰ ২.৩ শতাংশ ভাৰতে আগুৰি আছে যদিও পৃথিৱীৰ মুঠ জনসংখ্যাৰ ১৭ শতাংশই আছে কেৱল ভাৰতবৰ্ষত। পৃথিৱীৰ প্ৰতি ছগৰাকী মানুহৰ মাজত এজন মানুহ ভাৰতৰ। ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ জনসংখ্যা ১২১ কোটি। ভাৰতৰ এই জনসংখ্যা আমেৰিকা যুক্তৰাষ্ট্ৰ, ইণ্ডোনেছিয়া, ব্ৰাজিল, পাকিস্তান, বাংলাদেশ আৰু জাপানৰ মুঠ জনসংখ্যাৰ প্ৰায় সমান। এই জনসংখ্যা পূৰ্বৰ ২০০১ চনৰ লোকপিয়লৰ তুলনাত ১৮১ নিযুত বৃদ্ধি পাইছে, যিখিনি ব্ৰাজিলৰ জনসংখ্যাৰ প্ৰায় সমান। ১৯০১ চনৰ পৰা ২০১১ চনৰ লোকপিয়ল মতে ভাৰতৰ জনসংখ্যা এনেধৰণৰ—

| | |
|---|---|
| ১৯০১ | ২৩৮.৪ নিযুত |
| ১৯১১ | ২৫২.১ নিযুত |
| ১৯২১ | ২৫১.৩ নিযুত |
| ১৯৩১ | ২৭৯.০ নিযুত |
| ১৯৪১ | ৩১৮.৭ নিযুত |
| ১৯৫১ | ৩৬১.১ নিযুত |
| ১৯৬১ | ৪৩৯.১ নিযুত |
| ১৯৭১ | ৫৪৮.২ নিযুত |
| ১৯৮১ | ৬৮৩.৩ নিযুত |
| ১৯৯১ | ৮৪৬.৪ নিযুত |
| ২০০১ | ১০২৮.৭ নিযুত |
| ২০১১ | ১২১০.২ নিযুত |

২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতবৰ্ষৰ ৰাজ্যসমূহ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ ভিতৰত উত্তৰ প্ৰদেশৰ জনসংখ্যা আটাইতকৈ বেছি (১৯৯ নিযুত)। তাৰ পিছতেই স্থান লাভ কৰিছে মহাৰাষ্ট্ৰই (১১২ নিযুত)। অন্যহাতে কেন্দ্ৰীয় শাসিত অঞ্চল লাক্ষদ্বীপৰ জনসংখ্যা আটাইতকৈ কম (৬৪, ৪২৯ জন)। ভাৰতৰ মুঠ জনসংখ্যা ১২১ কোটিৰ, ৬২৩.৭ নিযুত পুৰুষ আৰু ৫৮৬.৫ নিযুত মহিলা।

২০১১ চনৰ লোকপিয়লৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল জনসংখ্যা বৃদ্ধিৰ হাৰ পূৰ্বৰ তুলনাত নিম্নগামী হৈছে। এই হাৰ পূৰ্বৰ ২০০১ লোকপিয়লৰ ২১.১৫ শতাংশৰ পৰা ১৭.৬৪ শতাংশলৈ হ্ৰাস পাইছে। উল্লেখযোগ্য যে ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ বেছি জনসংখ্যা থকা ৰাজ্য ছয়খন উত্তৰপ্ৰদেশ, মহাৰাষ্ট্ৰ, বিহাৰ, পশ্চিমবংগ, মধ্যপ্ৰদেশ আৰু অন্ধ্ৰপ্ৰদেশত জনসংখ্যা বৃদ্ধিৰ হাৰ নিম্নগামী হৈছে। ভাৰতৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল সমূহৰ ভিতৰত দাদ্ৰা আৰু নগৰ হাবেলী আৰু পণ্ডিচেৰীৰ জনসংখ্যা বৃদ্ধিৰ হাৰ সৰ্বোচ্চ (৫৫ শতাংশ)। আনহাতে নগালেণ্ডৰ জনসংখ্যা বৃদ্ধিৰ হাৰ সৰ্বনিম্ন। ৰাজ্যসমূহ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত দিল্লীৰ জনসংখ্যাৰ ঘনত্ব আটাইতকৈ বেছি (১১,২৯৭ জন প্ৰতি বৰ্গ কিলোমিটাৰ)। তাৰ পিছতেই স্থান লাভ কৰিছে চণ্ডীগড়ে (৯,২৫২ জন প্ৰতি বৰ্গ কিলোমিটাৰ)।

লিঙ্গ অনুপাত বৃদ্ধিয়েই ২০১১ চনৰ লোকপিয়লত আশাৰ

বতৰা কঢ়িয়াই আনিছে। এই সংখ্যা পূৰ্বৰ ২০০১ চনৰ লোকপিয়লৰ প্ৰতি ১০০০ জন পুৰুষৰ বিপৰীতে ৯৩৩ মহিলাৰ পৰা ৯৪০ গৰাকী মহিলালৈ বৃদ্ধি হৈছে। ভাৰতৰ ২৯ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলতেই লিঙ্গ অনুপাত বৃদ্ধি হৈছে। ভাৰতৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত কেৰালাৰ লিঙ্গ অনুপাত সৰ্বোচ্চ (প্ৰতি ১০০০ জন পুৰুষৰ বিপৰীতে ১০৮৪ জনী মহিলা)। আনহাতে কেন্দ্ৰীয় শাসিত অঞ্চল দমন আৰু ডিউৰ লিঙ্গ অনুপাত সৰ্বনিম্ন (৬১৮)।

কিন্তু দুখৰ বিষয় এই যে ২০১১ চনৰ লোকপিয়ল অনুসৰি শিশুৰ লিঙ্গ অনুপাত হ্ৰাস পাইছে (৯১৪ জনী ছোৱালী, ১০০০ জন ল'ৰাৰ বিপৰীতে), যিটো সংখ্যা স্বাধীনতাৰ পৰা বৰ্তমানলৈ সৰ্বনিম্ন। যদিও সৰ্বভাৰতীয় পৰ্যায়ত এই পৰিমাণ হ্ৰাস পাইছে, তথাপি পঞ্জাব, হাৰিয়ানা, হিমাচল প্ৰদেশ, গুজৰাট, তামিলনাডু আদি ৰাজ্যত এই পৰিমাণ বৃদ্ধি পাইছে। নিৰাশাৰ খবৰ এয়ে যে ২০১১ চনৰ লোকপিয়ল অনুসৰি দেশত ০ ৰ পৰা ৬ বছৰৰ বয়সৰ শিশুৰ সংখ্যা ১৫৮.৮ নিযুত যিটো সংখ্যা পূৰ্বৰ ২০০১ লোকপিয়লৰ তুলনাত ৫ নিযুত কম।

২০১১ চনৰ লোকপিয়লৰ অন্য এক সুখবৰ হ'ল সাক্ষৰতাৰ হাৰ বৃদ্ধি। এই হাৰ পূৰ্বৰ ২০০১ লোকপিয়লৰ ৬৪.৮৩ শতাংশৰ পৰা ৭৪.০৪ শতাংশলৈ বৃদ্ধি হৈছে। মহিলাৰ সাক্ষৰতা হাৰ বৃদ্ধিও এক গুৰুত্বপূৰ্ণ খবৰ। এই হাৰ পূৰ্বৰ ২০০১ ৰ লোকপিয়লৰ ৫৩.৬৭ শতাংশৰ পৰা ৬৫.৪৬ শতাংশলৈ বৃদ্ধি হৈছে। আনহাতে পুৰুষৰ সাক্ষৰতাৰ হাৰ পূৰ্বৰ ৭৫.২৬ শতাংশৰ পৰা ৮২.১৪ শতাংশলৈ বৃদ্ধি পাইছে। ভাৰতৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল সমূহৰ ভিতৰত কেৰালাৰ সাক্ষৰতাৰ হাৰ সৰ্বোচ্চ (৯৩.৯১ শতাংশ) আৰু বিহাৰৰ সাক্ষৰতাৰ হাৰ সৰ্বনিম্ন (৬৩.৮২ শতাংশ)। জিলাসমূহৰ ভিতৰত মিজোৰামৰ আইজল জিলাৰ সাক্ষৰতাৰ হাৰ সৰ্বোচ্চ (৯৮.৫০ শতাংশ) আৰু মধ্যপ্ৰদেশৰ আলিগড় জিলাৰ সাক্ষৰতাৰ হাৰ সৰ্বনিম্ন (৩৭.২২ শতাংশ)। ২০১১ চনৰ লোকপিয়লৰ গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হ'ল অশিক্ষিত লোকৰ পৰিমাণ হ্ৰাস। এই পৰিমাণ ৩১, ১৯৬, ৮৪৭ জনলৈ হ্ৰাস পাইছে। তাৰে ১৭,১২২, ১৯৭ গৰাকী মহিলা আৰু ১৪, ০৭৪,৬৫০ গৰাকী পুৰুষ।

যিকি নহওঁক ১৮৭২ চনৰ পৰা ২০১১ চনলৈ চলা মুঠ ১৫ টা লোকপিয়লৰ ২০১১ চনৰ লোকপিয়ল হ'ল পঞ্চদশ লোকপিয়ল। এই লোকপিয়লে দুটা পৰ্যায়ত ৬৪০ খন জিলা আৰু ৫৯২৪ খন উপ-জিলাক সামৰি লৈছিল। এই লোকপিয়লে আমাক কিছু নিৰাশাৰ বতৰা দিলে যদিও আশাৰ বতৰাও কঢ়িয়াই আনিলে। তাৰ ভিতৰত জনসংখ্যা বৃদ্ধিৰ হাৰ হ্ৰাস, সাক্ষৰতাৰ হাৰ বৃদ্ধি, লিঙ্গ অনুপাত বৃদ্ধি, মহিলা সাক্ষৰতাৰ হাৰ আদি উল্লেখযোগ্য। জনসংখ্যা বৃদ্ধিয়ে আমাৰ বাবে দুঃসংবাদ কঢ়িয়াই আনিছে। এনেদৰে জনসংখ্যা বৃদ্ধি হৈ থাকিলে ২০১৫ চনলৈ ভাৰতবৰ্ষই চীন দেশক অতিক্ৰম কৰি পৃথিৱীৰ সৰ্বোচ্চ জনসংখ্যাৰ দেশ হ'ব বুলি লোকপিয়লৰ হিচাপ-নিকাচ বিশ্লেষকসকলে মত ব্যক্ত কৰিছে। ইয়াৰ উপৰিও শিশুৰ লিঙ্গ অনুপাত হ্ৰাস আমাৰ বাবে অতি দুখজনক কথা। কন্যা শিশু হত্যা, কন্যা ভ্ৰূণ হত্যা, বাল্যবিবাহ, নিৰক্ষৰতা আদি ইয়াৰ প্ৰধান কাৰণ। এই সমস্যাবোৰ দূৰ কৰিব নোৱাৰিলে ভাৰত অচিৰেই সংকটত পৰিব। জনসংখ্যা বৃদ্ধিৰ বাবে হ'ব লগা সমস্যাৰ বিষয়ে সকলোৰে জনা উচিত আৰু জনসংখ্যা বৃদ্ধি কিদৰে ৰোধ কৰিব পাৰি তাৰ বিষয়ে চৰকাৰ তথা ৰাইজ উভয়ে উচিত ব্যৱস্থা গ্ৰহণ কৰা উচিত। তেতিয়াহে ভাৰত এখন সফল সুন্দৰ প্ৰগতিশীল ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'ব।







# 'জীৱনৰ বাটত' উপন্যাসত প্ৰতিফলিত স্বাধীনতা আন্দোলনৰ প্ৰতিচ্ছবি আৰু তাৰ তাৎপৰ্য্য

❖ ৰেণু হাজৰিকা
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

উপন্যাসত এখন সমাজৰ সামাজিক চিত্ৰ প্ৰকাশ পোৱাৰ লগতে সমসাময়িক বিভিন্ন দিশসমূহ প্ৰতিফলিত হোৱা দেখা যায়। যিহেতু সাহিত্যক সমাজৰ দাপোন বোলা হয়, গতিকে সাহিত্যৰ উপাদান হিচাপে উপন্যাসেও এখন সমাজক প্ৰতিনিধিত্ব কৰা দেখা যায়। স্বনামধন্য সাহিত্যিক বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে বীণা বৰুৱা ছদ্মনামত ১৯৪৪ চনত ৰচনা কৰা উপন্যাস 'জীৱনৰ বাটত' এখন কৃষিজীৱি গ্ৰাম্য সমাজৰ প্ৰতিভূ। সহজ-সৰল গ্ৰাম্য জীৱনৰ ওপৰত ৰচিত উপন্যাসখনত অসমীয়া সমাজৰ বিভিন্ন দিশ উন্মোচন কৰাৰ লগতে বৃটিছৰ যুগৰ কিছু ৰূপৰেখা আৰু ভাৰতৰ স্বাধীনতাকামী ৰাইজৰ বৃটিছবিৰোধী সংগ্ৰামৰ কিছু আভাস ইয়াৰ মাজেৰে প্ৰতিফলিত কৰিব বিচৰা হৈছে।



সম্পূৰ্ণ গাঁৱলীয়া পটভূমিত পৰম্পৰাগত প্ৰেম কাহিনী এটাক লৈ উপন্যাসখন ৰচনা কৰা হৈছে যদিও ড° বৰুৱাৰ কাব্য প্ৰতিভাৰ বলত সাধাৰণ প্ৰেম কাহিনীৰ পৰা অসাধাৰণ কাহিনীলৈ ইয়াৰ উত্তৰণ ঘটিছে। উপন্যাসখনৰ নায়িকা তগৰ পুৰণি গ্ৰাম্য সভ্যতাৰ দ্বাৰা লালিতা-পালিতা। আনহাতে তগৰৰ লগত ভালপোৱাৰ সম্পৰ্ক গঢ় লৈ উঠা কমলাকান্ত হ'ল বৃটিছ আমোলৰ শিক্ষা-দীক্ষাই গঢ় দিয়া মধ্যবিত্ত শ্ৰেণীটোৰ প্ৰতিনিধি। সেয়েহে তগৰক ভালপোৱা প্ৰতাৰণা কৰাটোত কমলাকান্তৰ মানসিক কোনো সংঘাত অহা নাই। এই শ্ৰেণীটোৱে স্বাৰ্থ, সুবিধা আৰু ভোগকেই আগস্থান দিয়ে। আনহাতে ৰায়বাহাদুৰ মাণিক হাজৰিকা হ'ল সমাজৰ উচ্চ বা অভিজাত শ্ৰেণীৰ প্ৰতিভূ। প্ৰাচীন সাংস্কৃতিক পৰম্পৰাৰে গঢ় লৈ উঠা, সঁচাসচিকৈ এপাহ তগৰ ফুলৰ দৰেই নিষ্পাপ তগৰে কমলাকান্তক অকস্মাতে মন প্ৰাণ সপি দি জীৱনৰ ধুমুহাত পৰি কিদৰে থাউনী হেৰুৱাব লগা হ'ল তাৰ প্ৰাণস্পৰ্শী বৰ্ণনা ঔপন্যাসিক ড° বৰুৱাই উপন্যাসখনত চিত্ৰিত কৰিছে। উপন্যাসখনত এই ঘটনাৰ বৰ্ণনাৰ লগে লগে ঔপন্যাসিকে ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ ছবিখনো ধৰণীকেন্দ্ৰিক ঘটনাৰ মাজেদি উপস্থাপন কৰিছে। সমগ্ৰ ভাৰতবাসীক বৃটিছ বিৰোধী সংগ্ৰামৰ নেতৃত্ব দিয়া মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শ আৰু দেশপ্ৰেম অসম ভূমিলৈও বিয়পি পৰিছিল। উপন্যাসখনত গান্ধীৰ নেতৃত্বত পৰিচালিত হোৱা এই আন্দোলনত বহু অঞ্চলৰ শ্ৰমিক, কৃষক, পুৰুষ-মহিলা আৰু ছাত্ৰ-ছাত্ৰী আদি সমাজৰ সকলো শ্ৰেণীৰ লোকে নায়ক ধৰণীৰ নেতৃত্বত অংশ গ্ৰহণ কৰা

দেখুওৱা হৈছে। গান্ধী ধনমত গঠন কৰাৰ ক্ষেত্ৰত নায়কে নিজৰ অঞ্চলৰ লগতে গুৱাহাটী-চুবুৰীয়া অঞ্চলটোত বিস্তৃত প্ৰভাৱ পেলোৱা দেখা যায়। ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈকে মহাত্মা গান্ধীৰ নেতৃত্বত চলা স্বাধীনতা আন্দোলনে সমৰ্থন লাভ কৰিছিল। গাঁৱে গাঁৱে মিটিং পাতি ভলণ্টিয়াৰ, মহিলা সভা, স্বৰাজ সেৱক আদি গঠন কৰা হৈছিল। অসহযোগ আন্দোলন কৃতকাৰ্য্য কৰিবৰ কাৰণে জনসাধাৰণ ছাত্ৰসমাজে যথাসাধ্য চেষ্টা কৰিছিল; স্কুল কলেজৰ ছাত্ৰসকলে শিক্ষানুষ্ঠান ত্যাগ কৰিছিল। আন্দোলনকাৰী ছাত্ৰ সকলক বৃটিছে জেইলত ভৰাই নানা ধৰণৰ নিৰ্যাতন দিছিল। স্বাধীনতাৰ স্বাৰ্থত সকলো দুখ/কষ্ট প্ৰত্যেক অসমীয়াই নিৰ্বিবাদে গ্ৰহণ কৰিছিল। মহাত্মা গান্ধীৰ জয়, বন্দে মাতৰম্, ভাৰত মাতা কি জয় ধ্বনিৰে অসম তথা ভাৰতৰ আকাশ বতাহ মুখৰিত কৰিছিল। জীৱনৰ বাটত উপন্যাসত ঔপন্যাসিক বৰুৱাই স্বাধীনতাৰ এই দিশটোকে অংকিত কৰিছে। বৰুৱাৰ উদ্দেশ্য স্বাধীনতাৰ ইতিহাসৰ লগতে উপন্যাসখনত পৰম্পৰাগত গ্ৰাম্য সমাজৰ স্বৰূপ অতি সূক্ষ্ম দৃষ্টিভংগীৰে খুলি ধৰা। তাৰ সমান্তৰালভাৱে বৃটিছ সকলৰ দ্বাৰা বাণিজ্যিক সভ্যতাৰ কবলত পৰি পুৰণি অসমীয়া কৃষিজীৱী সমাজখন কিদৰে ধ্বংসৰ মুখত পৰিছে তাৰ এটি নিখুঁত ৰূপ আন্দোলনৰ পটভূমিৰে উপন্যাসখনত ফুটাই তোলা হৈছে।

উপন্যাসখনৰ এটা গুৰুত্বপূৰ্ণ চৰিত্ৰ হ'ল গাঁৱলীয়া ছোৱালী ধৰণী। নিজৰ শিক্ষা আৰু প্ৰশিক্ষণ তথা দেউতাৰ যোগেদি নিম্ন মধ্যবিত্ত শ্ৰেণীটোৰ উত্তৰণ ঘটা এই ধৰণী মাঘিৰে পৰিস্থিতিত পৰি উপন্যাসৰ নায়িকা তগৰৰ বিয়া বন্ধ হৈছে আৰু স্বাধীনতা আন্দোলনৰ ধামখুমীয়াত সোমাই অশেষ কষ্ট ভোগ কৰিবলগীয়া হৈছে। মাকৰ মৃত্যুৰ পিছত ধৰণীয়ে ঘৰৰ সকলো দায়িত্ব তগৰৰ হাতত গতাই দেশৰ কামত আত্মনিয়োগ কৰিছে। সেই সময়তে স্বাধীনতা আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰে। গান্ধীবাদী আদৰ্শৰ দ্বাৰা পৰিপুষ্ট ধৰণীৰ অসহযোগ আন্দোলনত সক্ৰিয় ভূমিকা উপন্যাসখনত বৰ্ণিত হৈছে আৰু ধৰণীৰ আলমতে উপন্যাসখনত গৌণভাৱে হ'লেও এটা ৰাজনৈতিক পটভূমিৰ অৱতাৰণা কৰা হৈছে। স্বাধীনতা আন্দোলনৰ এটা আভাস 'জীৱনৰ বাটত' উপন্যাসত ফুটি উঠা দেখা পোৱা এইদৰে— "স্কুল, কলেজ এৰি দলে দলে ছাত্ৰই আহি গাঁৱত সভা সমিতি পাতি গাঁৱলীয়া ৰাইজক সজাগ কৰিবলৈ লাগিল। ৰাতি দিন বাটে-পথে 'বন্দেমাতৰম্', 'মহাত্মা গান্ধীৰ জয়', 'ভাৰত মাতা কী জয়' আদি ধ্বনিৰে গাঁও ভুই তোলপাৰ লাগিল।"[1]

চাৰিওফালে আন্দোলনত নামি ধৰণী গাঁৱৰ নেতা হৈ পৰিল। ধৰণীৰ নিৰ্দেশতেই বহু অঞ্চলত আন্দোলন চলিল। ধৰণীৰ পথা দিহা পৰামৰ্শ বিচাৰি দিনে ৰাতিয়ে স্বেচ্ছাসেৱক ভলণ্টিয়াৰেৰে ধৰণীৰ ঘৰ ভৰি থকা হ'ল। তগৰে সংসাৰৰ দায়িত্ব কান্ধ পাতি লৈ ধৰণীক দেশসেৱাৰ কামত একাগ্ৰচিত্তীয়াকৈ লগাৰ সুবিধা কৰি দিলে। আন্দোলন দমনৰ বাবে ইংৰাজ চৰকাৰো তৎপৰ হৈ পৰিল আৰু কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিলে। চোৰাংচোৱাৰ চকুত ধৰণী গৱৰ্ণমেণ্ট বিদ্ৰোহী বুলি পৰিচিত হ'ল। ধৰণীক বিচাৰি পুলিচে পিয়া-পি দি ঘূৰিবলৈ ধৰিলে। ধৰণীয়েও পুলিচৰ চকুত ধূলি মাৰি বিভিন্ন গাঁৱত গৈ সভা সমিতি পাতি, বক্তৃতা দি ঘূৰি ফুৰিলে আৰু জনসাধাৰণক সজাগ কৰিলে। দিনে দিনে আন্দোলনে তীব্ৰ ৰূপ ল'বলৈ ধৰিলে। পুলিচৰ অত্যাচাৰত এখন গাঁৱত আন্দোলন শাম কাটিলে আন এখন গাঁৱত দুগুণে জ্বলিবলৈ ধৰিলে। পুলিচ/চোৰাংচোৱাৰ চকুৰ টোপনি ধৰণীয়ে কাঢ়ি নিলে।

আন্দোলনে সৰ্বসাধাৰণ লোক বা পৰিয়ালটোক কেনেদৰে বিপৰ্যয়ৰ সন্মুখীন কৰিছিল তাৰ ছবিখনো উপন্যাসখনত স্পষ্ট। ধৰণীক নাপাই পুলিচে গাঁৱত খানাতালাচ চলায়। ধৰণীৰ ঘৰতো খানাতালাচ কৰি তগৰকে একেলগে লৈ আহে। তেতিয়াৰ সমাজখনত ছোৱালী এগৰাকীক পুলিচে সেইদৰে থানালৈ লৈ যোৱাটো চৰম লাজ আৰু অপমান কথা। তথাপিও অপমানত জৰ্জৰিতা হৈ অত্যাচাৰ আৰু পীড়নৰ মাজত নিজৰ তিৰোতাক নিঃসহায়কৈ এৰি দেশৰ স্বাধীনতা আনিবলৈ যোৱাত ধৰণীৰ ওপৰত খং আৰু ক্ষোভ কৰি চকুলো টুকিছে।

অসহযোগ আন্দোলনৰ জাতীয় কৰ্মসকলেও বৃটিছৰ শোষণ লোক দিলে। অসমীয়া লোকক তিৰস্কাৰ কৰিবলৈ পিছ হোহকা নাছিল। ঔপন্যাসিকে তগৰক থানালৈ লৈ যোৱা দৃশ্যত তাক সুন্দৰকৈ অৱতাৰণা কৰিছে। নিজৰ স্বাৰ্থ সিদ্ধিৰ স্বাৰ্থত অসমীয়া জীয়ৰী বোৱাৰীক অত্যাচাৰ কৰিবলৈ দেশীলোকৰ মনত অকণো খেদ সৃষ্টি হোৱা নাছিল।

এই আন্দোলনে জনসাধাৰণৰ মাজত এনেদৰে একতা আৰু জাতীয়তাবোধৰ সৃষ্টি কৰিছিল যে এজন অসমীয়াক কৰা অপমানেই সকলো অসমীয়াক কৰা অপমান বুলি জনগণে গ্ৰহণ কৰিছিল। তগৰক থানাৰ টিপাইত ধৰি নিয়া বাতৰিয়ে গাঁওখনত মুহূৰ্তৰ ভিতৰতে কাণ্ডইৰ দৰে বিয়পি পৰিল। ডেকা বুঢ়া সকলোৱে দহেহেজাৰ বখাটি কৰি ওলাই আহি থানাৰ সন্মুখত ভিৰ কৰিলেহি— "সানি নিচিগা বিৰাট শোভাযাত্ৰাই থানাৰ আগত থিয় দি 'বন্দে মাতৰম্' ধ্বনিৰে তোলপাৰ লগালে। ... মুদ্ৰৰ উত্তেজিত যৌবনৰ দৰে উন্মত্ত জনতাই আপত্যাচাৰীলৈ বাল্লিপভাৱে ঠেলাঠেলি কৰিছে। গগন ভেদি উঠা জনতাৰ চিঞৰৰ বতাহত অঁকিচ ঘৰৰ ওপৰত উৰি থকা বৃটিছ পতাকা ফালো ফালো হৈছে।"[2] উত্তেজিত জনতাই থানাত প্ৰবেশ কৰি দাৰোগাক আক্ৰমণ কৰিবলৈ উদ্যত হ'ল। কিয়নো সাধাৰণ জনতাৰ বাবে স্বাধীনতাতকৈয়ো জীয়ৰী-বোৱাৰীৰ আত্মসন্মান ৰক্ষা কৰাটোহে ডাঙৰ কথা। গাঁৱৰ বোৱাৰী এগৰাকী পুলিচৰ দ্বাৰা লাঞ্চিতা হোৱাটো স্বাধীনতা পিয়াসী হ'লেও কোনেও কামনা নকৰে। অৱশেষত ভলণ্টিয়াৰৰ বুজনিত সেনিবা খহিব শান্ত হ'ল। ইতিমধ্যে ভলণ্টিয়াৰৰ মুখে ধৰণীয়ে খবৰ পাই আহি উত্তেজিত জনতাক বুজাই বঢ়াই শান্ত কৰিবলৈ চেষ্টা কৰিছে এইদৰে— 'দেশৰ মুক্তিৰ কাৰণে এনে অপমান অত্যাচাৰ ঈশ্বৰৰ আশীৰ্বাদ বুলি গ্ৰহণ কৰিব লাগে। দেশক স্বাধীন কৰিবলৈ হ'লে ইয়াতকৈয়ো ডাঙৰ কষ্ট, মহৎ ত্যাগ স্বীকাৰ কৰিব লাগিব। ... আপোনালোকে প্ৰতিশোধৰ কথা নাভাবি ঘৰাঘৰি যাওক হ'ল'।[3] ধৰণীয়ে পুলিচৰ ওচৰত নিজে ধৰা দি তগৰক মোকলাই লৈ গ'ল আৰু দেশসেৱাত যে সেইধৰণৰ অপমান অত্যাচাৰ মূৰ পাতি ল'ব লাগিব তাকো সতৰ্কাই দিলে।

স্বাধীনতা আন্দোলনত নেতৃত্ব দিয়া সকলোকে বৃটিছে জেইলত ভৰালে। গাঁৱত খেতি-বাতিত কাম কৰিবলৈকো ডেকা ল'ৰা এজন নোহোৱা হ'ল। ধৰণীকো দুবছৰ জেইল হ'ল। ধৰণী জেইললৈ যোৱাৰ পিছত ছোৱালীজনীক লৈ তগৰৰ যি অৱস্থাৰ বৰ্ণনা উপন্যাসখনত পৰি ধৰিছে সেই অৱস্থাই মুক্তিকামী দেশপ্ৰেমিকৰ পৰিয়ালৰ সামাজিক আৰু আৰ্থিক অৱস্থাৰ প্ৰতিফলন কৰিছে। ধৰণীৰ অনুপস্থিতিত তগৰৰ একমাত্ৰ চিন্তা, আনহাতে পাড়ৰ দেহটোক ৰক্ষা কৰাৰ চিন্তা। সুযোগ পাই কিমানে যে তগৰক অশ্লীল ইংগিত দিয়া নাই। তথাপিতো ধৰণী উভতি আহিব বুলিয়েই সকলো কষ্ট মানি লৈছে। আন্দোলনৰ সুযোগ বুজি নিজৰ সুবিধা আদায় কৰিব বিচৰা সকলে তগৰক ঠগি খোৱাৰ চেষ্টা চলাইছে। আনকি ধৰণীৰ আত্মীয় গুনেও তাৰ ব্যতিক্ৰম হ'ব পৰা নাই। তগৰৰ মাটিকেইডৰা বন্ধকীৰ পিছত নামত নিজে আহিলোৱাৰ ফন্দি পাতিছে আৰু তগৰে যথা খোজা অলংকাৰখিনি বন্ধকীত থৈ পুতেকৰ বিয়া পাতিব বিচাৰিছে। তগৰে বহু উজাগৰী নিশা অতিবাহিত কৰি ধৰণীলৈ অপেক্ষা কৰিছে। শেষত ধৰণী উভতি আহিল ঠিকেই কিন্তু কংকালসাৰ দেহ আৰু ৰুগ্ন শৰীৰেৰে। ধৰণীয়ে দেশত লৈ অহা ক্ষয়ৰোগেৰে তগৰক বেচি দিন আনন্দ দিব নোৱাৰিলে। গোপাল ডাক্তৰৰ চিকিৎসা আৰু তগৰৰ সেৱা শুশ্ৰূষাক নেওচা দি ধৰণী চিৰ দিনলৈ চকু মুদিলে।

কানিয়ে কোঙা কৰা অসমীয়া সমাজত বৃটিছে ১৮৬১ চনত আইন প্ৰণয়ণ কৰি ইয়াৰ খেতি বন্ধ কৰি দিয়ে। কিন্তু ফল চাই কটীয়া পেলোৱা বৃটিছ সকলে ৰাজহ সংগ্ৰহৰ আশাত চৰকাৰী পৃষ্ঠপোষকতাত কানিৰ ব্যৱসায় চলাবলৈ অনুমতি দিছিল। যাৰ ফলত অসমীয়া সমাজ শাৰীৰিক আৰু মানসিকভাৱেও বিধ্বস্ত হৈছিল। অসমৰ জনসাধাৰণৰ অভিশাপ স্বৰূপ এই কানিৰ প্ৰচলনৰ বিপক্ষেও উপন্যাসখনত কিছু চিত্ৰ পোৱা যায়। কানিয়ে মানুহৰ গুণ আৰু প্ৰমূল্যক অৱমাননা কৰি তিল তিলকৈ কিদৰে মৃত্যুমুখলৈ লৈ যায় তাক সুন্দৰভাৱে চিত্ৰিত কৰিছে। কানিৰ দোকানৰ মহলদাৰ নাৰায়ণ গোস্বামীয়ে চৰকাৰী পটাৰ জৰিয়তে কানি বিক্ৰি কৰে। কানিয়াৰ ভীৰত মহলদাৰৰ দোকানত তিল দি ঠাই নোপোৱা অৱস্থা। কংগ্ৰেছৰ ভলণ্টিয়াৰৰ বিশাল দোকানে দোকানে পিকেটিং কৰিও কানিৰ প্ৰচলন বন্ধ কৰিব পৰা নাই। কানিৰ মহল এৰিবলৈ ভলণ্টিয়াৰৰ নেতা কুশ গগৈয়ে মহলদাৰ নাৰায়ণ গোস্বামীক অনুৰোধ কৰাত তেওঁ কৈছে— "মই দোকান বিয়াইন

১। বীণা বৰুৱা, জীৱনৰ বাটত, পৃষ্ঠা- ১৩৮

২। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা- ১৫৩

৩। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা- ১৫৬

৪। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা- ১৪৩

দিলে কানিয়াই কানি খাবলৈ এৰিব নে, অফ. মহলদাৰেই দোকান দ খুলৈ নাছিব? দেশৰ স্বাধীনতা কানি এৰিহে অৰ্জন কৰিব লগা হ'ল।"[5] স্মৰ্তব্য যে, এইচাম অসমীয়াৰ কাৰণেই সেই সময়ৰ সমাজখন অধঃপতিত হৈছিল। সমাজৰ উচ্চশ্ৰেণীৰ লোক হৈও নিৰ্বিবাদে কানিৰ ব্যৱসায়েৰে লাভান্বিত হ'ব বিচাৰিছিল। কানিসেৱকসকলে বাহিৰৰ দোহাই, দেশৰ দোহাই দি ভলণ্টিয়াৰ সকলে কানি এৰিবলৈ অনুৰোধ কৰে। কিন্তু ভলণ্টিয়াৰে পিকেটিং কৰিলেই থানাৰ দাৰোগাই আহি ভলণ্টিয়াৰ সকলক হাতকেৰেৱা লগাই লৈ যায় আৰু কানিয়াৰোকক কানি কিনিবলৈ নিৰ্দেশ দিয়ে। তথাপিতো স্কুলবোৰৰ বিভিন্ন ঠাইত ধৰণীৰ নিৰ্দেশত পিকেটিংকাৰীয়ে কানিয়াৰ সংখ্যা কমাবলৈ সক্ষম হয়। আনহাতে কানি সেৱন কৰিব নোপাই মোহন গাঁওবুঢ়াৰ হাতীৰ মাউত শুকমল কছাৰী কেনেকৈ মৃত্যুমুখত পৰিল সেই নিকৰুণ দৃশ্যৰ বৰ্ণনাও উপন্যাসখনত বৰ্ণিত হৈছে। গোসাইৰ ল'ৰা, ধনঞ্জয় ভলণ্টিয়াৰৰ আগত শপত খাই শুকমলে কানি এৰিলে কিন্তু কানিয়ে শুকমলক নেৰিলে। কানি খাব নোপাই শুকমলৰ পেটৰ কামোৰনিত ভাত নাই। গোটেই শৰীৰ লেলাবতিৰে পূৰি গৈছে। পেটৰ কামোৰনিত ঘনে ঘনে পাইখানালৈ গৈছে। চেকুৰা- চেকুৰি ভেঙো পৰিছে! তাকে দেখি গাঁওবুঢ়াই পিয়দিবোৰৰ শুকমলৰ বাবে অলপমান কানি লৈ গৈ দেখা পালে— "শুকমলৰ আধা নাঙঠা দেহাটো মাটিত উবুৰি পৰি আছে..., ডাঙা গাল। কেন্দ লেলাবতি দুটা কোৰাঙিয়েদি বাগৰি পৰিছে। শোণিত শোষি চালৰ ওপৰত গেলা মাছৰ পানীৰ দৰে জেলা মাখিয়ে ভেন ভেনাই আছে। ডাঙাপোৱা শলিতাৰ ডেকু জোৰৰ দৰে, নাক খাপি পৰাৰ চকু-নাকৰ গাতত খুলি খুলি খাইছে। ...... ডেলেক বাবে উৎকট দুৰ্গন্ধ এটা গাঁওবুঢ়াৰ নাকত লাগিলহি।"[6] উল্লেখ্য যে বহু অসমীয়াই কানিৰ কবলত পৰি সেই সময়ত মৃত্যুবৰণ কৰিবলগীয়া হৈছিল।

স্বদেশী বস্ত্ৰ গ্ৰহণ আৰু বিদেশী বস্ত্ৰ বৰ্জন আছিল ভাৰতবৰ্ষৰ স্বদেশী আন্দোলনৰ অন্যতম শ্লোগান। উপন্যাসখনত ইয়াৰ প্ৰতিফলন হোৱা দেখা যায়। উপন্যাসৰ নায়ক ধৰণীক গোলাপ অজুহে কোৱা— 'কি মাষ্টৰ। চৰকাৰৰ পৰত বিদ্ৰোহ কৰি এতিয়া বোলে চৰকাৰী ডাক্তৰখানাৰ ঔষধো লেখায়? বিদেশী বস্ত্ৰ বৰ্জন দিয়াৰ লগতে বিদেশী দৰৱো এৰিব খুজিছে নেকি?" সংলাপটিৰ মাজেৰে আন্দোলনকাৰী সকলৰ স্বদেশী আন্দোলনৰ ভাবধাৰাক প্ৰকট কৰা হৈছে।

এই সময়ছোৱাতে লেফটেনেণ্ট গৱৰ্ণৰৰ ফেমফিল্ডে 'বন্দে মাতৰম্' নামৰ এখন ইস্তাহাৰো জাৰি কৰিছিল। ইয়াৰ জৰিয়তে বাৰ্তা ৰচিত 'বন্দে মাতৰম্' ধ্বনি দিয়া বন্ধ কৰা হৈছিল। সেই নিয়ম নমনা সকলক জেইলত ভৰোৱা হৈছিল। উপন্যাসখনত স্বাধীনতাৰ এই ছবিখন স্পষ্ট— "ডেমোৰ বৰ পথাৰৰ নৰিয়া, মাজুটো ভলণ্টিয়াৰ হৈছিল। তাকো পুলিচে ধৰি নি জিলাৰ বগাভাত খুৱাইছেগৈ। বন্দে মাতৰম্ বুলি চিঞৰিলেই বোলে বক্সাৰ দায় লাগে? এনে কথানো ক'ত শুনিছা? দেখি পথাৰৰ এই ভৰ দিনত অনাহগৰত ল'ৰাইতকে কাৰেকত সুমুৱাই থলে দেশত আকাল নহৈ কি হ'ব?"[7]

স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰা বাবে প্ৰায়বোৰ গাঁৱৰে ডেকাচামে জেলৰ ভাত খাবলগীয়া হ'ল। তাকে দেখি গাঁৱৰ বুঢ়া চাকিজনৰ মনত স্বাধীনতাৰ প্ৰতি বিৰাগ ভাব নজন্মাও নহয়। খেতি দেশত লাগিবলৈ, যেতিয়া চাবলৈ গাঁৱত ডেকা ল'ৰা নোহোৱা হ'ল। তাৰ বাবে বহুতে ধৰণীকেই জগৰীয়া কৰিলে— "এই ধৰণীটোৱেই গাঁৱৰ সকলো অনিষ্টৰ মূল? দিয়েই গোটেই খিং কটীয়া পিটি খৈ গ'ল। পালে নহয় তাৰ পেটিক, দুৱহৰ বগা ঘৰৰ ভাতৰ স্তুতি লৈ আহিব এতিয়া।"[8]

তথাপিতো এই আন্দোলনে সৰ্বসাধাৰণ ৰাইজৰ দুখ-দুৰ্দশা লাঘৱ কৰিব বুলি, ইংৰাজৰ কৰ-কাটল তথা শোষণৰ পৰা মুক্তি আনি দিব পাৰিব বুলি সৰ্বসাধাৰণ ৰাইজ আশাত বন্দী হৈ থাকিল। গাঁৱলীয়া ৰাইজে এই দুৰ্দিনৰ বাবে ধৰণীয়েই দায়ী বুলি সকলোৱে ভবা নাই। ডেমোৰ খাপত মাইয়ে তাৰেই প্ৰকাশ কৰিছে— "ধৰণীক নো কি দোষ দিবা? গোটেই দেশখনি বানপানীৰ দৰে আন্দোলনৰ ঢল; তাক ধৰণীয়েই বা ধৰিবেই কেনেকৈ বাধা দিব? কেৱল তোমাৰ মোৰ ল'ৰাইহে জেইললৈ গৈছেনে? .... কিজানি গান্ধী অৱতাৰৰ দিনতে

৫। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা- ১৫০
৬। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা- ১৬৭
৭। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা- ১৭০
৮। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা- ১৬৫





আমাৰ দৰিদ্ৰ প্ৰজাৰ দুখ-দুৰ্গতি মোচন হয়ে বা?" স্মৰ্তব্য যে ধাপাবাদী জনসাধাৰণে ধৰণীৰ নেতৃত্বতেই সমাজলৈ পৰিবৰ্তন আহিব বুলি ভাবে, নেতৃত্বৰ ওপৰত আস্থা স্থাপন কৰে।

ইংৰাজ চৰকাৰে সেই সময়ত গৰু, মহৰ চৰণীয়া পথাৰবোৰৰ ওপৰতো খাজনা বহুৱাইছিল। চৰণীয়া পথাৰ হিচাপে মাটিবোৰ পৰি থাকিলে চৰকাৰৰ লোকচান হয় সেয়েহে চৰণীয়া পথাৰবোৰত মানুহ বহুৱাই খাজনা আদায় কৰে। দুই এজন মধ্যবিত্ত অসমীয়াই নিজৰ সুনাম লাভৰ বাবে চৰণীয়া পথাৰবোৰ এনেয়ে পৰি থকা বুলি ইংৰাজক খবৰ দিয়ে। উপন্যাসখনৰ ডেকা হাকিম কমলাকান্তয়ো কাছাৰি গৌহাটীৰ প্ৰেছিং বিৰ্যক্ত টোত 'বহিছে আজিকালি গৰু নচৰায়, মাটিবোৰৰ আবাদ নোহোৱাকৈ পতিত হৈ আছে' বুলি গৱৰ্ণমেণ্টক খবৰ দিছিল। গৱৰ্ণমেণ্টৰ খাজনা বঢ়োৱাৰ উপায়ৰ সংকেত দিলে কলেক্টৰ সকলে কমিচনাৰৰ পৰা প্ৰশংসা পায়, পদোন্নতি ঘটে। কমলাকান্তয়ো পদোন্নতিৰ আশাত ডেপুটি কমিচনাৰ গৌহিন চাহাবক এই খবৰ দিছিল যদিও চাহাবে কমলাকান্তক তিৰস্কাৰ কৰি সেই ফাইলটো ঘূৰাইহে পঠালে।

ভাৰতৰ স্বাধীনতা আন্দোলন মহাত্মা গান্ধীৰ অহিংসা নীতিৰে পৰিচালিত কৰিছিল যদিও ঠায়ে ঠায়ে ই ভাৰত ত্যাগ আন্দোলনৰ দিনত হিংসাত্মক ৰূপো গ্ৰহণ কৰিছিল। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়', 'প্ৰতিপদ' আদি উপন্যাসতো আমি ইয়াৰ আভাস পাওঁ। কিন্তু আমাৰ আলোচ্য 'জীৱনৰ বাটত' উপন্যাসত স্বাধীনতা আন্দোলন অহিংসা ৰূপতেই পৰিচালিত হোৱা দেখা পাওঁ— বৰফ ডেকাৰ থানাৰ দাৰোগাই ধৰি নিয়াত উত্তেজিত জনতাই থানা ঘেৰাও কৰি জ্বলাব খোজোঁতে ভলণ্টিয়াৰ সকলে এইদৰে বুজনি দি জনতাক শান্ত কৰা দেখা যায়— "ৰাইজ সকল আপোনালোকে মহাত্মাৰ অহিংসা নীতি নেপাহৰিব। তোৰ জুলুম, দণ্ড গতিক ৰজাৰ অসহযোগ আন্দোলনত নাই। মনত পাৰিব আমি দাৰোগাক শাস্তি দিবলৈ অহা নাই।"[9]

এইদৰে উপন্যাসখনত স্বাধীনতা আন্দোলন আৰু তাত ধৰণীৰ নেতৃত্বই প্ৰাধান্য লাভ কৰা দেখা পাওঁ। ঔপন্যাসিকে উপন্যাসখনত গান্ধী ধৰিব খোজা ছবিখন প্ৰতিফলিত হৈছে ধৰণীৰ চৰিত্ৰৰ মাজেৰে। ধৰণী স্বাধীনতা আন্দোলনৰ নেতা আৰু সেই উত্তাল আন্দোলনৰ গুৰি ধৰোতা। ধৰণীৰ এটা আদৰ্শ আছে। সমাজৰ প্ৰতি দায়বদ্ধতা আছে। সেইবাবেই ধৰণীয়ে পৰাধীনতা আঁতৰাই সমাজ তথা দেশৰ বাবে স্বাধীনতা আনিব বিচাৰিছে। দৰিদ্ৰ কৃষকৰ পৰা দেশৰ জনগণক উদ্ধাৰৰ বাবে চেষ্টা কৰিছে। ধৰণী হ'ল সমাজৰ নিম্ন মধ্যবিত্ত শ্ৰেণীটোৰ প্ৰতিভূ। শিক্ষাগত অৰ্হতা দেখিলেও এজন সাধাৰণ উচ্চ স্কুল মাষ্টৰ। কিন্তু শিক্ষা নাথাকিলেও ধৰণীৰ আদৰ্শ আছে যি আদৰ্শৰ ওপৰত জনসাধাৰণে আস্থা ৰাখিব পাৰে। সমাজৰ উচ্চ মধ্যবিত্ত শ্ৰেণীটোক প্ৰতিনিধিত্ব কৰিছে কমলাকান্তই। বৃটিছ আমোলৰ শিক্ষা-দীক্ষাই কমলাকান্তক সুকীয়া মানসিকতাৰে গঢ় দি তুলিছে। যিটো শ্ৰেণীৰ পৰা সমাজে আশাৰে কৰিব পাৰে কিন্তু ফল লাভ নকৰে। এই শ্ৰেণীটোৱে নিজৰ স্বাৰ্থ সিদ্ধি, লাভ আৰু ভোগতেই প্ৰাধান্য দিয়ে. সেইবাবেই কমলাকান্ত উচ্চ শিক্ষিত হৈয়ো আদৰ্শহীন।

আমাৰ ধাৰণা ঔপন্যাসিকে সচেতনভাবেই উপন্যাসখনত এই ৰাজনৈতিক অৱস্থা তথা স্বাধীনতা আন্দোলনৰ ছবিখন উপস্থাপন কৰিছে। ৰাজনৈতিক পৰিস্থিতিয়ে ব্যক্তিজীৱনৰ সামাজিক, আৰ্থিক আদি দিশত কেনে প্ৰভাৱ পেলাইছিল, তাকে দাঙি ধৰাটো নিশ্চয় ঔপন্যাসিকৰ অন্যতম উদ্দেশ্য। ওপৰৰ জীৱনটোৰ চালেই আমি এই ঘটনাৰ আভাস পাওঁ। স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰি ধৰণী জেইললৈ যাব লগা হ'ল। ফলস্বৰূপে তেওঁৰ জীৱনটো সকলো দিশেই কাৰুণ্য নামি আহিল। পৰিশেষত বিবিধি ধৰণেই ধৰণীৰ মৃত্যুও উপন্যাসখনত চিত্ৰিত কৰিলে। ধৰণীৰ মৃত্যুৰেদি ঔপন্যাসিকে আন এটা ঘটনাৰ ইংগিত দাঙি ধৰা যেন আমাৰ ধাৰণা হয়। উপন্যাসখনৰ যিটো চৰিত্ৰই আদৰ্শৰ বশৱৰ্তী হৈ সামাজিক দুৰ্নীতি সমূহৰ বিৰুদ্ধে যুঁজ কৰিছিল সেই চৰিত্ৰটোৰ মৃত্যুৱে সমাজখনৰ অৱক্ষয়ৰ ছবিখন প্ৰকাশ কৰা যেন লাগে। বৰ্তমান সমাজখন এনেদৰে অৱক্ষয়মুখী হৈছে যে ধৰণীৰ দৰে নিম্ন মধ্যবিত্তৰ আদৰ্শৰ এতিয়া মূল্য নাই। সমাজত উচ্চ মধ্যবিত্ত শ্ৰেণীটোৱে নিম্ন শ্ৰেণীটোক শোষণ কৰি নিজ-স্বাৰ্থ পূৰণ কৰিছে আৰু সমাজখনো সেই ধৰণে গঢ় লৈছে। আমাৰ সমাজত এতিয়া গুনমান হৈ পৰিছে কমলাকান্তৰ দৰে স্বাৰ্থপৰ মানুহহে। সমাজৰ উচ্চ শিক্ষিত ব্যক্তিসকলহে সমাজৰ মূল চেতিয়াক ধৰি ৰাখিব পাৰিব বুলি, সেইচাম মানুহৰ প্ৰতি আশাবাদী হ'লেও

৯। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা- ১৫৪

কাৰ্য্যতঃ দেখা যায় অৰ্ধশিক্ষিত ধনশীৰ দৰে ব্যক্তিয়েহে সমাজৰ নেতৃত্ব দিয়ে। 'জীৱনৰ বাটতো' আমি সাধাৰণ মানুহক শেষত ধনশীৰ ওপৰতেই আস্থাশীল হোৱা দেখা পাওঁ। হয়তো ধনশীৰ জৰিয়তেই সমাজখনে এটা পৰিবৰ্তন বা সমাজৰ অৰিক্ত ৰূপটো বোধ কৰাৰ আশা লেখিছিল। সেই আশা ধনশীয়ে পূৰ্ণ কৰিব নোৱাৰিলেও কোনো জানে হয়তো পৰৱৰ্তী সময়ত ধনশী তথা তগৰৰ সন্তানেই ইয়াৰ নেতৃত্ব বহন কৰিব? কিন্তু কমলাকান্তৰ দৰে ব্যক্তিৰ মাধ্যমেদি এই কাম কেতিয়াও সম্ভৱ নহয় কাৰণ কমলাকান্তৰ দৃষ্টি সদায় অভিজাত শ্ৰেণীমুখী। কেনেকৈ নিজক সেই শ্ৰেণীলৈ উত্তৰণ ঘটাব পাৰি তাৰ চিন্তাত থকা কমলাকান্তই আবাদ হৈ পৰি থকা মাটিৰ খবৰ চৰকাৰক দি চৰকাৰৰ পৰা নিজৰ মৰ্যাদা লাভৰহে চিন্তা কৰিছিল। সেয়ে ধাৰণা কৰিব পাৰি সমাজখনৰ নেতৃত্ব দিবলৈ কমলাকান্ত কেতিয়াও যুধি নাহে।

বিৰিঞ্চি কুমাৰ বৰুৱাই উপন্যাসখনত ধনশীৰ আদৰ্শ, সংঘাত, মৃত্যু, তগৰৰ জীৱনৰ কাৰুণ্য এই বিলাক ঘটনাৰ বৰ্ণনাৰে এই কথাটোও হয়তো উপস্থাপন কৰিব বিচাৰিছে যে, জীৱনৰ বাট কেতিয়াও মসৃণ নহয় ইয়াত সংঘাত থাকিবই। সংঘাত অতিক্ৰম কৰিব পৰাজনেহে জীৱনত কৃতকাৰ্য্য লাভ কৰিব পাৰিব।

এইদৰে সমগ্ৰ উপন্যাসখনত সমসাময়িক ঘটনাৰ এক আভাস পোৱা যায়। সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থাৰ সংমিশ্ৰিত ৰূপৰ লগতে বৃটিছ ৰাজত্ব আৰু বৃটিছবিৰোধী সংগ্ৰাম প্ৰতিফলিত কৰাত ঔপন্যাসিক বৰুৱা সফল হোৱা বুলি ক'ব পাৰি আৰু সেই অৰ্থতেই 'জীৱনৰ বাটত' উপন্যাসখন উপন্যাস সাহিত্যলৈ ড° বিৰিঞ্চি কুমাৰ বৰুৱা অনবদ্য অৱদান।


সহায়ক গ্ৰন্থ ঃ

১। বৰুৱা, বীণা — জীৱনৰ বাটত , বীণা লাইব্ৰেৰী, কলেজ হোষ্টেল ৰোড, পানবাজাৰ, গুৱাহাটী - ৭৮১০০১, একাদশ সংস্কৰণ ১৯৯৯

২। চক্ৰৱৰ্তী, আদ্যনাথ আৰু শৰ্মা, নবেন্দ্ৰ নাথ— ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰু অসম, জ্যোতি প্ৰকাশন, পানবজাৰ, গুৱাহাটী - ৭৮১০০১, প্ৰথম প্ৰকাশ ১৯৯১

৩। মিশ্ৰ, কৃষ্ণ কুমাৰ ঃ বিৰিঞ্চি কুমাৰ বৰুৱা আৰু প্ৰফুল্ল দত্ত গোস্বামীৰ উপন্যাস, ষ্টুডেন্টচ্ ষ্টৰচ্ কলেজ হোষ্টেল ৰোড, গুৱাহাটী - ৭৮১০০১, প্ৰথম প্ৰকাশ - ১৯৯১

৪। শৰ্মা, গোবিন্দ প্ৰসাদ ঃ নাৰীবাদ আৰু অসমীয়া উপন্যাস, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী - ৭৮১০২১

৫। শৰ্মা, গোবিন্দ প্ৰসাদ ঃ উপন্যাস আৰু অসমীয়া উপন্যাস, ষ্টুডেন্টচ্ ষ্টৰচ্ কলেজ হোষ্টেল ৰোড, গুৱাহাটী - ৭৮১০০১, প্ৰথম প্ৰকাশ - ১৯৯৫

৬। গৰীয়সী ঃ অষ্টম বছৰ, পঞ্চম সংখ্যা, ফেব্ৰুৱাৰী ২০০১

৭। গৰীয়সী ঃ পঞ্চদশ বছৰ, অষ্টম সংখ্যা, মে ২০০৮

৮। গৰীয়সী ঃ ষষ্ঠ বছৰ, ২য় সংখ্যা, নৱেম্বৰ ১৯৯৮






# পৰিৱেশ প্ৰদূষণ আৰু ইয়াৰ প্ৰতিকাৰ


❖ জুলে আহমেদ
স্নাতক ১ম বৰ্ষ (বাণিজ্য)


**আৰম্ভণি ঃ**

মানুহে নিজৰ কেউফালে থকা জৈৱ-অজৈৱ উপাদানসমূহৰ ওপৰত নিৰ্ভৰ কৰি নিজৰ যি অৱস্থা তৈয়াৰ কৰি লয়; তাকে পৰিৱেশ বোলে। প্ৰাকৃতিক পৰিৱেশৰ প্ৰভাৱ মানুহৰ ওপৰত গভীৰভাৱে পৰে আৰু মানুহেও নিজৰ কৰ্মৰাজিৰে প্ৰাকৃতিক পৰিৱেশৰ ৰূপ সলনি কৰে। প্ৰাকৃতিক পৰিৱেশৰ অবিহনে মানুহ কোঙা। সেয়ে ক'ব পাৰি বৰ্তমানলৈ মানুহে যি সৃষ্টি কৰিছে আৰু কৰিব সেই আটাইবোৰ প্ৰকৃতিৰ অৱদান। পৰিৱেশ মূলত দুই প্ৰকাৰৰ— প্ৰাকৃতিক পৰিৱেশ আৰু মানৱ পৰিৱেশ।

**পৰিৱেশ আৰু মানৱ ঃ**

পৰিৱেশৰ লগত মানৱৰ সম্পৰ্ক ওতঃপ্ৰোত ভাৱে জড়িত। প্ৰাকৃতিক পৰিৱেশে মানুহৰ জীৱন যাত্ৰাত বহলভাৱে প্ৰভাৱ পেলায়। সেইদৰে মানুহেও প্ৰাকৃতিক পৰিৱেশৰ লগত খাপ খুৱাই আৰু এই পৰিৱেশৰ পৰিৱৰ্তন ঘটাই নিজৰ উপযোগীকৈ মানৱ পৰিৱেশ গঢ়ি তুলিছে। মানুহৰ প্ৰয়োজনৰ বাবেই জীৱ-জন্তু, হাবি-বন ধ্বংস কৰি মানুহে গঢ়ি তুলিছে বৃহৎ উদ্যোগ, অট্টালিকা। বিলাস আৰু সুখৰ কাৰণে মানুহে হাজাৰ হাজাৰ কল-কাৰখানা, গাড়ী-মটৰ চলাইছে, ফলত সৃষ্টি হৈছে প্ৰদূষণ। সময় আগবাঢ়ি যোৱাৰ লগে লগে পৰিৱেশৰ লগত মানুহৰ সম্বন্ধও দ্ৰুতভাৱে পৰিৱৰ্তিত হৈছে। মানুহে নিজৰ বিদ্যা- বুদ্ধিৰ সহায়েৰে পৃথিৱীৰ বিভিন্ন প্ৰাকৃতিক সম্পদৰাজিক নিজৰ প্ৰয়োজন আৰু কল্যাণাৰ্থে নিয়োজিত কৰি এক নতুন সাংস্কৃতিক পৰিৱেশ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। আদিম গ্ৰাম্য জীৱনৰ পৰা বৰ্তমান তেওঁলোকে আধুনিক শিক্ষা-দীক্ষা আৰু গৱেষণাৰ দ্বাৰা ন ন যন্ত্ৰপাতি আৱিষ্কাৰ আৰু যোগাযোগ আৰু পৰিবহণ ব্যৱস্থাৰ পৰিৱৰ্তন ঘটাইছে।

**পৰিৱেশ প্ৰদূষণ আৰু ইয়াৰ কাৰণ ঃ**

পৰিৱেশ প্ৰদূষণৰ বহুতো কাৰণ আছে। প্ৰদূষণৰ প্ৰকাৰ অনুসৰি ইয়াৰ কাৰণ ভিন্ ভিন্ হয়। তলত মানুহৰ কাৰ্য্যৰ দ্বাৰাই পৰিৱেশ প্ৰদূষণ হোৱাৰ কাৰণ সমূহ উল্লেখ কৰা হ'ল—

**মাটি প্ৰদূষণ ঃ** শস্য অধিক উৎপাদনৰ বাবে খেতি-বাতিত প্ৰয়োজনতকৈ অধিক ৰাসায়নিক দ্ৰব্য প্ৰয়োগ কৰিলে তাৰ অতিৰিক্ত অংশ মাটিত ৰৈ যায় ফলত মাটি প্ৰদূষণ হয়। তাৰোপৰি এই বিষাক্ত দ্ৰব্য খাদ্য শস্যতো জমা হয়।

**বায়ু প্ৰদূষণ ঃ** কল-কাৰখানা, গাড়ী-মটৰ আদিৰ পৰা উৎপত্তি হোৱা ধোঁৱাৰ ফলত হাইড্ৰ'জেন ছালফাইড, থায়ল, ছালফাৰ-ডাই-অক্সাইড আদি গেছৰ পৰিমাণ বৃদ্ধি হৈ বায়ু প্ৰদূষণ হয়।

**পানী প্ৰদূষণ ঃ** ঘৰুৱা বৰ্জনীয় পানী, আৱৰ্জনাৰ দ'ম আদি কুঁৱা বা



দমকলৰ ওচৰত থাকিলে পানী দূষিত কৰে। ইয়াৰ উপৰি বিভিন্ন উদ্যোগৰ বৰ্জিত পানী, পেলনীয়া আবৰ্জনা, কীটনাশকদ্ৰব্য আদিৰ ফলত বৰ্তমান যথেষ্ট পৰিমাণে প্ৰদূষণ হ'ব ধৰিছে।

**শব্দ প্ৰদূষণ ঃ** ৰেডিঅ', দূৰদৰ্শন, যন্ত্ৰ-পাতি, কল-কাৰখানাৰ উচ্চ শব্দৰ পৰা সৃষ্টি হয় শব্দ প্ৰদূষণ। যিবোৰ শব্দৰ প্ৰাবল্য ৪০ ডেচিবেলৰ অধিক সেইবোৰে শব্দ প্ৰদূষণ কৰে।

**গছ-গছনি ধ্বংস ঃ** গছ গছনি ধ্বংস কৰিলে বায়ুত অক্সিজেনৰ মাত্ৰা হ্ৰাস হোৱাৰ লগতে মাটিৰ যথেষ্ট পৰিমাণে ক্ষয় হয়।

**পৰিবেশ প্ৰদূষণৰ ফলাফল ঃ**

ভূমি, জল আৰু বায়ুৰ প্ৰদূষণৰ ফলত মানুহৰ টাইফয়েড, গ্ৰহণী, হাইজা আদি বিভিন্ন ৰোগৰ সৃষ্টি হৈছে। উদ্যোগৰ বিষাক্ত ধাতুসমূহ আৰু ধোঁৱাই জলজ উদ্ভিদ আৰু প্ৰাণীৰ ক্ষতি কৰাৰ লগতে অপকাৰী বেক্টেৰীয়াৰ সংখ্যা বৃদ্ধি কৰে। অবাধে গছ-গছনি কটাৰ ফলত বায়ুত অক্সিজেনৰ মাত্ৰা লাহে লাহে হ্ৰাস পাব ধৰিছে। কল-কাৰখানাৰ পৰা ওলোৱা ধোঁৱাই বৰ্তমান অ'জন স্তৰো যথেষ্ট পৰিমাণে ক্ষতি কৰিছে যি স্তৰৰ ফলত সূৰ্যৰ পৰা অহা অতি বেঙুনীয়া ৰশ্মি শোষণ হয়। বৰ্তমান যি গতিত গছ-গছনি কটা আৰু প্ৰদূষণ বৃদ্ধি হৈ আহিছে তাক লক্ষ্য কৰি মাত্ৰ কেইবছৰমানহে পৃথিৱীখন জীয়াই থাকিব বুলি নিশ্চিতভাৱে ক'ব পাৰি।

**প্ৰদূষিত পৰিৱেশৰ প্ৰতিকাৰ ঃ**

পৰিবেশ প্ৰদূষণৰ মাত্ৰা ৰোধ কৰিবলৈ আমি বিভিন্ন উপায় অৱলম্বন কৰিব পাৰো। তাৰে ভিতৰত অবাধে-মনে গছ-গছনি ধ্বংস নকৰা, বনানিকৰণ, গাড়ী-মটৰ, কল-কাৰখানাৰ পৰা ওলোৱা ধোঁৱাৰ মাত্ৰা কমাবলৈ সময়ে সময়ে যন্ত্ৰ-পাতিবোৰৰ ইঞ্জিন চাফ-চিকুণকৈ ৰখা আদি। তাৰোপৰি খেতি মাটিত সঠিক ভাৱে ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰ কৰা, শব্দৰ প্ৰাবল্য যেন অধিক নহয় তাৰ প্ৰতি সজাগ হোৱা, উদ্যোগৰ বৰ্জনীয় পানী আৰু আবৰ্জনাবোৰ বাহিৰলৈ উলিয়াই দিয়াৰ আগতে উপচাৰণ পদ্ধতিৰ ব্যৱহাৰ কৰা ইত্যাদিয়ে প্ৰধান।

**পৰিবেশ সম্বন্ধীয় আইন কানুন ঃ**

প্ৰতি বছৰে 'বিশ্ব পাৰিপাৰ্শ্বিক দিবস' পালন কৰি সমূহ বিশ্ববাসীক পৰিবেশ প্ৰদূষণৰ বিৰুদ্ধে সাৱধানতা অৱলম্বন কৰিবলৈ সকিয়াই দিয়া হয়। তদুপৰি প্ৰাকৃতিক সম্পদসমূহৰ সুৰক্ষাৰ বাবে ২২ এপ্ৰিলৰ দিনটো 'আন্তৰ্জাতিক বসুধা দিবস' হিচাপে ১৯৭০ চনৰ পৰা পালন কৰি অহা হৈছে। এই দিবস পালনৰ উদ্দেশ্য হৈছে পেলনীয়া সামগ্ৰীৰ পুনৰাবৰ্তন, ইন্ধন আৰু শক্তিৰ সংৰক্ষণৰ লগতে প্ৰাকৃতিক আবাসভূমিৰ ধ্বংস ৰোধ আৰু অপকাৰী ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰ বন্ধ কৰা। তলত পৰিবেশ সংৰক্ষণ সম্বন্ধে ল'ব লগা আইনগত ব্যৱস্থা কেইটামান দাঙি ধৰা হ'ল।

ক) বনাঞ্চল ধ্বংস আৰু অৰণ্যৰ সম্পদ বেচা-কিনা সম্পৰ্কত আইনগত বাধা আছে

খ) উদ্যোগৰ বৰ্জিত পদাৰ্থই যাতে মাটি প্ৰদূষণ কৰিব নোৱাৰে তাৰ বাবে ব্যৱস্থা লোৱাটো বাধ্যতামূলক।

গ) মুক্ত বায়ু, পানী সেৱন আৰু পৰিষ্কাৰ পৰিবেশ পোৱাটো প্ৰতিজন নাগৰিকৰ মৌলিক অধিকাৰ আদি।

**প্ৰদূষণৰ ৰোধৰ ক্ষেত্ৰত নাগৰিকৰ কৰ্তব্য ঃ**

ভাৰতীয় নাগৰিক হিচাপে সকলোৰে কৰ্তব্য আছে প্ৰদূষণ ৰোধ কৰাৰ। বাতৰি কাকত, কিতাপ, আলোচনী আদিৰ প্ৰদূষণ ৰোধৰ কৌশল শিকি লৈ আনকো বুজাই দি আগবাঢ়িব লাগিব 'বসুধৈৱ কুটুম্বকম' অৰ্থাৎ পৃথিৱীৰ সকলোৱেই আমাৰ আপোন বুলি। তৰোপৰি পোষ্টাৰ প্ৰস্তুত কৰি বিভিন্ন ঠাইত প্ৰচাৰ কৰি আৰু শ্লোগান দি, লগতে প্ৰদূষণ দূৰ কৰাৰ কিছুমান ছবি প্ৰস্তুত কৰি যথেষ্ট পৰিমাণে প্ৰদূষণ ৰোধ কৰিব পাৰি।

**সামৰণি ঃ**

পৰিবেশ প্ৰদূষণৰ ফলত সমগ্ৰ বিশ্বতে বিভীষিকাৰ সৃষ্টি হৈছে। ইয়াৰ কাৰণৰ মূল হ'ল আমি। হে জীৱ শ্ৰেষ্ঠ মানৱ আমিয়েই সৃষ্টি কৰিছো প্ৰদূষণৰ আৰু আমিয়েই কৰিব লাগিব তাক নিবাৰণ। সেয়ে প্ৰত্যেকেই ইয়াৰ বিৰুদ্ধে যুঁজ দিবলৈ জাগ্ৰত থকা উচিত।





# ভয়াবহ নহ'ব তেতিয়া কৰ্কট

❖ ত্ৰিলোচন সাহা
স্নাতক ২ য় বৰ্ষ (বিজ্ঞান)



কৰ্কট ৰোগ সংক্ৰামক নহয় আৰু কোনো বীজাণুৰ দ্বাৰা যে এই ৰোগৰ সৃষ্টি হয়, তাৰো সঠিক প্ৰমাণ এতিয়াও কোনেও দিব পৰা নাই। আনকি এই ৰোগৰ আচল কাৰক কি তাকো ডাঠি কোৱা টান। শৰীৰৰ কোনো অংশত কোষ সমূহ অত্যাধিক বৃদ্ধি হৈ যি জটিলতাৰ সৃষ্টি কৰে, তাকে কৰ্কট বা কেন্সাৰ ৰোগ বোলে।

শৰীৰৰ কোষবিলাকৰ দৈহিক বিভাজন (mitosis) ৰ ফলত কোষৰ সংখ্যা বৃদ্ধি হয় আৰু তাৰ ফলত দেহ বৰ্ধিত হয়। এইটোৱেই স্বাভাবিক নিয়ম আৰু এই প্ৰক্ৰিয়াত দেহৰ সামূহিক নিয়ন্ত্ৰণ থাকে। কিন্তু কেতিয়াবা কোনো কোনো অংশত দেহে কোষ বিভাজন প্ৰক্ৰিয়াৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলায়। তাৰ সেই অংশৰ কোষ অবিশ্বাস্য দ্ৰুত গতিত বৃদ্ধি পাবলৈ ধৰে আৰু এসোপা কোষ উৎপত্তি হৈ অপ্ৰয়োজনীয় টিউমাৰৰ সৃষ্টি কৰে। যি অংশত এনে কোষ সৃষ্টি হয় তাত দেহৰ স্বাভাবিক কামত ব্যাঘাত জন্মে। শ্বাসনলী, খাদ্যনলী, মূত্ৰনলী আদিৰ ভিতৰত এনেকুৱা কোষ বৃদ্ধি হ'লে বায়ু, খাদ্য, মল আদি চলাচলৰ বাট বন্ধ হৈ পৰে আৰু শেষত নলী ফাটি যায়। এই ৰোগ এঠাইত আবদ্ধ হৈ নাথাকি তেজৰ লগত শৰীৰৰ আন ঠাইবিলাকলৈ বিয়পি পৰে। কোষৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি হোৱা বাবে কোষবিলাকে দেহৰ পৰা বেছি পৰিমাণে পুষ্টি গ্ৰহণ কৰে। তাৰ ফলত দেহ দুৰ্বল হৈ পৰে আৰু ওজন কমি যায়। ক্ৰমে ক্ৰমে নানা জটিলতাই দেখা দিয়ে আৰু শেষত ৰোগী মৃত্যুমুখত পৰে।




**কৰ্কট ৰোগৰ ধৰণ ঃ**

১। চাৰকোমা (Sarcoma) ঃ পেশী, তৰুণাস্থি, অস্থি, ৰক্তবাহী নলী, চৰ্বি, সংযোগী কলা ইত্যাদিত হয়।

২। কাৰ্চিন'মা (Carcinoma)ঃ চৰ্মকোষ, শৰীৰৰ আভ্যন্তৰিক অংগসমূহৰ আৱৰণ আদিত হয়।

৩। লিম্ফমা (Lymphoma)ঃ লসিকা নামৰ তৰল পদাৰ্থ আৰু লসিকা পটিত হয়।

৪। লিউকোমিয়া (Luckomia)ঃ তেজ উৎপত্তি হোৱা অস্থি মজ্জাত হয়। ইয়াত তেজত লোহিত ৰক্ত কণিকাৰ সৃষ্টি হ'ব নোৱাৰে।

**কৰ্কট ৰোগৰ কাৰণ ঃ**

কোনো কোনো মাদক দ্ৰব্য আৰু খাদ্য, ঔষধ, ৰাসায়নিক বস্তু, দূষিত পৰিৱেশ, তেজস্ক্ৰিয় বস্তু আৰু তেজস্ক্ৰিয় ৰশ্মি আদিয়ে কেতিয়াবা শৰীৰৰ কোষত থকা বংশগতিৰ মূল 'জিন'ৰ উৎপৰিবৰ্তন ঘটায়। এই ধৰণৰ জিনে কোষৰ জৈৱিক আৰু ৰাসায়নিক ক্ৰিয়াৰ পৰিবৰ্তন আনে আৰু ফলস্বৰূপে সেইকোষে স্বাভাৱিক ধৰ্ম পৰিত্যাগ কৰি একোটা নিৰ্দিষ্ট স্থানত অস্বাভাৱিকভাৱে দ্ৰুতগতিত বিভাজিত হ'বলৈ ধৰে। কোষসমূহৰ এনে বিভাজন দেহে বাধা দিব নোৱাৰে।

আন এটা কাৰণ হিচাপে কিছুমান জটিল ধৰণৰ 'ভাইৰাছ' কৰ্কট ৰোগৰ বাবে দায়ী হ'ব পাৰে। কোনো অজানিত কাৰণত 'জিন' বিলাক কোনো কোষত ভাইৰাছলৈ ৰূপান্তৰিত হয়। এই ভাইৰাছসমূহে কোষৰ জৈৱ ৰাসায়নিক পৰিবৰ্তন আনে আৰু তাৰফলত কৰ্কট ৰোগে দেখা দিয়ে।

ধূমপান কৰা মানুহৰ হাওঁফাওঁ, ৰবযন্ত্ৰ, টেঁটু আদিত কৰ্কট ৰোগ বেছিকৈ হয় বুলি প্ৰমাণ পোৱা গৈছে।

**কৰ্কট ৰোগৰ লক্ষণ ঃ**

১। অস্বাভাৱিক কাৰণত কোনো অঙ্গৰ পৰা তেজ ক্ষৰণ।

২। স্তন বা আন অংশত উখহি উঠা বা টেমুনাৰ সৃষ্টি হোৱা। এনে টেমুনা টান হ'ব পাৰে আৰু বিষ নাথাকিবও পাৰে।

৩। ক্ষতস্থান নুশুকায়।

৪। শৌচ, প্ৰস্ৰাৱৰ নিয়ম পৰিবৰ্তন আৰু অস্বাভাৱিকতা।

৫। সঘনে পানী লগা আৰু স্বৰভংগ হোৱা।

৬। সঘনে বদহজম হোৱা আৰু খাদ্য গিলিবলৈ অসুবিধা পোৱা।

৭। তিল বা চিকাৰ (mote) স্থান পৰিবৰ্তন।

বিভিন্ন কাৰণত এনে লক্ষণ দেখা দিব পাৰে। কিন্তু যদি লক্ষণসমূহ স্থায়ী হয় তেতিয়াহ'লে চিকিৎসকৰ ওচৰ চপা উচিত।

ইতিমধ্যে বৈজ্ঞানিক সকলে কৰ্কট ৰোগৰ বাহকৰ 'জেনেটিক ডিকোড' (Genetic decode)ৰ বিষয়ে সন্ধান পাবলৈ সক্ষম হৈছে। এই জেনেটিক ডিকোডৰ সহায়ত বৈজ্ঞানিক সকলে কৰ্কট ৰোগৰ মূল কাৰণৰ বিষয়ে জানিব পাৰিব বুলি আশা কৰিছে। যিহেতু কৰ্কট ৰোগৰ কাৰণ জানিব পৰা হোৱা নাই, গতিকে ইয়াৰ চিকিৎসাও সন্দেহৰ ওপৰতহে নিৰ্ভৰ কৰিহে চলিছে। চিকিৎসক সকলে কাৰণ অবিহনে ঔষধ দিব নোৱাৰা বাবেহে এই ৰোগ ভয়াবহ হৈ পৰিছে। কিন্তু যেতিয়া 'ডিকোড'ৰ সহায়ত কাৰণ জানিব পৰা হ'ব, তেতিয়া ইয়াৰ নিৰাময়ও সহজ হৈ পৰিব। বৈজ্ঞানিক সকলে আশা কৰা মতে ২০২০ চনৰ ভিতৰত এই ৰোগ সম্পৰ্কে সম্পূৰ্ণ ৰূপে জানিব পৰা হ'ব। তেতিয়া এই ৰোগ সম্পূৰ্ণ নিৰ্মূল হৈ পৰিব বুলি আশা কৰিব পাৰি।

**মুকুতামালা**

*লেখাৰ কামটো হ'ল একপ্ৰকাৰৰ চিকিৎসা বা নিৰাময়ৰ কৌশল। যিবিলাক মানুহে নিলিখে, গান নাগায়, সুৰ সৃষ্টি নকৰে বা ছবি নাকে তেওঁলোকেনো কেনেকৈ জীৱনৰ উম্মাদনা, বিষাদগ্ৰস্ততা আৰু আতঙ্কজনিত ভয়ৰ পৰা পৰিত্ৰাণ পাব পাৰে সেই কথা ভাবি মই অতিকে আচৰিত হওঁ।*

— গ্ৰাহাম গ্ৰীণ।

*ক্ষমতা আৰু স্বাধীনতা তাপ আৰু জলীয় পদাৰ্থৰ নিচিনা। সঠিক জোখত দুয়োটা মিলি থাকিলে সি সকলোৰে শ্ৰীবৃদ্ধিত সহায় কৰে। মাথো এটা থাকিলে আনটো নাথাকিলে ...*



# বাস্তৱৰ কেইটুকুৰামান স্তৱক

❖ নিৰ্মালি মালাকাৰ
সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ

(এক)

প্ৰখৰ গৰমত বাছখন আগবাঢ়ি গৈ আছে। আগষ্ট মাহৰ তীব্ৰ গৰমত সূৰ্য্য দেৱতাই যেন অকণো কৃপণালি নকৰাকৈ উত্তাপ বিকিৰণ কৰিছে। 'আগলৈ যাওক, আগবাঢ়ি যাওক, আহক, আহক, বৰ্ত্তিয়া, নলবাৰী, পাঠশালা, বৰপেটাৰোড়' — হেণ্ডিমেনজনৰ চেঁচুৱলা চিএৰ আৰু গৰমৰ প্ৰকোপৰ এক যুগলবন্দী। বাছষ্ট'প পোৱাৰ লগে লগে এজন-দুজন নামিছে, কিছুমানে উঠিবলৈ হেতা-ওপৰা লগাইছে। সকলোৱে আনতকৈ আগত যোৱাৰ তীব্ৰ প্ৰয়াস, যেন সময়তকৈও বেছিকৈ আগবাঢ়ি যাব। এনেতে এটি ষ্টপেজত বাছখন আহি ৰ'লহি। সম্মুখত এখন বেনাৰ লৈ দুটিমান বাকছৰ নিচিনা পাত্ৰ আগত লৈ দুগৰাকী নাৰ্ছ বহি আছে। বেনাৰত লিখা আছে— '৪ এপ্ৰিল, পলিঅ' ৰবিবাৰ, আপোনাৰ জন্মৰ পৰা পাঁচ বছৰৰ ভিতৰৰ শিশুটিক ওচৰৰ পলিঅ' কেন্দ্ৰলৈ লৈ যাওক।' যদিও তাৰিখটো আগদিনাৰ তথাপিও যিবিলাক শিশু বাদ পৰি গৈছে তেওঁলোকক ঘৰে ঘৰে গৈ নাইবা ৰাস্তাই-ঘাটে ৰখাই লৈ পলিঅ' দৰবৰ খোৱাক দিয়াটো পবিত্ৰ কৰ্তব্য জানেনে নাই দুগৰাকীয়ে বাছৰ ভিতৰলৈ সোমাই আহি শিশুৰ অন্বেষণত লাগি গৈছে। অসম চৰকাৰৰ পলিঅ' নিৰ্মূল আঁচনিৰ কাৰ্যকৰী কৰাৰ একান্ত প্ৰয়াস। তেনেতে কিশোৰ কিশোৰ লগা হেণ্ডিমেনজনে সম্মুখৰ ছিটৰ আৰোহীজনক প্ৰশ্ন কৰিলে— 'পলিঅ' খুৱালে কি হয় দাদা?'



চৰকাৰৰ সৰ্বশিক্ষাৰ আঁচনিয়ে চুকি নোপোৱা এক পূৰ্ণ সম্ভাৱনাশীল মানৱ সম্পদ। নিজে জীয়াই থকাৰ লগতে ঘৰখনক জীয়াই ৰখাৰ প্ৰয়োজনত হেৰাই গৈছে কৈশোৰৰ বাবেৰহণীয়া অধ্যায়।

(দুই)

সন্ধিয়া গাঢ় হৈ আহিছে। বাৰিষা কালৰ গুৱাহাটী মহানগৰীৰ এটি ব্যস্ততাপূৰ্ণ দিনৰ অন্তত কৰ্মৰত বিভিন্ন লোক ঘৰমুৱা হৈছে। দিনৰ কঠোৰ পৰিশ্ৰমৰ অন্তত যিমান সোনকালে পৰা যায় ঘৰ পাবগৈ লাগে। বিদ্যুৎ বিভাগৰ চূড়ান্ত ঔদ্ধত্য প্ৰদৰ্শনেৰে লোডশেডিঙৰ কৃপা বৰষুণ। আকাশৰ ভৰা মেঘৰ গোমোঠা ভাৱেৰে লাহে লাহে কিন্‌কিনীয়া বৰষুণো আৰম্ভ হৈছে। যিকোনো মুহূৰ্ততে মুষলধাৰে বৰষুণ আহি ৰাস্তা-ঘাট পানীৰে নিঃশ্চিহ্ন হৈ যোৱাৰ আগজাননী। মহানগৰীৰ কৃত্ৰিম বানে নাকনি-কাননি কৰাৰ আগতে যেনে তেনে ঘৰ পাবলৈ মানুহবোৰে ৰিক্সা, অ'ট, টেক্সি, বাছ— যিয়ে যেনেদৰে পাইছে সুবিধা অনুযায়ী যোগাৰ কৰি লৈছে। বাছখনৰ পৰা নামি দিলীপ হজুৰি পথত বৈ ৰিক্সাৰ অপেক্ষাত ইফালে সিফালে চাই পঠিয়ালো। বৰষুণ আৰম্ভ হোৱাৰ লগে লগে এককাল পানীত ৰাস্তা বুৰ যাব। গতিকে তাৰ আগত যেনেতেনে গৈ ঘৰ ওলাব লাগে। এনেতে এখন অ'ট ৰাস্তাৰে আগবাঢ়ি আহিল। 'বাইদেউ যাব নেকি?' —চালকৰ আসনত থকা কোমল মুখৰ যুৱকজনে সুধিলে। মনে মনে অকে কৰি চালো, বাৰিষাৰ গুৱাহাটী তাতে ক্ষন্তেক পিছতে বৰষুণে তাণ্ডৱ চলাব। গতিকে নিশ্চয় ১৫-২০ টকা ভাড়াৰ সলনি ১০০ টকা খুজি দাদাগিৰি দেখুৱাব।

নিচিনাকৈ অ'টখনত বহি ল'লো। নিৰ্দিষ্ট স্থানত নামি যোৱাৰ সময়ত চালকজনক ভয়ে ভয়ে সুধিলো— কিমান দিম? চালকজনে নম্ৰ ভাষাৰে উত্তৰ দিলে— 'হ'ব বাইদেউ, ঘৰলৈ আহি আছিলো, আতে বৰষুণো দিবলৈ আৰম্ভ কৰিছিল, পিছত কেতিয়াবা উঠিলে দিলে হ'ব।' বিস্ময়ত হতবাক হ'বলগীয়া অৱস্থা। যি বেয়া বতৰৰ সুযোগ লৈ ৰিক্সা, অ'টচালকসকলে যাত্ৰীক তিনি-চাৰিগুণ অধিক ভাড়া খুজি বিবুধিত পেলায় সেই সময়ত এনে অবিশ্বাস্য সৰল উক্তি। হিয়া উজাৰি যুৱকজনক মনে মনে আশীৰ্বাদ কৰিলো যাতে জীৱনৰ প্ৰতিটো খোজতে ভগৱানে যুৱ দাঙি চায়। এক সুন্দৰ ভৱিষ্যতৰ অধিকাৰী হয়।

অবিশ্বাস্য হ'লেও এই দুৰ্দিনৰ সময়তো সততা আৰু মানৱতা এতিয়াও কাৰোবাৰ অন্তৰত আছে, যাৰবাবেই হয়তো পৃথিৱীখন এতিয়াও বসবাসৰ উপযোগী হৈ আছে। হাজাৰ প্ৰতিকূলতাৰ মাজতো জীৱনৰ বাটত আগুৱাই যাওঁতে সন্মুখীন হোৱা খলা-বমাৰ হেঁচাত মানৱতা বাদ দিবলগীয়া যাতে নহয় অন্তৰেৰে সৈতে কামনা কৰিলো।

(তিনি)

তীব্ৰ গতিত গাড়ীখন আগবাঢ়ি গৈছে। সাপ্তাহিক বন্ধৰ দিনটো অন্ত পৰি কৰ্মব্যস্ত দিনৰ পুনৰ আৰম্ভণি। শনিবাৰে নিজ বাসস্থানলৈ যোৱা কৰ্মচাৰীসকলৰ পুনৰ কৰ্মস্থলীলৈ উভতনি। বিভিন্ন বিভাগৰ কৰ্মৰত কৰ্মচাৰী তথা আন আন যাত্ৰী কঢ়িয়াই উইংগাৰখন গৈ আছে। দুঘণ্টাৰ যাত্ৰাত নিশ্চিন্তমনে বহি লৈ খিৰিকীৰে প্ৰাকৃতিক দৃশ্য উপভোগ কৰি গৈ আছো। মাজে-সময়ে যাত্ৰীসকলৰ মাজত হোৱা



কথোপকথনৰ টুকুৰা খবৰ কাণত সোমাই হে। দুজন চিনাকী যাত্ৰী ওচৰা-ওচৰিকৈ বহি নিজৰ নিজৰ সুখ-দুখৰ কথা পাতি গৈছে। প্ৰাত্যাহিক জীৱনৰ বিভিন্ন খবৰ-বাতৰি লোৱাৰ পিছত এজন বন্ধুৰ জীৱনত ওপৰা-ওপৰিকৈ ঘটি থকা কিছু দুঃসংবাদৰ কথা ইজন বন্ধুক জনালে। কথা বতৰাৰ পৰা অনুমান কৰিব পাৰি দুয়োগৰাকী উচ্চশিক্ষিত। জীৱনৰ ঘটনা-পৰিঘটনাসমূহ সুন্দৰভাৱে পৰিচালিত কৰি আগবঢ়াই লৈ যাব পৰা বুদ্ধি-বৃত্তি আৰু ধন-সম্পত্তিৰ অধিকাৰী। বন্ধুজনে মাজতে আক্ষেপ কৰি কলে— 'কি যে বেয়া দিন-কাল চলিছে, সকলো বিপদ একে সময়তে আহি লগ লাগিছে।' এনেতে শ্ৰোতা বন্ধুজনে উত্তৰ দিলে— 'অলপ ভালকৈ দেখুৱাই চাবাচোন।' বক্তাজনে সুধিলে— 'কোনজন ডাক্তৰক দেখুৱাব লাগিব?' হয়তো অলপ আগতে বন্ধুৰ আগত উল্লেখ কৰা পিতৃৰ অসুখ আৰু নিজৰ কিছু সমস্যাৰ বিষয়ে কোৱা বুলি অনুমান কৰি সুধিলে। এনেতে আনজন বন্ধুৱে উত্তৰ দিলে— 'নহয়, এজন ভাল জ্যোতিষীক দিনবোৰ দেখুৱাই চাব।'

হায়! একবিংশ শতিকাৰ জীৱশ্ৰেষ্ঠ মানৱ। এচামে মহাকাশৰ বুকুত বিচৰণ কৰি বিজ্ঞান-প্ৰযুক্তিৰে সৃষ্টিক হাতৰ মুঠিলৈ অনাৰ প্ৰয়াস কৰিছে, আনহাতে এচামে উচ্চশিক্ষাৰে শিক্ষিত হৈয়ো ভাগ্যক থিয়াই গ্ৰহ-নক্ষত্ৰৰ বিচাৰৰ ওপৰত দিন ভাললৈ অনাৰ প্ৰয়াস কৰিছে। যোৱা নিশাৰে পৰা আহি থকা ধাৰাসাৰ বৰষুণে ৰাস্তা-ঘাট পানীৰে ওপচাই পেলাইছে। ইমুৰৰ পৰা সিমুৰলৈ বৰষুণে সৃষ্টি কৰা কৃত্ৰিম বানপানী। ৰাস্তাৰ কেওপিনে কোনো চিনচাব নাই। সাধাৰণ এটা দিনত পাঁচটকাকৈ যাত্ৰী কঢ়িওৱা ৰিক্সাচালকে যাত্ৰীৰ অসুবিধাৰ পূৰ্ণ সুযোগ লৈ ৪০-৫০ টকাত ৰাস্তা পাৰ কৰি দি আছে। ৯.৩০ ৰ পৰা আৰম্ভ হ'বলগীয়া আলোচনাচক্ৰখনত সময়মতে উপস্থিত হোৱাৰ কামনাৰে সোনকালে ঘৰৰপৰা ওলাই আহিলো। যথাস্থানত উপস্থিত হোৱাৰ পিছত ৰিক্সাৱালালৈ ৫০ টকীয়া নোটখন আগবঢ়াই দিলো। ৰিক্সাৱালাটোৱে উত্তৰ দিলে— 'খুচুৰা দিয়ক, ভঙনীয়া পইচা নাই।' মনে মনে অলপ আশ্চৰ্য প্ৰকাশ কৰি দহটকীয়া নোটখন উলিয়াই দিলো। ৰিক্সাৱালাটোৱে সাতটকা ৰাখি বাকীখিনি ঘূৰাই দিলে।

বিস্ময়ত প্ৰাচুৰ্যৰ শিখৰত উপনীত হোৱাৰ পিছতো মন্ত্ৰী-বিধায়ক, আমোলা-মহৰী, কৰ্মচাৰীসকলে আকণ্ঠ দুৰ্নীতিত পোত গৈ ধনৰ ভঁৰাল ঘটি আছে, সেই সময়ত দুবেলা দুসাজ পেটেভাতে খাই থকা ৰিক্সাৱালাজনে সহজলভ্য ধন ঘটাৰ প্ৰয়াস নকৰি নিজ প্ৰাপ্যখিনিৰে সন্তুষ্টি লাভ কৰিছে। নীতিহীনতাৰ বিৰুদ্ধে থাটি থোৱা সাধাৰণ লোকৰ সততাৰ নীৰৱ যাত্ৰা।





# 'শৰাগুৰি চাপৰি'ৰ কেন্দ্ৰীয় চৰিত্ৰ 'আজান ফকিৰ' ঃ এটি আলোচনা

❖ বনজিৎ শৰ্মা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

অসমৰ সামাজিক-সাংস্কৃতিক জীৱনৰ এক অবিস্মৰণীয় নাম আজান ফকিৰ। আজান ফকিৰৰ প্ৰকৃত নাম শ্বাহমিলন বা শ্বাহমীৰান। মহেন্দ্ৰ বৰঠাকুৰে এওঁৰ জীৱনক লৈ ৰচনা কৰি উলিওৱা 'শৰাগুৰি চাপৰি' অসমীয়া নাট্য সাহিত্যৰ এক অমূল্য সম্পদ। সোতৰ শতিকাৰ প্ৰথম ভাগত সুদূৰ ইৰাকৰ পৰা ভায়েক নবীজানৰ সৈতে পদব্ৰজে আহি অসমত প্ৰৱেশ কৰি এই দেশৰ মাটি, পানী, বায়ুৰে সৈতে একাত্ম হৈ পবিত্ৰ কোৰাণৰ বাণীৰে হিন্দু-মুছলমানৰ মাজত আত্মীয়তা স্থাপন কৰা এইজনা মানৱ দৰদী সাংস্কৃতিক কৰ্মীৰ বিষয়ে ইতিহাসত তেনে কোনো নিৰ্ভৰযোগ্য তথ্য পাবলৈ নাই। যিখিনি আছে সেইখিনি তেওঁ ৰচনা কৰা জিকিৰ গীতসমূহৰ মাজত লুকাই আছে।

শ্বাহমীৰানে বাগদাদৰ পৰা আফগানিস্তান, আজমীৰ, দিল্লী, বংগত বিস্তুকাল কটোৱাৰ পিছত অসমলৈ আহি প্ৰথমে হাজোত বসতি স্থাপন কৰে। তাৰ পৰা উজনিলৈকে গৈ গড়গাঁৱৰ চুণপোৰাত স্থায়ীভাৱে থাকিবলৈ লয় আৰু চুণপোৰাতে মুছলমানসকলৰ লগত লগ-লাগি এটা মছজিদ স্থাপন কৰি সমূহীয়াকৈ নামাজ পঢ়াৰ ব্যৱস্থা কৰে। শ্বাহমীৰানে প্ৰতিদিনে আজান দি নামাজলৈ মানুহক আহ্বান কৰা বাবে তেওঁ সৰ্বসাধাৰণৰ মাজত 'আজান ফকিৰ' ৰূপে প্ৰসিদ্ধ লাভ কৰে। আজান ফকিৰে গড়গাঁৱত থকা সময়তে ৰংপুৰৰ চৈয়দ ওচমান গণি খোন্দাকাৰৰ ছোৱালী এজনীৰ পাণি গ্ৰহণ কৰে যদিও গাৰ্হস্থ্য জীৱনে তেওঁক বান্ধি ৰাখিব পৰা নাছিল। তেওঁ নিজৰ আদৰ্শ আৰু ইছলাম ধৰ্মৰ বাণী প্ৰচাৰৰ কামতে বিভিন্ন ঠাই ঘূৰি ফুৰিছিল। আজান ফকিৰে এখন শক্তিশালী নৈতিক সমাজ গঠনৰ কাৰ্যত নিজকে নিয়োগ কৰিছিল। তেওঁ থলুৱা গীত-মাত আদি শিকি লৈছিল। শংকৰদেৱ আৰু মাধৱদেৱে প্ৰতিষ্ঠা কৰি থৈ যোৱা ধৰ্মীয় আদৰ্শৰ সৈতে ইছলামৰ নৈতিক আদৰ্শৰ মিলন ঘটাই হিন্দু-মুছলমানৰ মাজত সাম্প্ৰদায়িক ঐক্য আৰু সংহতিৰ বান্ধোন সুদৃঢ় কৰিছিল। তেওঁ অসংখ্য গীত-পদ ৰচনা কৰিছিল আৰু অসমীয়া সাহিত্যৰ ইতিহাসত ফকিৰৰ দ্বাৰা ৰচিত গীতবোৰক 'জিকিৰ' ৰূপে জনা যায়।



মহেন্দ্ৰ বৰঠাকুৰৰ 'শৰাগুৰি চাপৰি' নাটত আজান ফকিৰৰ জীৱন গড়গাঁৱৰ চুণপোৰাত থকাৰে পৰা মৃত্যু পৰ্যন্ত অংকিত হৈছে। নাটখনিৰ প্ৰথমতে হাতত টোকাৰি আৰু কান্ধত জোলোঙা লৈ ধৰ্মচিত্ৰ কৰা শান্ত, বৰাগীবেশী ফকিৰক লগ পোৱা যায়। তেওঁ গীত গায়, গীত শুনে, খুজি-মাগি খায় আৰু ধৰ্ম-চৰ্চা কৰে। শংকৰদেৱ-মাধৱদেৱে গঢ়ি থৈ যোৱা পথেৰে গৈ মানুহক মানৱতাৰ জ্ঞান দিবলৈ তেওঁ যেন দৃঢ় প্ৰতিজ্ঞ। নাটখনিত আজান ফকিৰৰ সহজ-সৰল, উদাৰ আৰু পবিত্ৰ মনৰ সুন্দৰ প্ৰকাশ ঘটিছে; লগতে তেওঁৰ জনপ্ৰিয়তা আৰু সৰ্বসাধাৰণৰ

ওপৰত থকা প্ৰভাৱকো নাট্যকাৰে সুন্দৰভাৱে দেখুৱাইছে। নাটখনিত ৰজাঘৰীয়া বিষয়ববীয়াৰ অত্যাচাৰ, ঈৰ্ষা, চক্ৰান্ত আৰু ক্ষমতালিপ্সাই সাধাৰণ মানুহক কেনেদৰে জুৰুলা কৰিছিল, তাকো নাট্যকাৰ বৰঠাকুৰদেৱে দেখুৱাই দিছে। দৰঙী খণ্ডৰ ৰাজবিষয়া ৰূপাই দাধৰা আৰু তেওঁৰ বিশ্বস্ত সহযোগী ফতুলাই হিন্দু- মুছলমানৰ সম্প্ৰতিৰ জয়গান গাই দিখৌৰ পাৰত সকলোৰে আস্থাভাজন হৈ পৰা আজান ফকিৰৰ বিষয় জানিব পাৰি দৰঙীলৈ আমন্ত্ৰণ জনায়। কিন্তু ফকিৰে ৰজাঘৰীয়া বিষয়াৰ বহতীয়া নহয়। তেওঁ ৰূপাই দাধৰাক জনাই দিয়ে যে, ৰাজবিষয়া নহয় দৰঙী প্ৰজাৰ আহ্বানতহে তেওঁ দৰঙীলৈ যাব। ক্ষমতালোভী ৰূপাই এই কথাত অসন্তুষ্ট হয় আৰু ফকিৰৰ ওচৰত প্ৰতিশোধ লোৱাৰ নিমিত্তে তেওঁক মোগলৰ চোৰাংচোৱা বুলি আহোম স্বৰ্গদেউক পতিয়ন নিয়াবলৈ চেষ্টা কৰে। ইয়াৰ পূৰ্বে ৰজাই শলীয়াক ফকিৰৰ গতি-বিধিৰ ওপৰত নজৰ দিবলৈ চোৰাংচোৱা ৰূপে নিয়োগ কৰিছিল। আজান ফকিৰে দৰঙী প্ৰজাৰ আহ্বানত দৰঙী খণ্ডলৈ আহে আৰু শিষ্য লগ লগাই ইছলামৰ নীতিৰ লগতে মানুহক মানৱতাৰ জয়গান গাবলৈ শিকায়। কিন্তু ৰূপাইৰ বাৰম্বাৰ চেষ্টাত আহোম স্বৰ্গদেউ পতিয়ন গৈ এইজনা ফকিৰৰ চকু কঢ়াৰ নিৰ্দেশ জাৰি কৰে আৰু ৰূপাইয়ো অনুচৰ পঠাই ততালিকে সেই নিৰ্দেশ কাৰ্যকৰী কৰে। আহোম স্বৰ্গদেৱে পিছত আজান ফকিৰৰ মাহাত্ম্য বুজি যথেষ্ট অনুতপ্ত হয় আৰু ব্ৰহ্মপুত্ৰ আৰু দিখৌৰ সংগমস্থল শৰাগুৰি চাপৰিত মঠ এটা সাজি তাত শিষ্যসহ তেওঁক সংস্থাপন কৰে। ফকিৰে সেই মঠতে শান্তিৰে ধৰ্মৰ বাণী প্ৰচাৰ কৰি জীৱনৰ বাকীছোৱা কাল পাৰ কৰে আৰু অৱশেষত সেই চাপৰিতে তেওঁৰ দেহাৱসান ঘটে।

আজান ফকিৰ সম্পৰ্কীয় ঘটনা অসমৰ ইতিহাসত সম্পূৰ্ণকৈ পোৱা নাযায়। নাট্যকাৰ বৰঠাকুৰদেৱে বুৰঞ্জীক পটভূমি হিচাপে লৈ প্ৰচলিত জনশ্ৰুতিৰ আধাৰত জিকিৰ গীতবোৰৰ মাজত লুকাই থকা ফকিৰজনক উদ্ধাৰ কৰি নাটকত স্থান দিছে। নাটকৰ আজান ফকিৰ সাম্প্ৰদায়িক সম্প্ৰীতিৰ প্ৰতীক। মানৱতাবাদী আদৰ্শ তেওঁৰ চৰিত্ৰৰ মূল ভূষণ। নাটকৰ মহেন্দ্ৰ বৰঠাকুৰে অসমীয়া জনসাধাৰণৰ মাজত সাম্প্ৰদায়িক একতা অটুট ৰখাৰ বাবে চেষ্টা কৰিছে। আজান ফকিৰৰ মুখত দিয়া বিভিন্ন সংলাপে তাকেই প্ৰমাণ কৰে। উদাহৰণ হিচাপে তলৰ সংলাপ কেইফাঁকিলৈ আঙুলিয়াব পাৰি—

ক) ধৰ্মই মানুহক 'দুচমন' গঢ়িবলৈ নিশিকায়। কোনো ধৰ্মই নিশিকায়। মহান ইছলামে দুবাহৰে আঁকোৱালিহে ল'ব খোজে। দুশ বছৰৰ আগতে এই অসমত শঙ্কৰ-মাধৱৰ জন্ম হৈছিল। তেওঁলোকে মিলাইছিলহে। (দ্বিতীয় দৃশ্য)

খ) মানৱ জাতি একে সম্প্ৰদায়। হিন্দু আৰু মুছলমান একে আল্লাৰ ফৰমান। গোৰস্থানে কবৰ শাৰী শাৰী। হিন্দুক জ্বলাব। মোমিনক গোৰ দিব। ইমানেই। মাটি হিন্দুৰো নহয় মুছলমানৰো নহয়। মাটি আল্লাৰ, ঈশ্বৰৰ। (ষষ্ঠ দৃশ্য)

গ) ইয়াৰ মানুহক ইয়াৰ ভাষাৰেই কথা ক'ব লাগিব। ধৰ্মই মিলাইছে। নাফালে। আঁহফালে ক্ষমতা বিচৰা সকলেহে। গুৰুৱে এক কৰে, ভকতেহে ভাগ কৰে। (ষষ্ঠ দৃশ্য)

শাসক-শোষণৰ সুবিধাৰ বাবে বিভিন্ন কূট-কৌশলেৰে জাত-পাতৰ ভেদ আনি সামাজিক একতা বিনষ্ট কৰাৰ চেষ্টা কৰে শাসক গোষ্ঠীয়ে। ৰূপাই দাধৰাও তাৰ ব্যতিক্ৰম নহয়। ৰূপাইয়ে জানে 'আই ফালিবলৈ ধৰ্মবো প্ৰয়োজন'। সেইবাবে তেওঁ নিৰ্দেশ দিছে —'হিন্দুক হিন্দু কৰিবা, মুছলমানক মুছলমান।' কিন্তু মানৱতাবাদী ফকিৰে ৰূপাই দাধৰাক সকীয়াই দিছে 'দিনচেবেকৰ জীৱন পাই মুৰে ভৰি কাঢ়িব নাপায়।'



গড় গাঁৱৈল

যোৱাৰ বাটত সৰ্বানন্দই আত্মজাহ দিয়া ঘটনাটো ঢাকি থৈ বদৰুদ্দিনে সৰ্বানন্দক হত্যা কৰা বুলি অপপ্ৰচাৰ চলাই ৰূপাইয়ে হিন্দু-মুছলমানৰ মাজত সংঘাত অনাৰ চেষ্টা কৰিছিল। লগতে তেওঁ সৰ্বানন্দৰ ভাৰী জোঁৱায়েক গড়গএঞাকো মাৰি পেলোৱাৰ ষড়যন্ত্ৰ ৰচিছিল। কিন্তু





আজান ফকিৰে সকলোকে বুজাই-বঢ়াই সমাজত সাম্প্ৰদায়িক ঐক্য অটুট ৰখাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলায়। হিন্দু যুৱক গড়গএঞাক মছজিদৰ বাৰান্দালৈ নি শুশ্ৰূষাৰে সুস্থ কৰি তোলে। সৰ্বাৰ জীয়াৰী জয়াক নিৰাপদ আশ্ৰয় দিয়ে। জয়াক নিবলৈ অহা ৰূপাইৰ অনুচৰ কাদেৰক ফকিৰে নিৰ্ভীকভাৱে কয়— 'ধৰ্ম, ঈশ্বৰ- বা আল্লা মানুহৰ বাবেহে। আগতে মানুহ হৈ লোৱা। তাৰ পিছত ধৰ্মৰ নাম ল'বা।" (অষ্টম দৃশ্য)

আজান ফকিৰৰ মনত হিন্দু-মুছলমান সকলো 'একে আল্লাৰ ফৰমান', সকলো সমান। অৱশেষে বিচাৰত সকলো মানুহ। নাটকৰ দশম দৃশ্যত ফকিৰে বফিয়াত নামৰ শিষ্য এজনক কৈছে— 'গছ একেজোপাই, ডালহে বেলেগ। কোনোবা এটা ডাল পূবলৈ আছে, কোনোবা এটা পশ্চিমলৈ আছে, কোনোবাটো হয়তো উত্তৰে, কোনোবাটো আৰু দক্ষিণে। ইমানেই। ফল একেই দিয়ে। গুৰি একে, শিপা একে, গা-গছো একো। তফাৎ মাথোন ফল লগা ডালকেইটাৰ দিশ, গছজোপাৰ নাম মানুহ।'

জীৱনৰ বিয়লি বেলা ধৰ্ম চৰ্চাৰ মাজতে ফকিৰে জানিবলৈ পায় দৰঙী ৰাজবিষয়া ৰূপাই দাধৰাক কোনোবাই হত্যা কৰিছে। লগে লগে এই খবৰৰ প্ৰতিক্ৰিয়া ফকিৰে এইদৰে প্ৰকাশ কৰিছে— 'ছিঃ ছিঃ বৰ বেয়া হ'ল। হায় আল্লা। ৰূপাই বেয়া নাছিল। ভুল কৰিছিল। গছৰ আগত পানী দিছিল। পানী দিছিল ঠিকেই। মাথোন গুৰি চিনি নাপাইছিল। বেয়া কাম হ'ল। ৰূপাই অকলে জাগৰীয়া নহয়। ৰূপাই নিমিত্ত মাত্ৰ। বিষয়-বাসনা আৰু সমাজত ডাঙৰ হৈ থকাৰ হাবিয়াসে এনেদৰেই মানুহক চাকত ঘূৰাই আই। ৰূপাইক মই ক্ষমা কৰিছো।' (সপ্তদশ দৃশ্য)। মিগধাকী ৰাজবিষয়া ৰূপাই ফকিৰৰ আদৰ্শৰ হেতাৰ আছিল, যাৰ প্ৰৰোচনা আৰু চক্ৰান্তত ফকিৰে নিজৰ দৃষ্টিশক্তি হেৰুৱাইছিল; সেই ৰূপাইৰ হত্যাত এনেদৰে দুখত ভাঙি পৰাটোৱে ফকিৰৰ চৰিত্ৰৰ মহানতাক প্ৰকাশ কৰিছে।

ধৰ্মীয় সহনশীলতাই আজান ফকিৰ চৰিত্ৰটোক এক মহত্ব প্ৰদান কৰিছে। শঙ্কৰ-মাধৱৰ আদৰ্শৰে অনুপ্ৰাণিত আজান ফকিৰে হিন্দু মুছলমানৰ মাজত সমন্বয় গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। 'শৰাগুৰি-চাপৰি' নাটত আজান ফকিৰৰ মাজেৰে এনেদৰে সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাণী বিলাবলৈ মহেন্দ্ৰ বৰঠাকুৰদেৱে সফল প্ৰয়াস কৰিছে।

## মুকুতামালা

*এডোখৰ শিল তাৰ গতিবোধৰ কাৰণে যেনেকৈ কাৰো ওচৰত দায়ী হ'ব নোৱাৰে, ঠিক তেনেকৈ মানুহো নিজৰ কামৰ কাৰণে ঈশ্বৰৰ চকুত দায়ী হ'ব নোৱাৰে।*

— এলবাৰ্ট আইনষ্টাইন।

*মানুহ প্ৰেমেৰে জীয়াই থাকে। এসাজ অনাহাৰে থাকিলে মানুহ নমৰে। কিন্তু প্ৰেমৰ অভাৱত জীৱন হৈ পৰে ক্ষয়। অমৰ প্ৰেমে জীয়াই থকাৰ প্ৰেৰণা দান কৰে। প্ৰেমৰ অভাৱত মানুহ মানসিকভাৱে অসুস্থ হৈ পৰে আৰু ক্ৰমশঃ মনৰ অশান্তি আৰু সেহৰ অশান্তিৰ কাৰণ হৈ পৰে।*

— লিও টলষ্টয়।

*কেৱল জীয়াই থকাৰ কাম্য জীৱন ধাৰণ কৰাটো পাপ। জীৱনক জীয়াই থকাৰ উপযোগী কৰি গঢ়ি তোলাটোহে সৎ কাম।*

— জুভেনাল।

# সন্ত্ৰাসবাদ আৰু মানৱাধিকাৰ

❖ মেছেৱ আলী আহমেদ
কাৰ্যালয় সহায়ক

সম্প্ৰতি বিশ্বৰ আটাইতকৈ ভয়াবহ সমস্যা হ'ল সন্ত্ৰাসবাদ। সন্ত্ৰাসবাদীৰ কূটাঘাতমূলক কাৰ্য্যৰ বাবেই বিশ্বৰ বিভিন্ন স্থানত হেজাৰ হেজাৰ নিৰাপৰাধী ব্যক্তিৰ প্ৰাণ হানি হোৱাৰ লগতে লাখ লাখ লোকে চিৰদিনৰ বাবে পঙ্গু হৈছে। ইয়াৰ উপৰিও বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ নিৰাপত্তা অনিশ্চিত হৈ পৰাৰ লগতে অৰ্থনৈতিক অৱস্থাও ক্ষতিগ্ৰস্ত হ'ব ধৰিছে। সন্ত্ৰাসবাদৰ ফলত বহু ৰাষ্ট্ৰৰ মানৱ অধিকাৰ ভংগও হৈছে। আমাৰ দেশ তথা ৰাজ্যখনত দীৰ্ঘদিন ধৰি সময়ে সময়ে হোৱা সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ফলত হেজাৰ হেজাৰ নিৰপৰাধী লোকে প্ৰাণ হেৰুৱাব লগাত পৰিছে। বহুলোকে ঘূণীয়া হৈ ছটফটাই থাকিবলগাৰ লগতে দেশৰ কোটি কোটি টকাৰ ৰাজহুৱা সম্পত্তিৰ ক্ষতি হৈছে। ২০০৮ চনৰ ৩০ অক্টোবৰত গুৱাহাটী, বৰপেটাৰোড, বঙাইগাঁও, কোকৰাঝাৰ আদি স্থানত সন্ত্ৰাসবাদীৰ বোমা বিস্ফোৰণৰ ফলত প্ৰায় এশ লোকে প্ৰাণ হেৰুৱাৰ লগতে পাঁচশ লোকে আহত হৈ ঘূণীয়া হয়। একে বছৰৰ ২৬ নৱেম্বৰত মুম্বাইৰ তাজ হোটেল, নাৰিমন বাণিজ্য কেন্দ্ৰ, অবেৰয় হোটেলত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ফলত ২৭ জন বিদেশী পৰ্যটকসহ প্ৰায় দুইশ লোকে প্ৰাণ হেৰুওৱাৰ লগতে প্ৰায় পাঁচশ লোক আঘাতপ্ৰাপ্ত হৈছিল। ১৯৯৩ চনৰ মাৰ্চ মাহৰ পৰা ২০০৮ চনৰ নৱেম্বৰ মাহলৈ বিগত পোন্ধৰ বছৰত ভাৰতৰ বিভিন্ন স্থানত সন্ত্ৰাসবাদীয়ে ২৪ বাৰ আক্ৰমণ কৰি বোমা বিস্ফোৰণ, ধাৰাবাহিক বিস্ফোৰণ, গ্ৰেণেড নিক্ষেপ আৰু নিৰ্বিচাৰে গুলী চলাই ১,২৩৩ গৰাকী লোকৰ মৃত্যু ঘটোৱাৰ লগতে ৩,০৮০ গৰাকী ব্যক্তি আঘাতপ্ৰাপ্ত কৰে। শত্ৰু ৰাষ্ট্ৰৰ সহায়ৰ হাতত, প্ৰচাৰ মাধ্যমৰ প্ৰচাৰ, ৰাজনৈতিক আশীৰ্বাদ, অস্ত্ৰ- শস্ত্ৰৰ সহজ যোগান আদিয়ে সন্ত্ৰাসবাদীৰ কাৰ্য্যকলাপ অধিক হিংসাত্মক আৰু ভয়াবহ হ'বলৈ ধৰিছে। সন্ত্ৰাসবাদীৰ নামত অপৰাধীয়ে অস্ত্ৰৰ ব্যৱসায় কৰাৰ লগতে অপহৰণ, ভীতি প্ৰদৰ্শন হত্যা, ধন সংগ্ৰহে কৰে। সন্ত্ৰাসবাদীয়ে নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে চৰকাৰৰ ওচৰত দাবী







উত্থাপন কৰিবলৈ জনসাধাৰণক হিংসাত্মক কাৰ্যৰ দ্বাৰা ভীতিগ্ৰস্ত কৰি তোলে যাতে জনসাধাৰণেও তেওঁলোকৰ দাবী সমৰ্থন জনাবলৈ বাধ্য হয়। সন্ত্ৰাসবাদীয়ে চৰকাৰী বিষয়া-কৰ্মচাৰী, ব্যৱসায়ী, সমাজ-সেৱক, শিশু-মহিলাক অপহৰণ কৰি নি ধনদাবী কৰে আৰু ধন নাপালে হত্যা কৰে। সন্ত্ৰাসবাদীয়ে বজাৰ, ব্যৱসায় প্ৰতিষ্ঠান, ৰাছ -ৰেল আস্থান, আদি ৰাজহুৱাস্থানত বোমা বিস্ফোৰণ ঘটাই আতংকৰ সৃষ্টি কৰে যাতে ব্যাপক প্ৰচাৰ লাভত সক্ষম হয়।



বিশ্বত সংঘটিত সন্ত্ৰাসবাদীৰ বিভিন্ন স্থানত মানৱ অধিকাৰ ভংগ হ'ব ধৰিছে। পুৰুষ-মহিলা, শিশু, নৃ-গোষ্ঠীয়, ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু লোকৰ ওপৰত আক্ৰমণ চলাই হত্যা কৰা, আঘাতপ্ৰাপ্ত কৰাৰ ফলত মানুহৰ জীৱন-ধাৰণৰ অধিকাৰ ভঙ্গ হৈছে। বাছ-ৰেলত বোমা বিস্ফোৰণ, বিমান অপহৰণ কৰাৰ ফলত নাগৰিকৰ চাল-চলনৰ অধিকাৰ উলংঘা হৈছে। ছাত্ৰ-ছাত্ৰীক পণবন্দী কৰি নিজৰ সন্ত্ৰাস কাৰ্য সাধন কৰাৰ ফলত শিক্ষাৰ অধিকাৰ আৰু ধৰ্মীয় স্থানত আক্ৰমণ কৰি গুলি-বোমা বিস্ফোৰণ ঘটোৱাৰ ফলত ধৰ্ম চৰ্চা তথা উপাসনা কৰাৰ অধিকাৰ লাঘৱ হৈছে। সন্ত্ৰাসবাদীয়ে ভোটাৰক ভীতি প্ৰদৰ্শন কৰা, হোটেল, মনোৰঞ্জনৰ স্থানত আক্ৰমণ কৰাৰ ফলত নাগৰিকৰ ৰাজনৈতিক, ব্যক্তিগত স্বাধীনতা আৰু নিৰাপত্তাৰ অধিকাৰ উলংঘন হৈছে। সন্ত্ৰাসবাদীয়ে কোনো লোকক অপহৰণ কৰি নি হত্যা কৰা তথা অমানৱীয় ভাৱে শাস্তি দিয়া কাৰ্য্যই মানৱ অধিকাৰ উলংঘন কৰিছে। সেয়ে ৰাষ্ট্ৰসংঘই ১৯৮৪ চনত সাধাৰণ সভাৰ যোগেদি এনে অমানৱীয় কাৰ্যক অপৰাধী হিচাপে গণ্য কৰি এনে কাৰ্যৰ লগত জড়িত লোকক কঠোৰ শাস্তি দিয়াৰ নিৰ্দেশ দিয়ে। জাতি, ধৰ্ম, বৰ্ণ, নিৰ্বিশেষে সকলো লোকৰ মানৱ অধিকাৰ ভোগ কৰাৰ অধিকাৰ আছে যদিও সন্ত্ৰাসবাদী তথা উগ্ৰপন্থীৰ কাৰ্যকলাপে মানৱ অধিকাৰ সকলো দিশতে উলংঘন কৰিছে। উগ্ৰপন্থীৰ সন্ত্ৰাসী কাৰ্যকলাপ সম্পূৰ্ণৰূপে ৰোধ কৰিব নোৱাৰিলে মানৱ অধিকাৰ উলংঘন নোহোৱাৰ বিষয়টো নিশ্চিত কৰিব নোৱাৰিব।

## মুকুতামালা

*মানুহে কিদৰে মৃত্যুবৰণ কৰে, সেইটো ডাঙৰ কথা নহয়। কিদৰে জীয়াই থাকে সেইটোহে উল্লেখনীয়। কিয়নো মৃত্যু আহে খন্তেকৰ বাবেহে।*

— ছেমুৱেল জনছন।

*তুমি তোমাৰ পিতাৰ নাম স্মৰণ কৰি পঢ়া, সেইজন পিতাই তোমাৰ দৰে মানুহ সৃষ্টি কৰিলে। পঢ়া যে তোমাৰ সৃষ্টি কৰ্ত্তাজন অতি দয়াশীল, তেওঁ অজ্ঞ মানুহবোৰক শিক্ষাদি জ্ঞানৰ অধিকাৰী কৰিলে।*

— কোৰাণ শ্বৰীফ।

# নাৰী তুমি নিৰ্যাতিতা

❖ হনুফা নাছৰিন
উঃ মাঃ ২ য় বৰ্ষ (বিজ্ঞান শাখা)



নাৰী জীৱন অজস্ৰ যন্ত্ৰণাৰে ভৰপুৰ। মাতৃগৰ্ভত থকা ক্ষুদ্ৰ ভ্ৰূণটো Sex determination কৰি হত্যা কৰে নিষ্পাপ কন্যা শিশুজনীক। কিন্তু যদিহে ল'ৰা শিশু হয় তাক এইদৰে নিৰ্যাতন কৰি হত্যা নকৰে। বৰং আনন্দ উৎসাহেৰে হেঁপাহ পলুৱাই সৈ দিন গণি বাট চাই থাকে তাৰ জন্মৰ অপেক্ষাত। আমাৰ দেশ পৰাধীন হৈ থকা কালৰে পৰা নিৰ্যাতন কৰি আহিছে নিষ্পাপ শিশু কন্যাক, জন্মৰ পিছমুহূৰ্ততে মুখত নিমখ দি বা গলত চেপি হত্যা কৰিছিল অত্যাচাৰী প্ৰশাসনীয় শাসনকৰ্তা সকলে। নিষ্পাপ কুমলীয়া ফুলৰ কলি অকালতে মোহাৰি পেলাইছিল। যি কলিয়ে ফুলহে বীজ ৰোপন কৰি বিবৰ্তনবাদ ৰক্ষা কৰি নানা ৰঙে সাজি তোলে এক মোহনীয় মনোমোহা সৌন্দৰ্যময় ধৰণী। কিন্তু প্ৰাচীন কালৰ পৰা সমাজত চলি অহা কু প্ৰথা কিছুমান, সতীদাহ প্ৰথা, বাল্য বিবাহ প্ৰথা, নাৰী নিৰ্যাতন প্ৰথা, শিশু কন্যা বধ প্ৰথা আদি যদিও বিলুপ্ত হৈছে, তথাপিও বৰ্তমান সমাজত আন কিছুমান হীন ঘৃণনীয় কু-প্ৰথা, যৌতুক পণ প্ৰথা, শিশু কন্যা দাসত্ব প্ৰথা ইত্যাদি আজিও আমাৰ সমাজৰ অভিজাত্য পৰিয়ালৰ মাজৰ পৰা একেবাৰে বিলুপ্ত হোৱা নাই। তেওঁলোকে নিজৰ অভিজাত্য বজাই ৰাখিবৰ কাৰণে যৌতুকৰ আদান-প্ৰদান কৰে আৰু দীন-দুখীয়াৰ শিশু কন্যাক নিজৰ ঘৰৰ বনুৱা হিচাপে ৰাখে। স্বাধীন দেশত পৰাধীনতাৰ শিকলি বান্ধি দিয়া হৈছে একমাত্ৰ নাৰীৰ ওপৰত। যেতিয়ালৈকে দেশ এখনে, জাতি এটাই, শৈক্ষিক আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে, সমাজ এখনে, পৰিয়াল একোটাই নিজৰ নিজৰ শিশু কন্যা, যুৱতী নাৰীক সন্মানৰ চকুৰে, ভালপোৱাৰ শাসনেৰে, মৰমৰ ভোলেৰে, স্বাধীনতা আন্তৰিকতাৰ শিকলিৰে নাবান্ধে, তেতিয়ালৈকে কোনো এখন দেশ, কোনো এখন সমাজ, কোনো এটা জাতি-ধৰ্ম আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে কেতিয়াও অগ্ৰগতি আৰু উন্নয়নশীল হ'ব নোৱাৰে। কাৰণ নৰ-নাৰী এটা মুদ্ৰাৰ দুটা পিঠি। যদি এটা পিঠিক সন্মানৰ লগতে স্বাধীনতা দিয়া হয়। আনটোক যদি হীন, ঘৃণা, অপমান আৰু নিৰ্যাতিন কৰি পৰাধীনতাৰ কবলত ঠেলি দি শোষণ কৰিব খোজা হয়, তেন্তে দুয়ো পিঠিৰ অনিষ্ট হৈ মুদ্ৰাটো অচল হৈ পৰে। সেয়ে আমি সদায় মুদ্ৰাৰ সঠিক মূল্য পাবলৈ হ'লে দুয়োটা পিঠিৰ যত্ন লোৱা উচিত। তেতিয়া হ'লে আমি, আমাৰ দেশ, আমাৰ জাতি-ধৰ্ম, অনুষ্ঠান-প্ৰতিষ্ঠান সকলো সুন্দৰ সুখী আৰু আনন্দময়ী হ'ব। যেতিয়া আমাৰ হৃদয়ত ভালপোৱা, আনন্দ, উৎসাহ-উদ্দীপনা আৰু আন্তৰিকতা থাকিব, তেতিয়া আমি আমাৰ সুদূৰ ভৱিষ্যৎ সুন্দৰ সুফল শান্তিময়ী আশা কৰিব পাৰিম। আনহাতে সেউজ ধৰণীৰ বুকুত স্বৰ্গ অনুভৱ কৰিব পাৰিম। সমভাৱে আগুৱাই গ'লেহে আমি আমাৰ জীৱনটো পূৰ্ণাংগ আৰু সজীৱতাৰে ভৰপুৰ আত্ম সন্তুষ্টি লাভ কৰিব পাৰিম। নহ'লে আধৰুৱা শোকময়ী অভিশপ্ত জীৱন এক মৰিশালীত পৰিণত হ'ব।

কিছু মিঠা কিছু তিতা ঃ

১) সত্যৰ জয়ৰ আগতে জীৱনটো সৰ্বনাশৰ ক্ষয়।
২) নাৰী জীৱন অজস্ৰ কাঁইটৰ মাজত ৰঙাগোলাপ।
৩) হাজাৰ আনন্দৰ মাজতো নিগৰি পৰে বিষাদৰ অশ্ৰুজল।
৪) প্ৰেম জীৱনৰ আশীৰ্বাদ, প্ৰেমবিহীন জীৱন ভগৱানৰ অভিশাপ।
৫) পৃথিৱীত বিমানে সৌন্দৰ্য্য নহওঁক কিয় তথাপি মানুহৰ এটা নহয় এটা শান্তি-অশান্তি থাকিবই।





# মানুহৰ স্মৃতি আৰু বিস্মৃতি

❖ বিজয় সৰকাৰ
স্নাতক২য় বৰ্ষ (কলা)

স্মৃতি এটা জন্মগত শক্তি, যিটো প্ৰাণীবোৰে বংশ পৰম্পৰা হিচাপে পায়। স্মৰণশক্তি সকলো প্ৰাণীৰ ভিতৰত পোৱা যায়, কিন্তু মানুহৰ মাজত ইয়াক বেছিকৈ পোৱা যায়। এই কাৰণেই মানুহক অন্য প্ৰাণীবোৰতকৈ শ্ৰেষ্ঠ বুলি স্বীকাৰ কৰা হয়। জীৱৰ ভিতৰত মানুহেই শ্ৰেষ্ঠ। অতীতত আহৰণ কৰা জ্ঞান বা অভিজ্ঞতা যেতিয়া আমি অবচেতন মনৰ পৰা সচেতন মনলৈ টানি আনো তাকে স্মৃতি শক্তি বোলে।

**লক্ষণ বা পৰিভাষা ঃ**

ক) স্মৃতি হৈছে মনৰ সেই শক্তি, যাৰ দ্বাৰা আমি প্ৰথমে শিকি লোৱা কথাবোৰ স্মৰণ কৰোঁ। মানুহৰ স্মৃতি হৈছে এহাজাৰ ছুপাৰ কম্পিউটাৰতকৈ শ্ৰেষ্ঠ।

খ) বাস্তৱৰ অভিজ্ঞতা অপৰিৱৰ্তিত ৰূপত ঘূৰাই পাব পৰাটো হৈছে স্মৃতি।

গ) স্মৃতি ক্ৰিয়াত ব্যক্তিৰ অচেতন মনৰ প্ৰভাৱ পৰে।



ঘ) স্মৃতি ক্ৰিয়াত তিনিটা স্পষ্ট মানসিক ক্ৰিয়া পৰ্যায় জড়িত হৈ থাকে। সি হৈছে অভিজ্ঞতা, সংৰক্ষণ, আৰু পুনঃস্মৰণ।

**স্মৃতিৰ মুখ্যতত্ত্ব (Factors of Memory )**

স্মৃতি শক্তিৰ মুখ্য তত্ত্বসমূহক তলত দিয়া চাৰিটা ভাগত ভাগ হৈছে— (ক) শিক্ষা বা অভিজ্ঞতা, (খ) সংৰক্ষণ, (গ) পুনঃস্মৰণ, (ঘ) প্ৰত্যভিজ্ঞা।

ক) শিক্ষা বা অভিজ্ঞতা (Learning) ঃ স্মৃতিৰ বাবে সৰ্বপ্ৰথম আৰু সকলোতকৈ প্ৰয়োজনীয় কথা হৈছে শিক্ষা অভিজ্ঞতা লাভ কৰা। কোনো কথা মনত পেলাবলৈ অথবা স্মৃতি হিচাপে পাবলৈ তাক পূৰ্বেই শিক্ষা অভিজ্ঞতাস্বৰূপে লাভ কৰিব লাগে।

খ) সংৰক্ষণ (Retaining) ঃ স্মৃতিৰ পৰৱৰ্তী মানসিক প্ৰচেষ্টা হৈছে শিক্ষণ অভিজ্ঞতাক প্ৰতিৰূপ আকাৰে মনত সংৰক্ষণ কৰা। কেৱল শিক্ষণেই স্মৃতিৰ বাবে যথেষ্ট নহয়। প্ৰাপ্ত অভিজ্ঞতাৰ চাপ বা প্ৰতিৰূপক মনত সংৰক্ষণ কৰা বা ধৰি ৰখাটো স্মৃতি ক্ৰিয়াৰ গুৰুত্বপূৰ্ণ বিষয়।

গ) পুনঃস্মৰণ (Recall) ঃ পূৰ্বে সংৰক্ষিত অভিজ্ঞতাক প্ৰতিৰূপৰ সহায়েৰে সচেতন মনত পুনৰুদ্ধাৰ কৰা কাৰ্যই হৈছে পুনঃস্মৰণ। পূৰ্ব অভিজ্ঞতাৰ প্ৰতিৰূপ কেৱল সংৰক্ষণেই নহয়, তাক প্ৰয়োজন মতে চেতন মনত পুনৰুদ্ধাৰ কৰিব লাগে।

ঘ) প্ৰত্যভিজ্ঞা (Recongnition) ঃ পূৰ্বে অভিজ্ঞতাৰ প্ৰতিৰূপ কেৱল পুনৰুৎপাদন বা পুনঃস্মৰণেই শেষ কথা নহয়। সি পূৰ্বৰ হয় নে নহয় তাক চিনাক্ত কৰাটো প্ৰয়োজন

আমি সকলোৱে স্মৃতি শক্তি ধৰি ৰাখিবলৈ কেইটামান তথ্য তলত উল্লেখ কৰা হ'ল—

ক) যিকোনো পাঠ মনোযোগেৰে শিকিব লাগে।
খ) সকলো কাম দৈনিক কৰিব লাগে আৰু এলেহুৱা হৈ বহি থাকিব নালাগে।

গ) শিক্ষকে পাঠদান কৰা পাঠটোৰ প্ৰতি আত্মবিশ্বাস থাকিব লাগে।

ঘ) নিয়মানুবৰ্ত্তিতা আমাৰ প্ৰধান কৰ্তব্য হ'ব লাগে।

ঙ) নিদ্ৰা কম কৰিব লাগে।

চ) ইন্দ্ৰিয় দমন কৰি ৰাখিব লাগে।

ছ) নিজৰ স্বাস্থ্যৰ প্ৰতি যত্ন ল'ব লাগে।

**ভাল স্মৃতিৰ লক্ষণ (Marks of good memory) :**

নিজৰ স্মৃতি শক্তি ভাল নে বেয়া তাক জানি উঠাটো সচেতন ব্যক্তি মানেই তাৰ প্ৰয়োজন অনুভৱ কৰে। ভাল স্মৃতিৰ কেতবোৰ লক্ষণ তলত উল্লেখ কৰা হ'ল—

ক) বিষয়বস্তুক সহজে শিক্ষা গ্ৰহণ আৰু কম সময়ৰ ভিতৰতে তাক আয়ত্তকৰণ কৰিব পৰাটো ভালস্মৃতিৰ পৰিচায়ক।

খ) প্ৰখৰ স্মৃতি থকা লোকে সহজে শিকিব পৰাই নহয়, শিকি উঠা বিষয়ক অধিক সময়ৰ বাবে মনত ধৰি ৰাখিবও পাৰে।

গ) কম সময়তে সঠিকভাবে চিনাক্ত কৰিব পৰাটোও উত্তম স্মৃতিৰ লক্ষণ।

ঘ) ভাল স্মৃতিৰ অধিকাৰী হোৱা লোকে তাক সময় আৰু প্ৰয়োজন অনুসৰি সৎ ব্যৱহাৰ কৰি উঠিব পাৰে।

**বিস্মৃতি (Forgetting) :**

সাধাৰণভাবে ক'ব পাৰি যে স্মৃতিৰ অক্ষমতাই হৈছে বিস্মৃতি। অতীত অভিজ্ঞতাৰ স্মৰণ আৰু প্ৰত্যভিজ্ঞাৰ ক্ষেত্ৰত দেখা দিয়া ব্যৰ্থতাই হৈছে বিস্মৃতি বা পাহৰনি।

বিস্মৃতিৰ পৰিভাষা বা লক্ষণ :

ক) অৰ্জন কৰা তথ্যবোৰ ধাৰণ কৰিব নোৱাৰাটোৱেই হৈছে বিস্মৃতি।

খ) জিৰণিৰ অৱস্থাতকৈ কৰ্মব্যস্ত অৱস্থাত বিস্মৃতিৰ অধিক প্ৰভাৱ পৰে।

গ) বিস্মৃতি হৈছে মনৰ স্মৃতিৰক্ষাৰ সহায়কাৰী।

**বিস্মৃতিৰ কাৰক সমূহ :**

বিস্মৃতিৰ কাৰণ বহুতো আছে তাৰে কেইটামান কাৰণ তলত উল্লেখ কৰা হ'ল—

ক) যদি কোনো তথ্যৰ বিষয়ে আমাৰ মনত সন্দেহ হয়, তেন্তে সেইটো আমি পাহৰি যাওঁ।

খ) যদি কোনো ব্যক্তিয়ে কোনো তথ্যক কম মাত্ৰাত আয়ত্ত কৰে তেন্তে তেওঁ সোনকালেই সেইটো পাহৰি যায়।

গ) অস্পষ্ট, অনিৰ্দিষ্ট আৰু ক্ষণস্থায়ী উদ্দীপকৰ কাৰণে আমি বহুকথাই পাহৰি যাওঁ।

ঘ) মনোযোগ আৰু অনুৰাগৰ অভাৱত আমি বহু কথাই পাহৰি যাওঁ।

ঙ) মদ, আফিং, কানি, প্ৰভৃতি নিচালগা বস্তু বহুদিন ধৰি খালেও স্মৃতি হ্ৰাস পায়।

চ) কোনো দুৰ্ঘটনাৰ বাবে যদি মস্তিষ্কত আঘাত লাগে তেতিয়াও মানুহে বহু কথা পাহৰি যোৱা দেখা যায়।

বিস্মৃতি কেনেকৈ কমাব পাৰি, তাৰ কেইটামান উপায় তলত উল্লেখ কৰা হ'ল—

ক) আত্মবিশ্বাসৰ ভাৱনা লৈ বিষয়বস্তু অধ্যয়ন কৰিব লাগে।

খ) শাৰীৰিক আৰু মানসিক দুয়োটা দিশতে সুস্থ হ'ব লাগে।

গ) শিক্ষৰ উপৰিও ছাত্ৰসকলে সময়ে সময়ে বিষয়বস্তুক আবৃত্তি কৰা উচিত।

ঘ) বিষয়বস্তুৰ প্ৰতি অভিৰুচি থাকিব লাগে।

ঙ) কোনো দুৰ্ঘটনা আদিত মস্তিষ্কত আঘাত পালে অতি সোনকালে সু-চিকিৎসকৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

চ) বিস্মৃতিৰ পৰিমাণ কমাবলৈ ৰাগিয়াল বস্তুৰ ব্যৱহাৰ হ্ৰাস কৰিব লাগে।

ছ) যিকোনো বিষয়ৰ স্মৃতি ৰক্ষাত মনোযোগ আৰু আগ্ৰহে সহায় কৰে।

**মুকুতামালা**

*মোৰ মতে সুকুমাৰ কলাৰ সংজ্ঞা হ'ল— য'ত মানুহ এজনৰ হাত মুৰ আৰু হৃদয় তিনিও একে সময়তে কাম কৰে।*

*— জন ৰাস্কিন।*





# ম'বাইল ফোন আৰু ইয়াৰ প্ৰভাৱ

❖ আব্দুল ওৱাদুদ
স্নাতক ৩ য় বৰ্ষ (কলা)

বিজ্ঞানৰ এক চমকপ্ৰদ আৱিষ্কাৰ হ'ল ম'বাইল ফোন। আমাৰ জীৱনত ম'বাইলৰ প্ৰভাৱ অপৰিসীম। ম'বাইলৰ ফলত মানুহৰ লগত মনৰ ভাব আদান-প্ৰদান কৰিব পাৰি আৰু বহুত .....। আজিৰ যুগত ম'বাইল আৰু মানুহ এটা মুদ্ৰাৰ দুটা পিঠি বুলি ক'লেও বঢ়াই কোৱা নহয়। বিজ্ঞানৰ এই আৱিষ্কাৰ অতি কম সময়ৰ ভিতৰত সমাজৰ সকলো স্তৰৰ মানুহে আদৰি ললে। ইয়াৰ ফলত যে বহুতসুবিধা হৈছে এয়া বাস্তৱ সত্য।

কিন্তু! এই ম'বাইলৰ বেয়া প্ৰভাৱ নথকা নহয়। আজিৰ নব প্ৰজন্মৰ ওপৰত ইয়াৰ কু প্ৰভাৱেই বেছি। প্ৰয়োজন বুলি ভাবি নিজৰ নিজৰ ল'ৰা-ছোৱালীক কিনি দিয়ে বহুত দামী ম'বাইল ফোন। ফলত সকলোৱে ব্যৱহাৰ কৰিছে নিজৰ ম'বাইলত সস্তীয়া অশ্লীল ভি. ডি. ও. কৰি আজিৰ যুৱ সমাজৰ বেছিভাগ বেয়াৰ পিনে গতি কৰিছে। আজিৰ সমাজত ঘটি থকা আৰু এটা ম'বাইল ব্যাধি হ'ল ৰং নম্বৰৰ অসুবিধা। বহুত সময়ত এই ৰং নম্বৰ বিলাকত গঢ়ি উঠে প্ৰেমৰ সম্পৰ্ক, কিন্তু এই প্ৰেম সঁচা নহয়। এই প্ৰেম হ'ল বিয়াৰ প্ৰলোভনেৰে মাতি আনি নাৰী ব্যৱসায়ৰ লগত জড়িত কৰা। এইটো আজিৰ সমাজত ঘটি থকা নতুন অসুবিধা। আৰু কি কি অসুবিধা হ'ব পাৰে ম'বাইল ব্যৱহাৰৰ ফলত ইয়াত পৰ্যালোচনা কৰাটো সম্ভৱ নহয় যদিও আৰু দুটামান অসুবিধা হ'ল— বেছিকৈ ম'বাইলত কথা কোৱাৰ ফলত প্ৰতিদিনে পকেটৰ পৰা ওলাই যায় বৃজন পৰিমাণৰ ধন। সময়ৰ অপচয় আৰু কিবা শাৰীৰিক বেমাৰ যদি হয় তেনেহ'লেতো আৰু অসুবিধা।

কিন্তু আমি মোবাইলৰ কু-প্ৰভাৱৰ পৰা বাচিবই লাগিব। ডেকা চামৰ ওপৰতে নিৰ্ভৰ কৰিছে দেশৰ ভৱিষ্যত। ৰং নম্বৰৰ সমস্যাৰ পৰা বাচিবলৈ হ'লে কোনো ৰং নম্বৰৰ পৰা ফোন কৰি পৰিচয় নিদিয়াকৈ কথা পাতিলে আমি ৰং নম্বৰ বুলি কৈ কাটি দিব লাগে আৰু কম সময় কথা পাতিলে (বিশেষকৈ ছোৱালীবিলাক) অন্ততঃ দুষ্ট চক্ৰৰ পৰা পৰিত্ৰাণ পাব। আমাৰ ম'বাইল আছে বুলিয়েই য'তে-ত'তে কথা পাতি পৰিবেশ নষ্ট কৰাৰ কোনো দৰকাৰ নাই। আজিৰ যুগত স্কুল-কলেজ, ৰাজহুৱা স্থান, বাছত সকলোৱে কথা পাতি এটা বেয়া পৰিবেশ গঢ়ি লৈছে। কিন্তু এই পৰিবেশ ভাল কৰিবলৈ হ'লে আমিয়েই দায়িত্ব ল'ব লাগিব আৰু কোনো ধৰণৰ ৰাজহুৱা স্থানত প্ৰয়োজনতকৈ অধিক কথা নাপাতো বুলি প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব। বিশেষকৈ স্কুল-কলেজৰ চৌহদৰ ভিতৰত কথা কোৱা নিষিদ্ধ বুলি পৰিচালনা সমিতিয়ে নিয়ম বান্ধি দিব লাগে আৰু ছাত্ৰ-ছাত্ৰী সকলোৱে সহযোগিতা আগবঢ়াব লাগে।

সদৌ শেষত মোবাইলৰ সৎ ব্যৱহাৰ কৰিম বুলি সকলোৱে প্ৰতিজ্ঞাবদ্ধ হ'ব বুলি আশা কৰিলো।



# নাৰী শিক্ষা

❖ দেৱান হুমায়ুন
স্নাতক ১ম বৰ্ষ (কলা)

ভাৰতীয় শিক্ষাবিদ স্বামী বিবেকানন্দৰ মতে 'চৰাই এজনী যেনেকৈ ডেউকা এখনেৰে উৰি ফুৰিব নোৱাৰে, ঠিক তেনেকৈ ৰাষ্ট্ৰ এখনৰ পঞ্চাচ শতাংশ কল্যাণকামী ৰাষ্ট্ৰত পৰিণত হ'ব নোৱাৰে'। অৰ্থাৎ দেশ এখন তথা সমাজ এখনৰ প্ৰগতিৰ বাবে নাৰী-পুৰুষ উভয়ৰেই সম অধিকাৰৰ প্ৰয়োজন। কিন্তু একবিংশ শতিকাতে শৈক্ষিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ইত্যাদিৰ বলি হ'বলগীয়া হৈছে। পুৰুষ শাসিত সমাজত এক ভোগৰ সামগ্ৰী তথা পুৰুষৰ ব্যক্তিগত সম্পত্তি হিচাপে পৰিগণিত হৈয়ে আহিছে। যিখন সমাজত নাৰীক দুৰ্গা, লক্ষ্মী, সৰস্বতী আদি দেৱীৰ ৰূপত পূজা কৰা হয় সেইখন সমাজতেই নাৰীক যৌতুকৰ বাবে হত্যা কৰাৰ ঘটনা আমি চকুৰ আগত দেখিয়েই আছো। নহ'লেনো নিজৰ পতিব্ৰতা পত্নী সীতাক সতীত্ব প্ৰমাণৰ বাবে জ্বলন্ত জুইত জপিয়াব ক'লেহেতেন নে? নাৰীৰ মৰ্যদাৰ বাবে কোনো কোনোৱে কলম তুলিলে তাক নিৰ্যাতন কৰা হয় পুৰুষৰ দ্বাৰা। ইয়াৰ প্ৰমাণ তছলিমাৰ কথা ক'ব পাৰি।

আমাৰ সমাজত পুৰুষ সকলৰ উচ্চাকাংক্ষীতা মনোভাৱ এটা আছে, যাৰ ফলত তেওঁলোকে নিজকে মহিলা সকলতকৈ সকলো ক্ষেত্ৰতে নিজকে উচ্চ বুলি ভাবিব খোজে। যিটো নেকি সমাজৰ কাৰণে অতি ভয়ংকৰ।

ভাৰতবৰ্ষত প্ৰতি হেজাৰ পুৰুষৰ বিপৰীতে নাৰীৰ সংখ্যা যথেষ্ট কম পৰিমাণৰ দেখা যায়। ২০০১ চনৰ লোকপিয়ল অনুসৰি ভাৰতবৰ্ষত মহিলা আৰু পুৰুষৰ জনসংখ্যা অনুপাত প্ৰতি হাজাৰত পুৰুষৰ বিপৰীতে ৯৩৪ গৰাকী মহিলা। মহিলাৰ জনসংখ্যা কম হোৱাৰ কাৰণ এটা হ'ল কন্যা শিশুৰ প্ৰতি উপযুক্ত যত্ন আৰু মনোযোগৰ অভাৱ আদিকে ধৰিব পাৰি। লক্ষণীয় বিষয় এই যে উন্নত দেশবোৰত পুৰুষতকৈ মহিলাৰ সংখ্যা বেছি।

যেতিয়ালৈকে নাৰীয়ে নাৰীক সহ-মৰ্মিতাৰ দৃষ্টিৰে নাচায় তেতিয়ালৈকে নাৰী সমাজত লাঞ্ছিত নিৰ্যাতনৰ বলি হৈ থাকিব, বিভিন্ন বিজ্ঞাপনত নাৰীক আহিলা হিচাপে ব্যৱহাৰ কৰি অশালীনৰূপত দেখুওৱা হয়। এইবোৰৰ বিৰুদ্ধে সকলো লোকে কলম তুলিব লাগিব। বেছি ভাগ ক্ষেত্ৰত নাৰী এগৰাকীতে সামাজিক নীতি-নিয়মৰ দোহাই দি মানসিক ভাৱে হাৱাশাস্তি কৰাৰ বাবে প্ৰকাৰন্তৰে নাৰী সমাজ দায়ী। প্ৰায়ভাগ ক্ষেত্ৰতে যৌতুকৰ বাবে বোৱাৰী মৃত্যুৰ কাৰণ হৈ পৰে শাহু আৰু ননদ গৰাকীয়েহে। মহিলা সকলৰ সুৰক্ষা তথা ৰক্ষণাবেক্ষণ দিবৰ বাবে বিভিন্ন সময়ত আইন প্ৰণয়ন কৰা হয় যদিও জনসাধাৰণৰ সদিচ্ছা অবিহনে এইটো কেতিয়াও সম্ভৱপৰ নহয়। বিশেষকৈ নতুন প্ৰজন্মৰ যুৱক-যুৱতী সকলৰ মানসিক দৃষ্টিভংগী পৰিবৰ্তনেহে নাৰীৰ মৰ্যাদা বৃদ্ধি কৰি এক নতুন সমাজ গঢ়াত সহায় কৰিব।

উপৰোক্ত বিভিন্ন বিষয়ৰ পৰা বুজা যায় যে নাৰী শিক্ষা বৰ্তমান সমাজত অত্যন্ত প্ৰয়োজন।





বি. এইচ্. কলেজ আলোচনী ◆ ২০০৯-১০ ইং বৰ্ষ

# ব্যক্তিত্ব

❖ মৃদুলা দাস
স্নাতকোত্তৰ ৪ৰ্থ ষাণ্মাসিক (বাণিজ্য)

*" PERSONALITIES HELPS TO HUMAN IN ACHIEVEING LIFE GOAL"*



ব্যক্তিত্ব প্ৰতিজন মানুহৰ পৰিচয়ৰ মাপকাঠী। ব্যক্তিত্বই শিল্পীসুলভ মনৰ প্ৰকাশ ঘটায়। কোনো ব্যক্তিৰ ব্যক্তিত্ব তেওঁৰ জীৱনৰ মানদণ্ডই নহয় আনৰ আগত নিজক প্ৰতিফলিত কৰাৰ কাৰক।

মানুহ মৰণশীল। প্ৰতিজন মানুহেই নি[illegible] অনিশ্চিত সীমিত আয়ুসৰ। তথাপিও এক সুন্দৰ ব্যক্তিত্ব গঢ়াৰ বাবে চেষ্টা অব্যাহত ৰখা জৰুৰী। ব্যক্তিত্বই সমাজৰ আগত চিৰকালৰ বাবে দৃষ্টান্তৰ আলোকপাত ঘটায়। আমাৰ সমাজত এনে বহুতো ব্যক্তি আছে যিয়ে নিজৰ এক স্পষ্ট আৰু নিকা ব্যক্তিত্বৰে উচ্চ আসন লাভ কৰিবলৈ সক্ষম হৈছে।

এজন ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশৰ সমাহাৰ ঘটে শিশুকালৰে পৰা; দৃশ্যমান কৰায় স্বভাৱ-চৰিত্ৰৰ। শিশুকালতে যদি এক সুস্থ আৰু নিকা পৰিবেশত লালিত-পালিত হয়, তেওঁ নিশ্চয় ভৱিষ্যতত এক সুন্দৰ ব্যক্তিত্বৰ অধিকাৰী হ'ব পাৰে। এই ক্ষেত্ৰত প্ৰয়োজনীয় সুস্থ ঘৰুৱা পৰিবেশ আৰু নিজস্ব ভাৱমূৰ্তি।

আজিৰ সমাজত এক অভিনৱ ব্যক্তিত্বৰ অধিকাৰী হোৱাটো এক বিস্ময়কৰ। কিন্তু তাৰ মাজতে বহুতো প্ৰতিভাশালী ব্যক্তিয়ে তেওঁলোকৰ অভিনৱ ব্যক্তিত্বৰ পৰিচয় দাঙি ধৰে। ব্যক্তিত্ব বিকাশৰ বাবে প্ৰয়োজন এক সুন্দৰ মন, ব্যৱহাৰ, বিকশিত ধাৰণা, উপস্থাপনৰ ক্ষমতা, উন্নত চৰিত্ৰৱাজি আৰু বহুতো। এই সকলোবোৰে সুন্দৰ ব্যক্তিত্ব গঢ়াত সহায় কৰে। সেয়েহে, আমি প্ৰতিজন ব্যক্তিয়ে সুন্দৰ ব্যক্তিত্ব গঢ়াৰ চেষ্টা সদায়ে অব্যাহত ৰখাৰ প্ৰয়োজন।









# ভ্ৰমণ সাহিত্য
# আৰু
# অন্তৰঙ্গ আলাপ








ভ্ৰমণ কাহিনী

# উত্তৰ ভাৰতত কেইদিনমান ঃ চণ্ডীগড়, চিমলা, মনালী আৰু দিল্লী

❖ গুণীন কলিতা
বি. বি. এ., ৪ৰ্থ ষাণ্মাসিক

সিদিনা আছিল ২৪ আগষ্ট। দোকমোকালিতে উঠি গুৱাহাটী পল্টনবজাৰস্থিত হোটেল ৰাজদূতৰ পৰা বেলৰে ষ্টেচনলৈ আহিলো। পাঠশালা ষ্টেচনত যিহেতু ৰাজধানী এক্সপ্ৰেচৰ ষ্ট'পেজ নাই সেয়েহে আমি আগদিনাই গৈ হোটেলত আছিলো।

ষ্টেচন আহি পাই আমি তাত ৰখাই থোৱা ৰাজধানী এক্সপ্ৰেচত উঠিলো। ঠিক ৫.৫৫ বজাত ৰাজধানী এক্সপ্ৰেচে গুৱাহাটীৰ পৰা ৰাওনা হ'ল আৰু তাৰ পিছতে আৰম্ভ হৈ গ'ল ৰাজধানী এক্সপ্ৰেচৰ অভ্যৰ্থনা। পিছদিনা অৰ্থাৎ ২৫ তাৰিখে আমি দিনৰ ২.৩০ বজাত দিল্লী পালো। তাত ষ্টেচনতে মুখ হাত ধুই চণ্ডীগড়লৈ যাব লগা শতাব্দী এক্সপ্ৰেচৰ কাৰণে যাত্ৰী জিৰণী কোঠাত অলপ সময় বোৱাৰ পিছত ষ্টেচনৰ ওচৰতে দাদা আৰু মই ফুৰিবলৈ গ'লো।

ঠিক ৭.০০ বজাত শতাব্দী এক্সপ্ৰেচ আহি পোৱাত আমি দৌৰা দৌৰিকৈ গৈ ৰেলত উঠিলো আৰু নিশা ১১.০০ বজাত আমি চণ্ডীগড় গৈ পালো। তাত আমাক ষ্টেচনতে থৈ দেউতাইতে হোটেল বিচাৰি গ'ল আৰু অলপ পিছত হোটেলত ৰুম পোৱাত আমিও গ'লো। হোটেল পায়ে মই নিদ্ৰাদেৱীৰ কোলাত লাল-কাল দিলো।

ৰাতিপুৱা উঠিয়ে গা-পা ধুই আমি হোটেলে ঠিক কৰি দিয়া গাইড এজন লগত লৈ চণ্ডীগড় চহৰ ফুৰিবলৈ গ'লো। প্ৰথমে আমি গ'লো 'সুখনা লেক'লৈ। য'ত ব'টিং কৰাৰ সুবিধাও আছিল আৰু মা-দেউতাৰ অনিচ্ছা সত্ত্বেও মনৰ উৎকণ্ঠা দমন কৰিবৰ কাৰণে দাদা আৰু মই নাও চলালো। প্ৰায় আধা ঘণ্টা নাও চলোৱাৰ পিছত এইবাৰ আমি ৰ'ক গাৰ্ডেনলৈ গ'লো। ৰ'ক গাৰ্ডেনত সকলো বস্তুৱে শিলেৰে তৈয়াৰী। ৰ'ক গাৰ্ডেনত এটা ধুনীয়া কৃত্ৰিম নিজৰাও বনোৱা আছে লগতে তাত থকা একুৱীয়ামত বিভিন্ন প্ৰজাতিৰ মাছৰ সংৰক্ষণ আছে। ইয়াতেই মোৰ আৰু এটা হেঁপাহ পূৰণ হ'ল। সৰুৰ পৰাই মোৰ উটত উঠাৰ বৰ হেঁপাহ আছিল আৰু ইয়াতেই সেই হেঁপাহ মোৰ পূৰণ কৰিব পাৰিলো। গাইডজনে ৰ'ক গাৰ্ডেনৰ পিছত আমাক লৈ গ'ল ৰ'জ গাৰ্ডেনলৈ। যদিও ৰ'জ গাৰ্ডেনত 'অফচিজিন'ৰ কাৰণে এটাও গোলাপ দেখা নাপালো কিন্তু তাৰ প্ৰাকৃতিক পৰিৱেশত আমি খুবেই আপ্লুত হ'লো। তাৰ পিছত আমি চণ্ডীগড় মিউজিয়ামলৈ গ'লো আৰু তাত ৰখা 'ছিফ জাষ্টিছ'ৰ চকীখনত বহী চালো, ভাগ্যে কোনেও দেখা নাপালে। মিউজিয়ামত ৰজাৰ দিনৰ গুলী-বাৰুদ ৰখাৰ লগতে বহু পুৰণি সাজপাৰো ৰখা আছে। মিউজিয়ামত থাকোতেই আমাৰ আন্ধাৰ হৈ গ'ল আৰু আমি হোটেললৈ ঘূৰি আহিলো। দেৰি হোৱা বাবেই গাইডজনে ৰাস্তাৰ পৰাই চণ্ডীগড় বিধানসভা ভৱনটো দেখুৱাই দিলে। চণ্ডীগড়ৰ মানুহখিনি শলাগিবলগীয়া। তেওঁলোকৰ আচাৰ-ব্যৱহাৰত আৰু সহানুভূতিশীলতাত আমি মুগ্ধ হৈছিলো।

২৭ তাৰিখে আমি হিমাচল প্ৰদেশৰ চিমলালৈ যাবৰ বাবে



চণ্ডীগড়ৰ পৰা কলকা ষ্টেচনলৈ গ'লো। কালকা ষ্টেচনৰ পৰা অমি ৰেলপথেৰে চিমলালৈ যাওঁনা হ'লো। ৰেলপথ এনে এবিধ ৰেল যি চিমলাৰ পৰ্যটকসকলৰ সঁচাকৈ ডাঙৰ আকৰ্ষণ, কিন্তু ই বহুতো ভ্ৰমণকাৰীৰ বাবে সুবিধাজনক নহয়। এই সুবিধা অকল কিছুমান পাহাৰীয়া অঞ্চলতহে আছে। চিমলালৈ নিশ্চয়কৈ ভ্ৰমণকাৰী সকলৰ বাবেহে এই সেৱা আগবঢ়াইছে। চিমলাৰ যাওঁতে এপটাৰ্টমেণ্ট অধিক সুবংশ পাব হৈছিলো আৰু সন্ধিয়া ঠিক ৫.৩০ বজাত আমি চিমলা পাইছিলো।

সন্ধিয়া প্ৰায় ৭.০০ বজাত আমি চিমলা চহৰখন চাবলৈ ওলাই গ'লো। চিমলা চহৰখন দেখাত এক কথাত ক'বলৈ গ'লে সোণোৰ্বা পৰিশ্ৰমীৰ দেশৰ দিনা। লাহে লাহে বতাহটো ঠাণ্ডা পৰি অত্যন্ত মনজোৰ লাগিল, কাৰণ ইখন দূৰৰ পৰা আহিছিল নিৰ্দিষ্ট গৰম কাপোৰবোৰ পিন্ধিব পাৰিলো। যিহেতু চিমলাৰ জলবায়ু ঠাণ্ডা সেয়েহে তাৰ স্থানীয় মানুহবিলাকে সদায় গৰম কাপোৰ পিন্ধি থকা পৰিলক্ষিত হয়।

পিছদিনা গাইডজনে আমাক চিমলাৰ আন-পাশলৈ ঘূৰাবলৈ লৈ গ'ল। অলপ দূৰ গৈয়ে আমি বাটত কেইটামান 'ৰক' দেখা পালো, 'মাকস' কাফুটো দেখাৰ লগে লগেই আমি ড্ৰাইভাৰক গাড়ী ৰখাব দিলো আৰু আমাৰ গোটেই দলটোৱে 'যাক'ত উঠিলো। তাৰ পিছত কেইজনমানে হিমাচলৰ জাতীয় পোচাক পৰিধান কৰি ফটো উঠিলে। তেতিয়া মই চিন্তিত হ'লো, কাৰণ আমি নিজৰ জাতীয় পোচাক পৰিধান কৰিবলৈ লাজ কৰো কিন্তু যেতিয়াৰ জাতীয় পোচাক পিন্ধি ফটো উঠাত আমাৰ অলপো লাজ নালাগে। ই এক চিন্তাৰ বিষয়। যি হওঁক, এইবাৰ আমি এটা মন্দিৰলৈ গ'লো। মন্দিৰটো পাহাৰৰ ওপৰত হোৱা বাবে গাড়ী ৰ'ব নোৱাৰা কাৰণে আমি খোজকাঢ়ি উঠি গ'লো। মন্দিৰত পূজা অৰ্চনা কৰাৰ পিছত ওখতে থকা আপেলৰ গছ চাবলৈ গ'লো আৰু বৈচিত্ৰ্য এটি দৃশ্য দেখি মই হতভম্ব হ'লো। সেইজনমান মানুহৰ অকণৰ সাপ খেদাত লৈ ফটো উঠি আছিল, কিন্তু অজগৰ সেইডালৰ মালিক সেইজন লগতে থকা বাবে মানুহে ভয় কৰা নাছিল। তাৰ পিছত আমি চিমলা চিকিৎসালয়লৈ গ'লো। চিকিৎসালয়ৰ পিছত আমি স্থানীয় শিল্পীসকলে তৈয়াৰ কৰি বিক্ৰী কৰা কাপোৰৰ দোকানলৈ গ'লো। তাত বহুত ধুনীয়া ধুনীয়া কাপোৰৰ লগতে ঘৰত সজাই ৰখা আৰু উপহাৰৰ বস্তু সামগ্ৰী পোৱা যায়। তাৰ পৰাই মই অলপ [illegible] কাৰণে সেইখিনিমান বস্তু কিনি ল'লো। তাৰ পিছত আমি 'জাখু মন্দিৰ'লৈ গ'লো। য'ত হনুমানৰ বিৰাট মূৰ্তি আছে।

আগৰ পৰাই তুলি তৈয়াৰ হৈছে আৰু যোৱাহয় সেইকাৰণেই তাত বহুতো বানৰ আছে। আমি যোৱাৰ সময়ত তাত এটা ১০৮ ফুট ওখ হনুমানৰ মূৰ্তি নিৰ্মাণৰ কাম চলি আছিল। জাখু মন্দিৰৰ পিছত আমি চিমলা মেডিকেল কলেজ আৰু চিমলা নাৰ্চিং হোমলৈ গ'লো। চিমলা নাৰ্চিং হোমখন বৰ ডাঙৰ আৰু বিৰাট চাফ চিকুণ। লগতে তাত থকা ডাক্তৰ, নাৰ্চ আৰু হস্পিতালৰ আন কৰ্মচাৰীৰ ব্যৱহাৰ বৰ প্ৰশংসনীয়।

পিছদিনা ৰাতিপুৱাই টাটা সুমো'ত আমি চিমলাৰ পৰা মানালী অভিমুখে যাত্ৰা হ'লো। বাটত আমি কালী মন্দিৰত সোমাই সেৱা কৰি গ'লো আৰু তাৰ পিছত দূৰৰ পৰাই সৰস্বতী মন্দিৰ দৰ্শন কৰি গ'লো। মাজবাটত জোৰ লগাই এখন হোটেলত সোমাই ৰুটি আৰু চাহ খালো। তাত এককাপ চাহৰ দাম ১০ টকা আৰু অসমৰ চাহপাতৰ চাহ হ'লে ২০ টকা লিখা থকা মেনুত দেখিলো। বাহিৰত অসমৰ চাহৰ চাহিদা দেখি বৰ ভাল লাগিল। মানালী পোৱাৰ আগে আগে কুলুত অৱস্থিত কুলু নদীৰ পাৰতে থকা বৈষ্ণদেৱীৰ মন্দিৰত সোমাই গ'লো। নিশা প্ৰায় ৯.০০ বজাত আমি মানালী চহৰ পালো।

পিছদিনা ৰাতিপুৱা মানালীৰ খবৰখন মাজত প্ৰায় ডেৰ ঘণ্টা খেল-ধেমালি কৰিলো। ঠাণ্ডাৰ বাবে তাত গৰম কাপোৰ আদি ভাড়াতো পোৱা যায়। তাৰ পিছত 'ক্লেহ' হৈ আমি 'হিৰিম্বা' মন্দিৰলৈ গ'লো। হিৰিম্বা মন্দিৰ দৰ্শন কৰাৰ পিছত আমি 'ৰ'টাঙলৈ' গ'লো। প্ৰায় ৩ ঘণ্টা হিমালয় পৰ্বতৰ দূৰ্গম পথৰ মাজে মাজে সুমো'ত যোৱাৰ পিছত ৰ'টাঙ পালো। এই দুৰ্গম পথৰ মাজে মাজে কেইজনমান মানুহে আকৌ মটৰ চাইকেলেৰেও যাত্ৰা কৰিছিল। তাৰ উপৰি কেইজনমান বিদেশী পৰ্যটকে মানালীৰ পৰা ভাড়া হিচাপে লোৱা চাইকেলেৰে যোৱা আমি পৰিলক্ষিত হ'ল। এয়া তেওঁলোকৰ এটা চখ। ৰ'টাঙ সাগৰপৃষ্ঠৰ পৰা বহুত ওপৰত অৱস্থিত। ৰ'টাঙত বিস্কুতৰ খোৱাৰ পিছত আমি পুনৰ মানালীলৈ ঘূৰি আহি আবেলি দিল্লীলৈ যাবৰ বাবে 'ভলভ' বাছত উঠিলো।

পিছদিনা আমি আহি দিল্লী পালো। ৰাতি বাহিৰৰ মনোমোহা পৰিবেশ চোৱাৰ বাবে বাছত টোপনিয়ে নাধৰিলো। সেয়েহে দিল্লীৰ হোটেল পোৱাৰ লগে লগে টোপনি আৰু ভাগৰে আগুৰি ধৰিলে। সন্ধিয়া দিল্লী এইবাৰ ৰ খুচৰে পাওঁতে এনেয়ে ঘূৰি চাই ভাল লাগিল।

তাৰ পিছদিনা ৰাতিপুৱা ট্ৰেভেলিং এজেন্সি এটাই ঘূৰ্ণীয় প্ৰাচীৰ আগ্ৰা চহৰ চোৱাৰ বাবে সুবিধা কৰি দিলে ...



দিল্লীৰ পৰা প্ৰায় ৪ ঘণ্টা যোৱাৰ পিছতে আমি আগ্ৰাত উপস্থিত হ'লো। পোন প্ৰথমে আমি সোমালো আগ্ৰা কিল্লাত। তাৰ পৰা যমুনা নদীৰ পাৰত তাজমহলটো ধুনীয়াকৈ দেখা যায়। আগ্ৰা কিল্লাৰ স্থাপত্যকলা কেইটা এতিয়াও নতুন যেন হৈ আছে তাৰ উপৰি ভৱাই সজাই থৈ যোৱা তেওঁৰ 'বাথৰুম'টো আজিৰ সম্ৰান্ত পৰিয়ালৰ বাথৰুম'তকৈ কোনোগুণে কম বিলাসী নহয়। আগ্ৰাকিল্লাৰ পাছত আমাক এখন বজাৰলৈ লৈ গ'ল। য'ত মাৰ্বল পাথৰেৰে তৈয়াৰী সৰু সৰু তাজমহল বিক্ৰী কৰাৰ লগতে বাঁহৰ আঁহেৰে তৈয়াৰী শাৰী আৰু নানা ধৰণৰ জোতা-চেণ্ডেল পোৱা যায়। ইয়াৰ পিছত আমি কুতুবমিনাৰত উপস্থিত হ'লো! কুতুবমিনাৰটো ওচৰৰ পৰা দেখি বৰ ভাল লাগিল। কুতুবমিনাৰৰ পাছত আমি গ'লো লালকিল্লালৈ। যত বহুতে ইয়াৰ থকা সত্ত্বেও আমি কতৃপক্ষীয়া নিৰাপত্তাৰক্ষীয়ে প্ৰৱেশ দ্বাৰ বন্ধ কৰাত ভিতৰত সোমাব নোৱাৰিলো। তাৰ পিছত আমি গ'লো সুন্দৰী প্ৰসিদ্ধ তাজমহললৈ। যিটো শ্বাহজাহানে তেওঁৰ পত্নী মমতাজৰ স্মৃতি সুৰক্ষীয়া কৰিবলৈ সাজিছিল। তাজমহল গোটেইটো মাৰ্বল পাথৰেৰে তৈয়াৰী তথা সন্মোহনীয় শিল্পৰ পৰা এইটো এবাৰো মেৰামতি কৰিব লগা হোৱা নাই।

তাজমহলৰ পাছত আমি মথুৰালৈ গ'লো। মথুৰাত বহুচৰ্চিত পেঠা খালো আৰু কেইটামান পেকেট ঘৰলৈ ল'লো। আমাৰ সৌভাগ্য যে সিদিনা শ্ৰীকৃষ্ণৰ জন্মাষ্টমী আছিল আৰু মথুৰাত কৃষ্ণৰ জন্মাষ্টমী কেনে ধৰণে পালন কৰে তাৰ অনুমান কৰি চাওঁ। গাড়ীৰ পৰা নামি ১ কিঃ মিঃ মান খোজকাঢ়ি যোৱাৰ পিছত আমি শ্ৰীকৃষ্ণৰ মূৰ্তি দৰ্শন কৰিলো। তাৰ পিছত এইবাৰ আমি পোনে পোনে বৃন্দাবনলৈ গ'লো। বৃন্দাবনত বাছৰ পৰা নামি কিছুদূৰ সৰু গাড়ীৰে যোৱাৰ পিছত আমি শ্ৰীকৃষ্ণ মন্দিৰ পালো। এই মন্দিৰটোৰ দেৱালত বহুতো ডাঙৰ শিল্পী তথা ৰাজনীতিবিদৰ নাম লিখা আছে। আমিও আমাৰ পৰিয়ালৰ সদস্যকেইজনৰ নামকেইটাৰ কাৰণে দক্ষিণা দি আহিলো। বৃন্দাবনত আমাৰ বহুত পৰিমাণে গ'ল আৰু নিশা ১২.৩০ বজাত আমি আহি হোটেল পালো।

আকৌ পিছদিনা আমি দিল্লীৰ ভিতৰখন চাবৰ বাবে। আমি পোনপ্ৰথমে গ'লো হুমায়ুন কিল্লালৈ। যিটো বহা হুমায়ুনে মৰাৰ পিছত তেওঁৰ সমাধিৰ ওপৰত তেওঁৰ বেগমে তৈয়াৰ কৰিছিল।

তাৰ পিছত আমি গ'লো দিল্লী গেটলৈ। গোটেই অঞ্চলটো বৰ পৰিষ্কাৰ। তাৰ মনোৰম পৰিৱেশৰ মাজৰ পৰা আহিবলৈ মন নাছিল যদিও সময়ৰ অভাৱৰ কাৰণে বাছত উঠি তাতৰ পৰাই মিউজিয়ামলৈ গ'লো। এইটোৱে এসময়ত ইন্দিৰা গান্ধীৰ বাসগৃহ আছিল আৰু এতিয়া এইটো ইন্দিৰা গান্ধীৰ সামগ্ৰীৰ সংগ্ৰহালয়লৈ পৰিবৰ্তন কৰিছে। ইয়াত ইন্দিৰা গান্ধীয়ে ব্যৱহাৰ কৰা চকী, মেজ, ঘড়ী, প্ৰসাধন আৰু তেওঁ লাভ কৰা বহুতো পুৰস্কাৰ সংৰক্ষণ কৰা আছে। তাৰ উপৰি কোনো অমানুহে তেওঁক হত্যা কৰোঁতে তেওঁ পিন্ধি থকা কাপোৰ, চেণ্ডেল আৰু লগত ৰখা বেগটো এটা কাঁচৰ বাকচত সংৰক্ষিত কৰা হৈছে। ইয়াত আহি মই ইন্দিৰা গান্ধীৰ বিষয়ে বহুত জ্ঞান লাভ কৰিছো। মিউজিয়ামত অলপ সময় থকাৰ বাবে আমি আমাৰ ট্ৰেভেলিং এজেন্সিৰ পৰা লোৱা বাছ খন হেৰুৱাব লগা হ'ল। কিন্তু আকৌ আধাঘণ্টা পিছত বাছখন ঘূৰি আহি আমাক লৈ গ'ল। এইবাৰ আমি দিল্লী উচ্চতম ন্যায়ালয় আৰু লোকসভা ভৱনলৈ গ'লো। কিন্তু অনুমতি নোহোৱাত দূৰৰ পৰাই চালো। তাৰ পিছত আমি গ'লো ৰাজঘাটলৈ। য'ত মহাত্মা গান্ধীৰ সমাধি আছে। ইয়াত বহুতো ভাৰতীয়ৰ উপৰিও বহুত বিদেশী পৰ্যটকৰ ভিৰ দেখি আৰু তেওঁলোকৰ মহাত্মা গান্ধীলৈ থকা শ্ৰদ্ধা দেখি আনন্দিত হ'লো। ৰাজঘাটৰ পিছত 'লোটাচ টেম্পল'লৈ গ'লো। যিটো বাহিৰৰ পৰা এটা পদুমফুলৰ দৰে দেখি। 'লোটাচ টেম্পল'ৰ ভিতৰত সোমোৱাৰ লগে লগে প্ৰাৰ্থনা আৰম্ভ হৈছিল! 'লোটাচ টেম্পল'ৰ ভিতৰটো নীৰৱ-নিস্তব্ধ পৰিৱেশ। এইবাৰ আমি লোটাচ টেম্পলৰ পিছত বজাৰ কৰিবলৈ সৰোজিনী মাৰ্কেটলৈ গ'লো। ইয়াতেই আমি কেইটামান থকা উপযোগী বস্তু আৰু কাপোৰ কিনিলো। সৰোজিনী মাৰ্কেট'ত নানা ধৰণৰ ঘৰত সজাই ৰখা বস্তু তথা কাপোৰ-কানি, জোতা কম দামতে পোৱা যায়। সন্ধিয়ালৈ তাত থকাৰ পিছত আমি হোটেললৈ ঘূৰি আহিলো, যিহেতু পিছদিনা আমাৰ ঘৰলৈ ওভতাৰ দিন আছিল সেয়েহে আমি হোটেললৈ আহি কাপোৰ-কানি ঠিকঠাক কৰি বেগত ভৰালো।

পিছদিনা ৰাতিপুৱাই উঠি অমি পা-পা ধুই টেক্সিৰে ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰলৈ আহিলো আৰু অলপ সময় অপেক্ষাৰ অন্তত আমাৰ ফ্লাইটৰ সময় হোৱাত গুৱাহাটীলৈ বুলি উৰা মাৰিলো।

অন্তৰংগ আলাপ

# বৰপেটাৰ অখ্যাত ব্যক্তিৰ এক অনন্য জীৱনশৈলীৰ লগত হোৱা অন্তৰংগ আলাপ

নয়নমণি হাজৰিকা
সহকাৰী অধ্যাপক, বুৰঞ্জী বিভাগ

সেইদিনা আছিল ৰবিবাৰ। মই যিজন ব্যক্তিৰ কথা এক বাৰ্তালাপৰ মাধ্যমেৰে পাঠকসকলক জনাব বিচাৰিছোঁ সেয়া এটা নাম যাৰ এক পৰিচয় আছে বা পৰিচয় বিচাৰি পাব পাৰি তেওঁৰ অনন্য জীৱন শৈলীৰ মাজত। তেওঁ হৈছে বৰ্তমান বৰপেটাৰোডৰ নিবাসী ডাঃ নয়নেন্দ্ৰ নাথ উজীৰ। জীৱিকাৰ দিশৰ পৰা তেওঁ এজন চিকিৎসক হ'লেও সেই দিশৰ বিপৰীতে মোৰ তেওঁৰ লগত বিভিন্ন সময়ৰ বাবে বাৰ্তালাপ ঘটিছিল তাৰ পৰা মই অৱশ্যে নহ'লেও এটা কথা গভীৰভাৱে অনুধাৱন কৰিবলৈ সক্ষম হৈছিলোঁ যে ব্যক্তিজনৰ মাজত এক সংগ্ৰামী আৰু সাংস্কৃতিক দৰ্শন নিহিত হৈ আছে যাক মই বৰ্ণনা নকৰি নোৱাৰিলোঁ।

জন্ম জয়তে তেওঁ মোক এইবুলি কৈছিল, 'হাজৰিকা, আমাৰ এটা দীৰ্ঘকালীন ইতিহাস আছে। আমাৰ পূৰ্বপুৰুষ বিজনীৰ ৰজা লক্ষ্মীনাৰায়ণ ভূঞা উজীৰ। লক্ষ্মীনাৰায়ণ ভূঞা উজীৰৰ বংশধৰৰ বংশধৰ হ'লো মই'। মোৰ তেওঁৰ বিষয়ে এটা সাক্ষাৎকাৰ প্ৰস্তুত কৰা প্ৰচেষ্টাত তেওঁ আগ্ৰহ প্ৰকাশ কৰিছিল আৰু মনৰ ভিতৰত সক্ৰিয় হৈ থকা যেন উজাৰি প্ৰসংগক্ৰমে ভলতেয়াৰৰ আৰু বাৰ্নাড শ্বৰ দুটা উক্তি তেওঁ ক্ৰমান্বয়ে উল্লেখ কৰিছিল। ভলতেয়াৰৰ মতে— 'পৃথিৱী বিশাল। কাল সীমাহীন। মোক আন লোক ইয়াত নাথাকিলেও ক'বলগীয়া আছে। ক'বলৈ নাথাকিলেও সময়ে উপলব্ধি।' আনহাতে বাৰ্নাড শ্বৰ মতে, *The man who writes about himself and his own time is the only man who writes about all people and all times.*

প্ৰশ্নঃ উজীৰদা, আপোনাৰ আদৰ্শ ব্যক্তিৰ সম্পৰ্কে আমাক অলপ জনাব নেকি?

উত্তৰঃ আদৰ্শ ব্যক্তি বুলিলে একেবাৰে ক'ব পৰা নাযায়। আদৰ্শ ব্যক্তি বহুতো থাকিলেও মোৰ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰা ব্যক্তিজন হৈছে মোৰ পিতা দেৱেন্দ্ৰ নাথ উজীৰ। মোৰ পিতা বৰপেটা কোৰ্টৰ প্ৰথমজন চক্ৰৱৰ্তী উকিল আছিল। পিতা মহাত্মা গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ ১৯২০ চনৰ পৰা ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি স্বাধীনতা আন্দোলনৰ বৃটিছ ভাৰত চৰকাৰৰ ৰোষত পৰি প্ৰথম অসমৰ কাৰাগাৰত সোমোৱা ব্যক্তিৰ ভিতৰত তেওঁ এজন আছিল। পিতাৰ লগত একেলগে কাৰাবৰণ কৰা আন পাঁচজন ব্যক্তি হৈছে— ধনীৰাম তালুকদাৰ, ৰোহিনী চৌধুৰী, তৈয়বুল্লিন আহমেদ, গৌৰীকান্ত তালুকদাৰ আৰু হৰিপ্ৰসাদ ভট্টাচাৰ্য্য। স্বাধীনতা আন্দোলনৰ কাৰ্যসূচীসমূহ— বিদেশী বস্ত্ৰ বৰ্জন, অসহযোগ, অনশন, মদ নিবাৰণ, সত্যাগ্ৰহ আদিত তেওঁ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ উপৰিও মহাত্মা গান্ধীৰ আহ্বান কৰা হৰিজন আন্দোলনতো পিতায়ে যোগদান কৰিছিল। মোৰ পিতৃ দেৱেন্দ্ৰ নাথ উজীৰৰ মহাত্মা গান্ধী, ৰবীন্দ্ৰনাথ ঠাকুৰ, সুভাষ চন্দ্ৰ বোস, প্ৰাক্তন ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমেদ, শহীদ কুশল কোঁৱৰ, দেশভক্ত তৰুণৰাম ফুকন, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, বিষ্ণুৰাম মেধি, মেদিনী চৌধুৰী আদি বহুতো ব্যক্তিৰ লগত পৰিচয় ঘটিছিল। মোৰ পিতা এজন যুক্তিবাদী আছিল আৰু তেওঁৰ সংগ্ৰামী আদৰ্শই মই শৈশৱ কালৰে পৰা অত্যন্ত গভীৰভাৱে অনুধাৱন কৰাত সক্ষম হৈছিলোঁ।

প্ৰশ্নঃ আপোনাৰ মাতৃৰ বিষয়ে অলপ জনাব নেকি?





উত্তৰঃ মোৰ আইৰ নাম আছিল বেণুপ্ৰভা উজীৰ। মোৰ অগ্ৰজ পিতাৰ কৰ্মময় আৰু সংগ্ৰামী জীৱনৰ বাবে অধিক দায়িত্ব সহকাৰে আমাক ডাঙৰ দীঘল কৰিছিল। আইৰ দিনৰ মহিলাসকলে প্ৰধানকৈ চাৰিটা কাম দৈনিক কৰিব লাগিছিল। সেইকেইটা হৈছে— ৰন্ধন, বয়ন, ঘৰ শুকোৱা আৰু ধান বনা। মোৰ আইও এই সংস্কৃতিৰ পৰা ব্যতিক্ৰম নাছিল। মোৰ আইক আদৰ্শ দেখিলে মোৰ নেপোলিয়ন বোনাপাৰ্টৰ সেইবিশেষ উক্তিটো মনত পৰে য'ত তেওঁ কৈছিল — *You will give me some good mothers, I shall give to you a good nation.*

প্ৰশ্নঃ আপোনাৰ শিক্ষাজীৱনৰ বিষয়ে আমাক অলপ জনাব নেকি?

উত্তৰঃ শিক্ষাজীৱনৰ বিষয়ে ক'বলৈ হ'লে প্ৰথমতে মই ১৯৫৫ চনত বৰপেটা আমোলাপট্টি স্কুলৰ পৰা প্ৰাইমাৰী, ১৯৫৯ চনত বৰপেটা হায়াৰচেকেণ্ডাৰীৰ পৰা একাদশ আৰু কটন মহাবিদ্যালয়ৰ প্ৰি-মেডিকেল পৰীক্ষাত অসমৰ ভিতৰতে একাদশ স্থান লাভ কৰি উত্তীৰ্ণ হৈ ১৯৬৯ চনত ডাক্তৰ হ'বলৈ সক্ষম হওঁ। মোৰ ছাত্ৰজীৱন আছিল অত্যন্ত সংগ্ৰামৰ। দেউতাৰ আৰ্থিক অৱস্থা সেই সময়ত দুৰ্বেই বেয়া আছিল আৰু দেউতাৰ চিকিৎসাৰ বাবে প্ৰয়োজন হোৱা টকাও মাৰ গহনা বন্ধকত দিহে আনিব লগা হৈছিল। ধৈৰ্য অটুট ৰাখি বাগেৰীয়া টিন কোম্পানীৰ পৰা পোৱা ৫০ টকাৰ বৃত্তি আৰু অসম চৰকাৰৰ পৰা পোৱা ৫০ টকাৰ বৃত্তি, মুঠ এশ টকাকৈ আৰু তৃতীয়বৰ্ষত নেফা চৰকাৰৰ পৰা পোৱা ১৩৫ টকাৰ জলপানী লগতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ২০০ টকাৰ ষ্টাইপেণ্ড সহ 'ৰেছিডেন্সিয়েল' সমাপ্ত কৰি ১৯৬৯ চনত ডাক্তৰ হ'বলৈ সক্ষম হওঁ।

প্ৰশ্নঃ আপুনি ভাৰত চৰকাৰৰ অধীনত সামৰিক বিভাগত সেৱা আগবঢ়াইছিল আৰু এই কৰ্মজীৱনত আপুনি হয়তো বহু অভিজ্ঞতাৰ লগত সন্মুখীন হৈছিল। তাৰ বিষয়ে আমাক চমুকৈ জনাব নেকি?

উত্তৰঃ ১৯৭০ চনৰ ৯ ডিচেম্বৰত ভাৰত চৰকাৰৰ 'ডাইৰেক্টৰ জেনেৰেল অৱ চিকিউৰিটি' অধীনস্থ এচ. এচ. বি. ৰ প্ৰথম শ্ৰেণীৰ চিকিৎসক হিচাপে যোগদান কৰি মোৰ কৰ্মজীৱনৰ পাতনি মেলো। তাৰ পাছতে ডিভিজনেল মেডিকেল অফিচাৰ হিচাপে বাহিনীক পৰ্যায়ৰ দায়িত্বভাৰ গ্ৰহণ কৰো। ১৯৭১ চনত কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ মৰ্মে ভাৰত-বাংলাদেশ যুদ্ধত স্পেচিয়েল মেডিকেল অফিচাৰ হিচাপে মোক প্ৰেৰণ কৰে। এই সন্ধিক্ষণতেই কুমিল্লা যুদ্ধত শেখ মুজিবৰৰ শেষ ভাষণ, বিপ্লৱী নেতা খন্দকাৰৰ সান্নিধ্য আৰু মৌলবাদী নেতা মৌলানা ভাচানীক চিকিৎসা প্ৰদানৰ সুবিধা পাওঁ। কেন্দ্ৰত কেন্দ্ৰৰ কেবিনেট সচিব মিঃ আৰ. এন. কাও, মেজৰ জেনেৰেল উবান, ফ্ৰণ্টিয়াৰ একাডেমীৰ সঞ্চালক ড° ইউ. চি. উপাধ্যায়, ডিভিজনেল অ'ৰ্গেনাইজাৰ মিঃ দেবকান্ত কাকতি (বাণীকান্ত কাকতিৰ পুত্ৰ), বিখ্যাত কবি সাহিত্যিক আনন্দ শৰ্মা পাঠক আদি বহুতো বৰেণ্য ব্যক্তিৰ লগ পাইছিলো। এই যুদ্ধৰ নায়ক আছিল জেনেৰেল মানেকশ্ব আৰু ইষ্টাৰ্ণ কমাণ্ডাৰ আছিল জগজিৎ সিং অৰোৰা। এই আৰোৰাৰ ওচৰতে নব্বৈ হাজাৰ সৈন্যসহ আৰু অস্ত্ৰশস্ত্ৰ খাদ্যভাণ্ডাৰসহ পাকিস্তানী নায়ক জেনেৰেল নিয়াজিয়ে আত্মসমৰ্পণ কৰিছিল। এই যুদ্ধৰ ফলতেই ইন্দিৰা গান্ধী হ'ল অদ্বিতীয় নেত্ৰী, প্ৰেছিডেণ্ট ভুট্টোৰ ফাঁচীৰ হুকুম, জেনেৰেল নিয়াজীৰ ক'ৰ্ট মাৰ্চেল, ফিল্ড মাৰ্চেল উপাধিৰে মানেকশ্বক বিভূষিত কৰা হ'ল আৰু যে ক'ত ঘটনা ঘটিল। বিশ্বৰ বুকুত বাংলাদেশ নামৰ এক নতুন ৰাষ্ট্ৰৰ সৃষ্টি হ'ল। যুদ্ধত আগবঢ়োৱা একনিষ্ঠ সেৱাৰ বাবে মোক কেন্দ্ৰীয় চৰকাৰে দেশৰ অতি সন্মানিত উত্তৰ প্ৰদেশৰ ফ্ৰণ্টিয়াৰ একাডেমিত প্ৰশিক্ষক হিচাপে নিযুক্তি দিয়ে। গেৰিলাযুদ্ধ, ডিমিলিজন, ইণ্টেলিজেন্স আদিৰ বিশেষ প্ৰশিক্ষণ লোৱাৰ সুবিধা পাওঁ আৰু ১৯৬৫ চনত এভাৰেষ্ট বিজয়ী মি. ৰাৱত আৰু খান সিংৰ লগত 'হেৰ্জান্ডেজ অব মাউণ্টেইনছ'ৰ পৰ্বতটোক পাঠদান কৰাৰ সুবিধা পাওঁ। পৰিতাপৰ বিষয় এই যে 'মিশুন শৃংগ' অভিযানত এক প্ৰচণ্ড বৰফৰ ধুমুহাত ৰাৱত নিখোজ হৈছিল আৰু অৱশেষত তিনিদিনৰ অক্লান্ত উদ্ধাৰকাৰী দলে ৰাৱতক বৰফৰ মাজৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল যদিও তেওঁৰ ভৰি

দুখন 'ক্ৰিষ্টবাহিউ'ৰ বাবে নষ্ট হৈ যোৱাত কাটি পেলাব লগা হৈছিল।

অলপ সময় হৈ তেওঁ পুনৰ ক'বলৈ আৰম্ভ কৰিলে— ১৯৬২ চনত চীনে ভাৰত আক্ৰমণ কৰোতে আমি স্কুলত পঢ়িছিলো আৰু দেশপ্ৰেম ৰক্ষাৰ বাবে আমি এটা ভলন্টিয়াৰ ফোৰ্চ গঠন কৰি তেজেৰে লিখি দিছিলো, 'জীৱন দিম দেশ দিম ...।' সেই সময়ত দুখান বৰদলৈ আছিল নেতৃত্বত। সেই সময়তে পৰা অৰুণাচল প্ৰদেশৰ ওচৰ পৰা চাৰ্চৰ মনত এক আমঙ্গ এঁলাহ পুহি ৰাখিছিলো। পিছে, শেষত অনুৰোধ মতেই ১৯৭২ চনত কামৰূপ জিলাৰ ২১ নং ফিল্ড বেটেলীয়নত আৰু ১৯৭৩ চনত ২২নং একে বেটেলিয়নত যোগ দিওঁ। এই দুই জিলাত দিনৰ পাছত দিন খোজকাটি ১৪,০০০ ফুট উচ্চতাৰ ক্ৰিষ্ট পইন্ট, বিশ্ববিখ্যাত টাৱাং গুম্ফা, ৰবফেৰে আবৃত চেলাপাছ, লোহিত জিলাত ব্ৰহ্মপুত্ৰৰ পৰ যেদি, জৰ্জিংকেলী, নাহৰি, পৰশুৰামকুণ্ড, বাৰ্মা সীমান্তৰ 'লেক অৱ নো ৰিটাৰ্ণ', কাজিৰ আদিৰ বিস্ময়কৰ সৌন্দৰ্য আজিও মোৰ মনত জীৱন্ত আৰু চিৰসেউজ হৈ আছে। ১৯৭৬ চনত এচ. এচ. বি. ৰ চাকৰি এৰি অশোক কাগজ কলত মুখ্য চিকিৎসক হিচাপে যোগ দিওঁ। ১৯৭৯ চনত অসম জাতীয়তাবাদী দলৰ সহাসভাপতি হওঁ। চৰকাৰৰ কোপদৃষ্টিত পৰি অনাহি নৰাহি ঘূৰি ফুৰো। হঠাৎ এদিন যোগাযোগত প্ৰবীৰ কান্তি নামৰ ইঞ্জিনীয়াৰ এজনে আলফাৰ পিতামহ ভীমসেন বুঢ়াগোহাঁইৰ মোৰ লগত সাক্ষাৎ কৰাই দিছিল। এটা সময়ত ২ইং আৰু প্ৰসেনজিৎ প্ৰধাই (মন্ত্ৰী লোকনাথ প্ৰধান পুত্ৰ) আলফাত যোগদিয়াৰ সিদ্ধান্ত লৈছিলো। কিন্তু গুৱাহাটীত গৈ লক্ষ্য কৰি দেখিছো যে, যুৱ সমাজৰ এটা অংশই প্ৰকৃত দেশ প্ৰেমিকসকলৰ হাতত অস্ত্ৰ তুলি দি নিজে বস্তা খোৱা ষড়যন্ত্ৰত ব্ৰতী! সেয়ে কংগ্ৰেছ-আগপ-বিজেপিয়ে নিজকে বিকাৰ দি ওচি আহিলো। সেইবোৰ স্মৃতি আজি বিস্মৃতিৰ অতল গহ্বৰত! আজি দেশ, জাতি, সমাজ ভুক্তভোগী।.......

প্ৰশ্ন ঃ আপোনাৰ সাংস্কৃতিক জীৱনৰ বিষয়ে আমাক অলপ জনাব নেকি?

উত্তৰ ঃ ১৯৮৫ চনৰ কথা। নগাঁও অসম একাংকিকা নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ পৰিচালকৰ বঁটা, পেনোৰামা খ্যাত 'সংকল্প' বোলছবিত হোম কমিচনাৰৰ ভাওত অৱতীৰ্ণ হওঁ। মোৰ মনত মঞ্চ আছিল মন্দিৰ স্বৰূপ আৰু যুগশ্ৰেষ্ঠ অভিনেতা সকল বিষ্ণু ৰাভা, ফণী শৰ্মা, ব্ৰজেন বৰুৱা, নিপ বৰুৱা, নিপন গোস্বামী, আব্দুল ইউচুফ, মঙলগ শৰ্মা, সুৰেন মহন্ত আদি দেৱতা। ১১ বছৰ বয়সত 'শকুনিৰ প্ৰতিশোধ' নাটকৰ দ্বাৰা মঞ্চত প্ৰৱেশ, তাৰপিছত 'মাৰ্চেন্ট অৱ ভেনিচত'ত ষ্টাইলকৰ অভিনয় হৈ নাটকত ঔৰংজেবৰ অভিনয়। 'পিয়লি ফুকন' নাটকত পিয়লিৰ অভিনয়, হৰিশ্চন্দ্ৰ নাটকত কথা হৰিশ্চন্দ্ৰৰ অভিনয় আজিও মোৰ জীৱন স্পন্দন স্বৰূপ।

প্ৰশ্ন ঃ আপুনি বিষ্ণু ৰাভা আৰু ফণী শৰ্মাৰ লগত দেখা কৰোতে কি অভিজ্ঞতা লাভ কৰিছিল?

উত্তৰ: যেতিয়া মই গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ বেচিডেন্সিয়েল ছাত্ৰ। শাৰুকলীৰ বেমাৰ হৈ বিষ্ণু ৰাভা মেডিকেল কলেজৰ পেয়িং কেবিনত আছিল। বিষ্ণু ৰাভাই মোক কৈছিল— 'মৃত্যুত মোৰ কোনো আক্ষেপ নাই ডাক্তৰ। মোৰ বহুত লিখনি পিচবাটি হৈ থাকিল। বহুত লিখিব নি ঘূৰাই নিদিলে.....।' এনেতে ফণী শৰ্মা কেৰিকোলে সোমাই আহি হকৰাকই লাগি ক'লে— 'বা, বিষ্ণুদা। তোৰ পদেৰে মইও গৈ আছো.....।' কি সত্য অভিনয়! কিছুদিন পাছতে পাকস্থলীৰ বেমাৰ হৈ সেই মেডিকেলতে চিকিৎসাধীন হ'ল ফণী শৰ্মা আৰু মই হ'লো তাৰ এজন জীৱন্ত দৰ্শক। অভিনয়ৰ উপৰিও মই মঞ্চে মাজে কবিতা আবৃত্তি কৰো। সেউজী সেউজীৰে অনুষ্ঠিত বৰা সাদী অসম কবিতা আবৃত্তি প্ৰতিযোগিতাত পুৰস্কৃত হওঁ। কলা-সংস্কৃতি অভিনয়ৰ মঞ্চত সাতুৰি ৰাজনীতিৰ পথাৰতো পাইলে জৰি দিওঁ।

প্ৰশ্ন: আপোনাৰ ৰাজনৈতিক জীৱনৰ অভিজ্ঞতা কেনেধৰণৰ আছিল?

উত্তৰ ঃ ছাত্ৰ জীৱনত ৰাজনীতি কৰা পাছৰে পৰা এটা দীৰ্ঘকালীন সময়ৰ বাবে জীৱিকাৰ তাগিদাত বহ ঠাই ঘূৰি ফুৰি আহি ১৯৯৭ চনত কামৰূপ জিলাৰ ভাৰতীয় জনতা পাৰ্টিৰ সভাপতি পদত বিপুল ভোটত জয়ী হওঁ। মোৰ এই কাৰ্যকালতে গুৱাহাটীত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় সভাত যোগ দিওঁ আৰু তাত স্বনামধন্য নেতা অটল বিহাৰী বাজপেয়ী, লালকৃষ্ণ আদৱাণী, কৈলাশপতি মিশ্ৰ, নৰেন্দ্ৰ মোদী আদিৰ লগ পাওঁ। অৱশ্যে ১৯৯৯ চনত বিচক্ষণ ৰাজনীতিজ্ঞ মাননীয় তৰুণ গগৈৰ উপদেশ মৰ্মে ভাৰতীয় জাতীয় কংগ্ৰেছত যোগ দিওঁ। ২০০১ চনৰ বিধানসভাৰ নিৰ্বাচনত ৪০ নং সৰুভোগ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বীতা কৰো আৰু বেয়া ধৰণেৰে পৰাজ হওঁ। আক্ষেপ নাই, বৰ্তমান সময়ত সমাজে ব্যক্তিক চিনাত মাদকতা নাই।

প্ৰশ্ন ঃ আপোনাৰ জীৱনত আপুনি সাংস্কৃতিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনত বহুতো অভিজ্ঞতাৰ লগত সন্মুখীন হৈছে। নতুন প্ৰজন্মটোৰ প্ৰতি আপোনাৰ পৰামৰ্শ কি?

উত্তৰ ঃ আজিৰ ছাত্ৰ ভৱিষ্যতে আমাৰ দেশৰ নাগৰিক হ'ব। বৰ্তমান প্ৰজন্মই নিশাবেলাই জেহন; প্ৰাইভেটাই তেওঁন আৰু গ্লোবেলাইজেচনৰ যুগত ডুবি দিছে। যোগ্য ভোগত সমুখৰা কি তাক নতুন প্ৰজন্মই বুজি পাব লাগিব আৰু যেতিয়াহে মই তাদেৰ শিক্ষাৰ বাস্তৱিক দিশটো প্ৰতিফলিত হ'ব, সমাজৰ নেতিবাচক দিশত নিজৰ জ্ঞান, বুদ্ধি আৰু দৰ্শনক ব্যৱহাৰ কৰাৰ মনোভাৱ পৰিহাৰ কৰি, ঘৰ আৰু দেশৰ বাস্তৱ চিন্তিয়কসমূহৰ জীৱিত চৰিত্ৰসমূহৰ আদৰ্শক আৰু সমস্যাসমূহক বুজি এক ইতিবাচক দৃষ্টিভংগীৰে মানৱতাবাদক সকলোৱে অগ্ৰাধিকাৰ দি আগবাঢ়ি যাব লাগে। মই ভবো ইয়ে হ'ব লাগে আমাৰ প্ৰজন্মৰ মূলমন্ত্ৰ। অৰ্থাৎ নব প্ৰজন্মটোৱে জ্যোতিপ্ৰসাদ আগৰৱালাৰ আন নহ'লেও এই কথাষাৰটো সদায়ে স্মৰণ কৰা উচিত যে'ত তেওঁ কৈছিল—

"মানুহ ফুলিব লাগিব বিকশি
জগত খনকে কৰিব লাগিব স্বৰ্গীয় সুৰভিময়
জয় হওঁক পৌৰুষৰ জয় হওঁক মানৱৰ মহত্বৰ
আদৰ্শৰ ময়
চিৰ মঙ্গলৰ চিৰকল্যাণৰ
জগতৰ এই মহাবিকাশৰ
হওঁক যুগে যুগে জয়
চিৰ সুন্দৰৰ জয়।"

প্ৰশ্ন ঃ ডক্টৰ দাদা, আমাক আপুনি আজি আপোনাৰ জীৱনৰ বহু কথা জনালে। তাৰ বাবে আমি আপোনাৰ মঙ্গলৰ কামনা কৰি আজিলৈ আহো। ধন্যবাদ

উত্তৰ ঃ ধন্যবাদ।

## মুকুতামালা

*কোনোবা মানুহে যেতিয়া আমাৰ অলপী ক্ষু আহে তেতিয়া আমি ভালকৈ জানিব নোৱাৰো। তেওঁৰ আচল ৰূপটো জানিবলৈ হ'লে আমি তেওঁৰ ওচৰলৈ যাব লাগিব।*

*— গেটে।*

*আমি যেতিয়া সহায়ৰ জীৱনৰ সন্মুখীন হৈছো, সেইবিলাক সহায়ক কুঢ়লো অনুকূল হ'ব হয়। মৃত্যুৰ পৰা হতাশা চিন নহয়, কিন্তু অপৰাধ বহুত বেছী আৰু ই বোধি সেয়েৰে আমি আমাৰ মাজত সোমাই পৰে।*

*— হুইটম্যান।*

*কাৰ্যদক্ষ আৰু সাহসী হ'লে পৃথিৱীত মানুহৰ কোনো কথাটো অসম্ভৱ। আজৌ ভয়াতুৰ আৰু সন্দেহ-মহৰত পৰা মানুহৰ কাৰণে পৃথিৱীত একোৱেই সম্ভৱ নহয়।*

*— ছাৰ ৱাল্টাৰ স্কট।*









# গল্পৰ শৰাই







# সময়

ড° হেমন্ত ডেকা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

'ছাৰ, অ' ছাৰ অকণমান ৰ'ব।' পাছফালৰ পৰা মাতটো শুনি ৰৈ গ'লো। কলেজত শিক্ষকতা কৰোঁ যেতিয়া ছাত্ৰ হওঁক বা নহওঁক, আমি সকলোৰে 'ছাৰ'। কিন্তু কোনে মাতিছে ভালদৰে ধৰিব নোৱাৰিলো। মোৰ আগে পাছে অজস্ৰ মানুহ। পুৰাৰ লোকেল ট্ৰেইনত অহা মানুহ। সকলোৰে সাংঘাতিক তৎপৰতা। দিনটোৰ কামখিনি কৰি আবেলি পুনৰ একেখন ট্ৰেইনতে উভতি যাব লাগিব।

আগলৈ খোজ ল'লো। হয়তো কোনোবাই আন কাৰোবাক মাতিছে।

'ছাৰ, অ' ছাৰ অলপমান ৰওঁকচোন।'

আকৌ ঘূৰি চালো। এইবাৰ চকুত পৰিল পুলিচৰ খাকী পোছাক পিন্ধা ল'ৰা এজন মোৰ ফালেই দৌৰি আহিছে। হাতত লাঠীডাল আছেই। কেৱল টুপীটো কান্ধত গুজি থোৱা আছে।

'আপোনাক ইমানকৈ মাতিছো।' মোৰ বুকুখন ধপ্‌ধপাই উঠিল। লগত সন্দেহজনক বস্তু থাকিবলৈ বেগ-ছেগ মোৰ একো নাই। নে টিকট নকটাকৈ ৰেলত অহা বুলি ভাবিছে? পুলিচজন মোৰ আৰু অলপ ওচৰ চাপি আহিল। একেবাৰে মুখামুখিকৈ থিয় হ'ল। ভালদৰে চালো; চিনাকিও নহয় দেখোন।

'ছাৰ, মোক চিনি পোৱা নাই?' ওহো— মুঠেও চিনি পোৱা নাই। তথাপি বুকুত ওলমি থকা নাম খোদিত বেজটোলৈ চালো; মিঃ ডি. আৰ. বৈশ্য। পুনৰ মুখলৈ চালো, এইবাৰ তেওঁৰ মুখত এটা মিচিকিয়া হাঁহি।

'মই ঠিক ধৰিব পৰা নাই।' 'ছাৰ, মই দুৰ্গাৰাম। আপোনাৰ ছাত্ৰ আছিলো যে! আপুনি এতিয়া হাউলীত নহয় জানো?'

অকস্মাতে বিজুলী এচাটিয়ে যেন পোহৰাই থৈ গ'ল। হয়তো— ই দেখোন দুৰ্গাৰাম। আজি পাঁচ বছৰমান আগতে এখন অপ্ৰাদেশীকৃত মহাবিদ্যালয়ত কাম কৰিছিলো। তেতিয়া এওঁ স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰ; অসমীয়াত অনাৰ্চ। তেনেই নিঃকিন অৱস্থাৰ দুগাহি হালৰ মুঠিত ধৰিও কলেজত নাম লগাইছিল, পঢ়া-শুনাতো কেঁচা। গতিকে সি ব্যক্তিগত ভাবে দুটা কথা শিকিবলৈ মোৰ ভাড়াঘৰলৈ অহাটো ঠিক কৰিলে। ময়ো নতুন শিক্ষক; শিকাবলৈ হেলা নাই। যথাবৎ সঁহাৰি দিলো। সদায় পুৱা সাত বজাতে যেনে-তেনে উপস্থিত হয়হি। যি শিকাও, তাকে শিকি গুচি যায়। টকা-পইচাৰ কথা নাই; মাজে-সময়ে খেতিৰ আলু-বেঙেনা-মূলা লৈ আহে, কয়— 'ছাৰ, বেয়া নাপাব। খেতিৰ বস্তু খাই চাবচোন।'

ময়ো ও-আ একো নকৈ শিক্ষাদান চলাই থাকিলো। অকস্মাৎ এদিন সি নহা হ'ল। তাৰ লগৰে এটাক সুধিলো; ক'লে যে টকা-পইচা দিব নোৱাৰি লাজ পাই সি হেনো আৰু মোৰ তালৈ পঢ়িবলৈ নাহে। বিচাৰি বিচাৰি তাৰ ঘৰো ওলালোগৈ। আৰ্থিক অৱস্থাৰ দৈন্য গোটেই ঘৰখনতে চকুত পৰে। বুজাই চালো; নাই, সি নামানে। ফিজ্ দিব নোৱাৰিলে সি আৰু নপঢ়ে। বিমুখ হৈ উভতি আহিলো। তাৰে এবছৰ পাছত ময়ো কলেজ এৰিলো।

আজি অকস্মাতে পল্টনবজাৰৰ এই ৰেল ষ্টেচনত সেই দুৰ্গাৰাম মোৰ সম্মুখত। মনটো ভৰি আহিল; হাতখন তাৰ ফালে আগুৱাই দিলো।

ময়ো ও-আ একো নকৈ শিক্ষাদান চলাই থাকিলো। অকস্মাৎ এদিন সি নহা হ'ল। তাৰ লগৰে এটাক সুধিলো; ক'লে যে টকা-পইচা দিব নোৱাৰি লাজ পাই সি হেনো আৰু মোৰ তালৈ পঢ়িবলৈ নাহে। বিচাৰি বিচাৰি তাৰ ঘৰো ওলালোগৈ। আৰ্থিক অৱস্থাৰ দৈন্য গোটেই ঘৰখনতে চকুত পৰে।

# ভালপোৱা, জীৱন আৰু মৃত্যু

ৰশ্মিৰেখা দাস
স্নাতক ২য় বৰ্ষ (বাণিজ্য)



জিৰজিৰ জোনাকৰ বৰষুণ সৰিছে
নিৰিবিলি এই জোনাকী সন্ধিয়া
চোৰাচোন তৰাবোৰে কেনেকৈ উমলিছে আকাশত
জোনটিয়ে গাইছে ভালপোৱাৰ গান।

পৰিণীতাৰ চেলত অনুৰাগৰ এটা নতুন মেচেজ। সন্ধিয়া নামিছেহি মাথোন। জোনাকী পৰুৱা এজাক ওলাই আহিছে পোহৰৰ সমদল সাজি। মেচেজটো পঢ়ি পঢ়িয়েই হোষ্টেলৰ ছাদলৈ ওলাই গ'ল ৰাগৰ কথাকে ভাবি লগতে সন্ধিয়াটো উদ্‌যাপন কৰিবলৈ। তাই ভাবিব ধৰিলে কি যে ল'ৰা এই ৰাগটো। কেৱল কবিতা আৰু কবিতা। ৰাগৰ কবিতাটো পঢ়িয়ে তাই আজি আকাশক চাব ধৰিলে। সঁচাকৈয়ে কিযে ধুনীয়া আকাশ, তৰা, জোন, জোনাকী পৰুৱাবোৰ— ৰাগে তাইক চিনাকীৰে পৰা এনে কিছুমান অনুভৱ দিছে যিবোৰ অনুভৱ আজিলৈকে তাইৰ বয়ফ্ৰেণ্ড নিবিড়ে তাইক দিয়া নাই। তাই নিবিড় আৰু ৰাগৰ মাজত তুলনা এটা কৰি চালে মনতে। নিবিড় এনে এক ল'ৰা যি এই প্ৰতিযোগীতাৰ যুগত সুন্দৰকৈ বৰ্তী আছে কেৱল নিজৰ কেৰিয়াৰৰ স্বাৰ্থত, অনবৰত তাৰ মুখত কেৱল কেৰিয়াৰ, যান্ত্ৰিকতা— যাৰ বাবে কেতিয়াবা তাই তাৰ পৰা বিচৰা সময়, অলপ মৰম নাপায়। আনকি কেতিয়াবা মনৰ কথা অলপ পাতিবলৈ তাৰ সময়ৰ অভাৱ। তথাপিও পাঁচ বছৰ ধৰি তাইৰ বাবেই সিহঁতৰ এই সম্পৰ্ক চলি আছে। তাই নিবিড়ক হেৰুৱাব নোখোজে। তাইক যদিও সি সময় দিব নোৱাৰে, তথাপি বহুত ভালপায় নিবিড়ে, তাইৰ ধাৰণা আৰু এয়াই সত্য। নিবিড়ক বাদ দি তাই তাইৰ অনাগত দিনবোৰ ভাবিবই নোৱাৰে। তথাপি তাইৰো মন যায় হোষ্টেলৰ আন ছোৱালীবোৰৰ দৰে ফোনত কথা পাতি আড্ডাৰে পোহৰবোৰক ৰূপান্তৰ কৰিবলৈ। আনফালে ৰাগ এনে এজন ল'ৰা যি কেৱল ব্যস্ত নিজৰ সৃষ্টিক লৈ, নিজৰ বন্ধু-বান্ধৱক লৈ, হোষ্টেলক লৈ; কেতিয়াবা যদি খিঙিয়াছ, পিছ মুহূৰ্ততে তাৰ সকলো দৰে আচৰণ। তাৰ কথা-বতৰা, আচৰণত তাইৰ মৰম উপচে। সি এনে এজন ল'ৰা যি তাইক প্ৰতিটো মুহূৰ্ততে সংগ দিব বিচাৰে, তাইৰ মনৰ কথাৰ উমান ল'ব বিচাৰে। সি নিবিড়তকৈ সম্পূৰ্ণ বিপৰীত। চিনাকীৰে পৰা তাইৰ লগত ক্ৰমশঃ সম্পৰ্ক অধিক গভীৰ হৈ আছে সিহঁতৰ। পৰীৰ ৰুমমেট স্মিতাৰ ফ্ৰেণ্ড আছিল সি। স্কুলীয়া দিনৰ তেনেকৈয়ে পৰীৰ লগত চিনাকী। এতিয়া ভাল বন্ধুত্ব দুয়োৰে মাজে মাজে স্মিতাই তাইক কয়— 'চাবা দেই প্ৰেমত পৰি যাবা আকৌ বলিয়া কবিৰ, অৱশ্যে তাকো প্ৰেয়সী এজনীৰ খুবেই প্ৰয়োজন তাৰ উশৃংখল জীৱনটো শৃংখলালৈ আনিবলৈ।'

টিং টিং ......... শব্দত তাইৰ ভাৱনাত যতি পৰিল। অনুৰাগৰ মেচেজ পুনৰ—

আকাশখন কেনে মোহনীয়া
আৰু জোনাকী পৰুৱাবোৰে আন্ধাৰবোৰ খেদি ফুৰিছে
সম্প্ৰতি মোৰ হৃদয়তো এজাক জোনাকী সোমাইছেহি
চাবাচোন কেতিয়াবা হৃদয়খন খুলি .........





কিযে কবিতাবোৰ লিখি পঠায় বুজিয়ে নাপাওঁ চোন। ই আচলতে পাগল। তথাপিও তাই তাৰ কবিতা বুজিবলৈ যত্ন কৰে, অনুভৱ কৰিবলৈ বহুত চেষ্টা কৰে। কেতিয়াবা তাক কয়— 'তই যে কবিতাবোৰ লিখ বুজাই দিবিচোন মোক।' সি কয়— 'বুজিলে কবিতা হৈ নাথাকে, নুবুজাই ভাল। বুজালে বহুত বুজাব লাগিব।' চিনাকীৰ কিছুদিন পিছতেই ৰাগে তাইক এটা আচৰিত খেলৰ প্ৰস্তাৱ দিছিল। খেলটো এনে ধৰণৰ আছিল; প্ৰথমতে সি তাইক তাইৰ জন্মদিন কেতিয়া সুধিলে, তাৰ পিছত তাইৰ জন্মদিনৰ কথা জানি ক'লে—'পৰী, যিহেতু তোমাৰ জন্মদিন ২৭ ডিচেম্বৰ আৰু মোৰ জন্মদিন ৪ জানুৱাৰী, তোমাতকৈ ৭ দিন পিছত। মই তোমাৰ জন্মদিনত উপহাৰ হিচাপে এটা কথা কম আৰু তুমি মোৰ জন্মদিনত সেইটো কথাৰ উত্তৰ বা মন্তব্য দিবা। এতিয়া কথা হ'ল তুমি তোমাৰ জীৱনৰ এনে এটা কথা সাচি ৰাখা যিটো তুমি মোৰ জন্মদিনত ক'বা আৰু মইও এনে এটা কথা তোমাৰ জন্মদিনত কম।' তাই অলপ ভাবিলে কি ক'ব তাৰ জন্মদিনত যিটো তাইৰ বাবে জীৱনৰ ডাঙৰ কথা। অৱশেষত তাই মনতে সিদ্ধান্ত ল'লে যে, যিহেতু ৰাগৰ আগত এতিয়ালৈ তাই তাইৰ প্ৰিয়তম চকুৰ মণি নিবিড়ৰ কথা কোৱা নাই, তাকে ক'ব তাই ৰাগৰ জন্মদিনত আৰু সেই কথা শুনি চাগে বহুত ভাল পাব। তাই খেলটো সমৰ্থন কৰি সন্মত হ'ল খেলটো খেলিবলৈ। ৰাগে পুনৰ ক'লে— 'কিন্তু চাবা, খেলটোৰ নিয়ম মতে তুমি এতিয়া যি ভাবিছা সেয়া মোৰ আগত মোৰ জন্মদিনতকৈ আগত ক'ব নোৱাৰিবা যিকোনো পৰিস্থিতিতে। তাই মান্তি হ'ল। তাই ভাবিলে, তাইটো নিবিড়ৰ কথাকে ক'ব। কিন্তু ৰাগে তাইৰ জন্মদিনত কি কথা ক'ব, নিশ্চয় তাৰ কিবা নতুন সৃষ্টি, হয়তো কিতাপ লিখা বা প্ৰকাশৰ কথাকে ক'ব ...... এতিয়া অপেক্ষা মাথোঁ জন্মদিন দুটালৈহে দুয়োৰে....... মাজত তিনিমাহ বিশ দিন সময় আজিৰ পৰা—

তোমাক কাষত বিচাৰো প্ৰতি পলতে
এবাৰ চুই চাবলৈ মন যায় বৰকৈ
দুচকুত কাজল সানি নাহিবা গাহৰি মাৰ্কেটলৈ
প্ৰেমত পৰি যাব সহস্ৰ ডেকা

ৰাগ আৰু পৰীৰ সময়বোৰ যাব ধৰিলে। অনৰ্গল কথা কলেজত-কেন্টিনত-চেলত .... একেলগে বাস চোৱা, কমপ্লেক্সত বজাৰ কৰা। আচলতে নিবিড়ৰ পৰা আঁতৰত থাকি আৰু সময় নাপাই কিছু অভিমানী হৈ থকা পৰীক প্ৰতি মুহূৰ্ততে সময় দিয়ে ৰাগে। যাৰ বাবে পৰীয়ে কেতিয়াবা ৰাগৰ জীৱন লগৰী হোৱাৰ কথা ভাবে। কিন্তু ইফালে নিবিড়ক প্ৰতাৰণা কৰা বুলি তাইৰ ভয় লাগে। তথাপিও ৰাগক তাইৰ বহুত ভাল লাগে। কলেজত ৰাগ নাহিলে কলেজখন তাইৰ শূন্য যেন লাগে। ৰাগৰো এনে কিবা অনুভৱ হয়নে, নে ৰাগেও তাইৰ প্ৰেমত পৰিছে, নে তাইৰ বাবেই এনে কবিতা লিখে? তাইৰ এনে লাগে যেন ৰাগক তাই আকোৱালি ল'ব। কিন্তু নিবিড়ক কেনেকৈ পাহৰিব। সিহঁতৰটো বহুত সপোন আছিল— ক'ত, কি তাই সদায় শ্বপিং কৰিব, একো একোটা ল'ৰা-ছোৱালী হ'ব সিহঁতৰ, কি নাম থ'ব সিহঁতৰ.... আস! ক'ত যে সপোন সিহঁতৰ আছে। এতিয়া যদিও নিবিড় নিজৰ কেৰিয়াৰত ব্যস্ত কিন্তু সেয়াটো তাইৰ বাবেই কৰি আছে বুলি কয়। আস! এইবোৰ ভাবি ভাবি তাই পাগল হৈ যাব। নাই, নাই নিবিড়ক এৰি ৰাগক আকোঁৱালি লোৱাটো তাইৰ পক্ষে সম্ভৱ নহ'ব। তাই কেৱল নিবিড়ৰ আৰু নিবিড় কেৱল তাইৰ। ৰাগ মাজলৈ আহিলেও এয়াই হ'ব তাইৰ সিদ্ধান্ত ........

আৰু এখন বসন্ত গৰকিলা তুমি
তোমাৰ বাবে ফুলি উঠক পৃথিৱীৰ সমস্ত ফুল
সুখে দোলা দিয়ক তোমাৰ পদুলিমুখত
দুখে চিপ লওঁক বাহ গছত
শুভ জন্মদিন .........

ৰাগত মেচেজ পৰীলৈ, জন্মদিনৰ। লগে লগে মনত পৰিল তাইৰ, আজিয়েই চোন ৰাগে তাইক তাৰ জীৱনৰ এটা গোপন কথা কোৱাৰ দিন, যিটো কথা তাইক কোনোদিনে কোৱা নাই। ৰাগলৈ কল কৰিলে তাই। ৰাগে ৰিচিভ কৰিলে ক'লটো। আনটো মূৰত পৰীৰ মাত—হেল্ল ৰাগ, থেংক ইউ, জন্মদিনত যে এটা ধুনীয়া কবিতা দিছা আৰু এয়াই বিচাৰিছিলো মই।

ৰাগে ক'লে— 'তোমাৰ বাবেইটো মোৰ সমস্ত কবিতা পৰী। অ' আজি তোমাক মোৰ জীৱনৰ এটা গোপন কথা কম বুলি কৈছিলো নহয়। এতিয়া শুনা তেন্তে।'

পৰীয়ে ক'লে— 'মই তাৰ বাবেই ক'ল কৰিছো, তোমাৰ কথাটো শুনিবলৈ। কোৱা এতিয়া সোনকালে, কিমান আৰু অপেক্ষা

কৰিম।

বাগে ক'লে— 'কথাটো বৰ ছিৰিয়াছ, কিন্তু আগতেই কও ইয়াৰ উত্তৰ বা মন্তব্য অনুগ্ৰহ কৰি মোৰ জন্মদিন ৪ জানুৱাৰীতহে দিবা। এতিয়া শুনা ধৈৰ্য্যৰে। তোমাক লগ পোৱাৰ পৰা নাজানো কিয় ইমান ভাল লাগি গৈছে ক'ব নোৱাৰো আৰু সেইদিনাৰ পৰাই মোৰ অনুভৱ হৈছে যে মোৰ কবিতাৰ ৰূপালী তুমিয়েই আন কোনোৱেই নহয়। মই তোমাক ভাল পাই পেলাইছো... আই লাভ-ইউ। তোমাৰ অবিহনে মই মোৰ অনাগত দিনবোৰ ভাবিবই নোৱাৰো। নাজানো তোমাৰ উত্তৰ কি হয়। আশাকৰো মোৰ জীৱন বাটৰ লগৰী তুমিয়েই হ'বা। মোৰ সপোনবোৰ তোমাৰ হাত বন্দী পৰী। এতিয়া ৰাখো বিশেষ একো নকওঁ। অহা ৪ তাৰিখলৈ ৰৈ থাকিম অধীৰ আগ্ৰহেৰে, বাই....



ক'লটো কাটি দিলে সি অকস্মাৎ, শিলপৰা কপৌৰ দৰে তাই পৰি ৰ'ল বিচনাত। কি উত্তৰ দিব তাক অহা ৪ তাৰিখে তাৰ জন্মদিনত। কিদৰে তাই ক'ব ভাল নোপোৱাৰ কথা, নিবিড়ৰ কথা। সি যে তাইকলৈ সপোন ৰচিছে, তাৰ সপোনবোৰ ভাঙি চুৰমাৰ নহ'বনে আৰু তাইয়োতো তাক বিচাৰে আজিকালি। কিন্তু ক'ব নোৱাৰে। ভালপাব পাৰে কিন্তু তাক নিজৰ কৰি পাব নোৱাৰে আৰু ভালপোৱাৰ অৰ্থতো প্ৰাপ্তি হ'ব নোৱাৰে। আহ! কি হ'ব পৰীৰ বা বাগৰে কি হ'ব ......? তাইৰ এতিয়া দুই নাৱত দুই ভৰি। পাগল হৈ যাব তাই, তাইৰ মনৰ কথাটো স্মিতা বা ৰীতাকো ক'ব নোৱাৰে। কি কৰিব, তাই উপায়হীন হৈ পৰিল। মাজত আৰু ৬ টা দিনহে আছে।

কলেজলৈ যোৱা নাই এইকেইদিন তাই। ৰুমতে সোমাই আছে। বাগেও কল কৰা নাই। কিয়নো সি তাইৰ পৰা ৪ তাৰিখেহে উত্তৰ বিচাৰিছে। আচৰিত আকাংক্ষিত ৪ তাৰিখ কালি। কি ক'ব বাগে। ৰুমমেট ৰীতা কলেজলৈ গ'ল। গা বেয়া বুলি পৰী আজিও ৰুমতে সোমাই থাকিল। যোৱা ৬ টা দিন বাগৰ লগত সম্পৰ্কহীন হৈ তাই পাগল হৈ পৰিছে আৰু সিফালে চাগে সিও পাগল হৈ আছে। কিন্তু পৰীয়ে সিদ্ধান্ত ল'লে যে তাই তাৰ প্ৰস্তাৱ নাকচ কৰিব আৰু তাক ক'ব যে তাইৰ জীৱনত কেৱল নিবিড়হে আছে। কিন্তু তাই ঘৃণাকৰেও নকয় যে তাঁয়ো তাক বিচাৰে, কিন্তু নিজৰ কৰি পাব নোৱাৰে। বাগে চাগে বুজিব পৰীৰ কথা। তাই সিদ্ধান্ত ল'লে, তাই কালি বাগক নিবিড় আৰু তাইৰ সকলো কথা খুলি ক'ব। কিন্তু বাগৰ কি দোষ, তাইততো কেতিয়াও তাক নিবিড়ৰ কথা কোৱা নাই। ইমানদিনে মাত্ৰ সেই খেলটোৰ বাবে। আৰু তায়োচোন বাগক কেতিয়াবা তাইৰ ফিলিংচ দেখুৱায়। কিমান ৰাতি আন্ধাৰ শেষ কৰিছে তাৰ কথা ভাবি ভাবি।

কথাবোৰ ভাবি থাকোতে ম'বাইলটো আৰ্তনাদ কৰি উঠিল। স্মিতাৰ ক'ল। তাই ক'লটো ৰিচিভ কৰিলে। সিফালৰ পৰা দেখোন স্মিতাৰ কান্দোনৰ সুৰ। কথাটো কি। স্মিতাই ক'লে— ঐ পৰী, ট্ৰাকৰ আগত পৰি বাগ ঢুকাল। হস্পিতাল গৈয়ে নাপালে। বাটত কেৱল ক'লে যে পৰীয়ে চাগে তালৈ বৈ আছে ভালপোৱাৰ সঁহাৰি দিবলৈ আহি আৰু ক'লে যে সি এইজনমত নোৱাৰিলেও অহা সাত জনম পৰীৰে হ'ব। আৰু শুনাৰ প্ৰশ্নই নাই ক'লটো কাটি পৰী বিচনাতে অচেতন হৈ পৰি ৰ'ল।

বেচেৰা বাগ, সিটো ভাবিয়েই আছিল যে পৰীয়ে তাক সঁহাৰি দিব, কিন্তু পৰী যে তাৰ হ'ব নোৱাৰে সেই কথাযাৰ শুনাৰ আগতে সি গুচি গ'ল সকলোকে কন্দুৱাই, এৰি থৈ গ'ল তাৰ কবিতাবোৰ আৰু পৰীক .........





# হেৰোৱা সপোনৰ বিষাদ

কংকন শৰ্মা
স্নাতক ২য় বৰ্ষ (কলা)

প্লিজ, প্লিজ, প্লিজ ......! অবিনাশ, তুমি এনেকৈ নাথাকিবা। তুমি আৰু এতিয়া সৰু হৈ থকা নাই.......। প্ৰণামিকাৰ গম্ভীৰ কণ্ঠত অবিনাশৰ প্ৰতি শাসনৰ সুৰ। 'মই কি কৰিলো প্ৰণামিকা?' শিশু সুলভ স্বভাৱেৰে ক'লে অবিনাশে, য'ত এটি মুক্ত হাঁহি অবিনাশৰ মুখত। 'অবিনাশ তোমাৰ শৈশৱ এতিয়া অতীতত। গতিকে সেই অতীতৰ শিশু স্বভাৱ এতিয়া তোমাৰ বৰ্তমানত শোভা নাপায়। শৈশৱৰ স্বভাৱবোৰ ত্যাগ কৰা। য'লৈকে যোৱা তাতেই কিবা নহয় কিবা এটি কৰা কিয়? এতিয়া আৰু তুমি সৰু হৈ থকা নাই।'

ধীৰ শান্ত- গম্ভীৰ স্বভাৱৰ প্ৰণামিকাৰ অবিনাশৰ প্ৰতি অনুশাসনৰ সুৰ।

কিন্তু অবিনাশ এনেকুৱাই। আজিৰ ২০ বছৰীয়া অবিনাশৰ শৰীৰত পুৰুষত্বৰ শিপাই খিতাপি ল'লেও তাৰ ল'ৰালি কালৰ স্বভাৱবোৰ এঠা লাগি আছে। তাৰ এইবোৰ জন্মগত স্বভাৱ। প্ৰণামিকা নহৈ হয়তো পৰমেশ্বৰেও অবিনাশৰ এই স্বভাৱ সলনি কৰিব নোৱাৰে। প্ৰাতঃ ভাস্কৰৰ দৰে উজ্বল মুখখনত থকা শেৱালি ফুলৰ ঠাৰিৰ দৰে ৰঙচুঁৱা তাৰ ওঁঠ দুটিৰ মাজেৰে কেৱল দাঁত দুপাৰি উজলি থাকে।



অবিনাশে নিজেও হাঁহি থাকে আৰু আনকো হাঁহিৰ সাগৰত ডুবাই ৰাখে। যিকোনো সময়তে আনন্দৰ খলকনি জাগ্ৰত কৰি থকা তাৰ স্বভাৱ।

........ আৰু প্ৰণামিকা? প্ৰণামিকা অবিনাশৰ জীৱনৰ আন এটি নাম। স্বভাৱ তাইৰ কিন্তু বিপৰীত। ধীৰ-স্থিৰ, গম্ভীৰ, বিনয়ী, সৰল, নম্ৰ স্বভাৱ নিহিত হৈ থকা প্ৰণামিকাৰ, গজৰাজৰ নিচিনা গম্ভীৰ গতিত চলন-ফুৰণ কৰা প্ৰণামিকাৰ মাত সু-মধুৰ বহাগৰ কুলি চৰাইৰ দৰে। মুখৰ ৰবণো ৰঙা গোলাপৰ পাপৰিৰ নিচিনা যেন লাগে। কোনো চিত্ৰকৰৰ একান্ত আগ্ৰহত নিমগ্ন হাতৰ তুলিকাৰ পৰশত প্ৰাণ লাভ কৰা এক মায়াদেৱীৰ চিত্ৰ। নাই! ইয়াৰ তুলনা

নাই : আঃ! কি সুন্দৰ তাই, কোনো ত্ৰুটি নাই।

আধুনিকতাৰ যুক্তসমাজত জন্ম লাভ কৰা দুই সুন্দৰ প্ৰেমিক-প্ৰেমিকা। এখন চঞ্চল মনৰ উৰণীয়া পক্ষী যিয়ে মুক্ত নীল আকাশৰ তলত উৰি ফুৰে; গধূলি অৱণ্যৰ গছৰ ডালত মধুৰ সুৰেৰে সাগৰ ফুলা ভাকু খেলে; অৱণ্যৰ নিৰ্জনতা ভংগ কৰি সুমধুৰ গীতৰ সুৰ ঢালি দিয়ে; গছৰ পাতবোৰেও শিৰ-শিৰ কৈ নৃত্য কৰি সংগ দিয়ে। অহ্‌ অলঙ্কাৰ! ......আনন্দৰ হ'ল বনৰ মাজৰ গহীন-গম্ভীৰ নিস্তব্ধতা এটি হৰিণা। চেহেৰীয়া শৰীৰটো লৈ অৱণ্যৰ মাজেৰে দীঘল খাইবোৰৰ মাজত বাঘৰ্নী চিকাৰীৰ আগত বিচৰণ কৰে; হয়তো অসিমাৰ কাৰণে চিকাৰী সমাজে অদৃশ্য। কিন্তু এটা কথা স্বীকাৰ কৰিব লাগিব যে, প্ৰণামিকা-অবিনাশৰ স্বভাৱ ভিন্ন ভিন্ন হ'লেও দুয়োজনৰ নিৰ্মাণ হয়তো একেই। এখন ধনিকৰ দুই হাতৰ নিমজ স্পৰ্শত গঢ়ি দুটি মূৰ্ত্তিত জীৱিত আত্মাৰ উপস্থিতিৰে হয়তো জীয়াই উঠিছে প্ৰণামিকা-অবিনাশ। বস্তু অলপো ত্ৰুটি নাই।

ধৰিত্ৰী আইৰ বক্ষত থিতাপি লোৱাৰ পাছৰ পৰাই শুধ মালা গাঁঠিবলৈ আৰম্ভ কৰা মানুহৰ ধৰ্ম। ন ন সপোনবোৰ এটা এটাকৈ গাঁঠি দি জোনাকৰ পোহৰত জোনাকী পৰুৱা হৈ, মুক্ত নীল আকাশৰ তলৰ মুক্ত পথাৰত উৰি উৰি দীপাৱলীৰ সিচিনা জেউতিময় কৰি তুলিব বিচাৰে জীৱনটো। কিন্তু বিচৰা অনুসৰি জানো সকলো সম্ভৱ? কেতিয়াবা যে মুক্ত আকাশখনত জোনাক নাথাকে, অন্ধকাৰে স্পৰ্শিত হয় পথাৰৰ বুকুখন; গৰ্জন কৰিব ধৰে আকাশেও। তেতিয়া চকুলো মাথো চকুলো। বিশাল আকাশৰ বিশাল ধৰণৰ পৰা মাত্ৰ নিঃসৃত হয় চকুলো। বিলীন হৈ যায় সকলো সপোন; বতাহৰ কোবত বিশৃংখল হয় জোনাকী পৰুৱাবোৰ; হেৰাই যায় থোপনি ধৰা দুৰ্বাবিলৰ ডাল; অথলে যায় জীৱন।

অবিনাশ-প্ৰণামিকাৰ প্ৰেম পবিত্ৰ প্ৰেম। এই প্ৰেমে ইয়েওৰ কোনো ক্ষতি কৰিব নোৱাৰে। না না। এই প্ৰেমে কেতিয়াও ইয়েক দিশহাৰা কৰিব নোৱাৰে! পদ পদ হৈ পৰি আছে অবিনাশ-প্ৰণামিকাৰ শিক্ষাৰ সফলতাবোৰ। আৰু আজি দুয়ো স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰ।

ব্ৰহ্মপুত্ৰৰ দাঁতিত দুয়ো মাজে-সময়ে বহে। ইয়াতেই সিহঁতৰ অনাগত ভৱিষ্যতৰ সপোনৰ দলিচাখন মুক্ত কৰে। বৃহৎ ক্ষেত্ৰ আগুৰি লোৱা দলিচাখন সপোনেৰে ভৰি আছে। সপোনবোৰ ফুল হৈ ফুলি বতাহত নৃত্য কৰিছে। পশ্চিমৰ আকাশত বিদায়ৰ ক্ষণ গণা আবেলিৰ বেলিৰ উপস্থিতিয়ে সিহঁতৰ সপোনৰ দলিচাখন আৰু বেছি ৰঙীন কৰি তুলিছে.....। বৃহৎ ক্ষেত্ৰ আগুৰি লোৱা দলিচাখনত ফুল হৈ ফুলি উঠা ফুলবোৰত অবিনাশে নিয়ৰৰ টোপালবোৰো অংকিত কৰি দিয়ে। বেলিৰ কিৰণত যেন এই টোপালবোৰ জিলিকিব ধৰে। গৰ্ভৱতী হৈ উঠে প্ৰণামিকা......। আহ্ ঐ। লাজত ৰঙা হৈ উঠে প্ৰণামিকাৰ গাল দুখন......। ব্ৰহ্মপুত্ৰৰ বুকুৰ পশ্চিমৰ বেলিৰ প্ৰতিবিম্বৰ ৰঙা ৰঙবোৰেও স্পৰ্শ কৰি যায় প্ৰণামিকাৰ নিমজ মিঠাপৰ্ণ গাল দুখন। আজি যুৱকৰ মুখত অবিনাশ-প্ৰণামিকা দুয়ো ব্ৰহ্মপুত্ৰৰ পাৰত বহিছে চিৰ পৰিচিত বিদায়ৰ সেই অক্লান্ত শৰীৰৰ তেজৰঙা বেলিৰ সন্মুখত। যেন বেছি সিহঁতৰ হক আৰু সিহঁত? সিহঁত যেন শিশু। আৰম্ভ কৰিছে সিহঁতৰ সপোন বোনৰ কথা। অৰ্ধাংশ সপোনবোৰক পূৰ্ণাংগ কৰাৰ মানসেৰে উদং আকাশৰ বুকুৰ পশ্চিমৰ দিশত থকা ৰঙা বেলিৰ ৰঙীন পোহৰত প্ৰীমাজ হৈ উঠিছে সিহঁতৰ সেউজীয়া সপোনবোৰ। প্ৰকৃতিৰ মায়াপূৰ্ণ মোহনীয় এই পৰিবেশত নিমজ্জিত হৈ থকা সুখ-আনন্দৰ আলাপৰ মাজতে অবিনাশৰ ম'বাইলটোৱে আওৱাব ধৰে এক সুমধুৰ গানৰ কলি—অতিথিৰ ফোন। সেউজীয়া বুটামটো দমাই দি অবিনাশে আৰম্ভ কৰিলে কথোপকথন।

'হেল্ল'— সেই ফালৰ পৰা অতিথিয়ে আবেলিৰ সম্ভাষণ জনালে— 'গুড ইভিনিং'। অবিনাশেও প্ৰতি সম্ভাষণ জনালে। তাৰ পাছত অতিথিয়ে ম'বাইল আৰম্ভ কৰিলে— 'অহাকালি মোৰ জন্ম দিন অবিনাশ। সেই অৰ্থে তোমাক ফোন কৰিলো; অহাকালি পুৱাবেলা মোৰ কোঠালৈ আহিবা। এটা সাধাৰণ পাৰ্টিৰ ব্যৱস্থা কৰিছো। অৱশ্যে সোনকালে আহিবা। মই প্ৰণামিকাকো ক'ম, দুয়ো একেলগে আহিবা।'

অবিনাশে সপাতে জনাই প্ৰণামিকা তাৰ ওচৰত থকা কথাটো কিন্তু অবিনাশৰ মোবাইলতে প্ৰণামিকাকো নিমন্ত্ৰণ জনালে। প্ৰণামিকা-অবিনাশৰ সময় দীঘলীয়া হ'ল। পশ্চিমৰ বেলিটোৱে





ব্ৰহ্মপুত্ৰৰ বক্ষৰ পৰা ক্ৰমে আঁতৰি যাব ধৰিছে। প্ৰথমে 'যাওঁ' বুলি নাম উচ্চাৰণ নকৰা অবিনাশ ক্ৰমে আনন্দত মগ্ন। স্বভাৱগত ভাৱেই প্ৰণামিকাই 'যাওঁ, যাওঁ' বুলি ক'বলৈ আৰম্ভ কৰিছে। কিন্তু অবিনাশ! অবিনাশে 'অলপ সময়' 'অলপ সময়' বুলি বৌ বহু সময় অতিক্ৰম কৰালে। ব্ৰহ্মপুত্ৰৰ বুকুৰ পৰা মুক্ত হোৱাৰ প্ৰয়াস কৰা গাভৰু বেলিটোক দেখুৱাই অবিনাশে প্ৰণামিকাক সুধিছে— 'চোৱা সেই বেলিটোকেও ব্ৰহ্মপুত্ৰৰ বহল বক্ষৰ পৰা আজিৰ কাৰণে মুক্ত হ'ব বিচাৰিছে। আৰু তুমিও একেদৰেই যাওঁ যাওঁ লগাইছা। বিদায়ৰ ক্ষণত অস্তগামী বেলিটোৰ বিধাদতা স্পষ্ট ৰূপত ফুটি উঠিছে নহয়নে?'

প্ৰণামিকা নিতাল! মুখত অলপ খং ভাব। অবিনাশেও তাইৰ খং বঢ়োৱাৰ কাৰণে পুনৰ আৰম্ভ কৰিলে তাৰ কথা— 'তুমি কেতিয়া মোৰ কাষলৈ চিৰদিনৰ চিৰকালৰ কাৰণে আহিবা প্ৰণামিকা? তোমাৰ হৃদয়ত থোপনি অবিহনে মই এই মায়াময় প্ৰকৃতিৰ সুন্দৰতাক গ্ৰহণ কৰিব নোৱাৰো। তুমি জানা প্ৰণামিকা মই কেতিয়াও বহল আকাশৰ বুকুত অকলে উৰিব নোৱাৰো; কিন্তু তুমি থাকিলে অজান দেশৰ পৰা অজান দেশলৈ উৰিব পাৰো। তোমাৰ সতেই মই এই ব্ৰহ্মপুত্ৰৰ ওপৰে ওপৰে উৰি ফুৰো। তুমি যদি বিদায়ৰ সেই তেজৰঙা বেলিটো, তেন্তে মই এই ব্ৰহ্মপুত্ৰ। তুমি যদি আকাশৰ বহল বুকুৰ জোনাক, তেতিয়া মই মুকলি পথাৰত উৰি ফুৰা জোনাকী পৰুৱা। তুমি যদি আগ-এতাৰৰ শেৱালী ফুল থোপা; তেতিয়া মই নিয়ৰৰ টোপালবোৰ। আৰু তোমাৰ এই প্ৰতিটো কাষৰ অনুপস্থিতিত মোৰ প্ৰতিটো ক্ষণ হ'ব অধিক মোৰ সৌন্দৰ্যহীন আগতোতৰ এপাহি ৰঙা গোলাপ। এতিয়া কোৱা প্ৰণামিকা, তুমি কেতিয়া মোৰ কাষলৈ চিৰদিনৰ কাৰণে চিৰকালৰ সংগী হৈ আহিবা? আৰু কিমান দিন? নাই আৰু ধৈৰ্য্য নাই। প্ৰণামিকা এইবাৰ অধৈৰ্য্য হৈ পৰিল। খং সামান্যৰ পৰা বৃহত্তৰ কৰি স্পষ্ট ৰূপ ফুটাই ক'লে— 'তুমি থাকা, মই যাওঁ। সময় হ'ল।' এইবুলি কৈ প্ৰণামিকা বেগাই তাৰ পৰা আঁতৰি আহিল। অবিনাশে পিছে পিছে চিঞৰিব ধৰিলে।

অতিথিয়ে কৈছিল পদম নকৰিবা তথাপি আজি অবিনাশ লেট। প্ৰণামিকাই মাত্ৰ ছট-ফটাই সময়লৈ লক্ষ্য কৰিছে আৰু ফোন কৰিছে অবিনাশক। কিন্তু অবিনাশে ফোন রিচিভ কৰিব পৰা নাই। ট্ৰেফিকত হয়তো বাধুলী থকা নাই আছে। গুৱাহাটীৰ বহুত ৰাজপথত যান্ত্ৰ নাগৰিকৰ সময়ৰ অপব্যয়। নাই এতিয়া অবিনাশ যি ট্ৰেফিকত লৈ আছে, ফোন ৰিচিভ কৰিব নোৱাৰি। প্ৰণামিকা অস্থিৰ হৈ পৰিলেও উপায় নাই। দীঘলীয়া সময়বোৰ অপেক্ষাত অস্থিৰ-অধৈৰ্য্য হৈ পৰা প্ৰণামিকাই ম'বাইলত পুনৰ সময় নিৰীক্ষণ কৰে— সময় তেতিয়া ১১বাজি ৪৩ মিনিট। আকৌ অবিনাশলৈ ফোন। ফোন লাগিছে। প্ৰথম কি হৈছে......তাৰ পিছত চৌদিশ কঁপাই গুৰুম, গুৰুমকৈ শব্দ হ'ল? গোটেই পৰিবেশটো অদৃশ্য হৈ পৰিল। অবিনাশৰ ম'বাইলত ৰিচিভ কল হ'ব লগা প্ৰণামিকাৰ ফোন আকৌ এবাৰ মিচ কল হৈয়েই ৰ'ল। পৰিৱেশটো মাথো কঁপিব ধৰিছে।

চাৰিওফালে হুৰা-দুৰা দৌৰাদৌৰ! কেনে কি'ত গ'ল? চিনাকী মন তেজ সাগৰত বুৰ মাৰি অচিনাকী হ'ল। হাতে হাত ধৰা দুখন সৰু নিমজ হাত ছিটিকি গৈ আৰ্তনাদত পৰি ৰ'ল। ক্ষুধাতুৰ শাৰ্দুলৰ দৰে গৰজি উঠি প্ৰচণ্ড শব্দৰ ধ্বংসৰ তুলি শৰ্ম গুৱাহাটী কম্পমান কৰি গপেশ্বৰিকা বোমা ফুটিল! অতিৰ জন্ম দিনলৈ যোৱাৰ কাৰণে অলপ সময় আগতে প্ৰণামিকাও ইয়াতেই আছিল; মাথো অবিনাশৰ অপেক্ষাত। কিন্তু এতিয়া তাই ক'ত গ'ল? অবিনাশে বিচাৰি ফুৰিছে প্ৰণামিকাক, মাত্ৰ প্ৰণামিকাক। যেনেও কৰিছে প্ৰণামিকাৰ নম্বৰত। কিন্তু সকলোতে ব্যৰ্থতা। নিহত-আহত মানুহৰ শাৰী থকা তলত তেজৰ ভয়ানক দৃশ্যৰ মাজত বৌকা মঙহ পুৰি যোৱাৰ গোন্ধ; পৰিবেশ হৰিণাৰ দলে ছট-ফটাই অবিনাশে বিচাৰি ফুৰিছে প্ৰণামিকাক। এফালৰ পৰা মানুহৰ ভুমবোৰ ফালি ফালি।

আহত-নিহত মানুহৰ উদ্ধাৰত একান্ত চিত্তে ব্ৰতী হৈ কি হিন্দু কি মুছলমান ধৰ্মৰ কোনো বিভাজন নাথাকি মাত্ৰ মানৱ ধৰ্ম পালন কৰি শুনত তেজৰ সাগৰত বুৰ যোৱা সেই মলিয়ন কাপোৰ পিন্ধা ক'লা-শৰত মানুহজনে চূৰ্ণ হোৱা গাড়ীখনৰ তলৰ পৰা এজনী ১৮-২০ বছৰীয়া ছোৱালীক গোহালিৰ পৰা টানি উলিয়াই জনা গৰুৰ নিচিনাকৈ চোঁচৰাই আনিছে। সৰ্বশৰীৰ তেজেৰে বুৰুৰি-পুতুৰি হোৱা নীলা চুৰিদাৰ পিন্ধা ছোৱালীজনীৰ কাপোৰখনৰ ফালি চিৰা-

চিৰি হৈছে। লজ্জা নিবাৰণ কৰিবলৈ সামৰ্থ্য হেৰুৱা ৰেখালীকণীৰ শৰীৰৰ অৰ্ধাংশ লজ্জাহীন ভাৱেই উদং পৰিছে। এইবাৰ কল্পনা শক্ত মানুহজনে ছোৱালীজনীৰ ওপৰলৈ দাখি গোৱাত বাওঁ হাতখন চকুত লগাবলৈ; কিন্তু সেই হাত খন চিৰো চিঙ্গা হৈ গৈছে। নিজৰ লেজৰ নিচিনাকৈ মানুহজনৰ হাতৰ তলোৱে ওলমি আছে। গোটেই শৰীৰত মাথোঁ তেজ। সৰ্ব মুখমণ্ডলত পৰা নিগৰি অহা তেজত তাইৰ মুখখন লীন হৈ গৈছে। অবিনাশৰ দৃষ্টিত তেজত লীন হৈ যোৱা মুখখন অধ্যয়ন কৰিব ধৰিছে! সি অধ্যয়ন কৰিব পাৰিছে এইগৰাকী তাৰ প্ৰণয়িনী। আঃ! অভিশপ্ত দৈত্যৰ সংযুক্ত বিষাদৰ শিকলিৰে বন্দী হৈ ৰ'ল ২০০৮ চনৰ অভিশপ্ত অনন্ত দিন ৩০ অক্টোবৰ। চিহ্নি গ'ল সপোনৰ মালা-জাল। সংগীহীন দুখিনী যাতনাৰ ভোগী এই আপোন জনক বুকুৰ পৰা কাঢ়ি নিলে নিষ্ঠুৰ, মমতাহীন, মায়াহীন কালৰূপী নিয়তিয়ে। মাকৰ উমাল বুকুৰ পৰশত গাখীৰ পান কৰি পেটৰ ভাতুনা পূৰ কৰা অৰ্থমহীয়া শিশুটিক পৰাও কাঢ়ি নিলে মাকক।

মই আজি দুবছৰ পাছত অবিনাশক চোৱাৰ কাৰণে তাৰ ঘৰলৈ গৈছিলোঁ। দেখিলোঁ এটা বন্ধ কোঠাৰ মাজত চৌদিশে বিয়পি থকা এন্ধাৰৰ মাজত শৃংখলাহীন কোঠাটোৰ এটা চুকত সি শুই আছে। মেধাবী-সাহসী অতীতৰ সেই অবিনাশ নামৰ যুৱকজনৰ বৰ্তমান চুলিবোৰ দীঘল দীঘল আৰু গোঁফদাড়িবোৰ নতুনকৈ শৃংখলাহীন। মুখখন তাৰ হাবিৰ অৱশিষ্ট লতাবোৰ গিলি থৈ দিয়া গছৰ দৰে হৈ পৰিছে। শৰীৰত এক, বস্ত্ৰও ফটা-চিটা আৰু লেতেৰা। ড্ৰয়িং ৰুমত সেই বন্ধ কাৰণ ৰণীজনৰ কথা ওঁঠিৎ আহিছিল— 'তুমি মুখেৰে কিয় নামাতা প্ৰণয়িনী? মোক বেয়া পাইছা? চোৱা, চোৱা না, এবাৰ চোৱা মই ব্ৰহ্মপুত্ৰৰ ওপৰত উঠিছো। তুমি সাঁচাকৈ নাচোৱা? মোক সাঁচাকৈ বেয়া পাইছা। ৰ'বা, তুমি যদি মোৰ নামাতা মই পাখি দুখন বন্ধ কৰি দিম। তেতিয়াই মই ব্ৰহ্মপুত্ৰৰ পানীত পৰি যাম। তুমি মাতিছেও মই কিন্তু তেতিয়া আৰু উত্তৰ নাদিওঁ। তোমাক মই কেতিয়াও নামাতো। মোক সঁচাকৈ বেয়া পাইছা প্ৰণয়িনী?'

ড্ৰয়িং ৰুমটোৰ পৰা মই সকলো শুনি আছিলোঁ সেই মায়াময় মনোৰম চিত্ৰটো লক্ষ্য কৰি। সেই দেৱালত আঁৰি থোৱা আছে সেই অপূৰ্ব চিত্ৰটো। এটি শিশু, বন্ধ মাজত নিশ্চিন্ত হৈ শুই আছে। মাকৰ দু-নেত্ৰৰ পৰা বৈ আহিছে চকুলো; মাতৃৰ নিগৰি অহা চকুলো শিশুটোৰ গাতে খসি পৰিছে, তথাপি অনুভৱ কৰি তোপনিত চকু মেলি শিশুটোৱে মাতৃৰ বেদনা বুজিব পাৰিছে।

অভিশপ্ত ২০০৮ বৰ্ষৰ ৩০ অক্টোবৰৰ দিনা অবিনাশ-প্ৰণয়িনীৰ নিচিনা বহুতৰে সপোন ভাঙিল। জীৱন যন্ত্ৰণাময় হৈ পৰিল। বেদনাৰ শলিতা জ্বলিল। অসমী আইৰ বুকুৰ ইতিহাসত হৈ গ'ল এক বিষাদনিক্ত পাণ্ডুলিপি। অভিশপ্ত সেই এতিয়া তাৰ জন্ম দিন সকলে; সি জন্মলগ্নৰ সাক্ষী হিচাপে থাকে আৰু যেন ৰক্তমাতা অৰ্থৰৰ কেতিয়াও উত্তৰ নাহে।

**মুকুতামালা**

জীৱনটো এখন ভায়োলিনৰ দৰে। আমি প্ৰতিদিনে এই ভায়োলিনত সুৰ তুলিবলৈ চেষ্টা কৰোঁ। কেতিয়াবা সফল হওঁ, কেতিয়াবা বেসুৰা হৈ পৰে।

— চেমুৱেল বাটলাৰ

যদি মানৱ সভ্যতা জীয়াই থাকিব খোজে, তেন্তে আমি মানৱ সম্পৰ্কৰ আজও এক বিজ্ঞান আবিষ্কাৰ কৰিব লাগিব, যি বিজ্ঞানে সকলো মানুহক প্ৰত্যেক পৃথিৱীত একেলগে শান্তিত থকাৰ পথ নিৰ্দেশনা দিব।

— ফ্ৰেংকলিন ৰুজভেল্ট





# কল্পনা

❖ পল্লবী সৰকাৰ
স্নাতক ২য় বৰ্ষ (কলা)

ফাগুন মহীয়া দিন। গছ-গছনিৰ পাতবোৰ সৰি লঠঙা হৈ পৰিছে। কিবা যেন নিসংগতাৰ দৰে এজাক কল্পনা আৱৰি ধৰিছে চাৰিওদিশে। মিঠা মিঠা পছোৱা বতাহজাকেও যেন সেইখন ঠাইৰ আনন্দ ঘূৰাই আনিব নোৱাৰে। নাই। তাই আৰু কল্পনা কৰিব নোৱাৰে অতীত স্মৃতিবোৰ ৰোমন্থন কৰিবলৈ। কিন্তু উপায় নোহোৱাকৈ তাই ঘূৰি গৈছিল অতীত স্মৃতিবোৰলৈ।

এটা অসুখী ঘৰ, তাৰ মাজত কল্পনা আৰু তাইৰ ভায়েক পংকজ। ইয়াৰ বাহিৰে তেওঁলোকৰ আৰু আপোন বুলিবলৈ কোনো নাছিল। ৬ বছৰীয়া পংকজে সিহঁতৰ বন্ধু বান্ধৱৰ লগত গোটেইদিন খেলি থাকে আৰু ১৬ বছৰীয়া কল্পনাই সংগৃহীত মাজৰ পৰা খৰি কাটি বিক্ৰী কৰি ঘৰ চলায়। এনেকৈ চলাৰ পিছত হঠাৎ এদিন পংকজ বেমাৰত পৰিল আৰু কেইদিনমানৰ ভিতৰতে ঢলি পৰিল। ভায়েকৰ মৃত্যুৰ শোকে যাতে তাইক শুদ্ধত চেপি ধৰিব নোৱাৰে, সেইবাবে তাই সেইখন ঠাইৰ পৰা এক দূৰলৈ গুচি গ'ল।

এনেদৰে সেই বাটেঁকৈ কল্পনা এখন চহৰত উপস্থিত হ'ল। ক'লৈ যাব তাই এতিয়া কল্পনা কৰিব পৰা নাই। কেইবাদিনো ধৰি একো খুৱাত নিদিয়াত কল্পনা শুকাই-খীণাই গৈছে। ভোকৰ যন্ত্ৰণাত তাই ছটফটাব ধৰিলে। হঠাৎ এজন মানুহে তাইক তেনেদৰে দেখি ঘৰলৈ লৈ আহিল। মানুহজনৰ নাম অনল বৰা। দুখীয়া নিচলা অনল বৰাৰ আপোন বুলিবলৈ এই পৃথিৱীত কোনো নাই। সেয়েহে তেওঁ কল্পনাক আপোন কৰি ল'লে। কল্পনা সেইখন ঘৰতে থাকি উমলি-জামলি ডাঙৰ দীঘল হ'ল। ১৬ বছৰীয়া গাভৰু কল্পনা ক্ৰমে-ক্ৰমে সকলো কামতে পাৰ্গত হ'ল। কল্পনাক লৈ গাঁৱৰ মানুহে দিনে-নিশাই চৰ্চা কৰিবলৈ ধৰিলে। ইতিমধ্যে সেইখন গাঁৱৰ দিলীপৰ একমাত্ৰ গাঁৱৰ আদৰ্শৱান ঘৰৰ ল'ৰা কন্দৰ্পই গাভৰু কল্পনাৰ প্ৰেমত পৰিল। কন্দৰ্পই কলিকতাত থাকি বি. এ. পাছ কৰি গাঁৱৰ ঘৰলৈ ঘূৰিবলৈ আহিছে। হঠাৎ এদিন কল্পনাক দেখি তেওঁ কল্পনাৰ ফালে বাজত ভূৰ গ'ল। এনেদৰে থাকোতে কল্পনাও কন্দৰ্পৰ প্ৰেমত বান্ধ খালে। বান্ধ খালে তেওঁলোকৰ জীৱনৰ আশা-ভৰসা, বিশ্বাস। বিশ্বাসৰ জগতে দুখন হৃদয় এখন হৃদয়ত পৰিণত হৈছে।

সেয়েহে এনেদৰে কেইবছৰ মান পাৰ হৈ যোৱাৰ পিছত কল্পনা আৰু কন্দৰ্পৰ মাজত থকা প্ৰেমৰ সম্পৰ্ক জুই বিয়পাদি চাৰিওফালে সিঁচৰতি হৈ পৰিল। গাঁৱৰ মানুহে কল্পনাক অসতী-চৰিত্ৰহীনা বুলি ঘৃণা কৰিব ধৰিলে। মুহূৰ্ততে কল্পনা এতিয়া তেওঁলোকৰ সন্মুখত অপৰাধীৰ নিচিনা হৈ পৰিল। সেইফালে কন্দৰ্পৰ অহংকাৰী দেউতাক মুখিয়া হাজৰিকাই কন্দৰ্প আৰু কল্পনাৰ সম্পৰ্ক মানি ল'ব পৰা নাই। এখন আদৰ্শৱান ঘৰৰ ল'ৰা হৈ দুখীয়া-নিচলাৰ ঘৰত লালিত-পালিত হোৱা কল্পনাক তেওঁ কেতিয়াও ঘৰৰ বোৱাৰী কৰিব নোৱাৰে। কিন্তু কন্দৰ্পই কল্পনাৰ কাৰণে বাটি চাই আছে। সেইফালে আনটো নিষ্ঠুৰ হিংসাত্মক মানৱ সমাজত তাণ্ডৱ-নীতিৰ হোৱা কল্পনাই কাকো দোষাই এটা দুখীয়া মাত্ৰ আশা কৰিব পৰা নাই। আশা কৰিব পৰা নাই তেওঁলোকৰ প্ৰেমৰ শৰীৰ সপোন দেখিবলৈ। কিয়? দুখীয়া-নিচলাৰ সপোনৰ এই আধুনিক মানৱ সমাজত কোনো মূল্য নাই। দুখীয়া হোৱা বাবে মানুহ হৈ জীয়াই থাকিব নোৱাৰে নেকি এই সমাজৰ যেনেদৰ মূল্যত? এনেবোৰ কথাৰ প্ৰতিবাদ কৰিবলৈ মন যায় কল্পনাৰ, মন যায় বুকু ফালি এই সমাজৰ প্ৰতিজন মানুহৰ আগত থিয় দিবলৈ। কিন্তু.... উপায়হীনা কল্পনাই একমাত্ৰ অনল বৰাৰ অসহায়ৰ কথা ভাবি এইবোৰ প্ৰতিবাদ কৰিব নোখোজে। অনল বৰাৰ উপদেশ মতে— 'নিজেই ডাঙৰ মানুহ, ধনী মানুহ, নিজেই পাপ হৈ যোৱাটো, ৰক্ষা হৈ যাবে।'

কিন্তু কন্দৰ্পই নেৰে, কোনোপধেই তেওঁ কল্পনাক নিজৰ জীৱনৰ পৰা আঁতৰাই ৰাখিব নোৱাৰে। সদায় কন্দৰ্পই কল্পনাহঁতৰ পদুলিৰ সম্মুখেৰে অহা-যোৱা কৰিবলৈ ধৰিলে। এবাৰ কল্পনাক লগ পাবলৈ, কথা ক'বলৈ তেওঁৰ হিয়া উচুপি উঠে। সেয়েহে এদিন তেওঁ কল্পনাক লগ পাই হিয়া উজাৰি কথা ক'লে। হঠাৎ কন্দৰ্পই কল্পনাক লৈ বেলেগ ঠাইলৈ যাবৰ কাৰণে প্ৰস্তাৱ দিলে। কিন্তু কল্পনাই কন্দৰ্পৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে। তাই ক'লে— 'নহয় অ' কন্দৰ্প, মই তোমাক ভাল পাওঁ, ভক্তি কৰোঁ। কিন্তু তোমাৰ স্ত্ৰী হোৱাৰ যোগ্যতা মোৰ নাই। তোমালোক ধনী মানুহ, আমি দুখীয়া মানুহ। ধনী আৰু দুখীয়াৰ মাজত যে কিমান পাৰ্থক্য!

ঃ কল্পনা!

ঃ যি স্বাভাৱিক সি সদায় হয়। যি অস্বাভাৱিক সি কদাচিতহে হয়। তুমি নাভাবিবা কন্দৰ্প, তোমাৰ প্ৰিয় বা সেউজীয়া হৈ মইতো গছে-পাতেই আছোঁ! মইতো তোমাৰ মাজতেই বিলীন হৈ আছোঁ কন্দৰ্প।

বহু চেষ্টা কৰিও কন্দৰ্পই কল্পনাক বুজাব নোৱাৰিলে। সেয়েহে এখন হৃদয় বিদাৰক চিত্ৰ বুকুত লৈ তেওঁ তাৰ পৰা উভতিল। মুহিম হাজৰিকাই মাজে মাজে পুতেকৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিলে। কিন্তু হঠাৎ এদিন ভাগ্যৰ মেৰপাকত কল্পনা আৰু কন্দৰ্পৰ বিবাহ ঠিক হোৱা বুলি শুনা গ'ল। কন্দৰ্পই আনন্দত আত্মহাৰা হ'ল। কল্পনাই ভাবিলে, এইবাৰ কি তাই সপোনহে দেখিছে। দিনে দিনে কল্পনা আৰু কন্দৰ্প আকৌ এক হ'বলৈ ধৰিলে। ক্ৰমে ক্ৰমে সময় আগবাঢ়িল। তেওঁলোকৰ বিবাহৰ দিন আগতবাই আহিল। বিয়াৰ দিন। কল্পনাহঁতৰ ঘৰত বিয়া ঘৰৰ হুলস্থুল। কল্পনাক যেনি সকলোৱে আনন্দ কৰি আছে। আবেলি সময়ত সকলোৱে নিজৰ নিজৰ কামত লাগি গ'ল। ইফালে কল্পনাক সজাই তোলাত ছোৱালীবোৰে ব্যস্ত হৈ পৰিছে। ইতিমধ্যে বিয়াৰ সময় আগবাঢ়িল। ৰাতি ৯ মান বাজিছে। কিন্তু দৰা অহাৰ কোনো উমঘাম নাই। অৱশেষত অপেক্ষাৰ অন্ত পেলাই এজন মানুহ আহি কন্দৰ্পহঁতৰ ঘৰৰ মনুৱা হিচাপে পৰিচয় দিলে। মানুহজনে কল্পনাক বিচাৰিলে, ইতিমধ্যে কল্পনাও তাত উপস্থিত হৈ নিজৰ পৰিচয় দিলে। তেতিয়া মানুহজনে কল্পনাক এখন চিঠি দি ক'লে যে এইখন কন্দৰ্পই তোমাক দিবলৈ কৈছে, আৰু এটা কথা। কন্দৰ্পক হাজৰিকা ... মিছা কথা কৈ কোনোবা ঠাইলৈ লৈ গৈছে।

ঃ নহয়! এইটো হ'ব নোৱাৰে। কন্দৰ্পই মোক এৰি কেতিয়াও ... নোৱাৰে। নোৱাৰে, নোৱাৰে .....

সমাজৰ মানুহে কল্পনাক ছিঃ ছিঃ বুলি ঘৃণা কৰিব ধৰিলে। সকলোৱে তাইক লগ্নভ্ৰষ্ট বুলি ক'বলৈ ধৰিলে। দুৰাচাৰী, ব্যভিচাৰিণী মহিলা বুলি ক'বলৈ ল'লে।

ঃ কি লগ্নভ্ৰষ্ট! —এইবুলি তাইৰ চকুপানী ওলাবলৈ ধৰিলে।

সকলো মানুহ তেওঁলোকৰ ঘৰৰ পৰা গুচি গ'ল। শূন্য ... তাই পিতাকৰ সম্মুখত কান্দিবলৈ ধৰিলে। চকুপানীৰে তিতি ... চিঠিখন শেষত কল্পনাই খুলি পঢ়িবলৈ ধৰিলে—

.....মোৰ হৃদয় স্পন্দন কল্পনা,

বহু আশাৰে এই চিঠিখন লিখিছোঁ। জানো তুমি নিশ্চয় পঢ়ি ... পঢ়ি তুমি মোক বুজিবলৈ চেষ্টা কৰিবা। দেউতা যে ইমান নিষ্ঠুৰ হ'ব পাৰে মই কেতিয়াও ভবা নাছিলো কল্পনা। মোক নিশ্চয় ... তোমাক অবাস্তৱ কথা এটা কওঁ শুনিবানে তুমি? তোমাক ... বুজাও। তোমাক নিজৰ কৰি লোৱাৰ মোৰ খুবেই হেঁপাহ আছিল ... কিন্তু এই জনমত নোৱাৰিলো। অহা জনমত এজন ভাল ল'ৰা ... তোমাক ভালপাম। কল্পনা তোমাক দুখ দিয়াৰ বাবে ক্ষমা কৰিবা।

..... দেউতা আহিছে ৰাখিলো কল্পনা।......

চিঠিখন পঢ়ি কল্পনা শিলৰ মূৰ্তিৰ নিচিনা স্তম্ভিত হৈ পৰিল ... নিষ্পলক দৃষ্টিৰে তাই মাথোঁ চাই থাকিল বাহিৰলৈ। উদাসহীন ... তাইৰ দুচকুৰ পতাত জমা হোৱা চকুপানীৰ টোপোলাবোৰে ... দুগালেৰে সৰসৰকৈ বৈ আহিবলৈ ধৰিলে আৰু তাই ভাবিবলৈ ধৰিলে যে তাইৰ জীৱনটো যেন এটা— কল্পনা।

ইতিমধ্যে, ফাগুন মাহৰ পখেৱা বতাহজাক আহি তাইৰ ... ঘূৰাই আনিলে আৰু ভৱিষ্যতে এজন ভাল নাগৰিক হিচাপে জীয়াই থকাৰ প্ৰেৰণা যোগালে।



# এদল দুষ্ট ল'ৰাৰ কাহিনী

❖ আশ্ৰাফুল হক
স্নাতক ১ম বৰ্ষ (বাণিজ্য)

*'ইয়াৰ নাম ৰিংকু আৰু মই তাৰ মাক। ই মেট্ৰিক পৰীক্ষাত ষ্টাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ বাণিজ্য বিভাগত পঢ়িবলৈ বি. এইচ্. কলেজত নাম লগালে। তাৰ দেউতাক এজন সৈনিক আছিল আৰু আজিৰ পৰা বাৰ বছৰমান আগতেই কাশ্মীৰত ডিউটী কৰিবলৈ গৈ শ্বহীদ হ'ল। ৰিংকুৰ মাত্ৰ এজনী ডাঙৰ ভনীয়েক আছিল। তাই বৰ্তমান স্নাতক ডিগ্ৰী হৈ ঘৰতেই বহি আছে। টকাৰ অভাৱত বিয়াও দিব পৰা নাই।'*

মেট্ৰিক পৰীক্ষাৰ ফলাফল ওলোৱাৰ মাত্ৰ ২০-২৫ দিন মানহে হৈছে। চাৰিওফালে এক ব্যস্তপূৰ্ণ পৰিবেশ। মেট্ৰিক পাছ কৰি কোনে ক'ত, কি বিভাগত, কেনেকৈ পঢ়িব তাৰ এক উত্তেজনাপূৰ্ণ অৱস্থা। মই বাণিজ্য শাখাৰ স্নাতক প্ৰথম বৰ্ষত পঢ়া এজন ছাত্ৰ। এদিন গধূলি, আমি চাৰিজনমানে মেছৰ ভিতৰত কেৰম খেলি আছিলো। এনেতে আমাৰ মেছৰ ভিতৰলৈ সোমাই আহিছিল বুঢ়ী এজনীৰ সৈতে পোন্ধৰ-যোল্ল বছৰীয়া ল'ৰা এটা। বুঢ়ীজনীয়ে আমাক সুধিছিল— 'ভাইটিহঁত ইয়াত থাকি পঢ়িবলৈ কম হ'বনে?' মানুহগৰাকীক হয়তো নানা ৰোগ আৰু দুখ-যন্ত্ৰণাত ইমান বুঢ়ী যেন দেখা পোৱা হৈছিল।



তাই কৈছিল— 'ইয়াৰ নাম বিংকু আৰু মই তাৰ মাক। ই মেট্ৰিক পৰীক্ষাত ষ্টাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ বাণিজ্য বিভাগত পঢ়িবলৈ বি. এইচ্. কলেজত নাম লগালে। তাৰ দেউতাক এজন সৈনিক আছিল আৰু আজিৰ পৰা বাৰ বছৰমান আগতেই কাশ্মীৰত ডিউটী কৰিবলৈ গৈ শ্বহীদ হ'ল। বিংকুৰ মাত্ৰ এজনী ডাঙৰ ভনীয়েক আছিল। তাই বৰ্তমান স্নাতক ডিগ্ৰী হৈ ঘৰতেই বহি আছে। টকাৰ অভাৱত বিয়াও দিব পৰা নাই।' ঘৰখন পেঞ্চনৰ পইচাৰে চলাব পৰা নাছিল। কেন্সাৰ ৰোগী সত্বেও মাকে ঘৰখন কোনোমতে চলাবলৈ গাঁৱৰে চ'ক এটাত দৰ্জী কাম কৰিছিল। বিংকু আছিল ঘৰটোৰ এক মাত্ৰ আশাৰ চাকি।

ল'ৰা জনক মই মোৰ ৰুমমেট কৰি ৰাখিলো আৰু সেই ৰাতিতেই ঘটনাটো ঘটিল। মোৰ সমনীয়া ৰমেনে বিংকুক নানা প্ৰশ্ন সোধা আৰম্ভ কৰিছিল আৰু বিংকুয়ে ঘৰৰ পৰা অনা তিলৰ লাৰু আৰু কল সিহঁতে খাইছিল আৰু কিছুমান বিংকুৰ গালে দলিয়াই দিছিল। সিহঁত আটায়ে মোৰ ৰুমলৈ আহি নানা ধৰণৰ ৰেগিং কৰিছিল। মই বিংকুক এটা কিল মাৰি পঠিয়াইছিলো। এই দৰে ৰাতি দুইমান বজাত আমি তাক আমাৰ কাপোৰ ধুবলৈ দিছিলো। আৰু সি কাপোৰ ধুই অহাত পলম কৰাত তাক বহুত মাৰিছিলো। কষ্ট আৰু ভয়ত ধুনীয়া ল'ৰাজন ক'লা পৰি গৈছিল আৰু চকুলো টুকিছিল। আমাৰ মাজত বিংকু যেন কি অপৰাধী। এনেতে ৰাজেনে পিছফালৰ পৰা বিংকুৰ গাত ইমান জোৰে পদাঘাত কৰিছিল যে সি সহিব নোৱাৰি চকীত পৰি পিছল খোৱাত তাৰ মূৰটো দেৱালত লাগি মূৰৰ পৰা তেজ ওলাবলৈ ধৰিলে। তাৰ পিছত সি জোৰেৰে চিঞৰি চিঞৰি কৈছিল- - 'দাদা মোক নামাৰিব। মই দুখ পাইছো। মোক ভাইটি বুলি ক্ষমা কৰক। মোৰ কপালৰ পৰা তেজ ওলাইছে।'

তাৰ পিছত দিনে দিনে ল'ৰাজন শুকাই-ক্ষীণাই গৈ আছিল আৰু কেতিয়াবা কেতিয়াবা বিংকুৱে টোপনিতে কৈ উঠা মই শুনা পাইছিলো — 'দাদা মোক আৰু নামাৰিব। মই দুখ পাইছো। মোৰ চুলি এৰি দিয়ক। মা, মই ডাঙৰ মানুহ হম। তুমি নাকান্দিবা, এদিন আমাৰ দুখ দূৰ হ'ব আৰু ধুম ধামেৰে বাইদেউক বিয়া দিম। মা! মই কিছুদিন পাছতেই গাঁৱলৈ গুচি যাম। চহৰৰ পৰিবেশ বৰ কঠোৰ। দাদা মই বৰ দুখ পাইছো। মোক ক্ষমা কৰক। আহ! মোৰ কপালেৰে তেজ ওলাইছে।'

নিস্তব্ধ গভীৰ ৰাতি যেতিয়া এই ভ্ৰম বকি কোৱা কথাবোৰ কাণত পৰিছিল তেতিয়া মোৰ অন্তৰখন যেন এক অপৰাধে খুলি খুলি খাইছিল আৰু চকুলোৰে কাপোৰ তিতি গৈছিল। আমি তাক কিয় মাৰিছিলো? আমি তাক লৈ এইদৰে স্ফুৰ্তি কৰিছিলো। এইবোৰ কৰি আমি আনন্দ লৈছিলো সঁচা, কিন্তু কেতিয়াবা আমি ভাবিছিলোনে এই কামৰ পৰা এজন নিৰ্দোষী ল'ৰাৰ সৈতে এটা পৰিয়াল নিৰ্মমভাৱে ধ্বংসৰ ফালে ঠেলি দিছো। এয়াই আছিলনে আমাৰ শিক্ষাৰ গুণ।

কেইদিন মানৰ পিছত বিংকুৰ জ্বৰ হ'ল আৰু লাহে লাহে বিছনাৰ পৰা উঠিব নোৱাৰা হ'ল। তাৰ মাকক খবৰ দিয়াত মাকে আহি ল'ৰাজনৰ শেতা পৰা মুখখন আৰু শুকাই-ক্ষীণাই ভিতৰফালে সোমোৱা চকুজুৰি দেখি সাবটি মাৰি ধৰি সজোৰে চিঞৰি উঠিছিল আৰু কৈছিল— 'বাপুকণ তোৰ কি হ'ল।' মাকে পাগলীৰ নিচিনা ল'ৰাজনক সাবটি ধৰি ইফালে-সিফালে চুমা আঁকি দিছিল কিন্তু বিংকুৱে তেতিয়া কেৱল নীৰৱ চকুজুৰিৰে চকুলো টুকিছিল আৰু আমাৰ মেছৰ পৰা গুচি গৈছিল।

কেইদিন মানৰ পিছত ক্লাচ আৰম্ভ হোৱাত মই কলেজলৈ গৈছিলো। কলেজলৈ গৈ শোকসভা উপলক্ষে ক্লাছ নহয় বুলি শুনিলো। এনেতে অন্তৰংগ বন্ধু গোলাপে মোৰ পিনে কন্দামুৱা হৈ আহি মোক হেঁচা মাৰি ধৰি চিঞৰি এটা মাৰি কৈছিল— 'বিংকু আৰু এই পৃথিৱীত নাই'।







# এটা ত্ৰিকোণ প্ৰেমৰ কাহিনী

❖ জুৰি কলিতা
স্নাতক ২য় বৰ্ষ (কলা)

ফাগুন মাহ, চাৰিওফালে একেবাৰে ধুলিৰে ভৰা যেন মৰুভূমি। ৰাস্তা-ঘাটৰ যেন অৱস্থা নাই। খোজ দিলেই ভৰি ধুলিত সোমাই যায়। ৰাস্তাৰে অহা-যোৱা কৰিবলৈ ইচ্ছাই নাযায়। আজি অলপ বৰষুণ আহিছে। বৰষুণত ধুলিবোৰ তিতি গ'ল। ভালেই হ'ল বৰষুণ জাক অহাৰ বাবে। সেইখিনি সময়তে অকলশৰীয়াকৈ এটা সেমেকা মন লৈ খিৰিকী খনৰ সন্মুখত বহি পৰিছে ধৃতিস্মিতাই, হাতত এখন বহী আৰু এটা কলম, উদ্দেশ্য এটা কবিতা লিখাৰ। তাইৰ যেতিয়া মনত এধুকু দুখ লাগে, কবিতাৰ ভাষা বিচাৰি তাই বহুত সময় ভাবি থাকে। বৰষুণৰ পানী তাইৰ হাতত দুই-এটোপাল পৰোতেই তাই বাস্তৱলৈ উভতি আহিল। তাইৰ আজি মনটো বেয়া। তাইক কিবা এটা কথাই বৰকৈ আমনি কৰি আছিল। তাইৰ মনলৈ কেৱল অমৃতৰ কথাবোৰেই বাৰে বাৰে আহি আছিল। অমৃত হৈছে তাইৰ সহপাঠী বন্ধু। একাদশ শ্ৰেণীৰ পৰা সিহঁত দুয়ো একেলগে পঢ়িছিল। এনেয়ো সিহঁত দুয়ো ভাল বন্ধু। অমৃতে নজনাকৈ ধৃতিস্মিতাই পৰি গৈছিল তাৰ প্ৰেমত। তাইৰ গোপন প্ৰেমৰ কথা আনক জানিবলৈ অকণো সুযোগ দিয়া নাছিল। তাই তাইৰ পবিত্ৰ প্ৰেম মনৰ মাজত সযতনে লুকাই ৰাখি মাথোঁ অপেক্ষা কৰিছিল কেতিয়া সি তাইক প্ৰেমৰ প্ৰস্তাৱ দিব আৰু তাইও তাৰ প্ৰস্তাৱ গ্ৰহণ কৰিব। এনেকৈ দিন বাগৰি গৈ থাকিল। এনেকৈয়ে চাৰি বছৰ একেলগে পঢ়াৰ অন্তত একেবাৰে শেষৰ শ্ৰেণীটোও পালে সিহঁত দুয়ো। অৰ্থাৎ স্নাতক তৃতীয় বৰ্ষ। কলেজ এৰিবৰ সময় আহি পালে। ধৃতিস্মিতাই চাৰিবছৰৰ ভিতৰত বহুতৰ পৰাই প্ৰেমৰ প্ৰস্তাৱ পালে কিন্তু তাই কাৰো প্ৰস্তাৱেই গ্ৰহণ নকৰিলে, মাথোঁ অপেক্ষা কৰি ৰ'ল অমৃতৰ প্ৰস্তাৱলৈ। চাৰিবছৰ পাৰ হোৱাৰ পিছত ধৃতিস্মিতাই অন্য ধৰণে কথাবোৰ ভাবিব ধৰিলে। তাই ভাবিলে অমৃতৰ বোধকৰো তাইৰ প্ৰতি কোনো মৰম-ভালপোৱা নাই। তাৰ মন-মন্দিৰত হয়তো আন কোনোবাই অধিকাৰ কৰি আছে।

তাক তাই ক্ৰমান্বয়ে পাহৰিবলৈ চেষ্টা কৰিলে। এদিন তাই কলেজলৈ আহি থাকোতে বাটত ৰাহুল নামৰ ল'ৰা এজনৰ লগত চিনাকী হ'ল। একে শ্ৰেণীতে পঢ়ে সি। তাই তাক আগৰে পৰাই চিনি পায়, যদিও তাৰ লগত কেতিয়াও কথা পতা নাছিল। সেই দিনা সি নিজে তাইৰ লগত বন্ধুত্ব স্থাপন কৰিলে আৰু তেতিয়াৰ পৰাই সিহঁত দুয়ো ভাল বন্ধু হৈ পৰিল। ৰাহুলে এদিন ধৃতিস্মিতাক প্ৰেমৰ প্ৰস্তাৱো আগবঢ়ালে। ধৃতিয়ে জানিছিল সি ভাল ল'ৰা বুলি। গতিকে তাৰ প্ৰস্তাৱ গ্ৰহণ কৰোতে তাইৰ কোনো সমস্যা নাছিল। কিন্তু তাই ইমান বছৰে অমৃতৰ প্ৰস্তাৱলৈ অপেক্ষাত আছিল। সেইদিনা তাই বহুত ভাবিলে— অমৃতে হয়তো তাই ভবাৰ দৰে অকণো ভৱাই নাই। অৱশেষত তাই ৰাহুলৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে। ৰাহুলে তাইক হিয়া ভৰাই ভাল পাইছিল হেনো কলেজলৈ অহাৰ প্ৰথম দিনৰ পৰাই। কিন্তু তাইক ক'বলৈ সাহস গোটাব পৰা নাছিল। এতিয়া সি তাইক পাই অত্যন্ত সুখী। ধৃতিস্মিতাই তাক মৰম দিবৰ বাবে যথেষ্ট চেষ্টা কৰিলে। ৰাহুলৰ মৰমে তাইক অমৃতৰ কথা পাহৰাই পেলালে। কিন্তু ধৃতিৰ কথা ইমানতে শেষ নহ'ল। এদিন তাই কলেজলৈ আহি থাকোতে লগ পালে অমৃতক। সিও একেলগে আহিল তাইৰ লগত। খবৰ-পাতি, পঢ়া-পাতিৰ কথা কৈ কৈ হঠাতে সি কৈ দিলে— 'ধৃতি, মই তোমাক ভাল পাওঁ, মোৰ জীৱন লগৰী হ'বানে?' উত্তৰ মোক এতিয়া নালাগে, পিছত দিলেও হ'ব।' ধৃতিয়ে যেন একেবাৰেই বুজি নাপালে। মাথোঁ চাই ৰ'ল তাৰ মুখৰ পিনে। ঘৰলৈ আহি এচুকত বহি ভাবিব ধৰিলে অমৃত আৰু ৰাহুলৰ কথা। অমৃতক তাই ভাল পাইছিল। আৰু ৰাহুলে তাইক। তাই ৰাহুলৰ লগত বিশ্বাসঘাটকতা কৰিব নোৱাৰে। ক'ব নোৱাৰাকৈয়ে তাইৰ মুখেৰে বৈ আহিল ছন্দ বিহীন কবিতা এফাকি —

"জীৱনটো যে কেনেকুৱা
আশাবোৰ কিয় আধৰুৱা হয়
সপোন নহয় যদি পূৰণ
তেন্তে কিয় আহে দুখ ভৰা হাঁহিবোৰ"।

# চুনামি

❖ মহম্মদ ৰফিকুল ইছলাম
শ্ৰেণী স্নাতক ২য় বৰ্ষ

মধুময় এটি সন্ধিয়া, টেবুলৰ সন্মুখৰ খিৰিকীখন খুলি কলমটো হাতত ল'লো আৰ্ট কৰিবলৈ। আৰ্ট কৰাটো মোৰ সৰুকালৰে এটা অভ্যাস। সময় পালেই মই আৰ্ট কৰিবলৈ বহোঁ। এনে নহয় যে মই এজন ডাঙৰ 'আৰ্টিষ্ট'। এনেতে মোৰ সন্মুখৰ টেবুলৰ ওপৰত থকা বাতৰি কাকত খনত ডাঙৰ ডাঙৰ আখৰেৰে 'চুনামি' শব্দটো দেখা পাই মোৰ গাৰ নোম শিয়ৰি উঠিল আৰু মনত পৰিল মুকেশৰ কথা। মুকেশ সৰুকালৰ পৰাই এজন মেধাৱী ছাত্ৰ আছিল। শ্ৰেণীত ছাত্ৰ হিচাপে সি আছিল নম্ৰ আৰু চিন্তাশীল। ঘৰত মাক-দেউতাকেও মুকেশকলৈ ডাঙৰ আশা আছিল। মুকেশে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ডিষ্টিংচন সহ উত্তীৰ্ণ হৈ গাঁও তথা স্কুলৰ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। পিতৃয়ে মুকেশে আশা কৰা মতে বাহিৰৰ ভাল কলেজ এখনত নাম ভৰ্তি কৰিলে। তাৰ দক্ষতাই কম সময়ৰ ভিতৰতেই অধ্যাপক-অধ্যাপিকাৰ স্নেহৰ পাত্ৰ কৰি তুলিলে। সিহঁতৰ শ্ৰেণীৰ প্ৰায় সকলো ছাত্ৰ-ছাত্ৰী তাৰ বন্ধুত্বত পৰিণত হ'ল। যদিও মুকেশ গাঁৱৰ ল'ৰা, তথাপিও তাৰ ব্যক্তিত্ব আৰু সততাত ভোল গৈ তাৰ সহপাঠী অনুৰাধা নামৰ ছোৱালী এজনীয়ে তাক প্ৰেমত পৰিছিল।

অনুৰাধা বৰ ধনী ঘৰৰ ছোৱালী আৰু দেখাতো তাই কোনো গুণেই কম নহয়। ঘৰত তাইক সকলোৱে মৰমেৰে 'অনু' বুলিয়েই মাতে। সেতিয়া অনুৱে এদিন নিজে গৈ মুকেশক কৈছিল— 'মুকেশ, মই তোমাক ভাল পাওঁ, তুমি মোক ভাল পোৱানে?' সেতিয়া মুকেশে নিজৰ চকুহালকে বিশ্বাস কৰিব পৰা নাছিল। কলেজত প্ৰথম প্ৰৱেশ কৰাৰ দিনা অনুক দেখি মুকেশৰ বুকুখন ধপ্‌ধপাইছিল। কিন্তু সেই দুৰ্বলতাখিনি সি মনতে ৰাখিছিল। "কাৰণ প্ৰেমে ধনী-দুখীৰ বিচাৰ নকৰে, প্ৰেমে মাথোঁ বিচাৰে প্ৰেম।" এইকিষাৰ বাক্য কেৱল কোনো গল্প বা কবিতাতহে শুনা পোৱা বুলি সি ভাবিছিল। কিন্তু সেইদিনা অনুৰ প্ৰস্তাৱ পাই সি দোমোজাত পৰিল। সি কি উত্তৰ দিব একো ভাবি পোৱা নাছিল। কিন্তু চহৰৰ ছোৱালী বুলি সি অলপ ভাবিছিল যদিও তাইৰ প্ৰস্তাৱ মানি ল'বলৈ বাধ্য হৈছিল। অনুৰ প্ৰেমত পৰাৰ পিছত মুকেশৰ যেন সম্পূৰ্ণভাৱে পৰিৱৰ্তন হৈ গ'ল। সিহঁত দুয়োজনে দুয়োজনকে ইমান ভাল পায় যে এদিন দেখা নকৰাকৈ থাকিব নোৱাৰে। সিহঁতে দুয়ো যেন সদায় সপোনৰ আকাশত উৰি থাকে। সিহঁতৰ প্ৰেম এনেদৰে দীঘদিন ধৰি চলি থকাৰ পিছত হঠাৎ অনু কলেজলৈ নহা হ'ল। অনু কলেজলৈ নহাত মুকেশে হতাশ হৈ পৰিল। মুকেশে বহু চেষ্টা কৰিও অনুৰ কোনো খা-খবৰ নাপালে। এদিনাখন মুকেশে দুখ মনেৰে অনুৱে দিয়া চিঠিবিলাক পঢ়ি আছিল। সেই সময়ত ডাকোৱালে এজনে মুকেশক চিঠি এখন দি গুচি গ'ল। চিঠিখন অনুৱে পঠিয়াইছিল। মুকেশে তৎক্ষণাত চিঠিৰ খামটো খুলি চিঠিখন পঢ়িবলৈ আৰম্ভ কৰিলে। চিঠিখনত লিখা আছিল—'মৰমৰ মুকেশ, মই তোমাক সঁচাকৈ ভাল পাইছিলো আৰু তুমিও মোক পাইছিলা। কিন্তু আমাৰ সপোন এক পূৰ্ণ নহ'ব। তুমি মোক পাহৰি যোৱা। কাৰণ মোৰ দেউতা আপোনাৰ এটা কোম্পানী এটাত কাম কৰে। সেই কোম্পানীৰ মালিকৰ ল'ৰাৰ লগত অহা ৫ মাৰ্চত মোৰ বিয়া ঠিক কৰা হৈছে। গুডবাই'। মুকেশৰ সেই সোণালী সপোনবোৰ যেন নিমিষতে পুৰি ছাই হৈ গ'ল। মুকেশৰ সৰ্বশৰীৰ কঁপিবলৈ ধৰিলে আৰু অচেতন হৈ পৰিল। লগে লগে মুকেশক চিকিৎসালয়লৈ লৈ যোৱা হ'ল। ৬ মাৰ্চত অনু জাপানলৈ গুচি গ'ল। প্ৰকৃতি যে কি নিষ্ঠুৰ। অনুৰ সেই সংসাৰ বেছি দিন নাথাকিল। ১১ মাৰ্চৰ দিনা জাপানত হোৱা প্ৰলয়ংকৰী ভূমিকম্প আৰু চুনামিৰ ফলত সিহঁতেও প্ৰাণ হেৰুৱাবলগীয়া হ'ল। মুকেশৰ অৱস্থা যদিও কিছু উন্নত হৈছিল, এনে খবৰ শুনি তাৰ অৱস্থা পুনৰ বেয়াৰ দিশে ঢাল খাবলৈ ধৰিলে আৰু অৱশেষত মুকেশেও এই সংসাৰৰ পৰা বিদায় ল'লে।





# তেজেৰে ৰাঙলী এই পৃথিৱী

❖ ৰিজুৱানা চুলতানা
স্নাতক ১ম বৰ্ষ (বিজ্ঞান শাখা)

মানুহজন নাই বুলিয়ে যেন হোৱা হ'লনে? আৱৰ্জনা থকাতো যায় বুলি কৈ ক'লৈনো গ'ল? দিন-কাল বেয়া। ক'ৰবাত কিবা অঘটন ঘটা নাইতো? নাই, তাই এইবোৰ কি ভাবিছে, এই ধৰণৰ পৰা উঠি বহিল বাণী। সান্ধ্য পাখিৰাই এতিয়া। ভাই মাহে নাহে চুৰাৰ মুখলৈ খাওঁৱাই গ'ল। সুৰুযে এতিয়া বিদায়ৰ বাবে সাজু হৈছে। চৰাইবোৰে ঘৰমুখা হৈছে। তাই দূৰলৈ চাই পঠিয়ালে, নদীখনৰ সিপাৰলৈ। তাইৰ চকুত পৰিল কিছুমান ধ্বংসস্তূপ। জুইয়ে পুৰি থৈ যোৱা ঘৰ-দুৱাৰ, গছ-গছনিবোৰ। তাই এইবাৰ নদীখনলৈ চালে, নদীৰ পানীত উটি গৈ আছে ধোঁৱা বৰণীয়া ছাইবোৰ, যিবোৰ পানীত স্থিতি কৰা বৰণ ধাৰণ কৰিছে। যিমানে বাণীয়ে কথাবোৰ দকৈ ভাবিছে সিমানে বাণীৰ মনত পৰিছে যোৱা কালি হৈ যোৱা অমানবীয় ঘটনাবোৰ। চকুৰ আগত ভাঁহি উঠিল সেই নিৰ্মম দৃশ্যবোৰ। কিছুমান নিষ্ঠুৰ বৰ্বৰ মানুহে সিহঁতৰ গাঁওখন নিজৰ অধীনত লোৱাৰ বাবে হাতত জুইৰ শিখা লৈ ঘৰ-দুৱাৰবোৰত জুই লগাইছে। এই জুইত গাঁৱৰ মানুহবোৰৰ ঘৰ-দুৱাৰ দপ্ দপাই জ্বলাৰ লগে লগে জ্বলি পুৰি ছাই হৈ গৈছিল তেওঁলোকৰ সমস্ত আশা আকাংক্ষা। প্ৰাকৃতিক সৌন্দৰ্য্যৰে সমৃদ্ধ এই জামোলাপুৰ গাঁওখন চিৰদিনৰ বাবে হেৰাই গ'ল পৃথিৱীৰ বুকুৰ পৰা। এই জুইত কিছুমান মানুহ পুৰি মৰিল আৰু জীয়াই থকাকেইজনে আশ্ৰয় লৈছেহি নদীৰ ইপাৰৰ গাঁৱৰ স্কুলখনত। বাণীৰ কাণত এতিয়াও শুনি আছে সেইনিৰীহ মানুহবোৰৰ আৰ্তনাদ, ল'ৰা-ছোৱালীবোৰৰ কান্দোন। চাৰিওফালে কেৱল বাণীয়ে দেখিছে জুই আৰু ধোঁৱা। তাই চকু দুটি জপাই দিলে।

হঠাৎ জুকি মাতত তাই ভাবনাৰ সাগৰৰ পৰা উভতি আহিল, মা মা, দেউতা এতিয়ালৈ অহা নাই কিয়? কেতিয়া আহিব মা? কিন্তু তাই কি উত্তৰ দিব। তাইতো নাজানে হুসেন এতিয়ালৈ কিয় ঘূৰি অহা নাই? ক'লৈনো যাব পাৰে? তেওঁৰ লগত মোৰ মহেশ আৰু মাধৱহঁত কেতিয়াবাই শিবিৰলৈ উভতি আহিল; কিন্তু হুসেন এতিয়ালৈ উভতা নাই। সিহঁতক বাণীয়ে হুসেনৰ বিষয়ে সুধিছিল, কিন্তু তেওঁলোকে হুসেনৰ বিষয়ে

*কিছুমান নিষ্ঠুৰ বৰ্বৰ মানুহে
সিহঁতৰ গাঁওখন নিজৰ
অধীনত লোৱাৰ বাবে
হাতত জুইৰ শিখা লৈ ঘৰ-
দুৱাৰবোৰত জুই লগাইছে।
এই জুইত গাঁৱৰ
মানুহবোৰৰ ঘৰ-দুৱাৰ দপ্
দপাই জ্বলাৰ লগে লগে
জ্বলি পুৰি ছাই হৈ গৈছিল
তেওঁলোকৰ সমস্ত আশা
আকাংক্ষা। প্ৰাকৃতিক
সৌন্দৰ্য্যৰে সমৃদ্ধ এই
জামোলাপুৰ গাঁওখন
চিৰদিনৰ বাবে হেৰাই গ'ল
পৃথিৱীৰ বুকুৰ পৰা।*

একো ক'ব নোৱাৰিলে। তেন্তে মানুহজন গ'ল ক'লৈ? এইবাৰ এশ এবুৰি প্ৰশ্নই তাইক খুমুৰি ধৰিলে।

এইবাৰ তাইৰ 'জুৰিৰ কথা মনলৈ আহিল, তাই পুৱাৰ পৰা একো খোৱা নাই। চৰকাৰী মানুহবোৰে দিয়া চাউল অলপমান আছে, তাকেই বাণীয়ে বহাই দিলে চৌকাটোত। তিনিটা ভঙা ইটাৰে হ'লেও যোৱাকালি চৌকাটো সজাই দিছিল। বাহিৰৰ পৰা জুৰিয়ে গোটাই অনা খৰি কেইডালমানেৰে জুই ধৰিলে। জুইত দিয়া খৰিবোৰ লিৰিকি-বিদাৰি তাই আকৌ আকাশৰ সাগৰত ডুব গ'ল। তাই যেতিয়া বিয়া হৈ হুজেনৰ ঘৰলৈ আহিছিল তেতিয়া সিহঁতৰ ঘৰৰ অৱস্থা বেয়া আছিল। কিন্তু বাণী আৰু হুজেন দুয়ো পৰিশ্ৰম কৰি দিন-ৰাতি কৰি সিহঁতৰ নিচলা অৱস্থাৰ অৱসান ঘটাইছিল। তাৰ পিছতেই জন্ম হ'ল জুৰিৰ। এতিয়া জুৰিৰ প্ৰায় ৫ বছৰ হ'ল। এইবাৰ বাণীয়ে আকাশৰ সাগৰৰ পৰা সাৰ পালে জুৰিৰ কান্দোনত। জুৰিয়ে ফেঁকুৰি ফেঁকুৰি কান্দি আহিছে তাইৰ ওচৰলৈ। বাণীয়ে জুৰিক সোধাত তাই ক'লে— 'মা, কাষৰ খুড়ীয়ে ক'লে দেউতা বোলে আৰু কেতিয়াও নাহে'। বাণীয়ে লগে লগে তাইৰ গালত চৰ সোধাই ক'লে— 'মনে মনে থাক, কি কৈছ এইবোৰ, তোক কোনে ক'লে?' বাণীৰ চকুত চকুলোৱে জুমুকি মাৰিছে। জুৰিৰ পিছে পিছে ফোপোলোপনিকৈ অহা কাষৰীয়ে ক'লে— 'এয়া সঁচা বাণী, হুজেন আৰু নাই? তাক কোনোবাই চুৰীৰে হানি হত্যা কৰিলে। এখাৰ বাহিৰলৈ গৈ চাবা কিছু?' এইবাৰ বাণীৰ চকুলোৱে আৰু বাধা নামানিলে। ৰাতিপুৱাৰ বানৰ দৰে তাইৰ দুই গাল চকুলোৰে উপচি পৰিল। তাই এপাহি গ'ল বাহিৰলৈ। ওলাই গৈ দেখে হুজেনৰ মৃতদেহটো তেজেৰে লুতুৰি পুতুৰি হৈ পৰি আছে। বাণীয়ে কেৱল সেইফালে একেথৰে বগতৰ চাৱনিৰে চাই ৰ'ল। এটি এটি কৈ মনত পৰি গ'ল তাইৰ অতীতৰ কথাবোৰ। কেনেকৈ তাই হুজেনৰ ঘৰলৈ আহিছিল, কেনেকৈ জুৰিৰ জন্ম হোৱাত হুজেনে গাঁৱৰ মানুহক ভোজ দিছিল, গাঁৱৰ মানুহ কেনেকৈ বৰ্তমানৰ হাতত পৰি ধ্বংস হৈ গ'ল ইত্যাদি অনেক কথা। এই মুহূৰ্তত তাইৰ মনলৈ বাৰে বাৰে আহিছে, তাই বাকী জীৱন হুজেনৰ অবিহনে জীয়াই থাকিব পাৰিবনে? এই নিষ্ঠুৰ পৃথিৱীৰ জীৱন যুদ্ধৰ পাছত যুঁজি নিৰ্জিত দুয়ো এই সংসাৰত শান্তিৰে থাকিব পাৰিবনে?

## মুকুতামালা

আমাৰ লাইব্ৰেৰীত কোনো মানুহ শুই থাকিব খুজিলে আমি তেওঁক আদৰণি জনাওঁ। সাৰ পাই থকা মানুহবোৰৰ বাবেহে কিতাপবোৰ চুৰি হোৱাৰ বা ক্ষত-বিক্ষত হোৱাৰ আশংকা থাকে।

— কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰিক।

নীতিৰ কাৰণে সেইটো আছিল সৌন্দৰ্য, বিশ্বাসৰ কাৰণে ঈশ্বৰ আৰু এলিমেন্টৰ কাৰণে উৰ্বৰতা।

যেনে মানুহবোৰে তোমাক ক'ব তেওঁলোকে কি কৰি আছে। কবিতে: বকী আৰু সকলোৱেই ক'ব তেওঁলোকে কি কৰি আছে। মূৰ্খ মানুহবোৰে ক'ব তেওঁলোকে কি কৰিব বুলি ভাবি আছে।

— উপনেৰী।

কেৱল কোনো উদ্দেশ্যৰ ভিত্তিত বন্ধুত্ব গঢ়ি তুলিলে সেই বন্ধুত্ব স্থায়ী নহয়।

— হেৰোডেল জনুচন।

— ফ্ৰাপিংছ ফেবাৰেল।





# সপোন

❖ মাহমুদুৰ ৰহমান
স্নাতক ২য় বৰ্ষ (কলা)

'সপোন' — এটা সাধাৰণ শব্দ। তিনিটা আখৰেৰে সু-সজ্জিত এটা অতি স্বাভাৱিক শব্দ। কিন্তু এই স্বাভাৱিক শব্দটোৰ তিনিটা আখৰৰ বিন্দুৱে বিন্দুৱে লুকাই থাকে মানুহৰ জীৱনৰ ভৱিষ্যতৰ আশাবোৰ। পৃথিৱীৰ প্ৰতিজন মানুহৰ মাজত আছে এজন অতি স্বাভাৱিক ল'ৰাৰ সপোন মই লক্ষ্য কৰিছোঁ। সপোনটো স্বাভাৱিক।

এজন নিঃসহায় ল'ৰা। কষ্ট কিম্বা কিবা কৰিব খুজিলেও কৰিব নোৱাৰে। সমাজৰ দুৰ্নীতি, অন্যায়-অবিচাৰ সহ্য কৰিব নোৱাৰে। যেতিয়া দুৰ্নীতিৰ বিৰুদ্ধে থিয় দিব বিচাৰে যদিও কেতিয়াও তেওঁক সঁহাৰি নিদিয়ে। অৱশেষত ঘৰলৈ গৈ বিচনাত অকলে অকলে সপোন দেখে। তেওঁ সপোন দেখে যে এদিন তেওঁ লিখা-পঢ়া কৰি ডাঙৰ মানুহ হৈ সমাজৰ পৰা এই দুৰ্নীতি-অন্যায়-অবিচাৰবোৰ আঁতৰাই পেলাই এখন সুস্থ সমাজ প্ৰতিষ্ঠা কৰিব। সেই সমাজত নাথাকিব যেনে অন্যায়, নাথাকিব কোনো অবিচাৰ, নাথাকিব কোনো নেইথানী, নাথাকিব কোনো দালাল। সমাজৰ এই অভিশাপস্বৰূপ বস্তুবোৰ আঁতৰাই তেওঁ অকলে সমাজ পৰিষ্কাৰ কৰিব। ল'ৰাজনে নিজৰ জীৱনত বহুতো যন্ত্ৰণা পাইছে। নিজৰ সমস্যাবোৰ পাছুৱাবৰ বাবে তেওঁ যেনেকৈ সমাজৰ ওচৰত মৰমৰ ভিক্ষা খুজিছে। কিন্তু যাৰ ওচৰত মৰমৰ ভিক্ষা খুজিছে তেওঁলোকেই ল'ৰাজনক আজিইতকৈ বেছি যন্ত্ৰণা দিছে। অৱশেষত ল'ৰাজনে ভিক্ষাৰ পথ ত্যাগ কৰি নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ সপোন দেখিছে। তেওঁ সপোন দেখিছে নিজকে মানুহ বুলি পৰিচয় দিয়াৰ। নিজৰ বুকুৰ মাজত থকা যন্ত্ৰণাবোৰ হাজাৰ হাজাৰ মানুহৰ মাজত দাঙি ধৰিবলৈ। ল'ৰাজনে নিজৰ জীৱনত পোৱা প্ৰতিটো যন্ত্ৰণাৰ বিৰুদ্ধে তেওঁ থিয় দিব। সমাজৰ অন্যায়-অবিচাৰৰ বিৰুদ্ধে জীৱনৰ শেষ পৰ্যন্ত থিয় হৈ চিঞৰি চিঞৰি তেওঁৰ মনৰ ভাৱবোৰ মানুহৰ মাজত বিতৰণ কৰিব আৰু প্ৰতিটো মানুহে তেওঁৰ এই উচ্চ সুৰত সঁহাৰি দি হাত চাপৰি দিব। এই হাজাৰ হাজাৰ মানুহৰ হাত চাপৰিৰ প্ৰচণ্ড শব্দত অন্যায়-অবিচাৰবোৰ ভয়তে সমাজৰ পৰা লুপ্ত হৈ যাব। সমাজৰ প্ৰতিটো মানুহে যেন ল'ৰাজনক মৰম কৰিব। তেওঁৰ লগত দুৰ্নীতিৰ বিৰুদ্ধে সহযোগিতা কৰিব।

ল'ৰাজনে যেতিয়া জীৱনৰ এইটো মুহূৰ্ত পাব তেতিয়া তেওঁক মানুহ বুলি বিবেচনা নকৰা মানুহে নিজৰ নিজৰ ঘৰত বহি নিজকে ঘৃণা কৰিব। তেতিয়া ল'ৰাজনে এই মানুহবোৰলৈ চাই এটা মিচিকিয়া হাঁহি মাৰিব, আৰু এই মিচিকিয়া হাঁহিৰ মাজতে লুকাই থাকিব অপাৰ শান্তিৰ সমাৱেশ।

এতিয়া ল'ৰাজনৰ হৈ মোৰ মনত প্ৰশ্ন উঠে। তেওঁৰ সপোনটো বাস্তৱত পৰিণত হ'বনে? এষাৰ কথা আছে— যাৰ মনত থাকে সততা, যাৰ থাকে সৎ লক্ষ্য, তাৰ সপোন নিশ্চয় পূৰণ হয়।

মই ল'ৰাজনৰ মনত সততা দেখা পাইছো। ল'ৰাজনৰ লক্ষ্যটোৱেই মই সৎ বুলি বিবেচনা কৰো। সেয়েহে মোৰ অন্তৰৰ কোনো এটা ভগ্নাংশই যেন কৈছে— 'হয় ল'ৰাজনৰ সপোন নিশ্চয় পূৰণ হ'ব'।









# কবিতা কানন





বি. এইচ্. কলেজ আলোচনী ◆ ২০০৯-১০ ইং বৰ্ষ

# কান্দোন

**খুৰছেদ আলম**
সহযোগী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

অশুভ শক্তিৰ পৰশত
প্ৰাণবন্ত মানৱতাৰ শক্ৰ
তিৰ্‌বিৰাই থকা তৰাবোৰে
মিচিকিয়াই হাঁহে
সিহঁতবোৰ অবুজ, নিশকতীয়া
নিজেই আনৰ চিকাৰ!
গভীৰ নিশাৰ ৰঙীন সপোনে
বিভিয়াই মাতে
উজ্বল তৰাবোৰে
সমাধানৰ ইংগিত দিয়ে
এয়া বেদনাদায়ক ক্ষমতা
নহয় কৰ্তৃত্ব
নহয় ভ্ৰাতৃত্বৰ বান্ধোন
স্পৰ্শত হ'ল বিদায়ী কান্দোন।

# ডেউকা

**বিনয় ঘোষ**
স্নাতক ২য় বৰ্ষ (কলা)

শেষ বিদায় হৈ
মোৰ শৰীৰ এৰি
আত্মা ওলাই গ'ল ডেউকা বিচাৰি
দুৰন্বীয়ে সুধিলে
কি আছিল তোমাৰ নাম
জানিব খুজিছোঁ কি আছিলা তুমি
হিন্দু নে মুছলমান
মই ৰাম নহওঁ
ৰাবৰো নহওঁ
মই কেবল আত্মা
পৃথিৱীৰ চৌম্বকত্ব
মহাশূন্যৰ ভাৰসাম্যহীনতাৰ
উৰ্দ্ধৰো যি সত্তা
পৰমাত্মা,
মই তেওঁৰেই অস্তিত্ব ....।



# সংগঠন আৰু এক বিষাদ

কংকন শৰ্মা
স্নাতক ২য় বৰ্ষ (কলা)



অসমী আই,
কবিতা এটা লিখিম নেকি
সপোনবোৰক লৈ?

অসমী আই,
তুমি দিয়া মৰমেৰে
গামোচা এখন লগাম নেকি
য'ত আমাৰ
পূৰ্ব-পুৰুষৰ পৰশ থাকিব নিগৰি?
অসমী আই,
বাগিছা এখন সাঁজিম নেকি
নতুন নতুন পখিলাৰ
আগমণৰ কাৰণে ?

নালাগে। কিন্তু কিয়?
সংগ্ৰামীৰ ৰক্তিম স্বপ্নভাষাৰ
গগণ পোৱাৰ প্ৰয়াসৰ কবিতা,
ঠেনুকা মৰমৰ অপপ্ৰয়োগ কৰি
লজ্জা নিবাৰণত ব্যৰ্থ হোৱা
ফাহি যোৱা গামোচাখন

আৰু বাগিচাখন?
পুষ্পপূৰ্ণ বাগিচাত বাৰুদৰ ধুমুহাৰ তাণ্ডৱ

অকালত সৰি পৰিল ফুলৰ পাপৰি
খহি পৰা তগৰৰ বুকুৰ পৰা
বিয়পি পৰিল মাথোঁ
স্বপ্নগধুৰ জীৱন হেৰুৱাৰ বেদনা

তুমি কি বুজিবা
হেৰোৱা ফুলৰ সুগন্ধিৰ মোল
দগ্ধ শৰীৰেহে জানে
জ্বলা জুইৰ উত্তাপৰ সোঁত।





# সময় পানীৰ সোঁত

নিতুপৰ্ণা দাস
উঃ মাঃ ১ম বৰ্ষ (কলা)

ৰূপালী মুকুতাবোৰে কিয় বাৰু হাঁহে
সোণালী ধাননি ভৰা বতাহত হালে।
ৰূপালী পোহৰ বাৰু কিয় দিনত পৰে,
ফুলবোৰে উলাহতে মিচিকিয়াই হাঁহে।
ৰ'দত নদীৰ পানী চিক্‌মিক্ কৰে,
সোণালী বৰন কিয় তাত সৰি পৰে।
ৰূপালী নিয়ৰৰ কণা কিয় ভাল লাগে,
সোণালী সময়বোৰ ক'লৈ উৰা মাৰে।
সময় পানীৰ সোঁত ঘূৰি আৰু নাহে
জীৱনৰ লেখ জোখ তাৰেই পাহে পাহে।



# তোমাক প্ৰথম দেখাতেই

সনাতন কৰ্মকাৰ
স্নাতক ১ম ষান্মাসিক (বিজ্ঞান)

তৃষ্ণাতুৰ মৰুত এটোপ বৰষুণ পৰিছিল
তোমাক প্ৰথম দেখাতেই;
হৃদয় সপিলো তোমাৰ কাষত
মই অজানিতেই।

তোমাৰ মনাকাশত পাখি মেলিলে
মোৰ মন পখিলাই;
জীৱন কানন সুগন্ধিত কৰিলা তুমি
প্ৰেমৰ পুষ্প হৈ।

স্তব্ধ হৈ পৰিছিলো সেই মুহূৰ্তত
তোমাৰ কাজলসনা চকুযুৰি চাই;
নিৰ্জীৱ সপোনেও সাৰ পাই উঠিব
তোমাৰ পৰশ পাই।

# মাথোঁ তোমাৰ বাবেই

বিজয় সৰকাৰ
স্নাতক ২য় বৰ্ষ

মাথোঁ তোমাৰ বাবেই গঢ়িছিলো মই
সেই শৈশৱৰ মধুৰ বেলাত
এটি প্ৰেমৰ মন্দিৰ
আজি তোমাৰ এটা কথাতেই
টুকুৰা টুকুৰ হৈ খহি পৰিল
সেই প্ৰেমৰ মন্দিৰ
আজি মোৰ সম্পূৰ্ণ শৰীৰটো যেন
ভূমিকম্পৰ দৰে থৰথৰকৈ
কঁপি আছে
কিয় জানানে ?
নাজানা, নহ'লে তুমি
বুজিব পাৰিলাহেঁতেন
মোৰ বহুত কবিতা,
কল্পনা, বাসনা,
অৰ্থহীন হৈ পৰি থাকিল
মোৰ হৃদয়ৰ গভীৰ কোঠাত।
সোণালী সপোনবোৰ
উৰি গুচি গ'ল গতা চিলনীৰ স'তে
সৌ আকাশৰ ফালে।







# যিটো গলিৰ নাম যন্ত্ৰণা

জোনাকী দাস
স্নাতক ২য় বৰ্ষ (কলা)

তুমি জানিব বিচৰা নে
মই ক'ত থাকো ?
জীৱন নামৰ পথৰ কাষৰ
সেই গলিটোত ...
যিটো গলিৰ নাম যন্ত্ৰণা
মই তাৰেই বাসিন্দা
য'ত ধীৰ সোঁতেৰে
বৈ যায় আশাৰ নৈ এখনি
য'ত ইন্দ্ৰধনুৰ সাতোটি ৰঙেৰে ৰচা
মোৰ সপোনবোৰে ক্লান্তিৰ সুৰ তোলে
হৃদয়ত তাহানিৰ স্মৃতিবোৰে
কোলাহল তোলে।
সেই গলিটোত ....
য'ত বিচাৰি বিচাৰি পালো
প্ৰেম নহয় প্ৰেমৰ মৰিচীকা
অকল ময়েই সেই গলিটোৰ বাসিন্দা
যাৰ নাম যন্ত্ৰণা।





# মানৱ ধৰ্ম

ড° আব্দুল কাদেৰ আহমেদ
মুৰব্বী অধ্যাপক, আৰবী বিভাগ

মানৱ সেৱা পৰম ধৰ্ম
সকলো ধৰ্মৰ মূল,
সকলোৰে বাবে কৰিবা কৰ্ম
নাই তাত জাতি কুল।
স্বাৰ্থ ত্যাগ কৰিব পাৰিলে
জগতৰ উন্নতি হ'ব,
প্ৰকৃত আনন্দ হিয়াত পৰিব
স্বৰগৰ পাৰিজাত ফুলিব।
পাৰ্থিব জগতৰ উৎকৃষ্ট বস্তু
আধ্যাত্মিক সাধনাৰ কথা,
মানৱ জীৱনৰ সকলো দিশতে
উন্নতিৰ মানদণ্ড সততা।
সৃষ্টিজীৱৰ শ্ৰেষ্ঠ মানুহ
মানুহেই হ'ল দেৱ,
আন সমূহ সৃষ্টিজীৱ
মানুহক কৰে সেৱ।





# সৰাপাত

কৌশিক শৰ্মা
প্ৰাক্তন ছাত্ৰ

(১)

নৈপৰীয়া নিৰ্জনতাত দুলি দুলি
জোনাক খহিছে নৈখনৰ বুকুত
পাৰত বহি বহি মই
ছাই কৰি গৈছো সময়....

(২)

মোৰ নিচুপ ওঁঠৰ সাথৰ
তোমাৰ দুচকুৰ ডাৱৰীয়া বতৰ
হেৰাই গ'ল কঁপা কঁপা এযোৰ ওঁঠ
শূন্যতাৰ সাগৰ.....

(৩)

লাজ লাজ দচকুৰ ভাষা
ঘন ঘন উশাহৰ মাদকতা
জীৱনৰ এচামুচ মিঠা
প্ৰেমৰ ৰক্তজবা।
প্ৰেমৰ ৰক্তজবা।



# তুমি আহিবা

ৰশ্মিৰেখা দাস
স্নাতক ২য় বৰ্ষ (বাণিজ্য)

আকাশত নীলা নীলা মেঘবোৰে ঢৌ খেলিছে
নৈখনে কুলকুলকৈ গীত জুৰিছে
নাচনী বহাগৰ বতৰা লৈ
ফাগুণৰ পচোৱাই মন শীতলাই তুলিছে
সূৰ্যটো আজি ডুব নাযায়
চৰাইবোৰ আজি বাহলৈ নাযায়
তোমাৰ অপেক্ষাত সিহঁতেও ৰৈ আছে
গছবোৰে দীঘলদি ডিঙি মেলি চাইছে
তুমি আহিছা নেকি বুলি
পাতৰ ফাঁকেৰে সূৰ্য্যৰ ৰশ্মি আহি
মোক প্ৰেৰিত কৰে
তুমি আহিবা বুলি....

# প্ৰবল ধুমুহা

নিভামণি দাস
স্নাতক ২য় বৰ্ষ (কলা)

মোৰ মনৰ পঁজাটিক
ভাঙি লৈ গ'ল;
এজাক প্ৰবল ধুমুহাই।
য'ত আছিল মোৰ,
সপোন আৰু বাস্তৱ।
য'ত এজোপা গোলাপ
সদায় ফুলি আছিল
আলফুলকৈ হালিজালি।
সেই ধুমুহাৰ তীব্ৰ
গতিয়ে মোৰ পঁজাটিক
উৰুৱাই নিলে।
সেই বতাহৰ লগত বিলীন হৈ গ'ল
মোৰ আশা, মোৰ সপোন
যি মোৰ সদায় বুকুৰ আপোন
আৰু এই ধুমুহাই মোৰ
জীৱনটোক দিশহাৰা কৰিলে।



# তোমালৈ

চন্দামিতা দাস
স্নাতক ২য় বৰ্ষ (বাণিজ্য)

জিলিকি থাকিবা সদায় মোৰ হৃদয়াকাশত
ফুলি থাকিবা সদায় মোৰ মন বাগিচাত থোপাথোপে
দুখৰ ৰাতি মেলৈ পঠাই দিবা তোমাৰ চকুপানী
তোমাৰ আকাশত সম্প্ৰতি মই উৰণীয়া ফিনিক্স
সামৰি লোৱা মোক তোমাৰ নীলা নীলা মেঘৰ মাজত
মই যেন আজীৱন ডুবি থাকিম তোৰ মৰমৰ সাগৰত
ওৰে দিন ওৰে ৰাতি।





# দুখ

সুদীপ কৰ্মকাৰ
বাণিজ্য ২য় বৰ্ষ (বাণিজ্য)

নিশাৰ এন্ধাৰবোৰ আহিলেই
তোমালৈ ৰবকৈ মনত পৰে,
এদিন হয়তো তুমিয়ে লৈ আহিছিলা
মোৰ ওচৰলৈ বহুতো সুখ।
আৰু কৈছিলা
আনে নল'লেও মই ল'ম
তোমাৰ দুখবোৰ মোৰ মোনাত।
সেই সুখবোৰৰ মাজতে বিচাৰি পাইছিলো
তোমাৰ হৃদয়ৰ মৰম
আৰু মোৰ নুমাই যোৱা জীৱনৰ বন্তি।
কিন্তু কিয় বাৰু লৈ গ'লা
মোৰ সুখবোৰ
তোমাৰ দুখৰ সৈতে?
বজাৰত বিস্ফোৰিত বোমাৰ শব্দত
তুমি হেৰাই গ'লা
আৰু মোৰ সুখবোৰ
ছাই হৈ গ'ল নিমিষতে।



# পোহৰৰ যাত্ৰা

মিনাক্ষী দাস
উঃ মাঃ ১ম বৰ্ষ (কলা)

বাটপথ উদুলি মুদুলি
পোহৰৰ সন্ধানত
জ্ঞানৰ কঁঠীয়াতলীত
জ্ঞান অন্বেষণৰ আমি
আখৰা কৰিছোঁ।
মোৰ অগ্ৰজ সকল
যোৱাৰ বাটেদি
আমি আগবাঢ়িছো
পোহৰ বিচাৰি।
আমাৰ যাত্ৰাৰ শেষ নাই
দৃঢ়তাৰ আলোকেৰে
জয় যাত্ৰা কৰি
ধুনীয়া কৰিম মই,
মোৰেই ধৰণী।

# মা

মাম্পী সৰকাৰ
উঃ মাঃ ২য় বৰ্ষ (কলা)



তুমি মোৰ জান মা,
তুমি মোৰ প্ৰাণ।
তুমি অবিহনে
গাব নোৱাৰো জীৱনৰ গান।
তুমিয়েই মোৰ চকুলো,
তুমিয়েই মোৰ হাঁহি।
তুমিয়েই মোৰ সুখ-দুখ,
তুমিয়েই মোৰ আনন্দ।
তুমিয়েই মোৰ গান মা,
তুমিয়েই মোৰ ছন্দ।
তোমাৰ চৰণত পাওঁ
সবগৰ আনন্দ।
মা, তোমাৰ মুখৰ হাঁহিৰ লগত,
কৰিম কিহৰ তুলনা
তুমি স্বৰ্গৰ যেন,
দেৱী শ্ৰী অন্নপূৰ্ণা।
মা, তোমাৰ কথা,
কেতিয়াও নহয় শেষ।
আৰু তোমাৰ ঋণ,
কেতিয়াও নহয় শোধ।
মা, যদি কোনো ভুল কৰো,
সদায়ে কৰি দিবা ক্ষমা তুমি।





# জীৱনৰ সুৰ

অনুপম বৰ্মন
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)

এটি মিঠা সুৰ হৈ থকা জীৱন,
যেতিয়া নামে কালসন্ধ্যাৰ এন্ধাৰ,
তাৰ আঁচলেৰে মেৰিয়াই
এটা পূৰ্ণিমাৰ জোন।

জোনাকীতো নাহে
মাজ নিশাৰ এন্ধাৰ ফালি
ৰূপোৱালী নহয়
বুকুৰ কেঁচা সপোনবোৰ।

মাথোঁ থাকে
নিজম মধ্যিশালিৰ নিস্তব্ধতা।
সুৰবোৰত আউল লগায়
মাজৰাতিৰ শিয়ালৰ হোৱা
আৰু ফেঁচাৰ কুৰুলি।
বতাহত কঁপি থাকে
আইৰ বগা চাদৰৰ আঁচল।

চেনেহীয়ে নামাতে আজি কালি
কথাও নাপাতে
তাইৰ প্ৰিয়তমৰ লগত।
সুৰৰ বিকৃতিত
মাৰ যায়
পূব আকাশৰ হেঙুল ভাস্কৰ।



তেতিয়া থাকো মাথোঁ
মই আৰু মোৰ নিসংগতা।
মাজে সময়ে সংগ দিয়ে
ৰাস্তাৰ পগলা কুকুৰবোৰে
(ক্ষণিকৰ বাবে)
সিহঁতৰ মাতাল ৰাউচিত
বিচাৰি থাকো;
মোৰ জীৱনৰ প্ৰকৃত সুৰ
(যেতিয়ালৈকে বিচাৰি নাপাওঁ)

# বসন্তৰ প্ৰেমিকা

বফিকুল ইছলাম
উঃ মাঃ ১ম বৰ্ষ (কলা)

গছবোৰ সেউজীয়া হ'ব ধৰিলে
আমনি আমনি লগা মনটোত
কোন প্ৰেমিকাই জানো সুহুৰি মাৰি গ'ল
মৰম লগাই।

ইফালে মই
সিফালে তুমি
বুকুত মোৰ আৰু তোমাৰ ছাঁ
কি বাটে সোমালা তুমি
দুচকুত ইমান ৰ'দালি!
এনে কি ছটিয়াই দিয়া
গছ-বিৰিখৰ গাত
ইমান সুগন্ধি
ইমান গুৱনি!

হৃদয়ত কথা মেলে
লহপহকৈ বাঢ়ি আহে
তোমাৰ কথা মনত পৰে।



# তুমি বুকুৰ পথাৰলৈ এবাৰ আহা

মিণ্টু হুছেইন
উঃ মাঃ ২য় বৰ্ষ (বিজ্ঞান)

বাৰিষাৰ প্ৰথমজাক বৰষুণ হৈ
বুকুখন এবাৰ চুই যোৱা.....
ধুই নিয়া বুকুৰ সমস্ত যন্ত্ৰণা
জোনাক হৈ নামি আহা
প্ৰেমৰ জখলা বাই
পোহৰাই নিয়া নিস্তেজ এন্ধাৰ কোঠালি
তুমি এবাৰ চকুৰ সাগৰৰ নীলাবোৰত
হেৰুৱায় দিয়া মোৰ প্ৰেমিক হৃদয়খন
হাঁহিৰ টৌবোৰত লৈ অহা ৰঙবোৰ
ছটিয়াই দিয়া মোৰ দেহৰ ভাজে ভাজে।





# ভাৱনা

মনোজ কুমাৰ দাস
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)



দিন বৈ যায় সময়ৰ সোঁতত,
ৰাতি বৈ যায় এন্ধাৰৰ আদালতত;
মাথোঁ তুমি থাকা মোৰ মনত
দিবা নিশাৰ এই সংমিশ্ৰণত।

প্ৰতিটো খোজত প্ৰতিটো মুহূৰ্তত
তোমাৰেই ভাৱনা, তোমাৰেই কল্পনা;
তুমি মোৰ আটাইতকৈ প্ৰিয়জন
এবাৰ আহি মোক দিয়া সান্ত্বনা।

নাও মেলিছিলোঁ একেলগে দুজনে,
কিন্তু নাথাকিল অটুট.....
পানীৰ এই প্ৰবল সোঁতত
পেলাই যে দিলা মোক নদীৰ
এই মাজডোখৰত
তথাপিতো জীয়াই আছোঁ
আশা ভাৱনাক লৈ,
নিষ্ঠুৰতাৰ এই ভাৱ দেখি মনত খেলে
যাম বহু দূৰলৈ।
অথচ বাধ্য মই ভাৱনাক
লৈ যাবলৈ।

দিলা কিয় ইমান বেদনা
তুমি হয়তো নাজানা
জীয়াই থকাৰ মন্ত্ৰ হ'ল যন্ত্ৰণা।

সেই ভাৱনা নহয় কেতিয়াও শেষ
নপৰে কেতিয়াও অন্ত।
যদিও নোহোৱা মোৰ.....
ভাৱনাক লৈয়ে জীয়াই থাকিম
আজীৱন।

# বিচ্ছুৰিত পথাৰ

পাৰবিন চুলতানা
স্নাতক ৩য় বৰ্ষ (কলা)

যোৱা ৰাতি ৰাজধানীৰ পৰা প্ৰবাহিত
প্ৰচণ্ড বজাহজাকে
মোৰ হৃদয়ৰ সেউজীয়া চুহি খাইছিল
বিচ্ছুৰিত হৈছিল লক্ষীপথাৰ
শ্যামলী সোণবৰণীয়া পথাৰ
এতিয়া জনযুদ্ধৰ পাকস্থলী
সেউজীয়া হৃদয়ত সূৰ্য্যৰ সোণালী স্তবক
বিচ্ছুৰিত প্ৰতিখন হৃদয়ত
প্ৰতি টোপাল তেজ
কুচ্ছবিদ্ধ
যুবক-যুৱতীৰ দেহত কুটকুটাই
আহ!
ভৰি দুখনৰ ওপৰত থিয় হোৱাৰ
কি যে স্বৰ্ণময় আকাংক্ষা
লুইতেৰে উজাই আহে লাচিতৰ নাও
এতিয়া বুকুৱে বুকুৱে শোধন কৰি লওঁ আহা
বিষ্ণু ৰাভা, নেলচন মেণ্ডেলা, চে গুৱেভাৰা
আৰু সতীৰ্থ সকল।



# নিসংগতা

ৰুমী কাকতি
স্নাতক ৩য় বৰ্ষ

এই নিষ্ঠুৰ নিসংগতাই
কাঢ়ি নিলে বুকু উদং কৰি
মোৰ আশাৰ সেউজী ধাৰা
সেয়ে মই আজি ঘূৰি ফুৰো
এটুকুৰা আলসুৱা ডাৱৰৰ দৰে
উদাসীন হৈ
কাৰণ
নিঃসংগতাই যে মোৰ এতিয়া সত্ত্বা।
হৃদয় স্পন্দিত মোৰ
আশা-নিৰাশাৰ দোমোজাত
আৰু পাই হেৰুওৱাৰ বেদনাত
ঠিক সাগৰৰ জোৱাৰ-ভাটাৰ দৰে।
এটি দিশহাৰা পখীৰ দৰে যেন
গুচি যাম
নিবিড় ৰাতিৰ মায়াজাল ফালি
বৰদৈচিলাজাক হৈ
তোমাৰ হৃদয়ৰ মণিকোঠালৈ
জনাবানে সঁহাৰি
দুহাত প্ৰসাৰি তোমাৰ
এজাক ভালপোৱাৰ বৰষুণক?
তোমাৰ অনুভৱৰ সাগৰত
মই যে
বিস্মৃতিৰ গৰ্ভত লীন হোৱা এটুকুৰা
মাথোঁ আলসুৱা ডাৱৰ!



# এতিয়া নতুনৰ বতৰ

কাজী ছাবোৱাৰ হুছেইন
উঃ মাঃ ২য় বৰ্ষ (বিজ্ঞান)



এতিয়া নতুনৰ দিন
নতুনৰ বতৰ
বতৰৰ সপোন বুটলিছো

আজিৰ এই শুভক্ষণত
বিয়পি পৰক চৌপাশে
সেউজীয়া আৰু সূৰ্য্যমুখীৰ সুবাস
উজ্বলি উঠক চৌপাশ
ৰ'দৰ উমসনা উজ্বলতা

এই শুভ মুহূৰ্তত
পাহৰি যাওঁক সকলো বিষাদ-বেদনা
আঁতৰি যাওঁক হিংসোময় কল্পনাবোৰ

নতুনৰ আকাশত
উৰি ফুৰক এযুৰি শান্তিৰ কপৌ
নতুনৰ পথাৰত
গজালি মেলক প্ৰেম আৰু ভাতৃত্বৰ বান্ধোন
নতুনৰ বতাহত
বিয়পি ফুৰক সুগন্ধি পখিলাবোৰৰ সুৰভি

এয়া যে নতুনৰ বতৰ
নতুন সপোন দেখাৰ বতৰ
সপোন গুঠক বুকুত সকলোৱে
সপোনবোৰ পাইন গছৰ দৰে ওখ হওঁক
সপোন বোৰ ফলিয়াই ফুলক এমুঠি শান্তি

এয়া যে নতুনৰ বতৰ
সপোন দেখাৰ বতৰ
আজি সকলোৱে আগবঢ়াক
হাতে হাত ধৰি
এখুজি দুখুজি কৈ জীৱনৰ সফল বাটত
আৰোহণ কৰক উন্নতিৰ সৰ্বোচ্চ শিখৰত

এই নতুনৰ আবেশত ৰঙীয়াল হৈ
ৰঙীন কৰক বুকুৰ সমস্ত উদং বাসনা
এয়া যে নতুনৰ বতৰ
কেৱল নতুনৰ

দুখৰ চকুলো মচি
হেঁপাহৰ এটি হাঁহি মাৰি
নতুন নতুন আশাবোৰ কঢ়িয়াও বুকুত

# এটি ৰাতিপুৱাৰ আশাত

প্ৰিংকলা ৰাজবংশী
উঃ মাঃ ১ম বৰ্ষ (কলা)



কেউপিনে নিস্তব্ধতা
এন্ধাৰ ৰাতি
হঠাৎ চকুযুৰি মোৰ মেল খালে
এটা শব্দ বাজি উঠিছে কাণত
গুৰুম্ গুৰুম্
অন্তৰ মোৰ কঁপি উঠিছে
আতংক, কেউফালে মাথোঁ আতংক
কাৰ জানো শিৰৰ সেন্দুৰ মচা গ'ল?
কণমানিজনীৰ 'দেউতা' মাতযাৰ
চিৰদিনৰ বাবে বন্ধ হ'ল।
কেতিয়া জানো ৰাতি পুৱাব
এন্ধাৰ আঁতৰিব?
আঁতৰি যাব মানুহৰ মনৰ পৰা
হিংসা-অত্যাচাৰ
কেতিয়া জানো পুৱাব ৰাতি?



# কবিতা

মঃ ৰাকিবুল হক
স্নাতক ১ম বৰ্ষ (কলা)

তোমাৰ পৰশতেই ফুলিব
ৰঙা গোলাপটি,
দুবৰি বনত চিক্‌মিকাই হাঁহিব
গোলাপৰ পাহিটি,
তাৰেই মোহনাত গাব মৌটিয়ে
সপোনৰ ৰঙীন গীতটি,
কি লৈ ফুলিলা? কি লৈ হাঁহিলা?
তোমাতেই যেন সকলো মতলীয়া।
তোমাৰ স্নিগ্ধ সুবাসত পাহৰিছোঁ
দুখৰ কথাবোৰ,
বকুল বনত পৰি নিজৰাটিয়ে
চাইছে তোমাৰ বেহ-ৰূপটি,
তোমাৰ ৰূপত মুগ্ধ হৈ
পাহৰিছে নিজৰ ঠিকনাটি।







# অনুবাদ সাহিত্য









# যৌতুক

মূল বাংলা - ৰবীন্দ্ৰ নাথ ঠাকুৰ
- অনুবাদ -
❖ ড° চুলতান আলী আহমেদ
সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ



(ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ১৫০ তম জন্মবাৰ্ষিকী উপলক্ষে তেখেতৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ হিচাপে তেখেতৰ 'দেনা পাওনা' গল্পটোৰ অসমীয়া অনুবাদ বি. এইচ্‌. কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আগবঢ়োৱা হ'ল— সম্পাদক।)

পাঁচোটা ল'ৰা জন্ম হোৱাৰ পাছত যেতিয়া ছোৱালী এজনী হ'ল তেতিয়া মাক-দেউতাকে বহু মৰমেৰে তাইৰ নাম ৰাখিলে নিৰুপমা। অৱশ্যে এই বংশত এনেকুৱা চৌখিন নাম আগতে কাকো দিয়া নহৈছিল। সাধাৰণতে দেৱদেৱীৰ নামেৰেই ল'ৰা-ছোৱালীৰ নাম ৰখাৰ নিয়ম আছিল যেনে— গণেশ, কাৰ্তিক, পাৰ্বতী, ইত্যাদি।

এতিয়া নিৰুপমাৰ বিয়াৰ বাবে পাত্ৰৰ সন্ধান চলি আছে। তাইৰ দেউতাক ৰামসুন্দৰ মিত্ৰই বহু ঠাইত সুপাত্ৰৰ সন্ধান কৰিলে কিন্তু মনে বিচৰা দৰাৰ সন্ধান নাপালে। অৱশেষত মস্ত এক ৰায় বাহাদুৰৰ ঘৰৰ একমাত্ৰ ল'ৰাৰ সন্ধান পাই বিচাৰি উলিয়াইছে। এইগৰাকী ৰায় বাহাদুৰৰ পৈত্ৰিক বিষয়-সম্পত্তি পূৰ্বতকৈ হ্ৰাস পাইছে যদিও এতিয়াও বেছ আঢ্যৱন্ত পৰিয়াল।

কিন্তু দৰাঘৰীয়াৰ ফালৰ পৰা যৌতুক হিচাপে নগদ দহ হাজাৰ টকা আৰু অন্যান্য উপহাৰ সামগ্ৰী দাবী কৰা হ'ল। ৰামসুন্দৰে বিশেষ নভবা-নিচিন্তাকৈ সেই চৰ্তত্তেই সন্মত হ'ল— যিহেতু এনে সুন্দৰ সম্বন্ধ এটা কোনোপধেই হাতৰ পৰা সৰকি যাব দিব নোৱাৰি।

কোনোপধেই টকাখিনিৰ যোগাৰ আৰু হৈ নুঠেহে নুঠে। কিবা কিবি বন্ধকত দিয়া হ'ল, বিক্ৰী কৰা হ'ল। তথাপিও বহু চেষ্টাৰ মূৰকতো ছয়-সাত হাজাৰমান টকা যোগাৰ কৰিব পৰা নগ'ল। ইপিনে বিয়াৰ তাৰিখ চমু চাপি আহি আছে।

অৱশেষত বিয়াৰ তাৰিখ উপস্থিত হ'ল। অতিৰিক্ত সুদৰ বিনিময়ত মানুহ এজনে বাকী টকাখিনি ৰামসুন্দৰ বাবুক ধাৰলৈ দিব খুজিছিল কিন্তু মানুহজন সময়ত আহি উপস্থিত নহ'ল। বিবাহ বাহৰত এক বিৰাট গণ্ডগোল লাগিল। ৰামসুন্দৰ বাবুয়ে আমাৰ ৰায় বাহাদুৰ ডাঙৰীয়াক হাতে-ভৰিয়ে ধৰি ক'লে— "শুভকাম সম্পন্ন হৈ যাবলৈ দিয়ক, মই নিশ্চয় আপোনাক টকাখিনি আদায় দিম"। কিন্তু ৰায় বাহাদুৰ ডাঙৰীয়া অলৰ-অচৰ, — 'টকাখিনি হাতত পৰিলেহে বিয়াৰ আচল কাম আৰম্ভ হ'ব।' এই অচলাৱস্থাই অন্তেঃপুৰত কান্দোনৰ ৰোল তুলিলে। এই গুৰুতৰ বিপদৰ যি গৰাকী মূল কাৰণ সেইগৰাকী ন-কইনাই শাড়ী-গহনা পিন্ধি কপালত চন্দনৰ ফোঁট লগাই নিশ্চুপ হৈ বহি আছে। ভাবী শহুৰ বংশৰ প্ৰতি যে তাইৰ মনত খুব এটা শ্ৰদ্ধা বা

অনুৰাগৰ ভাৱ জন্মিছে সেইটো ক'ব পৰা নাযায়।

কিন্তু হঠাতে এটা দুৰ্ঘটনা ঘটিল। নবাগত শিশুটোৱে অকস্মিকভাৱে তেওঁৰ পিতৃৰ অবাধ্য হৈ উঠিল। তেওঁ দেউতাকক কৈ পেলালে, 'কিনাবেচা-দৰদামৰ কথা মই নাজানো; মই বিয়া কৰাবলৈ আহিছো, বিয়া কৰাই লৈ যাম।'

দেউতাকে খঙত একো নাই হৈ যাক য'ত পায় তাকেই ক'ব ধৰিলে— 'দেখিলেনে আপোনালোকে, আজিকালিৰ ল'ৰাইতৰ উদ্ধতালি? দুই-এজন বয়সস্থ মানুহেও শলাগিলে, — 'শাস্ত্ৰজ্ঞান-নীতিজ্ঞান থোৱা চাওঁত উঠিল, সেইকাৰণেই এনেকুৱা।'

বৰ্তমান যুগৰ শিক্ষাৰ বিষাক্ত পৰিণাম দিব্ৰৰ সন্তানৰ মাজতো দিবাইলে লোৱা দেখি ৰায় বাহাদুৰ অন্তৰ্দাহে হুৰ্দশ হৈ থাঁইইৰ বজ্ৰি পৰিল। বিয়াখন একেবাৰেই বিঘ্ন-নিৰানন্দ ভাৱৰে সম্পন্ন হৈ গ'ল।

স্বামীগৃহলৈ যোৱাৰ সময়ত নিৰুপমাক বুকুত সাৱটি ধৰি দেউতাকে সকৰুণতি বান্ধিব নোৱাৰা হ'ল। নিৰুপমাই দেউতাকক সুধিলে, —'এওঁলোকে মোক আকৌ আহিব নিদিব নেকি, দেউতা?' ৰামসুন্দৰে ক'লে— 'কিয় আহিব নিদিব আই? মই গৈ তোক লৈ আহিমগৈ।'

ৰামসুন্দৰে প্ৰায়েই জীয়ৰীক চাবলৈ যায়। কিন্তু বিয়েৰৰত তেওঁৰ কোনো প্ৰতিপত্তি নাই। সেই ঘৰৰ লগুৱাবোৰেও আনকি তেওঁক কোনো পাত্তা নিদিয়ে। অন্তঃপুৰৰ বাহিৰতে এটা বেলেগ কোঠাত কেতিয়াবা পাঁচ মিনিটমানৰ বাবে হয়তো জীয়ৰীক লগ কৰিব পাৰে, কেতিয়াবা আকৌ সেইখিনিও নোৱাৰে।

কিছুদিনৰ ঘৰত এনেকৈ অপমান সহ্য কৰি থাকিব পাৰি জানো? ৰামসুন্দৰে স্থিৰ কৰিলে যে যেনেকৈয়ে নহওক যৌতুকৰ টকাখিনি পৰিশোধ কৰিব লাগিব। কিন্তু ইতিমধ্যেই যি ঋণৰ বোজা কান্ধত পৰিছে, সেই বোজাৰ ওজন চলনা চলাটোৱেই কঠিন হৈ পৰিছে। সংসাৰ চলাওতেই ভীষণ টনাটনি অকে টকা পলকণীয়া মানুহবোৰৰ ওচৰই চলিবৰ বাবে নানা ধৰণৰ হীন কৌশল অবলম্বন কৰিবলগীয়া হৈছে।

ইফালে স্বামীগৃহত নতুন বোৱাৰীজনীয়ে সদায় কলংকিনী শুনিবলগা হৈ আছে। নিজ পিতৃগৃহৰ নিন্দা শুনি ঘৰৰ দুৱাৰ মাৰি বিস্ময়ৰ অশ্ৰুবিসৰ্জন কৰাটো তাইৰ দৈনন্দিন কৰ্মলৈ পৰিণত হৈছে। বিশেষকৈ শাহুৱেকৰ আক্ৰোশ কোনোপধেই শেষ নহয়। দেখিলে কোনোবাই ক'য়, 'আহ্, কেনে ধুনীয়া! বোৱাৰীৰ মুখখন দেখিলে মনটো খুব শাম যায়।' শাহুৱেকে হুংকাৰ মাৰি উঠে— 'ধুনীয়া নে হয়। যেনেকুৱা ঘৰৰ ছোৱালী তেনেকুৱা তেওঁৰ মুখশ্ৰী।'

আনকি বোৱাৰীৰ খোৱা-পিন্ধাৰ খবৰ লওঁতাও কোনো নাই। যদি কোনো দয়া পৰায়ন প্ৰতিবেশী মহিলাই এইক্ষেত্ৰত কিবা ত্ৰুটি আঙুলিয়াই দিয়ে, শাহুৱেকে কয়— 'হ'ব হ'ব ঢেৰ হৈছে।' অৰ্থাৎ দেউতাকে যদি সম্পূৰ্ণ দাম আদায় দিলেহেঁতেন তেতিয়াহ'লে ছোৱালীয়ে সম্পূৰ্ণ আদৰ যত্ন পালেহেঁতেন। সকলোৱে এনেকুৱা এটা ভাব যেন বোৱাৰীৰ এই ঘৰত কোনো অধিকাৰ নাই, ছল-চাতুৰী কৰিহে সোমাইছে।

বোধহয় বোৱাৰীজনীৰ এনেকুৱা অনাদৰ আৰু অপমানৰ কথা বাপেকৰো কাণত পৰিলগৈ। সেয়েহে ৰামসুন্দৰে অৱশেষত মাটিভেটি খিনিকে বিক্ৰী কৰিবলৈ চেষ্টা কৰিব ধৰিলে। কিন্তু ল'ৰাকেইটাক যে গৃহহীন কৰিবলৈ গৈ আছে সেই কথাটো সিহঁতৰ পৰা গোপনে ৰাখিলে। তেওঁ ঠিক কৰিছিল যে ঘৰমাটি বিক্ৰী কৰি সেই ঘৰতে ভাড়াত থাকিব আৰু এনে কৌশলেৰে চলিব যাতে তেওঁৰ মৃত্যুৰ আগতে ল'ৰাকেইটাই কথাটো জানিব নোৱাৰে।

কিন্তু ল'ৰাইহঁতে গম পালে। গোটেই কেইটাই আহি কান্দিকাটি ভৰিত পৰিল। বিশেষকৈ ডাঙৰ ল'ৰা তিনিটা বিয়াহিত— কোনোবাটোৰ সন্তানো হৈছে। সিহঁতৰ আপত্তি বৰ প্ৰবল হৈ উঠিল, ঘৰ মাটি বিক্ৰী-স্থগিত থাকিল।

তেতিয়া ৰামসুন্দৰে কিন্ কিন্ ঠাইৰ পৰা উচ্চ সুদৰ হাৰত অলপ অলপ টকা ধাৰ কৰিবলৈ ধৰিলে। এনেকুৱা অৱস্থা হ'ল যে সংসাৰৰ খৰচ আৰু নচলা হ'ল।

নিৰুৱে দেউতাকৰ মুখ চায়েই সকলো বুজি পালে। বৃদ্ধৰ পকা চুলি, শুকান মুখ আৰু সদাসংকোচিত অৱস্থাত দৈন্য আৰু দুশ্চিন্তা প্ৰকাশ পাবলৈ ধৰিলে। নিজ কন্যাৰ ওচৰত পিতৃ যেতিয়া অপৰাধী তেতিয়া কি সেই অপৰাধৰ অনুতাপ গোপনে ৰাখিব পাৰি? ৰামসুন্দৰে যেতিয়া বিয়েঘৰৰ অনুমতিক্ৰমে খুব কম সময়ৰ বাবে ছোৱালীৰ সাক্ষাৎ পাইছিল, তেতিয়া তেওঁৰ বুকুখন যে কেনেকুৱা ফাটিব উপক্ৰম হয় সেইটো তেওঁৰ মুখৰ ফালে চালেই বুজা যায়।

সেই ব্যথিত পিতৃহৃদয়ক সান্ত্বনা দিবলৈ কেইদিনমানৰ বাবে পিতৃগৃহলৈ যাবলৈ নিৰু অধীৰ হৈ পৰিল। দেউতাকৰ ম্লান মুখ চাই তাই আৰু দূৰত থাকিব নোৱাৰা হৈছে। এদিন ৰামসুন্দৰক ক'লে— 'দেউতা, মোক এবাৰ ঘৰলৈ লৈ ব'লা।' ৰামসুন্দৰে মাথোন মূৰ দুপিয়ালে।

কিন্তু তেওঁৰ কোনো জোৰ নাই— নিজ কন্যাৰ ওপৰত পিতৃৰ যি স্বাভাৱিক অধিকাৰ থাকে সেইখিনি তেওঁ যৌতুকৰ টকাৰ বিনিময়ত বন্ধকত ৰাখিবলগীয়া হৈছে। আনকি কন্যাৰ সাক্ষাতটোও তেওঁ সংকোচ সহকাৰে ভিক্ষা খুজি ল'বলগীয়া হয় আৰু মাজে সময়ে সেই অনুৰোধ প্ৰত্যাখ্যাত হ'লেও দ্বিতীয়বাৰ দিনা এটা ক'বলৈ তেওঁৰ মুখ নাথাকে।

কিন্তু ছোৱালীক নিজেই ঘৰলৈ আনিবলৈ কিমানে দেউতাকে কেনেকৈ নলৈকে থাকিব পাৰে। সেয়েহে বিয়েৰ ওচৰত সেই সম্পৰ্কীয় আবেদনখন দাখিল কৰাৰ আগতে ৰামসুন্দৰে কেনেকুৱা হীনতা, কেনেকুৱা অপমান আৰু কেনেকুৱা ক্ষতি স্বীকাৰ কৰি যে তিনি হাজাৰ টকা সংগ্ৰহ কৰিছিল সেই ইতিহাস গোপনে নথকাই ভাল।

নোটকেইখন ৰুমালেৰে মেৰিয়াই চাদৰৰ গাঁঠি বান্ধি ৰামসুন্দৰে বিয়েৰ ওচৰলৈ গৈ বহিল। প্ৰথমে হাঁহিমুখেৰে গাঁৱৰ খা-খবৰবোৰ দিলে। হৰেকৃষ্ণৰ ঘৰত এটা ডাঙৰ চুৰি হৈ গ'ল, সেইটো আদ্যোপান্ত বিবৰি ক'লে। নৱীনমাধৱ আৰু ৰাধামাধৱ— এই দুই ভাই-ককাইৰ মাজত তুলনা কৰি বিদ্যাবুদ্ধি আৰু স্বভাৱ-চৰিত্ৰৰ দিশৰ পৰা ৰাধামাধৱৰ সুখ্যাতি আৰু নৱীনমাধৱৰ নিন্দা কৰিলে। চহৰত এটা নতুন আজাৰ আহিছে সেই সম্বন্ধে বহুত আজগুবি কথা পাতিলে; অৱশেষত ধেমালিখোলাটো নমাই থাকি আন কথাৰ ছলেৰে ক'লে, — 'হয়, হয়, বিয়ৈ, সেই টকাখিনি দিবলৈ আছে যদিও। সদায়ে ভাবো বিয়ৈ ঘৰলৈ গৈ আছো যেতিয়া হাতত কিবা এটা লৈ যাওঁ, কিন্তু ঠিক সময়ত মনত নাথাকে। কি ক'ম আৰু, বুঢ়া হ'লো নহয়।' এনেকৈ দীৰ্ঘভূমিকা পাতনি মেলি বুকুৰ ভিতৰৰ কাষিহাড় যেন সেই নোট তিনিখন যেন খুব সহজেই আৰু খুব হেলাৰঙে এনেকুৱা ভাৱ দেখুৱাই উলিয়াই আনিলে। কিন্তু ইমান দিনৰ মূৰতো মাথোন তিনি হাজাৰ টকা দেখা পাই ৰায় বাহাদুৰ ডাঙৰীয়াই অট্টহাস্য কৰি উঠিল :

তেওঁ ক'লে— 'থাকক বিয়ৈ, সেইখিনি মোক নালাগে।' এটা প্ৰচলিত কথা মাতি তেওঁ ক'লে যে তেওঁ সামান্য কাৰণ এটাত নিজৰ হাতখন গোবৰ দিবিচৰে। এই ঘটনাৰ পিছত ছোৱালীক ঘৰলৈ অনাৰ প্ৰস্তাৱ কৰো বুলি নাহে— মাথোন ৰামসুন্দৰে ভাবিলে— 'সেইবোৰ আত্মীয়তাৰ সংকোচে মোক নোশোভে।' মৰ্মাহত হৈ কৰুণময় নিস্তুপ হৈ থাকি অৱশেষত মৃদুস্বৰে ছোৱালীক ঘৰলৈ নিয়াৰ কথাটো উলিয়ালে। ৰায় বাহাদুৰে কোনো কাৰণ উল্লেখ নকৰাকৈ মাথোন ক'লে— 'সেইটো এতিয়া নহ'ব।' এইখিনি কৈয়েই কিবা কামত ব্যস্ত হৈ ক'ৰবালৈ গুচি গ'ল।

ৰামসুন্দৰে ছোৱালীজনীক দেখা নকৰাকৈ কম্পিত হাতেৰে নোটকেইখন চাদৰৰ গাঁঠিত বান্ধি ঘৰলৈ উভতি গ'ল। মনে মনে প্ৰতিজ্ঞা কৰিলে, যিমান দিনলৈকে গোটেইখিনি টকা পৰিশোধ কৰি নিঃসংকোচে কন্যাৰ ওপৰত নিজৰ দাবী ঘটিব নোৱাৰিব তেতিয়ালৈকে তেওঁ বিয়ৈ ঘৰলৈ নাযায়।

এনেকৈ বহুদিন পাৰ হৈ গ'ল। নিৰুপমাই বাৰে বাৰে মানুহ পঠিয়ায় কিন্তু দেউতাকক দেখা নকৰিবলৈ নাযায়। অৱশেষত অভিমানত মানুহ পঠিওৱা বন্ধ কৰিলে— তেতিয়া ৰামসুন্দৰৰ মনত বৰ আঘাত লাগিল, কিন্তু তথাপিও নগ'ল। এনেকৈ আহিল মাহ আহিল। ৰামসুন্দৰে ক'লে— 'এইবাৰ পূজাৰ সময়ত মোৰ মাজনীক ঘৰলৈ আনিমেই। নহ'লে মই,.......' এটা ডাঙৰ ধৰণৰ প্ৰতিজ্ঞা কৰি পেলালে।

পঞ্চমী নে ষষ্ঠীৰ দিনাখন আকৌ চাদৰৰ গাঁঠিত নোটকেইখনমান বান্ধি লৈ ৰামসুন্দৰ যাবলৈ ওলাল। পাঁচবছৰৰ নাতি লৰা এটা আহি ক'লে— 'ককা, মোলৈ গাড়ী কিনিব গৈ আছা নেকি?' বহুদিন ধৰি সি ঠেলাগাড়ীত উঠি গড়গড় যাবলৈ মন কৰি আছে, কিন্তু তাৰ সেই ইচ্ছা পূৰণৰ উপায় কোনোমতেই হোৱা নাই। দুয় বছৰৰ নাতিনী এজনী আহি কান্দি কান্দি ক'লে যে পূজাৰ নিমন্ত্ৰণলৈ যাবৰ বাবে তাইৰ ভাল কাপোৰ এটাকোৱেই নাই :

ৰামসুন্দৰে এইবেলি আৰু এই বিষয়ে বৃদ্ধই হৃদয় খাই-খাই কত চিন্তা কৰিছে। ৰায় বাহাদুৰৰ ঘৰৰ পৰা যেতিয়া পূজাৰ নিমন্ত্ৰণ আহিব তেতিয়া তেওঁৰ ঘৰৰ বোৱাৰীসকলে তেনেই কেইপদমান গহণা পিন্ধি অলংকাৰধাৰী দৰিদ্ৰৰ দৰে নিমন্ত্ৰণ খাবলৈ যাব লাগিব। এই কথা ভাবি বৃদ্ধই কতবাৰ দীৰ্ঘশ্বাস পেলাইছে, কিন্তু ইয়াৰ দ্বাৰা তেওঁৰ কপালৰ বলিৰেখা গভীৰতৰ ভাবে অংকিত হোৱাৰ বাহিৰে আন কোনো লাভ হোৱা নাই।

দৰিদ্ৰপীড়িত ঘৰখনৰ কাতোৰৰ বোল শুনি শুনিয়েই বৃদ্ধই তেওঁৰ বিয়োগৰ পৈ সোমাল। আজি তেওঁৰ মনত আগৰ সংকোচ ভাব নাই। দুখসহুৰৰ বৰীয়া আৰু লতবাইৰেৰ প্ৰতি এক চকিত লজ্জাভাবো আঁতৰ হৈ গৈছে। যেন নিজৰ ঘৰতহে সোমাইছে। গম পালে, ৰায় বাহাদুৰ ঘৰত নাই, কিন্তু সময় অপেক্ষা কৰিব লাগিব। মনৰ উচ্ছ্বাস দমাব নোৱাৰি ৰামসুন্দৰে জীয়াৰীৰ সৈতে দেখা কৰিলেগৈ। আনন্দত দুয়োৰে পৰা চকুলো সৰিবলৈ ধৰিলে। পিতৃয়েও কান্দে, কন্যায়েও কান্দে; দুয়োজনৰ কোনেও কথা ক'ব নোৱাৰে। এনেদৰে কিছুসময় পাৰ হ'ল। তাৰ পিছত ৰামসুন্দৰে ক'লে,— 'এইবাৰ তোক লৈ যাব আহিছোঁ মা। আৰু কোনো অসুবিধা নাই।'

এনে সময়তে হঠাৎ ৰামসুন্দৰৰ ভাতৃ হৰমোহনে তাৰ সৰু সৰু ল'ৰা দুটাক লগত লৈ ঘৰৰ ভিতৰলৈ সোমাই আহিল। দেউতাৰাক ক'লে— 'দেউতা, তুমি আমাক এনেকৈ বাটৰ ভিক্ষাৰী কৰিলা?'

ৰামসুন্দৰে হঠাৎ অগ্নিমূৰ্তি ধৰি ক'লে— 'তহঁতৰ কাৰণে কি মই নৰকগামী হ'ম? মোৰ তহঁতে মোৰ সত্য পালন কৰিবলৈ নিদিবি নেকি?' ৰামসুন্দৰে ঘৰ পৰ্যন্ত বিক্ৰী কৰি পেলাইছে। ল'ৰাইতে যাতে জানিব নোৱাৰে তাৰ যাবতীয় ব্যৱস্থা কৰিছিল; কিন্তু তথাপিও সিহঁতে গম পোৱা দেখি সিহঁতৰ প্ৰতি তেওঁ ভীষণ ক্ৰুদ্ধ আৰু বিৰক্ত হ'ল।

তেওঁৰ নাতিয়ে বাহি তেওঁৰ দুই ভৰি জোৰেৰে সাবটি ধৰি ক'লে— 'ককা, মোক গাড়ী কিনি নিদিবা?' অধোমুখ কৰি বহা ৰামসুন্দৰৰ পৰা কোনো উত্তৰ নাপাই ল'ৰাটোৱে এইবাৰ নিৰুৰ ওচৰলৈ গৈ ক'লে— 'পেহী, মোক গাড়ী এখন কিনি দিবানে?'

নিৰুপমাই গোটেই ঘটনাটো বুজিব পাৰি ক'লে— 'দেউতা, তুমি যদি আৰু এটা পইচাও মোৰ শহুৰক দিয়া তেনেহ'লে তুমি আৰু মোক দেখা নাপাবা। এয়া তোমাৰ গাত হাত দি ক'লো।'

ৰামসুন্দৰে ক'লে— ছিঃ আই! এনে কথা ক'ব নাপায়। আৰু এইখিনি টকা যদি মই দিব নোৱাৰো তেনেহ'লে তোৰ দেউতাৰৰ অপমান, আৰু তোৰো অপমান।'

নিৰুৱে ক'লে— 'টকাখিনি যদি দিয়া তেতিয়াহে অপমান। তোমাৰ জীয়ৰীৰ কোনো মৰ্যাদা নাই নেকি? মই কি মাথোঁ এটা টকাৰ মোনা যে যেতিয়ালৈকে টকা আছে তেতিয়ালৈকে মোৰ দাম আছে। নহয় দেউতা, এই টকাৰে তুমি মোক অপমান নকৰিবা। উপৰি মোৰ স্বামীয়েতো এই টকা নিবিচাৰে।'

ৰামসুন্দৰে ক'লে— 'নহ'লে যে তোক ঘৰলৈ যাব নিদিয়ে মা!' নিৰুপমাই ক'লে— 'নিদিয়েতো কি কৰিবা কোৱা। তুমিও আৰু নিবলৈ নিবিচাৰিবা।' ৰামসুন্দৰে কঁপা কঁপা হাতেৰে নোটখিনি বান্ধি চাদৰৰ কাষত উঠাই আকৌ সকলোৰে দৃষ্টি এৰাই চোৰৰ দৰে ঘৰলৈ উভতি গ'ল।

কিন্তু ৰামসুন্দৰে যে টকা আনিছিল আৰু জীয়ৰীৰ কথা শুনি টকা নিদিয়াকৈ ঘূৰি গ'ল— সেই কথাটো গোপন নাথাকিল। কোনোবা স্বভাৱ কৌতূহলী দাসীয়ে বেৰৰ সিপাৰে কাণ পাতি কথাখিনি শুনিলে আৰু নিৰুৰ শাহুৱেকক খবৰটো দিলেগৈ। কথাটো শুনি তেওঁৰ খঙে মূৰৰ চুলিৰ আগ পালেগৈ।

ফলত নিৰুপমাৰ বাবে শহুৰৰ ঘৰখন শৰশয্যাৰ দৰে হৈ উঠিল। ইফালে তাইৰ গিৰিয়েক বিয়াৰ কিছুদিন পিছতেই ডেপুটি মেজিষ্ট্ৰেট হৈ দূৰলৈ বদলি হৈ গৈছে আৰু সংসাৰত তাই বেয়া। শিক্ষা পাব বুলি পিতৃগৃহৰ আত্মীয়ৰ সৈতে তাইৰ সাক্ষাৎ সম্পূৰ্ণ নিষিদ্ধ কৰি দিয়া হৈছে।

এই সময়তে নিৰু বৰ ডাঙৰকৈ নৰিয়াত পৰিল। অৱশ্যে তাৰ বাবে শাহুৱেকক সম্পূৰ্ণ দোষ দিব নোৱাৰি। নিজৰ শৰীৰটোৰ প্ৰতি তাইৰ ভীষণ অৱহেলা। কাতি মাহৰ নিয়ৰৰ পৰা ৰাতি মূৰ শিতানৰ



বি. এইচ. কলেজ আলোচনী ◆ ২০০৯-১০ ইং বৰ্ষ

খিৰিকীখন খোলি ৰাখে, ঠাণ্ডাৰ সময়তো গাত কাপোৰ নলয়। খোৱা লোৱাৰ কোনো নিয়ম নাই। ঘৰৰ চাকৰনীসকলে যেতিয়া সময়ে সময়ে খোৱাখিনি আনি দিবলৈ পাহৰি যায়, তাই কেতিয়াও সিহঁতক মনত পেলাই নিদিয়ে। তাই যে আনৰ ঘৰৰ চাকৰ-বাকৰ আৰু মালিকনীৰ অনুগ্ৰহত জীয়াই আছে সেই ধাৰণাটো তাইৰ মনত বদ্ধমূল হৈ সোমাই পৰিছিল। কিন্তু এনেধৰণৰ ভাবটোও শাহুৱেকে পছন্দ নকৰিছিল। যদি খোৱালোৱাৰ প্ৰতি বোৱাৰীৰ কোনো অৱহেলাৰ ভাৱ প্ৰকাশ পাইছিল তেতিয়া শাহুৱেকে মন্তব্য দিছিল— 'নবাবৰ ঘৰৰ জীয়ৰীতো। দৰিদ্ৰৰ ঘৰৰ খাদ্য তাইৰ মুখত নুঠে।' কেতিয়াবা হয়তো কৈছিল— 'চোৱা নাই তাইক এবাৰ, কি চেহেৰা কৰি পেলাইছে। দিনে দিনে পোৰাকাঠ হৈ গৈ আছে।'

যেতিয়া যেতিয়া ৰোগৰ গুৰুতৰ ৰূপ ধাৰণ কৰিলে তেতিয়া শাহুৱেকে ক'লে— 'এইবোৰ সকলো তাইৰ বুৰ্বকমি।' অৱশেষত এদিনাখন নিৰুৱে শাহুৱেকক বিনয়ভাৱে ক'লে— 'দেউতা আৰু মোৰ ভাই দেইক এবাৰ চাব দিয়ক, মা।'

শাহুৱেকে ক'লে— 'বাপেৰৰ ঘৰলৈ যোৱাৰ ফন্দি।' কোনেও হয়তো শুনিলে বিশ্বাস নকৰিব, যিদিনাখন সন্ধিয়া নিৰুৰ শ্বাস-প্ৰশ্বাস গভীৰ হৈ আহিল সিদিনাখনেই প্ৰথম তাইক ডাক্তৰে চালে আৰু সিদিনাখনেই তাইৰ ডাক্তৰ চোৱা শেষ হ'ল।

ঘৰৰ ডাঙৰ বোৱাৰী ঢুকাল, গতিকে বিৰাট ধুমধামেৰে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হ'ল। প্ৰতিমা বিসৰ্জনৰ ক্ষেত্ৰত ৰায়চৌধুৰী পৰিয়ালৰ যেনেদৰে জিলাখনৰ ভিতৰতে এটা সুনাম আছে, ডাঙৰ বোৱাৰীৰ শৱ সংকাৰৰ ক্ষেত্ৰতো ৰায় বাহাদুৰ পৰিয়ালৰ তেনেকুৱা এটা খ্যাতি চাৰিওকালে বিয়পি পৰিল। এনেকুৱা চন্দন কাঠৰ চিতা এই অঞ্চলত কোনেও কেতিয়াও দেখা নাছিল। এনে বিপুল আয়োজনেৰে শ্ৰাদ্ধ পৰ্বটোও মাথোন ৰায় বাহাদুৰৰ ঘৰতেই সম্ভৱ। আৰু শুনিবলৈ পোৱা মতে এইক্ষেত্ৰত তেওঁলোকে কিছু পৰিমাণে ঋণগ্ৰস্তও হৈছিল।

ৰামসুন্দৰক সান্ত্বনা দিবৰ বেলিকা তেওঁৰ জীয়ৰীৰ কেনে মহা সমাৰোহেৰে মৃত্যু হ'ল সকলোৱে তাকেই নিটোল বৰ্ণনা দিবলৈ ধৰিলে।

ইফালে ডেপুটি মেজিষ্ট্ৰেটৰ চিঠি আহি পালে— 'মই ইয়াত সকলো ঠিক ঠাক কৰি ৰাখিছোঁ, গতিকে মোৰ স্ত্ৰীক অতিশীঘ্ৰে ইয়ালৈ পঠিয়াই দিবা।' ৰায় বাহাদুৰৰ মহিষীয়ে উত্তৰত লিখিলে— 'বাবা, তোমাৰ কাৰণে আন এজনী কইনা ঠিক কৰিছোঁ। গতিকে তুমি সোনকালে ছুটী লৈ ইয়ালৈ আহা।'

এইবাৰ বিশ হাজাৰ টকাৰ যৌতুক আৰু হাতে হাতে আদায়।

(১২৯৮ বঙ্গাব্দত প্ৰকাশিত।)

ঘৰৰ ডাঙৰ বোৱাৰী ঢুকাল, গতিকে বিৰাট ধুমধামেৰে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হ'ল। প্ৰতিমা বিসৰ্জনৰ ক্ষেত্ৰত ৰায়চৌধুৰী পৰিয়ালৰ যেনেদৰে জিলাখনৰ ভিতৰতে এটা সুনাম আছে, ডাঙৰ বোৱাৰীৰ শৱ সংকাৰৰ ক্ষেত্ৰতো ৰায় বাহাদুৰ পৰিয়ালৰ তেনেকুৱা এটা খ্যাতি চাৰিওকালে বিয়পি পৰিল। এনেকুৱা চন্দন কাঠৰ চিতা এই অঞ্চলত কোনেও কেতিয়াও দেখা নাছিল। এনে বিপুল আয়োজনেৰে শ্ৰাদ্ধ পৰ্বটোও মাথোন ৰায় বাহাদুৰৰ ঘৰতেই সম্ভৱ। আৰু শুনিবলৈ পোৱা মতে এইক্ষেত্ৰত তেওঁলোকে কিছু পৰিমাণে ঋণগ্ৰস্তও হৈছিল।

# শিলাকুটি

(লেবাননৰ গল্প)

❖ অনুবাদ ঃ জ্যোৎস্নাৰাণী বৰ্মন
প্ৰাক্তন ছাত্ৰী

আমাৰ ঘৰৰ সমুখেৰে যোৱা ৰাস্তাটোত কিছুদিনৰ পৰা মেৰামতিৰ কাম চলিছে। সেয়েহে সদায়ে শুনাৰ দৰে আজিও ৰাতিপুৱাৰে পৰা এক্কেবাৰে, গধুৰ হাতুৰীৰে শিল ভাঙি গুড়ি কৰাৰ শব্দ শুনি থাকিবলগীয়া হৈছে। যিহেতু সিইতৰ হাতুৰীৰ শব্দই শিলবোৰতকৈ মোৰ স্নায়ুৰ ওপৰতহে বেছিকৈ আঘাত হানিছিল, সেয়েহে মনে মনে স্থিৰ কৰিছিলো যে কুকুৰটোৰ কেঁকোৰা নোমবোৰৰ মাজত কিবা পোক-পৰুৱা সোমাইছে নেকি বিচাৰি উলিয়াম আৰু মোৰ সমস্ত ইচ্ছাশক্তিক একত্ৰিত কৰি হাতুৰিৰ সেই শব্দবোৰৰ মাজত কিবা ছন্দ আৱিষ্কাৰ কৰিব পৰা যায় নেকি তাক সন্ধান কৰিবলৈ চেষ্টা কৰিম। সঁচা কথা ক'বলৈ গ'লে, এঘন্টামান বা তাৰ আৰু অলপ পাছত দেখিলো সেই শব্দবোৰ শুনি শুনি মোৰ কাণ দুখন বেছ অভ্যস্ত হৈ উঠিছে— যেন উৎসুক হৈ শুনিব ধৰিলো কেতিয়াবা মৃদু, কেতিয়াবা দ্ৰুত আৰু কেতিয়াবা বিলম্বিত লয়ৰ সেই অদ্ভুত ছন্দ।



স্বাভাৱিকতে, হাতুৰীৰ শব্দ কৰি কৰি যিজনে শিলবোৰ ভাঙি গুড়ি কৰি আছিল তেওঁৰ সম্পৰ্কে মই কৌতূহলী হৈ উঠিছিলো আৰু খিৰিকীৰে মাজে মাজে ভুমুকি মাৰি তেওঁলৈ চাইছিলো। কিন্তু মোৰ উপস্থিতি সম্পৰ্কে তেওঁ সম্পূৰ্ণ অজ্ঞ আছিল, কিয়নো তেওঁৰ সমুখত থকা শিলবোৰৰ পাহাৰখনৰ পৰা তেওঁ এবাৰলৈও চকু তোলা নাছিল। প্ৰকৃতপক্ষে অইন কাৰোবাৰ উপস্থিতি সম্পৰ্কে তেওঁ কিবা জানে বুলি মনে নধৰিছিল। কিয়নো বাটৰুৱাসকলে অহা-যোৱা কৰা সময়ত কোনোবাই কৈছে 'চাবা লাহেকৈ', কোনোবাই কৈছে 'অ' ভায়া অকনমান চাইচিতি দেই', এইসকলক সঁহাৰি জনোৱা দূৰৰ কথা, তেওঁ ওঁঠ দুটা বেঁকাকৈ বা ভ্ৰূকুঞ্চিত কৰি কাৰোপিনে এবাৰলৈ চকু তুলি চোৱা নাছিল। যেন সি ৰহস্যময়তাত পৃথিবীয়ে এতিয়াও নিজৰ অস্তিত্ব বজাই ৰাখিছে তাৰেই মোহত আচ্ছন্ন হৈ তেওঁ কাম কৰি আছিল আৰু এক মুহূৰ্তৰ বাবেও ছন্দপতন ঘটাৰ ক'তো অকণো অৱকাশ নাই।

ৰাতি শেষ হোৱাৰ অকণমান পাছতেই তেওঁ কাম আৰম্ভ কৰে, সূৰ্যাস্তৰ আগতে আৰু এবাৰলৈও এখন্তেকৰ বাবে নহয়। দিনত দুপৰীয়াবেলা খোৱাৰ সময়খিনিহে কেৱল কামৰ বিৰতি। আগদিনাখন গধুলি কামটো যিখিনিত এৰে, পিছদিনাখন ৰাতিপুৱা ঠিক সেইখিনিৰ পৰাই আকৌ আৰম্ভ কৰে। এদ'ম শিলৰ ওপৰত বহি তেওঁ ভৰি দুখন সন্মুখলৈ মেলি দিয়ে, তাৰ পাছত দুভৰিৰ মাজত এটা ডাঙৰ শিল চেপি ধৰি ভাঙি টুকুৰা টুকুৰ নোহোৱালৈকে গধুৰ হাতুৰীটোৰে কোবাই থাকে, তাৰ পাছত আৰু এটা, বেলিটো ৰঙা পৰি ডুব নোযোৱালৈকে এনেকৈয়ে চলিব সুদীৰ্ঘ সময়। আৰু তেতিয়া তেওঁৰ পিছফালে মাত্ৰ এদিনৰ পৰিশ্ৰমৰ ফলস্বৰূপে একগোট হ'ব বিশ গজ বা তাতকৈয়ো বেছি গুড়ি শিলৰ এটা প্ৰকাণ্ড স্তূপ।

মই বহুবাৰ তেওঁৰ মুখখন চাবলৈ যত্ন কৰিছিলো, কিন্তু মূৰত এখন কাপোৰ মেৰিউৱা থকা বাবে মোৰ ইচ্ছাটো অপূৰণ হৈয়ে ৰৈছিল। অৱশ্যে মই এবাৰ তেওঁক হাতুৰীটো একাষে থৈ তেওঁৰ সম্পূৰ্ণ দেহটো দীঘলকৈ মেলি দি এডামুৰি ভঙা দেখিছিলো। সেই সময়ত তেওঁ মূৰত পকাই থোৱা কাপোৰখন খুলি কপালৰ ঘাম মচি আছিল আৰু মোৰ পিনে নোচোৱাকৈয়ে খিৰিকীৰ ফালে মুখখন ঘুৰাই থৈছিল। এজন দৈত্যৰ দৰে প্ৰকাণ্ড চেহেৰা, আত্ম-প্ৰত্যয় আৰু পৌৰুষদীপ্ত বলিষ্ঠতা মিহলি হৈ থকা মুখখন বেছ ধুনীয়া বুলিয়েই ক'ব পাৰি। মোৰ দৃঢ় বিশ্বাস, শিল কাটি মূৰ্তি সাজি উলিওৱাৰ দৰে নিপুণতা তেওঁৰ আছে আৰু নিঃসন্দেহে সেইবোৰ হ'লহেঁতেন পৌৰাণিক বীৰসকলৰ মূৰ্তি।

অৱশেষত মোৰ সমস্ত কৌতূহল জমা হ'ল, থুপ খালে সেই মানুহজনৰ ওপৰত। মই তেওঁক শুভেচ্ছা জনালো, তেওঁ একো সঁহাৰি নিদিলে। মই তেওঁৰ লগত কথা পাতিবলৈ চেষ্টা কৰিলো, কিন্ত মোৰ ইমানেই দুৰ্কপাল যে নিজৰ কাম সম্পৰ্কে তেওঁ যেন আৰু বেছি মনোযোগী হৈ উঠিল। তেওঁৰ ছন্দোময় হাতুৰীৰ আঘাতত শিলৰ অকণ অকণ গুড়িবোৰ, ছাইৰ দৰে গুড়িবোৰ আখৰোটৰ দৰে টুকুৰা টুকুৰ হৈ চাৰিওপিনে চিটিকি পৰিবলৈ ধৰিলে। নিৰাশ হৈয়েই মই তাৰপৰা উভতি আহিলো আৰু ৰাস্তা মেৰামতিৰ কাম যিজন মহৰীয়ে তত্বাৱধান কৰিছিল সেইজনক বিচাৰিলো। তেওঁক লগ পোৱাৰ পাছত সুধিলো, 'আপোনাক এটা কথা সুধিব খুজিছিলো মহাশয়।' সেই যে মানুহজনে শিল ভাঙি আছে, আপুনি তেওঁৰ বিষয়ে কিবা জানেনে? মই তেওঁৰ লগত কথা পাতিবলৈ যত্ন কৰিছিলো, কিন্তু তেওঁ এটা টু শব্দও উচ্চাৰণ নকৰিলে। মানুহজন বোবা বা কলা নহয়তো?'

'নাই, নাই' মহৰীজনে উত্তৰ দিলে, 'সেই মানুহজন বোবা নহয়, কলাও নহয়। কিন্তু মানুহজন বৰ অদ্ভুত প্ৰকৃতিৰ। অৱশ্যে ইয়াৰ অন্তৰালত এটা কাহিনী আছে,....'।

'কাহিনী?' আচৰিত হৈ মই সুধিলো।

'ওঁ, তাৰ যেতিয়া বয়স সাতত্ৰিশ বছৰ তেতিয়াই তাৰ জেল হৈছিল, কিন্তু পচপন্ন বছৰ বয়সতে সি মুক্তি পাইছিল। প্ৰভাৱশালী কিছুমান মানুহৰ মধ্যস্থতাত তাক বিশেষভাৱে ক্ষমা নকৰা হ'লে সি কোনোদিনে জেলৰ ওখ বেৰ চাৰিখনৰ বাহিৰৰ পৃথিৱীখন দেখা নাপালেহেঁতেন। তাক যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ড দিয়া হৈছিল।'

'কিন্তু তেওঁক দেখিলে এতিয়াতো পয়ত্ৰিশৰ বেছি যেন নালাগে।

'সেইটো হয়। জেললৈ যোৱাৰ আগতে যিসকলে তেওঁক চিনি পাইছিল, তেওঁলোকে একেমুখে স্বীকাৰ কৰে যে সি অলপো সলনি হোৱা নাই। তাৰ লোৰ দৰে কঠিন পেশী আৰু শাৰীৰিক গঠন সঁচাকৈয়ে প্ৰশংসা কৰিবলগীয়া। আপুনি মন কৰিছেনে, পুৱাৰ পৰা গধুলিলৈ সি যে এবাৰলৈও অকণমানো জিৰণি নলয়?'

'জেলৰ পৰা ওলোৱা কিমানদিন হ'ল?'

'তিনি সপ্তাহমান আগেয়ে........'

'বহুদিন ধৰি তেওঁ শিল ভঙাৰ কামকে কৰি আছে নেকি?'

'ওঁ, তেওঁৰ বয়স যেতিয়া পঁচিশ সেই তেতিয়াৰ পৰাই আৰু এইটো কামত তেওঁক কোনেও আজিলৈকে হৰুৱাব বা চেলেঞ্জ কৰিব পৰা নাই।'

'কিন্তু তেওঁ এনে কি অপৰাধ কৰিছিল যে যাৱজ্জীৱন শাস্তি পাবলগীয়া হৈছিল?'

'নিজৰ একমাত্ৰ ছোৱালীজনীক তেওঁ হত্যা কৰিছিল। ছোৱালীজনীৰ বয়স তেতিয়া ষোল্ল।'

'নিজৰ ছোৱালীক তেওঁ হত্যা কৰিছিল।'



বি. এইচ্. কলেজ আলোচনী ◆ ২০০৯-১০ ইং বৰ্ষ

'হয়। বিটো হাতুৰীৰে তেওঁ প্ৰকাণ্ড শিলবোৰ ভাঙে সেইটোৰে হাতুৰীৰে। মোহনীজনীৰ মূৰত হাতুৰীটোৰ এটা কোব মাৰিয়েই তাইক শেষ কৰি দিছিল।'

'উস্, কি ভয়ংকৰ।' দৃশ্যটো মনে মনে কল্পনা কৰিয়েই মই আতংকিত হৈ পৰিলো, গাৰ নোমবোৰ শিয়ৰি উঠিল। 'কিন্তু কিহৰ বাবে তেওঁ তেনে কাম এটা কৰিবলগীয়া হ'ল?'

'সকলোৱে কয় সি হেনো মোহনীজনীক অন্তৰ দৰে ভাল পাইছিল, বিশেষকৈ তাইৰ খুব সৰু থাকোতে মাকৰ মৃত্যু হোৱাৰ পাছৰে পৰা। মোহনীজনীৰ মনত সিয়েই আছিল তাইৰ মাকো আৰু দেউতাকো। সুন্দৰ দলে মোহনীজনী, আনকি তাৰ ঘৰ-সংসাৰৰ অইন কোনোবাই অলপ যত্ন লোৱাটোও তেওঁ পছন্দ নকৰিছিল। এখনি এখনিকৈ যেতিয়া মোহনীজনী ডাঙৰ হৈ আহিবলৈ ধৰিলে, পাট-গাভৰু পৰা যুৱতী, তাৰ দৃষ্টিও সিমানে সতৰ্ক হৈ উঠিবলৈ ধৰিলে, আনোচা তাইৰ কাৰোবাৰ প্ৰলোভনত বন্দী হয় নাইবা কোনোবাই তাইৰ কিবা অনিষ্ট কৰে।'

'মোহনীজনী বেয়া হৈ গৈছিল নেকি?'

'সেই বিষয়ে কোনেও স্পষ্টকৈ একো ক'ব নোৱাৰে, নজনালো সকলোৱে কয় যে মোহনীজনীৰ দেউতাকে এদিন হঠাতে কাৰৰ পৰা উভতি আহিছিল। তাৰ হাতত আছিল সেই গধুৰ হাতুৰীটো। ঘৰৰ ভিতৰ সোমাই দেখিলে যে মোহনীজনীয়ে চুৰিৰে এজন লম্পটৰ সৈতে কথাত মগ্ন হৈ আছে, তাইৰ হাতত এটা সোণালী ঘড়ী, কাণত মুক্তাৰ কাণফুলি এযোৰ। একো নোসোধাকৈ নোকোৱাকৈ মূৰত গোনমাৰে হাতুৰীৰে এটা মাৰ দিলেই সি মোহনীজনীক তাতেই শেষ কৰি দিলে; তাৰ পাছত তেজত ডুবি থকা হাতুৰীটো লৈ পুলিচ থানাত গৈ সকলোবোৰ কথা স্বীকাৰ কৰিলে। সেইদিন ঘটনাৰ পাছৰে পৰা সি আজিলৈকে আৰু এটা কথাও কোৱা নাই।'

'বিচাৰৰ সময়ত তেওঁ আত্মপক্ষ সমৰ্থনৰ কোনো ধৰণৰ চেষ্টা কৰা নাছিলনে?'

'নাই।'

'কিয় মোহনীজনীক হত্যা কৰিলে সেই বিষয়ে কাৰোবাক কিবা কৈছেনে?'

'কাকোৱেই একো কোৱা নাই।'

'সঁচাকৈ বৰ অদ্ভুত। আচ্ছা, সেই ঘটনাটো ঘটাৰ আগৰে পৰাই আপুনি তেওঁক চিনি পাইছিল নেকি?'

'হঁ। আমি দুয়োজন একেলগে ডাঙৰ হৈছিলো আৰু দুয়োৰে বয়স প্ৰায় সমানেই হ'ব।'

'জেলৰ পৰা ওলাই অহাৰ পাছত তেওঁৰ আচাৰ-ব্যৱহাৰৰ মাজত কিবা পৰিৱৰ্তন লক্ষ্য কৰিছিলনে?'

'হুম... কথা খুলিয়েই ক'ব পাৰি। সি সদায়ে আনকি ডেকাকালতো খুব কম কথা কৈছিল। অৱশ্যে খেমেলীয়া প্ৰকৃতিৰ খুলিলে সি বুজাব, সি আছিল প্ৰায় তেনে প্ৰকৃতিৰ আৰু মাতটো আছিল কম মিঠা।'

'তেওঁ ধৰ্মভীৰু নে কি বাৰু?'

'তেনেদৰে ক'ব বিচাৰিলে তেনেকৈয়ে ক'ব পৰা যায়, কিন্তু মই তেওঁক কেতিয়াও মন্দিৰলৈ নাইবা অইন কোনো ধৰ্মস্থানলৈ যোৱা দেখা নাই। তেওঁ কেতিয়াও কোনো দেৱতা বা আত্মীয়ৰ কথা মুখেৰে উচ্চাৰণ কৰা শুনা নাই।'

'তেওঁ এতিয়া ক'ত, কেনেদৰে থাকে?'

'তাৰ নিজৰ এটা সৰু ঘৰ আছিল, লগতে এখনি বাগিচা। আগতে আছিল বেছ ডাঙৰ-দুঙৰ চিকুণ গছ আৰু কেইজোপামান আঙুৰ। জেলৰ পৰা ওলাই আহি দেখিলে যে ঘৰটোৰ অৱস্থা একেবাৰে জৰাজীৰ্ণ হৈ পৰিছে, সেইটো ঠিকঠাক কৰিব'লৈ সি অৱশ্যে চেষ্টা নকৰিলে। এতিয়া জোপোহা এডালৰ দৰে হৈ উঠা চিকুণ গছৰ তলত এই জুপুৰি ঘৰটো তাৰ বাকীবোৰ কটাইছে। ইয়াৰ দিনকেইটাত সি কি কৰিব ক'বই পৰা নাই।'

'তেওঁ অতীতত কৰা কাৰ্যৰ বাবে অনুতপ্ত বুলি আপুনি ভাবেনে?'

'সেইটো মই কেনেকৈনো কৰ্ত কৰিছোঁ, নিজৰ কামৰ বাবে সি কেতিয়াও কাকো সৈতে কোনো ধৰণৰ কথা-বতৰা নাপাতে। অৱশ্যে তাৰ চকুৰে-মুখে অলপ এটা ভাৱ ফুটি উঠে যিটো আগতে কেতিয়াও দেখা নাছিলো।'

'কেনেকুৱা?'

'তাৰ উদাস চকুৰ চাৱনিটোত বৰ অদ্ভুত ধৰণৰ। সি সাধাৰণতে চকু দুটা তুলি নাচায়, যদি কেতিয়াবা আপোনাৰ ফালে চায়ও, এনেহে লাগিব যেন আপোনাক ক'ৰবাত এৰি থৈ তাৰ দৃষ্টি বহু দূৰলৈ, ক'ৰবালৈ গুচি গৈছে। তদুপৰি তাৰ ওঁঠ দুটা সকলো সময়তে কঁপি থাকে, যেন তাত এটা মাৰিহে পৰিছে। সি তাক আঁতৰাবলৈ চেষ্টা কৰি আছে, কিন্তু মাখিটো কোনোপধ্যে আঁতৰ পৰা নুগুচে। মাজে মাজে মই তাক আপোনমনে বিৰবিৰাই থকা শুনিছোঁ, যেন খুব সৰু মাতেৰে কাৰোবাক ধমকিহে দিছে। সি আগতে কেতিয়াও এনেকুৱা নকৰিছিল। মোৰ ধাৰণা সি হয়তো এনেকৈয়ে এদিন পাগল হিচাপে পৰিচিত হ'ব।'

